● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

অপ্ৰয়োজনীয় সতৰ্কতাৰ ওচৰত নিজকে সমৰ্পণ নকৰিব। শোচনীয় পৰিস্থিতিৰ বাবে প্ৰস্তুত থকা উচিত, কিন্তু তেনে নিশ্চিতভাৱে হ'বই বুলি ভবাৰ কাৰণ নাই।

জেন অষ্টেন
*ইংৰাজ ঔপন্যাসিকা*



৭ নিম্ন বৰ্ণৰ একে পৰিয়ালৰ চাৰি সদস্যক হত্যা-ধৰ্ষণ
১৫ শ্ৰেয়াছৰ শতকৰ পাছত কিৰিৰ সংগ্ৰাম
৪ নিৰ্বাচনী ৰাজনীতিৰ বেদীত আৰ্থিক সংস্কাৰৰ উছৰ্গা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৫১তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১০ আঘোণ ১৪২৮ ভাস্কৰাব্দ ২৭ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 27 November 2021 মূল্য ঃ ৯.০০ টকা

## উৎকোচ দি নিযুক্তি লাভ কৰা গাঁওবুঢ়াক সোধ-পোছ তদাৰকী শাখাৰ

### আতিকা-ছইবৰৰ দুৰ্নীতিৰ বহু তথ্য লাভ

**মানকাচৰ, ২৬ নৱেম্বৰ ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাত গাঁওবুঢ়া নিযুক্তিত সংঘটিত বিয়াগোম কেলেংকাৰি সন্দৰ্ভত কালিৰে পৰা দ্বিতীয়বাৰৰ বাবে পুনৰ মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাই হাটশিঙিমাৰীত তদন্ত আৰম্ভ কৰিছে। তদাৰকী শাখাৰ তিনিজনীয়া দল *১০ পৃষ্ঠাত চাওক*

## ■ পাঁচ বছৰে পৌৰ নিগমে চিনাক্ত কৰিবই নোৱাৰিলে বস্তি অঞ্চল

'অসম বস্তি অঞ্চল (উন্নয়ন আৰু মুকলি) আইন, ১৯৫৯' ধোৱাঁচাঙত

# পাঁচ হেজাৰ কোটি আবণ্টন সত্ত্বেও বস্তি অঞ্চলত নহ'ল এটাও ঘৰ



*শ্ৰমিক বিৰোধী নীতি বাতিলৰ দাবীত ট্ৰেড ইউনিয়নৰ প্ৰতিবাদ।*

### পাঁচ বছৰত ব্যয় মাত্ৰ ১৬.৫ কোটি টকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ নৱেম্বৰ ঃ** যি সময়ত কেন্দ্ৰীয় চৰকাৰে পুঁজি আবণ্টন নিদিয়াৰ ফলত অথবা ৰাজ্য চৰকাৰৰ নিজস্ব পুঁজিৰ নাটনিৰ ফলত বহু চৰকাৰী আঁচনি ফাইলৰ মাজত আবদ্ধ হৈ আছে, তেনে সময়তে প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰ)ৰ ৰূপায়ণৰ ক্ষেত্ৰত সম্পূৰ্ণ ওলোটা ছবি পোহৰলৈ আহিছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰতি বছৰে সম্পূৰ্ণৰূপে *১০ পৃষ্ঠাত চাওক*

## ■ আফ্ৰিকাত চিনাক্ত হ'ল কৰ'নাৰ নতুন প্ৰজাতি ■ শংকিত পুঁজি বজাৰো ঃ ছেনছেক্সৰ বৃহৎ পতন ■ ৰাজ্যক সতৰ্ক কৰিলে কেন্দ্ৰই

# অধিক সংক্ৰামক হৈ উঠিব কৰ'না

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৬ নৱেম্বৰ ঃ** ক্ৰমাগত জিন-বিন্যাস পৰিৱৰ্তনৰ ফলত সংক্ৰমণ ক্ষমতা অধিক বৃদ্ধি পালে কৰ'না ভাইৰাছৰ কে'বাটাও নতুন প্ৰজাতিৰ। ভৱিষ্যতে ভাৰতসহ বিভিন্ন দেশত অধিক সংক্ৰামক প্ৰজাতিৰ ক'ভিড ভাইৰাছৰ সন্ধান লাভৰ সম্ভাৱনা আছে বুলি সতৰ্কতা জাৰি কৰিলে একাংশ ভাইৰাছ বিশেষজ্ঞই। দক্ষিণ আফ্ৰিকা, বটছ্ৱানা আৰু হংকঙত শেহতীয়াভাৱে সন্ধান লাভ কৰা

### জিনৰ বিন্যাস সলনি হৈছে দ্ৰুত

কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি বি.১.১৫২৯ৰ আবিৰ্ভাৱ হৈছে প্ৰায় ৫০ বাৰ জিনৰ বিন্যাস সলনিৰ ফলত। ফলত এতিয়ালৈকে ৩২ বাৰকৈ সলনি হৈছে এইবিধ ক'ভিড ভাইৰাছৰ স্পাইক প্ৰ'টিনৰ চৰিত্ৰ। এই পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি একাংশ ভাইৰাছৰ বিশেষজ্ঞই শংকা প্ৰকাশ কৰি কৈছে যে ভৱিষ্যত স্পাইক প্ৰ'টিনৰ বিন্যাস সলনিৰ অধিক অভিলেখ ৰচিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ লগতে আগন্তুক দিনত কৰ'না ভাইৰাছ অধিক বিপজ্জনক হ'ব পাৰে বুলিও সকীয়াই দিলে ভাইৰাছ বিশেষজ্ঞই। *১০ পৃষ্ঠাত চাওক*

## লোকসেৱা আয়োগৰ পৰীক্ষাত অসমীয়া কাকত প্ৰত্যাহাৰ ■ চৰকাৰক গৰিহণা দল-সংগঠনৰ

# সিদ্ধান্ত বাতিল কৰি চৰকাৰক ক্ষমা খোজাৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ নৱেম্বৰ ঃ** অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমীয়া ভাষাৰ যোগ্যতামূলক কাকত বঙাইগাঁৱত অনুষ্ঠিত হোৱা ৰাজ্যিক কেবিনেটে প্ৰত্যাহাৰ কৰি তিনিটাকৈ চৰ্ত আৰোপৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তত ৰাজ্যত ক্ষোভৰ সৃষ্টি হৈছে। চৰকাৰৰ এই সিদ্ধান্তক হঠকাৰী আৰু জাতিধ্বংসী আখ্যা দি অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদকে ধৰি বহু *১০ পৃষ্ঠাত চাওক*

মহানগৰীৰ হোটেলত চাকৰিৰ নামত বেহা

## ভুৱা নিযুক্তি-পৰিচয় পত্ৰ জব্দ ঃ ধৃত তিনি প্ৰৱঞ্চক



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ নৱেম্বৰ ঃ** শতাধিক নিবনুৱাক স্বাস্থ্য বিভাগত চাকৰি দিয়াৰ প্ৰলোভনেৰে মহানগৰীৰ হোটেলত চাকৰিৰ বেহা মেলা এটা প্ৰৱঞ্চক চক্ৰক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি *১০ পৃষ্ঠাত চাওক*

## প্ৰদীপ দত্তৰয়ক সোধ-পোছ আৰক্ষী অধীক্ষকৰ

# বৰাকৰ নেতাৰ সকীয়নিত প্ৰশাসনে আঁতৰ কৰিলে অসমীয়া ভাষাৰ বেনাৰ



**বিশেষ সংবাদদাতা**
**কৰিমগঞ্জ/লখিমপুৰ, ২৬ নৱেম্বৰ ঃ** পুনৰ বৰাক উপত্যকাত বাঙালী সংগঠনৰ নেতা প্ৰদীপ দত্তৰয়ৰ সকীয়নিত জিলা প্ৰশাসনেই আঁতৰ কৰিলে অসমীয়া ভাষাৰ বেনাৰ-প'ষ্টাৰ। বৰাক ডেম'ক্ৰেটিক ফ্ৰণ্টৰ নেতা দত্তৰয়ই ২৪ ঘণ্টাৰ ভিতৰত বেনাৰ-প'ষ্টাৰসমূহ আঁতৰ কৰিবলৈ হুংকাৰ দিয়াৰ পাছতে প্ৰশাসনে আঁতৰাই নিলে অসমীয়া ভাষাৰ চৰকাৰী বিজ্ঞাপন। উল্লেখ্য যে শিলচৰ ৰেল ষ্টেছনৰ পাছত এইবাৰ ক'ভিডৰ প্ৰতিষেধক প্ৰদানৰ এটা অসমীয়া ভাষাত বিজ্ঞাপনৰ *১০ পৃষ্ঠাত চাওক*

## ভুৱা জনজাতি প্ৰমাণপত্ৰ লৈ 'নীট' পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ নৱেম্বৰ ঃ** চলিত বৰ্ষৰ মেডিকেল পাঠ্যক্ৰমত নামভৰ্তিৰ সৰ্বভাৰতীয় 'নীট' পৰীক্ষাত ৰাজ্যৰ আঠগৰাকী অজনজাতীয় পৰীক্ষাৰ্থীয়ে ভুৱা জনজাতীয় প্ৰমাণপত্ৰ লৈ মেধাৰ তালিকাত স্থান লৈ উত্তীৰ্ণ হোৱা বুলি অভিযোগ *১০ পৃষ্ঠাত চাওক*



## অসম-মেঘালয় সীমান্তত উত্তেজনা, থানা ঘেৰাও কৰি অসমীয়াক ভাবুকি

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৬ নৱেম্বৰ ঃ** অসম-মেঘালয় সীমা বিবাদক কেন্দ্ৰ কৰি সম্প্ৰতি বকোৰ সীমামূৰীয়া অঞ্চলত চেপা উত্তেজনা বিৰাজ কৰিছে। অভিযোগ অনুসৰি, সীমান্তত বসবাস কৰা একাংশ অসমৰ বাসিন্দাৰ *১০ পৃষ্ঠাত চাওক*






দৈনিক অগ্ৰদূত
গুৱাহাটী ২৭ নৱেম্বৰ, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

## ভূটান সীমান্তত অব্যাহত হাতী-মানুহৰ সংঘাত

■ বনৰীয়া হাতীৰ আক্ৰমণত নিহত এজন তামুলপুৰত ■ বৃদ্ধক গচকি মাৰিলে ছালাকাটিত

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ/কোকৰাঝাৰ, ২৬ নৱেম্বৰ ঃ** অবাধ বন ধ্বংসৰ ফলত বৃদ্ধি পোৱা হাতী-মানুহৰ সংঘাতৰ ফলত আজি ৰাজ্যত হাতীৰ আক্ৰমণত দুজন লোকৰ মৃত্যু হয়। তামুলপুৰ মহকুমাৰ ভূটান সীমান্তৰ শান্তিপুৰত আজি পুৱা বনৰীয়া হাতীৰ আক্ৰমণত পুনৰ এজন লোকে কৰুণ মৃত্যুক সাৱটি ল'ব লগা হয়। বনৰীয়া হাতীৰ আক্ৰমণত নিহত লোকজন হৈছে শান্তিপুৰ গাঁৱৰ মানিৰ দাসৰ পুত্ৰ অজয় দাস (৩৫)। প্ৰাপ্ত তথ্য অনুসৰি, ভূটান ছয় পৃষ্ঠাত চাওক

### সোঁতৰ বিপৰীতে



■ ৰাজ্যজুৰি কৃষক সভা চি আই টি ইউৰ চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ

# কৃষক-শ্ৰমিকৰ স্বাৰ্থত আইন বলৱতৰ দাবী



বঙাইগাঁৱত বাঁও সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচী, শুকুৰবাৰে।

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা/অগ্ৰদূত ব্যুৰ'**

**শিৱসাগৰ/নগাঁও/নলবাৰী/বঙাইগাঁও, ২৬ নৱেম্বৰ ঃ** নলবাৰী চহৰত আজি চিআইটিইউ আৰু কৃষক সভাৰ উদ্যোগত প্ৰতিবাদ দিৱস পালন কৰা হয়। প্ৰতিবাদকাৰীসকলে চিআইটিইউ সন্মুখত এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। বামপন্থী নেতা মহেশ্বৰ দত্তৰ পৌৰাহিত্যত অনুষ্ঠিত সভাত বক্তব্য আগবঢ়ায় নলবাৰী জিলা চিআইটিইউৰ জিলা সভাপতি নৃপেন কলিতা আৰু কৃষক সভাৰ সম্পাদক ৰবীন মিশ্ৰই। বক্তাসকলে কৃষক বিৰোধী কৃষি আইন তিনিখন সংসদত প্ৰত্যাহাৰ কৰা, শ্ৰমিক বিৰোধী শ্ৰম সাহিত্য বাতিল কৰিবলৈ বিজেপি চৰকাৰক দাবী জনায়। সমগ্ৰ দেশত ট্ৰেড ইউনিয়নসমূহৰ যৌথ মঞ্চ আৰু সংযুক্ত কিষাণ মৰ্চাই আহ্বান জনোৱা দেশজোৰা প্ৰতিবাদ দিৱস নলবাৰীতো পালন কৰা হয়। বক্তাসকলে বিজেপি চৰকাৰখনক মিছলীয়া চৰকাৰ ছয় পৃষ্ঠাত চাওক

■ তদন্তৰ দাবীৰে উপায়ুক্তক ৰাইজৰ অভিযোগ

## মাটিয়াৰ উজিৰৰ চৰ এন চি প্ৰাথমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ চাউল নষ্ট



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৬ নৱেম্বৰ ঃ** মাটিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত উজিৰৰ চৰ এন চি প্ৰাথমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ কে'বাবেগ চাউল পচি নষ্ট হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত আজি স্থানীয় একাংশ সচেতন ৰাইজে জিলা উপায়ুক্তক এখনি লিখিত অভিযোগ দাখিল কৰে । উক্ত অভিযোগ পত্ৰত উল্লেখ কৰা মতে, বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীৰ স্বামী আব্দুৰ ৰহিমৰ গাফিলতিৰ বাবেই মধ্যাহ্ন ভোজনৰ চাউলখিনি পোকে ধৰি পচি নষ্ট হৈছে। স্থানীয় সচেতন ৰাইজৰ লগতে বিদ্যালয় পৰিচালনা সমিতিয়ে অন্যান্য বিদ্যালয়ৰ দৰে বিভাগীয় নিয়ম অনুযায়ী ৰাহি হোৱা মধ্যাহ্ন ভোজনৰ অতিৰিক্ত চাউল ছাত্ৰ ছাত্ৰীৰ মাজত বিতৰণ কৰিবলৈ প্ৰধান শিক্ষয়িত্ৰীক পৰামৰ্শ আগবঢ়ায়। কিন্তু বিদ্যালয়খনৰ উন্নয়নমূলক সকলো কামৰ ক্ষেত্ৰত নিজৰ বাহুবল প্ৰয়োগ কৰি বাধা দিয়াৰ লেখীয়াকৈ মধ্যাহ্ন ভোজনৰ চাউল বিতৰণৰ ক্ষেত্ৰতো প্ৰধান শিক্ষয়িত্ৰীৰ স্বামীয়ে অবাঞ্ছিত হস্তক্ষেপ কৰা বুলি অভিযোগ পত্ৰত উল্লেখ কৰা হৈছে। অৱশ্যে এই বাতৰি যুগুতোৱাৰ সময়ত প্ৰধান শিক্ষয়িত্ৰী গৰাকীৰ মন্তব্য জানিব পৰা হোৱা নাই।

## লখিমপুৰত মোনাত ভৰাই শ্মশানত পেলাই থৈ গ'ল নৱজাতকক

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ২৬ নৱেম্বৰ ঃ** আজি পুৱাই লখিমপুৰ নগৰক এক মৰ্মস্পৰ্শী ঘটনাই জোকাৰি যায়। নগৰৰ খেলমাটি আৰক্ষী চকীৰ নিচেই সমীপতে থকা শিৱ মন্দিৰ শ্মশানত পুৱা এটা নৱজাতকৰ মৃতদেহ উদ্ধাৰ হয়। শ্মশানখনৰ গেট বন্ধ আছিল যদিও গেটৰ ভিতৰ দিশে এটা মোনাত ভৰাই নৱজাতকৰ ছয় পৃষ্ঠাত চাওক

■ ৩৭ (ক) নম্বৰ ঘাইপথত তীব্ৰ যান-জঁটৰ সৃষ্টি

## কলিয়াভোমোৰা দলঙৰ ৰেলিঙত খুন্দা মাৰি ওলমি ৰ'ল কন্টেইনাৰ



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৬ নৱেম্বৰ ঃ** ৰাজ্যৰ উত্তৰ পাৰৰ সংযোগৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ কলিয়াভোমোৰা দলঙত আজি পুনৰ এক বৃহৎ দুৰ্ঘটনা সংঘটিত হয়। ফলত ৩৭ (ক) নম্বৰ ৰাষ্ট্ৰীয় পথত আজি দিনৰ প্ৰায় ১১ বজালৈকে তীব্ৰ যান- জঁটৰ সৃষ্টি হয়। দলংখনৰ দুয়োপাৰে অসংখ্য যানবাহন আৱদ্ধ হৈ পৰে। যোৱা ২২ নৱেম্বৰৰ নিশা সংঘটিত দুৰ্ঘটনাৰ ফলত সন্ধানহীন হোৱা ট্ৰাকখনৰ ছয় পৃষ্ঠাত চাওক

## নগাঁৱৰ বিশিষ্ট সমাজকৰ্মী ডাঃ শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ নৱেম্বৰ ঃ** নগাঁও চহৰৰ পানীগাঁও শ্ৰীমন্ত শংকৰ মিছন পথ নিবাসী তথা অসম চৰকাৰৰ পশুপালন বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক ডাঃ শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা (৭৪)ৰ নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পাতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। নগাঁৱৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত শৰ্মাৰ কালি পুৱা অসুস্থ হৈ পৰে আৰু ততাতৈয়াকৈ পৰিয়ালৰ লোকে নগাঁও চহৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হয় যদিও তেওঁৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী ছয় পৃষ্ঠাত চাওক



ড° নগেন শইকীয়াক 'সাহিত্য শিৰোমণি সন্মান' প্ৰদান

## কিতাপ পঢ়া জ্ঞান-আনন্দ লাভৰ বাবে ঃ ড° শইকীয়া

**বিশেষ সংবাদদাতা,**

**ডিব্ৰুগড়, ২৬ নৱেম্বৰ ঃ** 'ডিজিটেল জগতে লোপ পেলাব নোৱাৰে গ্ৰন্থ জগতখনক। আমাক যদিও বিজ্ঞান আৰু কাৰিকৰী বিদ্যাই অতি উচ্চ স্তৰৰ সভ্যতাৰ বুকুলৈ লৈ আহিছে, আমি দৰাচলতে মাটিত ভৰি থৈহে সেই উচ্চতালৈ বগাব পাৰো। অনলাইন হ'ব নোৱাৰে বি অফ লাইন। সেয়ে মই ভাবো যে ডিজিটেল জগতখন থাকিবই। কিন্তু সেই ডিজিটেল জগতখনে আমাৰ গ্ৰন্থ জগতখন সম্পূৰ্ণৰূপে নাইকিয়া কৰিব নোৱাৰিব। কিতাপ থাকিবই। মাথোঁ আকাৰ-প্ৰকাৰ বেলেগ ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত পথ দুৰ্ঘটনাত নিহত এক

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ২৬ নৱেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত হাৱাপুতাস্থিত ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। অসম-বংগ সীমান্তৰ এক নম্বৰ গোলাডাংৰি গাঁৱৰ প্ৰতাপ সিং বসুমতাৰী (৫৫) নামৰ লোকজনে এ এছ-১৬ জি এ-৪৬০৫ নম্বৰৰ মটৰ চাইকেলখনৰে গোসাঁইগাঁৱৰ পৰা শ্ৰীৰামপুৰ অভিমুখে গৈ থকা অৱস্থাত ছয় পৃষ্ঠাত চাওক

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাম প্ৰসাদ দেউৰীৰ বিয়োগ



**ষ্টাফ ৰিপ'ৰ্টাৰ / বিশেষ সংবাদদাতা**

**যোৰহাট/ডিব্ৰুগড়, ২৬ নৱেম্বৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাম প্ৰসাদ দেউৰী (৯৭)ৰ যোৱা নিশা ৯-৩০ বজাত যোৰহাটৰ এখন চিকিৎসালয়ত মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত অসুস্থ হৈ কিছুদিন এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। উল্লেখ্য যে অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰা দেউৰীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগত যোগদান কৰাৰ পূৰ্বে যোৰহাটৰ জগন্নাথ বৰুৱা ছয় পৃষ্ঠাত চাওক

■ দুৰ্ঘটনাগ্ৰস্ত ই-ৰিক্সা মুকলি কৰি দিয়াৰ নামত নহেজাৰ টকা আদায় ■ উৎকোচ দিয়া দালালক আটক

## উৎকোচ লৈ নিলম্বিত ডবকা আৰক্ষী থানাৰ সহকাৰী উপ-পৰিদৰ্শক



**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ/হোজাই, ২৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীত ব্যাপক সংস্কাৰ সাধনৰ বাবে প্ৰচেষ্টা চলাই থকা বুলি ঘোষণা কৰাৰ সময়তে হোজাই জিলাৰ ডবকাত উৎকোচ লোৱাৰ অভিযোগত আজি চাকৰিৰ পৰা নিলম্বিত হ'ল এজন সহকাৰী উপ-পৰিদৰ্শক। এখন ই-ৰিক্সা মুকলি কৰি দিয়াৰ নামত নহেজাৰ টকা উৎকোচ লোৱাৰ ভিডিঅ' ভাইৰেল হৈ পৰাৰ পাছত তাৎক্ষণিকভাৱে জিলা আৰক্ষী অধীক্ষকে আজি এই পদক্ষেপ গ্ৰহণ কৰিছে। তথ্য মতে, ডবকা থানাত কৰ্মৰত সহকাৰী উপ-পৰিদৰ্শক হৰিকমল দাসে উৎকোচ লোৱাৰ ভিডিঅ' সামাজিক মাধ্যমত কালি সন্ধিয়া ভাইৰেল হোৱাৰ পাছত সৃষ্টি হৈছিল তীব্ৰ প্ৰতিক্ৰিয়া। সহকাৰী উপ-পৰিদৰ্শকজনে মিঠুন চক্ৰৱৰ্তী নামৰ এজন দালালৰ জৰিয়তে নহেজাৰ টকা সংগ্ৰহ কৰাৰ এটা ভিডিঅ' ভাইৰেল হয়। হোজাই জিলা আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই এই ঘটনাৰ তদন্ত চলাই আজি আৰক্ষী বিষয়াজনক চাকৰিৰ পৰা নিলম্বন কৰে। অভিযোগ মতে, এমাহ পূৰ্বে ডবকা আৰক্ষী থানাৰ অন্তৰ্গত ছয় পৃষ্ঠাত চাওক

## বিশিষ্ট সত্ৰীয়া শিল্পী বাসুদেৱ দাসৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**বৰপেটা ২৬ নৱেম্বৰ ঃ** বিশিষ্ট সত্ৰীয়া তথা ভোৰতাল নৃত্যৰ সুনিপুণ শিল্পী, শংকৰদেৱ কলাক্ষেত্ৰৰ সভাপতি, বৰপেটা চহৰৰ মাজৰহাটী নিবাসী বাসুদেৱ দাসৰ আজি পুৱা নিজ বাসভৱনত মৃত্যু হয়। বিশিষ্ট শিল্পীজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ অসংখ্য গুণমুগ্ধই শেষ শ্ৰদ্ধা নিবেদন কৰে। ছয় পৃষ্ঠাত চাওক

## লক্ষীপুৰত উদ্ধাৰ হোৱা আই ডি বোমাত জড়িতৰ বাবে মহিলাসহ চাৰিজনক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**কৰিমগঞ্জ, ২৬ নৱেম্বৰ ঃ** কাছাৰ জিলাৰ লক্ষীপুৰত দুদিন পূৰ্বে উদ্ধাৰ হোৱা শক্তিশালী আই ডি বোমাৰ ঘটনাৰ সংক্ৰান্তত এগৰাকী মহিলাসহ চাৰিজনক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। যোৱা নিশা লক্ষীপুৰ অঞ্চলৰ বিভিন্ন ঠাইত অভিযান চলাই তেওঁলোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইগৰাকী ক্ৰমে বাচকান্দিৰ আহমেদ হুছেইন, আব্দুল চাহিন চৌধুৰী, চালেউদ্দিন আৰু জয়পুৰৰ লাকিবুন নেছা। এই সন্দৰ্ভত কাছাৰৰ আৰক্ষী অধীক্ষক ৰমনদ্বীপ কৌৰে সদৰী কৰা মতে লাকিবুন নেছা মণিপুৰৰ উগ্ৰপন্থী সংগঠন পি এল আইৰ সংযোগকাৰী। লাকিবুনৰে জড়িত পি এল আইৰ লগত সম্পৰ্ক ছয় পৃষ্ঠাত চাওক



জনসংযোগ/ডি/এফ/১৭০৬/২১

■ চিলিমখোৱাৰ পৰা নতুনডাংগালৈ, বদনামৰ পৰা সদনামলৈ সগৌৰৱী এক যাত্ৰা ■ 'যি কামত সন্মান আছে, তাতে আছে পৃথিৱীৰ সুখ'

## এসময়ৰ দুৰ্ধৰ্ষ চিকাৰীৰ গাঁও এতিয়া পৰ্যটকৰ আকৰ্ষণৰ প্ৰাণকেন্দ্ৰ



■ **জয়ন্ত কুমাৰ শৰ্মা**

**কলিয়াবৰ, ২৬ নৱেম্বৰ ঃ** চৰাণ আহেম এতিয়া দিনত দেশী-বিদেশী পৰ্যটনপ্ৰেমীৰ বাবে এক অন্যতম আকৰ্ষণৰ প্ৰাণকেন্দ্ৰ। অৱস্থিতি কলিয়াবৰ মহকুমাৰ পূৱ প্ৰান্তৰ দক্ষিণে কাৰ্বি পাহাৰ আৰু উত্তৰে বানেশ্বৰ পাহাৰৰ নামনিৰ নতুনডাংগা নামৰ কাৰ্বি জনগোষ্ঠীয় বসতিপ্ৰধান গাঁওখনৰ এটি সেউজ পাহাৰ টিলা। ইয়াৰ দাঁতিৰে পৰাই পৰ্যটনৰ মধ্যমণি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। এই পাহাৰটিলাতে এতিয়া দিনে-নিশাই ব্যস্ত এজাক কৰ্মমুখী মানুহ। তামোলৰ শেলেঙী লগোৱা বৃদ্ধ-বৃদ্ধাৰ পৰা ডেকা-গাভৰুলৈকে সকলো ব্যস্ত এই পাহাৰৰ নামনিৰ সেউজীয়া টিলাটোক লৈ। কাৰণ এই সেউজীয়া টিলাটোতে এওঁলোকে গঢ়ি তুলিছে এওঁলোকৰ সপোনৰ স্থান 'চৰাণ আহেম'। শব্দটো মূলতঃ কাৰ্বি ভাষাৰ। অসমীয়া পৰিভাষা আখল বা পাকঘৰ, ৰান্ধনীঘৰ আদি। এই 'চাৰণ আহেম'তে এতিয়া চুঙা চাউলৰ পৰা আৰম্ভ কৰি জনজাতীয় ৰন্ধন প্ৰণালীৰে তৈয়াৰ কৰা গাহৰি, কুকুৰাৰ মঙহ, চুঙাত দিয়া, পাতত দিয়া, পোৰা মাছ, ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ১০ আঘোণ ১৪২৮ ভাস্কৰাব্দ ২৭ নৱেম্বৰ ২০২১



# কংগ্ৰেছৰ বিপৰ্যয়

মেঘালয়ৰ ১২ জনকৈ কংগ্ৰেছ বিধায়কে দলত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগদান কৰা ঘটনাই দেশৰ ৰাজনীতিত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মুকুল চাংমাৰ নেতৃত্বত ১২ জন কংগ্ৰেছ বিধায়কে মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছত যোগদান কৰাৰ পাছত কংগ্ৰেছ সম্প্ৰতি দেশত বিৰোধী দল হিচাপে সম্পূৰ্ণ ব্যৰ্থ হোৱা বুলিও অভিযোগ কৰিছে। চাংমাৰ অভিযোগ অনুসৰি, কংগ্ৰেছে দেশত সম্প্ৰতি এক সক্ৰিয় আৰু ফলদায়ক বিৰোধী দল হিচাপে কাৰ্যনিৰ্বাহ কৰাত ব্যৰ্থ হৈছে। মেঘালয়ত চাংমাৰ নেতৃত্বত এইদৰে হঠাতে ১২জন কংগ্ৰেছ বিধায়কে দলত্যাগ কৰাত এতিয়া ৰাজ্যখনত তৃণমূল কংগ্ৰেছ মূল বিৰোধী দলত পৰিণত হ'ল। কংগ্ৰেছ ত্যাগ কৰি আগশাৰীৰ নেতাই তৃণমূল কংগ্ৰেছ বা আন দলত যোগদান কৰাৰ ঘটনা এয়াই প্ৰথম নহয়। শেহতীয়াভাৱে কংগ্ৰেছ নেতা কীৰ্তি আজাদ আৰু অশোক তানৱাৰে তৃণমূল কংগ্ৰেছৰ সদস্য পদ গ্ৰহণ কৰিছে। তাৰ পূৰ্বে অভিজিৎ মুখাৰ্জী, সুস্মিতা দেৱৰ দৰে কংগ্ৰেছ নেতায়ো দলৰ প্ৰতি তীব্ৰ ক্ষোভ উজাৰি তৃণমূল কংগ্ৰেছত যোগদান কৰিছিল। তৃণমূল কংগ্ৰেছত কেৱল কংগ্ৰেছৰ নেতাই নহয়, বিজেপিসহ আন দলৰ একাংশ নেতায়ো ইতিমধ্যে যোগদান কৰিছে। লোকসভাৰ ২০২৪ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তৃণমূল কংগ্ৰেছে এইদৰে সক্ৰিয়তা প্ৰদৰ্শন কৰাৰ বিপৰীতে কংগ্ৰেছক তেনেই নিষ্প্ৰভ হৈ আছে। এজনৰ পাছত আন এজন নেতাই এইদৰে কংগ্ৰেছ ত্যাগ কৰি আন দলত যোগদান কৰাৰ পাছতো কিন্তু কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই তেনে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

স্বাধীনোত্তৰ কালত দেশক সৰ্বাধিক সময় শাসন কৰা কংগ্ৰেছৰ বৰ্তমানৰ দুৰ্বল অৱস্থালৈ লক্ষ্য কৰি বহুতেই অবাক হৈছে। ক্ষমতা দখল কৰিবলৈ কেৱল বিফল হোৱাই নহয়, বিৰোধী দল হিচাপেও কংগ্ৰেছে সক্ৰিয় ভূমিকা ল'বলৈ ব্যৰ্থ হোৱা বুলি স্বয়ং নিজ দলৰে নেতাই অভিযোগ কৰি দলত্যাগ কৰা ঘটনাৰ পৰাই বুজিব পাৰি এসময়ৰ সৰ্ববৃহৎ দলটোৰ বৰ্তমানৰ অৱস্থা কেনে হৈছে। লোকসভাৰ বিগত নিৰ্বাচনৰ পাছৰে পৰা বৰ্তমানলৈকে কংগ্ৰেছে এজন স্থায়ী ৰাষ্ট্ৰীয় মুৰব্বী নিৰ্বাচন কৰিবলৈ সক্ষম নহ'ল; কিন্তু কিয় কংগ্ৰেছে ইমানদিনে সভাপতি এজন নিযুক্ত কৰিব পৰা নাই? কংগ্ৰেছ ত্যাগ কৰা নেতাসকলে অভিযোগ কৰি আহিছে যে দলৰ শীৰ্ষ নেতৃত্বই নেতা-কৰ্মীৰ মতামত গ্ৰহণ অবিহনে বিভিন্ন বিষয়ত সিদ্ধান্ত লৈ আহিছে। তৃণমূল পৰ্যায়ত দলৰ নেতা-কৰ্মীসকল উপেক্ষিত হোৱাৰ অভিযোগক কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই গুৰুত্ব সহকাৰে নোলোৱাত ক্ষুব্ধ নেতাৰ বাবে দল ত্যাগৰ বিকল্প নোহোৱা হৈছে। মেঘালয়ৰ শেহতীয়া ঘটনাৰ পৰাই এই কথা স্পষ্ট হৈছে; কিন্তু এনেবোৰ ঘটনা কংগ্ৰেছত শেহতীয়াভাৱে সঘনে সংঘটিত হোৱাৰ পাছতো দলৰ নেতৃত্বই ইয়াৰ পৰা কোনো শিক্ষা আহৰণ কৰা পৰিলক্ষিত হোৱা নাই। উত্তৰ প্ৰদেশ, পঞ্জাৱৰ বিধানসভাৰ নিৰ্বাচনৰ লগতে সন্মুখত দেশৰ পৰৱৰ্তী লোকসভাৰ নিৰ্বাচন আছে। এনে সময়তে দেশৰ প্ৰধান বিৰোধী দল হিচাপে কংগ্ৰেছ সক্ৰিয় আৰু আগ্ৰাসী হোৱাৰ পৰিৱৰ্তে সৰ্বত্ৰতে দলটো তেনেই নিষ্প্ৰভ আৰু দুৰ্বল হৈছে। পঞ্জাৱত কেপ্তেইন অমৰিন্দৰ সিঙে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰিয়ে দলত্যাগ কৰিছিল। সিঙৰ কংগ্ৰেছ ত্যাগৰ পাছত এতিয়া আগন্তুক বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে পঞ্জাৱৰ ৰাজনৈতিক দৃশ্যপটো সলনি হৈছে। আগন্তুক নিৰ্বাচনত এইখন ৰাজ্য কংগ্ৰেছে নিজৰ দখলত ৰাখিব পাৰিব নে নোৱাৰে, তাক লৈয়ো প্ৰশ্ন উত্থাপিত হৈছে। একেদৰে মেঘালয়তো প্ৰাক্তন মুখ্যমন্ত্ৰী চাংমাৰ দৰে প্ৰভাৱশালী নেতাই দল ত্যাগ কৰাত স্বাভাৱিকতে কংগ্ৰেছ ক্ষতিগ্ৰস্ত হ'ল। এতিয়া প্ৰশ্ন হ'ল, কংগ্ৰেছক দুৰ্বল কৰিছে কোনে? কংগ্ৰেছৰ এই দুৰ্দশাৰ বাবে দলটো নিজে দায়ী নহয় নে?

২০১৪ত কেন্দ্ৰত ক্ষমতাচ্যুত হোৱাৰ পাছৰে পৰা কংগ্ৰেছৰ বিপৰ্যয় অব্যাহত আছে। সম্প্ৰতি দলটোৰ অৱস্থা এনে হৈছে যে ই বিৰোধী দল হিচাপেও নিজৰ স্থান হেৰুৱাব লগীয়া প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল। দৰাচলতে সময় থাকোতেই শীৰ্ষ নেতৃত্বই কংগ্ৰেছৰ আভ্যন্তৰীণ সমস্যাসমূহৰ সমাধানৰ ব্যৱস্থা নকৰিলে আগন্তুক সময়ত দলটোৰ প্ৰতি প্ৰত্যাহ্বান বৃদ্ধি পোৱাটোৱে স্বাভাৱিক। কংগ্ৰেছত এতিয়া বহু যোগ্য নেতা আছে যিসকলক নেতৃত্বৰ ভাৰ অৰ্পণৰে দলটোৱে এক নতুন ৰাজনৈতিক যাত্ৰা আৰম্ভ কৰাৰ সুযোগ আছে। তদুপৰি তৰুণ প্ৰজন্মক অগ্ৰাধিকাৰ দিও কংগ্ৰেছে এই স্থৱিৰতা আঁতৰ কৰিব পাৰিব। অন্যথা মেঘালয়সদৃশ ঘটনা কংগ্ৰেছত অব্যাহত থকাৰে সম্ভাৱনা অধিক।

## খোলা মঞ্চ

# অসমীয়া বৰ্ণাঢ্য সাজ-পাৰ হেৰাই যাব নেকি?



**অসমৰ** প্ৰতিটো জাতি-জনগোষ্ঠীৰে আছে স্বকীয় পোছাক-পৰিচ্ছদ। এই বৰ্ণাঢ্য সাজ-পোছাকসমূহে প্ৰতিটো জাতি-জনজাতিক প্ৰতিনিধিত্ব কৰি আহিছে। আমি দেখি অহা আইতাহঁতৰ দিনৰে পৰা চলি অহা নাৰীৰ লাজ আৰু মৰ্যাদা ৰক্ষাৰ বাবে মেখেলা-চাদৰ, ছোৱালীৰ বাবে ফ্ৰক, পুৰুষৰ বাবে ধুতি আৰু পিৰন। কিন্তু বৰ্তমান যান্ত্ৰিকতাৰ ধামখুমীয়াত সময় ৰাহিৰ বাবে আৰু যাতায়াতৰ সুবিধাৰ বাবে নাৰী-পুৰুষ উভয়ে আধুনিক সাজপাৰ পৰিধান কৰিছে। সচৰাচৰ অসমীয়া বিবাহিতা মহিলাসকলে শিৰত সেন্দূৰ, কঁকালত মেখেলা-চাদৰ, হাতত খাৰু, কাণত কাণফুলী, ডিঙিত চেইন বা নেক্‌লেচ, আঙুলিত আঙঠি পিন্ধা এটা পৰম্পৰা ৰীতি। আকৌ পুৰুষসকলে হাত দীঘল চোলা বা পিৰন আৰু কঁকালত ধুতি পিন্ধে। অসমীয়া নাৰীয়ে অনুষ্ঠান ভেদে বিভিন্ন আভৰণেৰে অলংকৃতা হয়। উৎসৱ-পাৰ্বণ, বিহু, বিবাহ আৰু ধৰ্মীয় অনুষ্ঠানত বিশ্ব দৰবাৰত পৰিচিতি লাভ কৰা অসমৰ বস্ত্ৰনগৰী শুৱালকুছিত শিপিনীৰ দ্বাৰা তাঁতশালত উৎপাদিত পাট-মুগাৰ ৰিহা-মেখেলা-চাদৰযোৰ পৰিধান কৰি নিজকে অসমীয়া বুলি গৌৰৱবোধ কৰে। আনকি প্ৰবাসী মহিলাসকলেও উক্ত অনুষ্ঠানবিলাকত অসমীয়াৰ সাজপাৰ পিন্ধি নিজকে অসমীয়া বুলি দেশ-বিদেশত চিনাকি দাঙি ধৰে। এইটো এটা ইতিবাচক দিশ। অসমীয়া শিপিনীসকলৰ এটা সুনাম আছে। আনকি মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল— 'অসমীয়া নাৰীয়ে তাঁতশালত সপোন ৰচিব পাৰে।' পাট-মুগাৰ মেখেলা-চাদৰযোৰ পিন্ধিলে নাৰীৰ সৌন্দৰ্য অতিকৈ বৃদ্ধি পায়। পুৰুষসকলেও মুগা আৰু পাটৰ চোলা তৈয়াৰ কৰি পিন্ধি গৌৰৱান্বিত হয়। অসমত বসবাস কৰা জনজাতি বড়ো বাই-ভনীসকলে তেওঁলোকৰ নিজ হাতে প্ৰস্তুত কৰা সাজ-পোছাক পিন্ধে। বড়ো মহিলা আনকি ছোৱালীসকলেও বুকুত ব্লাউজৰ লগত দখনা, গাত ফাছৰা আৰু পুৰুষসকলে কঁকালত আঁঠুমূৰীয়া ফখৰা-চিতৰা গাম্‌চা, গাত গছলা (চোলা) আৰু ডিঙিত ফুলাম আৰনাই পিন্ধে। এই তিনিবিধ বড়ো পুৰুষসকলৰ উমৈহতীয়া পৰম্পৰাগত সাজপাৰ। অসমীয়া নাৰীসকল বয়ন শিল্পত অতিকৈ সিদ্ধহস্ত। তথাপি অতি পৰিতাপৰ কথা যে আধুনিকতাৰ ধামখুমীয়াত আৰু নিজকে আধুনিকা সজাবলৈ গৈ পশ্চিমীয়া সংস্কৃতিৰ কৃত্ৰিম সাজপাৰ পৰিধান কৰিবলৈ লৈছে। যি পোছাকে সৌন্দৰ্য বঢ়োৱাৰ পৰিৱৰ্তে শালীনতা হানিৰ লগতে অসমীয়াৰ স্বাভিমানত আঘাত হানিছে। আনকি পিতৃ-মাতৃও নিজ সন্তানক অতি কৃত্ৰিম আধুনিকতম পোছাক-পৰিচ্ছদ পৰিধান কৰা দেখি চৰম লজ্জাবোধ কৰাৰ বিপৰীতে গৌৰৱবোধ কৰাহে পৰিলক্ষিত হয়। যাৰ বাবে নাৰী ধৰ্ষণৰ প্ৰৱণতা দিনক দিনে বৃদ্ধি পাইছে। ই কি! অসমীয়াৰ তথা নৱ প্ৰজন্মৰ বাবে জাতীয় স্বকীয়তা হেৰুওৱাৰ উপক্ৰম নহয় নে ? যিদৰে সন্তানক শৈশৱৰ পৰাই মাতৃভাষা শিকোৱাৰ পৰিৱৰ্তে বিদেশী ভাষা শিকাই 'অসমীয়া ভাষা ক'বলৈ নাজানে' বুলি গৌৰৱবোধ কৰে! এতিয়া বোৱাৰী নে জীয়ৰী চিনিবই দেখোন নোৱাৰি। প্ৰত্যেকৰে সাজপাৰ, পিন্ধন-উৰণ, চাল-চলন একেই হৈছে। ইয়াৰ দ্বাৰা এইটো সুচোৱা নাই যে অসমীয়া সাজপাৰযোৰৰ প্ৰতি তেওঁলোকৰ অনীহা! সেইদেখি ভয় হয় অসমীয়া বৰ্ণাঢ্য সাজপাৰ ভৱিষ্যতলৈ হেৰাই যাব নেকি? মুখেৰে ৰাজপথত অসমীয়া বুলি আন্দোলন কৰি চিঞৰ-বাখৰ কৰি থাকিলে কি হ'ব, যদিহে অসমীয়াৰ বাস্তৱ ছবিখন কৰ্মৰ জৰিয়তে, ভাষাৰ জৰিয়তে অথবা সাজপাৰৰ জৰিয়তে সমাজত প্ৰতিফলিত কৰিব নোৱাৰো। আমি আমাৰ কৰ্ম আৰু আদৰ্শৰ জৰিয়তে প্ৰতিগৰাকী নাৰী আৰু পুৰুষ উভয়ে নৱ প্ৰজন্মক শিকাব পাৰিব লাগিব যে আমি প্ৰকৃত অসমীয়া আৰু তেতিয়াহে অসমীয়াৰ বৰ্ণাঢ্য সাজপাৰ হেৰাই যোৱাৰ পৰিৱৰ্তে নৱপ্ৰজন্মৰ মাজত চিৰদিনলৈ অতি সন্মানীয় আৰু আদৰণীয় হৈ থাকিব।

**মীনা তালুকদাৰ,** লেখিকা

ফোন ঃ ৮০১১৩৩১০২৫

# মোদী চৰকাৰৰ চাঞ্চল্যকৰ সিদ্ধান্ত ঃ কৃষি আইন প্ৰত্যাহাৰ

## নিৰ্বাচনী ৰাজনীতিৰ বেদীত আৰ্থিক সংস্কাৰৰ উছৰ্গা

অৱলোকন



ড° জয়কান্ত শৰ্মা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ গুৰুপৰ্বৰ উপলক্ষত দেশবাসীক সম্বোধন কৰিলে; কিন্তু উনৈশ নৱেম্বৰৰ ওঠৰ মিনিটজোৱা ভাষণটোৰ কেন্দ্ৰবিন্দু আছিল, ২০২০ৰ ছেপ্টেম্বৰত উভয় সদনে গ্ৰহণ কৰা তিনিওখন সংস্কাৰকামী কৃষি আইন প্ৰত্যাহাৰৰ সিদ্ধান্ত। প্ৰধানমন্ত্ৰীয়ে দুখ প্ৰকাশ কৰিছে যে আইন তিনিখনৰ সুফল বন্তিৰ পোহৰৰ দৰে হোৱা সত্ত্বেও তেওঁৰ চৰকাৰে একাংশ কৃষকক সেই সম্পৰ্কে বুজোৱাত ব্যৰ্থ হ'ল। তাৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে তেওঁ দেশবাসীৰ ওচৰত ক্ষমাপ্ৰাৰ্থী বুলিও কৈছে।

উল্লেখযোগ্য যে গুৰু নানকৰ জন্ম শতবাৰ্ষিকীৰ দিনটোতে পাকিস্তানৰ কৰ্তাৰপুৰ চাহিবলৈ তীৰ্থযাত্ৰীৰ পথটো মুকলি কৰা হৈছে; মোদীয়ে আন্দোলনকাৰীসকলক ঘৰলৈ উভতি গৈ পৰিয়ালৰ স'তে গুৰুপৰ্বৰ আনন্দ উপভোগ কৰিবলৈ আহ্বান জনাইছে। তেওঁ প্ৰতিশ্ৰুতি দিছে সংসদৰ পৰৱৰ্তী শীতকালীন অধিবেশনতে তিনিওখন আইন বিধিগতভাৱে প্ৰত্যাহাৰ কৰা হ'ব। কৃষি আইনৰ বিৰোধিতা কৰি ২৬ নৱেম্বৰৰ (২০২০)ৰ পৰা দিল্লী অৱৰোধ কৰি থকা আন্দোলনকাৰীসকলৰ অধিকাংশই শিখ হোৱা হেতুকে মোদীৰ ভাষণটোৱে শিখসকললৈ সদিচ্ছাৰ বিশেষ বাৰ্তা প্ৰেৰণ কৰিছিল। পিছে আন্দোলনকাৰী সংগঠনে সেই বাৰ্তা প্ৰত্যাখ্যান কৰাই নহয়, নতুন নতুন দাবীৰ সমৰ্থনত ৰাজপথ অৱৰোধৰ কাৰ্যসূচী অব্যাহত ৰখা হ'ব বুলিহে সকীয়নি দিলে।

এনেয়েও আন্দোলনকাৰীসকল নামতহে কৃষক; প্ৰকৃততে তেওঁলোক ৰাজনৈতিক লক্ষ্য সন্মুখত ৰাখি ৰাজপথৰ আন্দোলনৰ জৰিয়তে অভীষ্ট লক্ষ্য সিদ্ধি কৰিবলৈ বিচৰা নৈৰাজ্যবাদী। সেই কথা কোনেও নজনা নহয়। উল্লেখযোগ্য যে সৰ্বোচ্চ ন্যায়ালয়ে ১২ জানুৱাৰী (২০২১) ত তিনিওখন আইনৰ বলৱৎকৰণ স্থগিত ৰাখি এখন পৰামৰ্শদাতা সমিতি গঠন কৰিছিল; কিন্তু আন্দোলনকাৰীয়ে গণতন্ত্ৰ দিৱসৰ দিনা ৰাজধানী চহৰখনত বিভৎস সন্ত্ৰাসমূলক কাৰ্যকলাপ চলাই অংগুষ্ঠ প্ৰদৰ্শন কৰিছিল ন্যায়পালিকালৈ। চৰকাৰেও দুবছৰলৈ আইন তিনিখন বলৱৎ নকৰাৰ সিদ্ধান্ত লৈছিল; সেইটোও আন্দোলনকাৰীসকলে উপেক্ষা কৰি থাকিল।

এতিয়া স্বয়ম্ভু কৃষক নেতা যোগেন্দ্ৰ যাদৱে কৈছে, শস্যৰ নিম্নতম মূল্য লাভ কৰাটো সাংবিধানিক অধিকাৰৰূপে আইন গৃহীত নোহোৱা পৰ্যন্ত কৃষকসকল ক্ষান্ত নহয়। ২২ নৱেম্বৰত লক্ষ্ণৌত অনুষ্ঠিত কৃষক মহাপঞ্চায়তৰ সভাত সংযুক্ত কিষাণ মৰ্চাই স্পষ্ট কৰি দিছে যে প্ৰথমে সংসদত আইনৰ প্ৰত্যাহাৰ সম্পন্ন হ'ব লাগিব, তদুপৰি কৃষকৰ আন ছয়টা দাবী চৰকাৰে পূৰণ কৰাৰ পাছতহে আন্দোলনকাৰীসকল ঘৰলৈ উভতি যোৱাৰ প্ৰশ্ন উঠিব। অৰ্থাৎ আন্দোলন চলি থাকিব।

এনে পটভূমিত প্ৰধানমন্ত্ৰীৰ ঘোষণাটোৱে নৈৰাজ্যবাদী আন্দোলনটোৰ সমাপ্তি ঘটাব নে নাই, সেইটো অনিশ্চিত হৈয়েই ৰ'ল। অৱশ্যে প্ৰধানমন্ত্ৰীয়ে দৃঢ়তাৰে কৈছে, কৃষি খণ্ডৰ সংস্কাৰ সাধনৰ লক্ষ্য প্ৰত্যাহাৰ কৰা হোৱা নাই। শীঘ্ৰেই কেন্দ্ৰ চৰকাৰ, ৰাজ্য চৰকাৰ, কৃষক সংগঠনৰ প্ৰতিনিধি, কৃষি বিজ্ঞানী আৰু অৰ্থনীতিবিদক লৈ এখন পৰামৰ্শদাতা সমিতি গঠন কৰা হ'ব; এই সমিতিয়েই কৃষক



সংগঠনে উত্থাপন কৰা আন আন দাবীবোৰৰো বিচাৰ কৰিব।

প্ৰধানমন্ত্ৰীৰ ঘোষণাই একাংশ বিৰোধী নেতাক উল্লাসিত কৰি তুলিছে; তেওঁলোকে কৈছে- অৱশেষত কৃষক শক্তিৰ ওচৰত হাৰ মানি চৰকাৰে ক'লা আইন তিনিখন বাতিল কৰিবলৈ বাধ্য হ'ল; এয়া গণতন্ত্ৰৰ বিজয়। পিছে নৈৰাজ্যবাদী আন্দোলনটোক গণতন্ত্ৰৰ বিজয় বুলিব পাৰিনে? সংসদে ৰচনা কৰা আইন ৰাজপথৰ আন্দোলনে বাতিল কৰাৰ পৰম্পৰা গ্ৰহণ কৰিলে সংসদীয় গণতন্ত্ৰৰ সাৰ্থকতাই বা ক'ত? তদুপৰি আইন তিনিখনৰ ৰচনাত ক'লা চিয়াহী ব্যৱহাৰ কৰাৰ বাদে তাত ক'লা বুলিবলৈ কি আছে? চৰকাৰে কৃষক সংগঠনৰ স'তে কে'বাবাৰো আলোচনাত মিলিত হৈছে; প্ৰতিবাৰতে চৰকাৰে কৈছে, আইন তিনিখনত থকা কৃষক বিৰোধী দফাবোৰ আমাক আঙুলিয়াই দিলে তৎকালেই সেইবোৰ বাতিল কৰা হ'ব, কিন্তু কৃষক সংগঠনে এটাও আপত্তিজনক বিন্দুও উত্থাপিত কৰিব পৰা নাই।

একাংশ বিৰোধীয়ে সততে অভিযোগ কৰি আছে, চৰকাৰে কৃষি আইন তিনিখনৰ সন্দৰ্ভত সংশ্লিষ্ট পক্ষবোৰৰ স'তে প্ৰাৰম্ভিক আলোচনা চলোৱা নহ'ল। পিছে বিগত দুটা দশকতকৈও অধিক কাল ধৰি কৃষি সংস্কাৰ আইন সম্পৰ্কে বিভিন্ন মহলত বিতং আলোচনা হৈয়েই আছিল। কংগ্ৰেছকে ধৰি কে'বাটাও বিৰোধী দলে নিৰ্বাচনী ইস্তাহাৰত কৃষি আইন ৰচনা কৰাৰ প্ৰতিশ্ৰুতি দিছিল। বিশিষ্ট কৃষি বিজ্ঞানী তথা কৃষি-সংস্কাৰ সাধন পৰামৰ্শদাতা সমিতিৰ অধ্যক্ষ এম এছ স্বামীনাথনে এখন এখনকৈ পাঁচখন প্ৰতিবেদন দাখিল কৰি থৈছে। এই সকলোবোৰতেই থকা উপাদানবোৰেই আছিল মোদী চৰকাৰে ৰচনা কৰা আইন তিনিখনৰ বিষয়বস্তু। লক্ষ্যণীয় যে ২০১৯ৰ জানুৱাৰীত লোকসভাৰ 'Standing Committee'-এ কৃষি সংস্কাৰৰ কাৰ্যসূচীত অনুমোদন জনাইছিল।

এইটো সঁচা যে ২০১০ত ড০ মনমোহন সিং চৰকাৰে কৃষি আইন ৰচনা কৰিবলৈ লৈও থমকি ৰ'বলগীয়াত পৰিছিল ছিণ্ডিকেটৰাজ চলাই থকা বৃহৎ চক্ৰটোৰ বিৰোধিতাৰ বাবে। চক্ৰটোত পঞ্জাৱ, উত্তৰপ্ৰদেশ, হাৰিয়ানা আৰু মহাৰাষ্ট্ৰৰ মুধাফুটা ৰাজনৈতিক নেতাও আছে। নক'লেও হয় যে চক্ৰটোৰ ছিণ্ডিকেটৰাজৰ মূল মাত্ৰা তিনিটা; (১) বিনামূলীয়া তথা ৰেহাই মূল্যৰ বিদ্যুৎ, তাৰে বলত ভূগৰ্ভৰ পানীৰ অবাধ লুণ্ঠন আৰু উৎপাদন বৃদ্ধি (২) ন্যূনতম সমৰ্থনমূল্যৰ সৌজন্যত প্ৰচুৰ মুনাফা আদায় আৰু (৩) ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষকসকলক বজাৰ ব্যৱস্থাৰ পৰা আঁতৰত ৰাখি আৰ্থিক শোষণ।

ইয়াৰ ফলত সৃষ্টি হৈছে চৰকাৰী গুদামত পৰি থকা লাখ লাখ বস্তা খাদ্যশস্যৰ ভঁড়াল;

**২০১০ত ড০ মনমোহন সিং চৰকাৰে কৃষি আইন ৰচনা কৰিবলৈ লৈও থমকি ৰ'বলগীয়াত পৰিছিল ছিণ্ডিকেটৰাজ চলাই থকা বৃহৎ চক্ৰটোৰ বিৰোধিতাৰ বাবে। চক্ৰটোত পঞ্জাৱ, উত্তৰপ্ৰদেশ, হাৰিয়ানা আৰু মহাৰাষ্ট্ৰৰ মুধাফুটা ৰাজনৈতিক নেতাও আছে**

যাৰ খাওঁতাও নাই, কিনোতাও নাই। আন্তৰ্জাতিক বজাৰ দৰতকৈ এই শস্যৰ মূল্য অধিক। এনেদৰে কৃষি বজাৰৰ উদাৰীকৰণ নোহোৱা বাবেই সৃষ্টি হৈছে ধ্বংসমুখী কৃষি-অৰ্থনীতি। ন্যূনতম সমৰ্থন মূল্যৰ সাংবিধানিক কাৰ্যতঃ অধিকাৰৰ দাবী তুলি আন্দোলনকাৰী কৃষকে প্ৰকাৰান্তৰে কৃষি ব্যৱস্থাৰ সংকীৰ্ণ ৰাষ্ট্ৰীয়কৰণ বিচাৰিছে; যিটোৱে দৰিদ্ৰ কৃষকসকলক অধিক দৰিদ্ৰ কৰি তুলিব, ৰাষ্ট্ৰীয় অৰ্থনীতিতো কৃষি হৈ পৰিব একপ্ৰকাৰৰ অসহনীয় বোজা।

এই বিষয়ে কোনো সন্দেহ নাই যে ভাৰতত সংস্কাৰ বিৰোধী শক্তি এতিয়াও যথেষ্ট সক্ৰিয়। তাৰ প্ৰতি লক্ষ্য ৰাখি মোদী চৰকাৰে প্ৰথমটো কাৰ্যকালত স্বচ্ছ ভাৰত, জন-ধন যোজনা, প্ৰধানমন্ত্ৰী আৱাস যোজনা আদিৰ দৰে হিতকাৰী আঁচনি গ্ৰহণ কৰিয়েই সন্তুষ্ট আছিল। ২০১৪-১৫ত ৰচনা কৰা ভূমি অধিগ্ৰহণ আইনখন চৰকাৰে ধোঁৱাচাঙত তুলি থ'বলগীয়া হৈছিল সদনত ভাজপাৰ নিজস্ব সংখ্যাগৰিষ্ঠতা নথকা বাবে। সেই কথা মনত ৰাখিয়েই প্ৰধানমন্ত্ৰী মোদীয়ে দ্বিতীয়টো কাৰ্যকালত এখনৰ পাছত আনখন সংস্কাৰধৰ্মী আইন ৰচনা কৰিবলৈ লৈছে। এতিয়া ৰাজ্যসভাতো শাসকীয় পক্ষৰ সংখ্যাগৰিষ্ঠতা আসন্ন। এনে পটভূমিত তেওঁ কৃষি আইনৰ বিৰোধিতা কৰা প্ৰতিক্ৰিয়াশীল শক্তিৰ বিৰুদ্ধে কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰি আছিল; কিন্তু হঠাতে পচ্ছাদ অপসৰণ কিয়? মোদীয়ে আৰ্থিক সংস্কাৰৰ পথ ত্যাগ কৰিব নেকি?

স্বীকাৰ কৰিব লাগিব, 'ৰাজহুৱা সা-সম্পত্তিৰ নগদীকৰণ আঁচনি'ৰ জৰিয়তে চৰকাৰে ছয় ট্ৰিলিয়ন টকা সংগ্ৰহ কৰাৰ অভিলাষী যোজনা গ্ৰহণ কৰিছে; কিন্তু মনত ৰাখিব লাগিব ক'ভিড সংক্ৰমণৰ পূৰ্বে (২০১৬-১৭) ভাৰতৰ বিকাশৰ হাৰ আছিল ৮.৩ শতাংশ, সেয়া হ্ৰাস পাই এতিয়া ৪.২ শতাংশত ৰৈছেহি। এনে অৱস্থাত কৃষিখণ্ড আৰু বিদ্যুৎখণ্ডৰ সংস্কাৰ সাধন অত্যাৱশ্যকীয় আছিল। অথচ উত্তৰপ্ৰদেশত শক্তিশালী মোদী চৰকাৰেও বিদ্যুৎখণ্ডৰ সংস্কাৰ সাধনৰ সিদ্ধান্ত মূৰকত ত্যাগ কৰিবলৈ বাধ্য হ'ল ৰাজনৈতিক কাৰণত। প্ৰধানমন্ত্ৰীৰ ১৯ নৱেম্বৰৰ ঘোষণাটোও পঞ্জাৱ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশত ভাজপাৰ নিৰ্বাচনী ৰণনীতি সুচল কৰাৰ প্ৰয়াস বুলি অনুমান কৰা হৈছে। সহজ ভাষাত, সেয়া হ'ব পাৰে নিৰ্বাচনমুখী ৰাজনীতিৰ বেদীত আৰ্থিক সংস্কাৰৰ উছৰ্গা।

প্ৰধানমন্ত্ৰীৰ ঘোষণাটোৱে কোনো কোনো মহলত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে, সেইটো অস্বীকাৰ কৰিব নোৱাৰি। নৰেন্দ্ৰ মোদীৰ ব্যক্তিত্ব আৰু নেতৃত্বৰ সন্দৰ্ভতো প্ৰশ্ন চিহ্নৰ অৱতাৰণা নকৰাকৈ থকা নাই। নৈৰাজ্যবাদী কৃষক আন্দোলনকাৰীয়ে আজি যিটো ৰাজপথৰ ৰাজনীতি প্ৰয়োগ কৰিছে, কাইলৈ আন ন্যস্তস্বাৰ্থ মহলেও কেইলাখমান লোকৰ প্ৰতিবাদৰ আয়োজন কৰিব পাৰে কোনো এখন আইন বাতিল কৰাৰ দাবীত। তেন্তে জনপ্ৰতিনিধিৰ দ্বাৰা আইন ৰচিত হোৱাৰ সাংবিধানিক ব্যৱস্থাৰ কি গতি হ'ব। নাগৰিকত্ব আইন সংশোধনৰ বিৰুদ্ধে গঢ়ি তোলা আন্দোলনৰ চৰিত্ৰ এই প্ৰসংগতে বিচাৰ্য। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতিৰ বিৰুদ্ধে এটা মহলে সাম্প্ৰদায়িক অপপ্ৰচাৰ চলায়েই আছে। কাইলৈ মোদী চৰকাৰে 'একেধৰণৰ দেৱানী আইন' ৰচনা কৰিলেও নিশ্চয়কৈ প্ৰতিবাদ হ'ব; অথচ খোদ সৰ্বোচ্চ ন্যায়ালয়েই সংবিধানত লিপিবদ্ধ হৈ থকা ব্যৱস্থাটো বলৱৎ কৰিবলৈ চৰকাৰক বাৰে বাৰে সোঁৱৰাই আছে।

পিছে নিৰ্বাচনমুখী ৰাজনীতিৰ বাধ্য-বাধকতা আওকাণ কৰাটো কোনো প্ৰধানমন্ত্ৰীৰ বাবেই সহজ নহয়। কৃষি আইনৰ বিৰোধিতা কৰিয়েই পঞ্জাৱৰ আকালি দলে ভাজপাৰ সংগ ত্যাগ কৰিছিল। আনহাতে, শেহতীয়াভাৱে ভূতপূৰ্ব মুখ্যমন্ত্ৰী কেপ্তেইন অমৰিন্দৰ সিঙে কংগ্ৰেছ বিৰোধী আঞ্চলিক দল গঠন কৰিছে; কেপ্তেইনে ভাজপাৰ স'তে মিত্ৰতা স্থাপন কৰাৰ ইংগিতো দিছে। এনে পৰিস্থিতিত পঞ্জাৱৰ বিধানসভা নিৰ্বাচনত ভাজপাৰ স্থিতি উন্নত কৰাৰ স্বাৰ্থত আইন তিনিখন প্ৰত্যাহাৰৰ সিদ্ধান্ত ল'লে বুলি ভাবিব পাৰি। একেদৰে উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনতো কৃষি আইনৰ বিৰোধিতাই ভাজপাৰ বিজয়ত বাধাৰ প্ৰাচীৰ হ'ব পাৰে বুলি কোনো কোনোৱে আশংকা কৰিছে। হাৰিয়ানাতো ভাজপা চৰকাৰে কৃষক আন্দোলনৰ উষ্ম অনুভৱ নকৰাকৈ থকা নাই। এনে পৰিস্থিতিত প্ৰধানমন্ত্ৰী মোদীয়ে কৃষি আইন বাতিল কৰি নিৰ্বাচনী লাভ আদায় কৰাৰ কৌশল লোৱাটো অপৰাধ নহয়। সংস্কাৰ সাধনৰ কাৰ্যসূচী আগুৱাই নিবলৈ নিৰ্বাচনী সাফল্য অতীব প্ৰয়োজন।

প্ৰধানমন্ত্ৰীয়ে স্পষ্ট ভাষাত কৈছে— মই যি কৰিছিলো, কৃষকৰ (ভালৰ) বাবে কৰিছিলো; আৰু যি কৰি আছো, দেশৰ বাবে কৰি আছো। সম্ভৱতঃ এই উক্তিৰে মোদীয়ে সীমামূৰীয়া ৰাজ্য পঞ্জাৱৰ পৰিস্থিতিলৈ ইংগিত দিছে, য'ত এসময়ত বিচ্ছিন্নতাবাদী শক্তিয়ে চৰম সংকটৰ সৃষ্টি কৰিছিল; তাৰ মূল্য প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে নিজৰ প্ৰাণাহুতিৰে পৰিশোধ কৰিছিল। বৰ্তমানৰ কৃষক আন্দোলনকাৰীৰ মাজতো সেই অশুভ শক্তিৰ উপস্থিতি নগণ্য নহয়। এনে পৰিস্থিতিত ভাজপাৰ বাবে আকালি দল আৰু কেপ্তেইন অমৰিন্দৰ সিঙৰ বাবে ইতিবাচক বাৰ্তা দিয়াটো আৱশ্যকীয় আছিল।

সি যিয়েই নহওক, প্ৰতিবাদকাৰীৰ অযুক্তিকৰ দাবীৰ সন্মুখত সেও মনাৰ ১৯ নৱেম্বৰৰ ঘোষণাটোৱেই শেষ দৃষ্টান্ত হওক, তাকেই দেশবাসীয়ে কামনা কৰিছে। বিশিষ্ট লেখক চেতন ভগতে কৈছে, 'কোনো এখন চৰকাৰে সংস্কাৰমূলক আইন প্ৰত্যাহাৰ কৰিবলগীয়া হ'ল, সেইটো দুখৰ কথা নহয়; দুখৰ কথা এইটোহে যে আইন তিনিখন কৃষিখণ্ডৰ বাবে উত্তম আছিল। পিছে এইটোও স্বীকাৰ কৰিব লাগিব, আইন প্ৰত্যাহাৰ কৰাটো ব্যৰ্থতা নহৈ এটা অধিক প্ৰগতিশীল সংস্কাৰৰ আগজাননীও হ'ব পাৰে। নৰেন্দ্ৰ মোদী এগৰাকী আপোচবিহীন সংস্কাৰক, সেই বিশ্বাস এতিয়াও অটুট আছে।'

ফোন ঃ ৯৪৩৫৫-৫৪২০৫

# কেৱল ফিতাহি মৰা কথাৰেই অসমীয়াগিৰি চলোৱাটো সম্ভৱনে?

# ভাবুকিৰে চান্দা সংগ্ৰহ কৰাটো কেনে অসমীয়াগিৰি?

হেমেন কুমাৰ দাস

**'অসমত** অসমীয়াগিৰি চলিব, এইটো স্পষ্ট কথা।' আজিকালি একাংশ সংগঠনৰ কেতবোৰ স্বয়ম্ভু নেতাই ডিঙিৰ শিৰ ফুলাই প্ৰায়েই এনেকৈ আস্ফালন কৰা শুনা যায়। বিশেষকৈ বৈদ্যুতিন মাধ্যমৰ কেমেৰাৰ সন্মুখত। অসমত অসমীয়াগিৰি চলাব বিচৰাটো বেয়া কথা নহয় নিশ্চয়; কিন্তু কেনেকৈ? কামে কাজে নে কথাৰ ফুলজাৰি মাৰি। ইপিনে, অসমবাসীয়ে কেনে ধৰণৰ অসমীয়াগিৰি বিচাৰে সেইটোও বিচাৰ্যৰ বিষয়। অসমক ভাল পোৱা, অসমৰ নাম বদনাম হোৱাটো নিবিচৰা বিবেকবান ৰাইজে ব্যৱসায়ীৰ পৰা ভয় ভাবুকিৰে চান্দা সংগ্ৰহ কৰা, অৰ্থহীন, উদ্দেশ্যবিহীনভাৱে আন্দালন কৰি শৈক্ষিক, সামাজিক, অৰ্থনৈতিক কাঠামো সোলোকঢোলোক কৰা, অযথা অসম বন্ধ দিয়া, ৰাজপথত টায়াৰ জ্বলোৱা আদিক অসমীয়াগিৰি বুলি নাভাৱে। নিজৰ গুণ গৰিমাৰে অসমীয়াগিৰিৰ পৰিচয় দিছিল জগত গুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে, মাধৱ কন্দলীয়ে, লক্ষ্মীনাথ বেজবৰুৱা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আদিয়ে। তেওঁলোকে অসমীয়াক গৰ্বিত কৰিছিল। ঠিক একেদৰে দৌৰবিদ হিমা দাস, বক্সাৰ লাভলীনা বৰগোহাঁই, প্ৰকৃতিবিদ যাদৱ পায়েং, চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা, ৰীমা দাস, জুবিন গাৰ্গ, অংগৰাগ পাপন মহন্তও স্বপ্ৰতিভাৰে অসমীয়াগিৰি দেখুৱাইছে। তেওঁলোকৰ অসমীয়াগিৰিত প্ৰতিগৰাকী অসমীয়াৰ বুকু গৰ্বত উফন্দি উঠিছিল। দেশ-বিদেশত অসম আৰু অসমীয়াৰ নাম জিলিকাব পৰাকৈ অসমীয়াগিৰি চলাওক। তাত কাৰো আপত্তি কৰিবলগীয়া একো নাথাকে; কিন্তু অসমীয়া সংস্কৃতি বৰ্জিত কেতবোৰ আচহুৱা কৰ্মকাণ্ডৰে 'অসমীয়া গিৰি'ৰ নামত উদ্ভট আচৰণ কৰিলে জাতিটোৱেই বদনামী হ'ব। তেনে কৰাৰ কাৰো অধিকাৰ নাই। নিজকে অধিক অসমপ্ৰেমী বুলি জাহিৰ কৰি ফুৰা ৰাজ্যখনৰ একাংশ দল-সংগঠনে চিঞৰ বাখৰ কৰি ৰাজ্যৰ কেইটা সমস্যা সমাধান কৰিব পাৰিছে? তেওঁলোকৰ প্ৰতিটো কৰ্মসূচী, প্ৰতিটো আন্দোলনেই ফলাফল বিহীনভাৱে আধৰুৱা অৱস্থাতে অতি ৰহস্যজনকভাৱে অন্ত পৰিছে। আন্দোলন কৰিবলৈ অনা অসমীয়া ব্যৱসায়ীৰ পৰা ভয় ভাবুকিৰে মোটা অংকৰ চান্দা সংগ্ৰহ কৰা, দুৰ্নীতিৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ গৈ দুৰ্নীতিগ্ৰস্ত ৰাজনৈতিক আমোলা বিষয়া, ঠিকাদাৰ, ক'লা ব্যৱসায়ীৰ পৰা চান্দা সংগ্ৰহ কৰাটো কেনে ধৰণৰ অসমীয়াগিৰি; এনে ধৰণৰ আজৱ অসমীয়াগিৰিয়ে সংস্কৃতিৱান জাতিটোকেই বদনামী কৰিছে। একোটা দল-সংগঠন চলাবলৈ ধনৰ প্ৰয়োজন নিশ্চয় আছে। সেই ধন নিশ্চয় বিভিন্ন শুভাকাংক্ষীৰ পৰাই সংগ্ৰহ কৰিব লাগিব। সেয়া সৰ্বসাধাৰণৰ দৃষ্টিত চান্দা। চান্দা মানে বৰঙণি। অৰ্থাৎ ৰাজহুৱা কামৰ কাৰণে ৰাইজৰ পৰা তোলা ধন। মহৎ কাৰ্যলৈ আগবঢ়োৱা সাহায্য। এই চান্দাৰ পৰিমাণ নিৰ্ভৰ কৰিব লাগে দিওঁতাৰ ওপৰত। ভয়-ভাবুকিৰে ধন সংগ্ৰহ কৰাটোক জানো চান্দা অৰ্থাৎ বৰঙণি বুলি ক'ব পৰা যায়। এনেদৰে চান্দা সংগ্ৰহকে একাংশ পাৰত গজা আৰু নিজকে অসম আৰু অসমীয়াৰ ত্ৰাণকৰ্তা বুলি জাহিৰ কৰি ফুৰা সংগঠনৰ একাংশ স্বয়ম্ভূ নেতাই 'অসমীয়াগিৰি' বুলি ভৰাটো জাতিটোৰ বাবেই দুৰ্ভাগ্যৰ বিষয়।

একোটা সমস্যাৰ সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ, চৰকাৰ তথা কৰ্তৃপক্ষক ৰাইজৰ দাবী মানি ল'বলৈ বাধ্য কৰাবলৈ অহিংস, গণতান্ত্ৰিক আন্দোলনৰ প্ৰয়োজন নিশ্চয় আছে; কিন্তু কোনো যুক্তিত আন্দোলনৰ নামত হাৰাশাস্তি, ভয়-ভাবুকি অসমীয়াগিৰি হ'ব নোৱাৰে।

ৰাজ্যখনত এনেকুৱা বহু আন্দোলন হ'ল যাৰ কোনো ফলাফল নোলাল। ঐতিহাসিক অসম আন্দোলনৰ ফল (?) সকলোৱে দেখিছে। একমাত্ৰ বিদেশী খেদাৰ কথা কৈ সহজ সৰল ৰাইজ, নিমাখিত ছাত্ৰ-ছাত্ৰীসকলক এই আন্দোলনত জড়িত কৰোৱা হৈছিল; কিন্তু পৰৱৰ্তীকালত কিমানজন বিদেশী খেদিলে সেয়া ৰাইজে দেখিছে। বিদেশী খেদা আন্দোলনে বিদেশী খেদাব নোৱাৰিলেও নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত শস্যে-মৎস্যে ভৰপূৰ অনুসূচিত জাতিৰ কৈৱৰ্ত সম্প্ৰদায়ৰ লোকৰ দুখনকৈ প্ৰচীন থলুৱা গাঁও কোৱাইকটা আৰু সুঁতাৰ গাঁৱৰ ৰাইজে নিজ গাঁও এৰি আন ঠাইলৈ ঢাপলি মেলিবলৈ বাধ্য হ'ল। একমাত্ৰ বিদেশী খেদা আন্দোলনৰ সময়ত সৃষ্টি হোৱা অগ্নিগৰ্ভা পৰিৱেশ-পৰিস্থিতিৰ বাবেই সেই প্ৰাচীন গাঁও দুখনৰ থলুৱা অসমীয়াই কান্দি কান্দি গাঁও এৰি গুচি যাবলৈ বাধ্য হৈছিল। আন্দোলনকাৰী সকল পৰৱৰ্তী সময়ত বিয়াগোম মন্ত্ৰী হ'ল, কিন্তু তেওঁলোকৰ নেতৃত্বত চলা আন্দোলনৰ বাবেই জন্ম গাঁওখনকে এৰিব লগীয়া হোৱা কোৱাইকটা আৰু সুঁতাৰ গাঁৱৰ দুৰ্ভগীয়া লোক সকলৰ কোনো খবৰ নল'লে। এই আন্দোলনেই নষ্ট কৰিছিল এটা শিক্ষা বৰ্ষ। আৰম্ভ হ'ল অসমীয়াৰ বাবে আচহুৱা চান্দা সংস্কৃতি। সেয়াই আছিল ঐতিহাসিক অসম আন্দোলনৰ তিঁতা ফল।

ইপিনে, সুদীৰ্ঘ বছৰ ধৰি সদৌ অসম ছাত্ৰ সন্থা,অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি আদি বিভিন্ন সংগঠনৰ



নেতৃত্বত ৰাজ্যখনত অনেক ইছ্যুত আন্দোলন হৈছে। কিন্তু কোনটো আন্দোলনে কোনটো সমস্যাৰ স্থায়ী সমাধান কৰিলে সেইটো বিচাৰ্যৰ বিষয়। অখিল গগৈৰ নেতৃত্বত আৰম্ভ হোৱা দৈয়াং টেঙানী ভূমি পট্টাৰ আন্দোলনেই হওঁক, গুৱাহাটীৰ পাহাৰত বাস কৰা লোকসকলৰ ভূমি পট্টাৰ আন্দোলনেই হওঁক, টোল গেট বন্ধ কৰা আন্দোলনেই হওঁক কোনটো আন্দোলন সফল হৈছে? এই আন্দোলনবোৰ দেখোন মীমাংসাহীন, ফলহীনভাৱেই পৰিসমাপ্তি হোৱা ৰাইজে দেখিছে। নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবীত ৰাজ্যজুৰি হোৱা ব্যাপক আন্দোলনৰো দুখ লগা পৰিসমাপ্তি (?) ৰাইজে দেখি-শুনি, বুজি বহুত ঠেকিলে-শিকিলে। সেই নিষ্ফল আন্দোলনবোৰ নিশ্চয় 'অসমীয়াগিৰি' নাছিল। কেৱল আন্দোলন কৰিয়েই অসমীয়াগিৰি প্ৰতিষ্ঠা কৰাটো অসম্ভৱ।

এসময়ত অসমীয়াগিৰি দেখুৱাবলৈ গৈ মদৰ দোকান ভঙাৰ দৰে বহু ঘটনা ৰাজ্যখনত সংঘটিত হৈছিল। কিন্তু পৰিতাপৰ বিষয় যে, সেই মদৰ দোকান ভঙাসকলেই পৰৱৰ্তী সময়ত সুৰাৰ ৰাগীত মতলীয়া হৈ থকা হ'ল। কোনো স্বাভিমানী অসমীয়াই নিশ্চয় তেনে অসমীয়াগিৰি নিবিচাৰে।

ডিঙিৰ শিৰ ফুলাই অসমীয়াগিৰি, থলগিৰিৰ কথা কোৱা দল-সংগঠনৰ নেতাসকলে পথাৰত-বজাৰত, শিক্ষা, বাণিজ্য, বিজ্ঞান-প্ৰযুক্তি, ক্ৰীড়া, সংস্কৃতি আদি খণ্ডত অসমীয়াগিৰি দেখুৱাব পৰাকৈ কিবা কৰক। একাংশ থলুৱাৰ কৰ্মহীনতাৰ বাবেই ইখনৰ পাছত সিখনকৈ পথাৰ অসমীয়াৰ হাতৰ পৰা গুচি গৈছে। ইয়াৰ সামন্তৰালকৈ বজাৰতো থলুৱা অসমীয়াৰ দপদপনি নাইকিয়া হ'ল। পাৰে যদি কৰ্মসংস্কৃতিৰে পথাৰ কেইখন, বজাৰ কেইখন পুনৰুদ্ধাৰ কৰক।

এতিয়া কৃষি খণ্ডৰ জৰিয়তেও মানৱ সম্পদৰ সদ্ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিলেই প্ৰকৃত অসমীয়াগিৰি হ'ব।

ড্ৰাগছৰ ভয়াৱহতাৰ পৰা যুৱ প্ৰজন্মক মুক্ত কৰাৰ ক্ষেত্ৰত অসমীয়াগিৰি দেখাওক সেই সংগঠন সমূহে। দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী, ক'লা ব্যৱসায়ী আদিৰ পৰা মোটা অংকৰ চান্দা লৈ ফলবিহীন আন্দোলন কৰি ছাত্ৰ-ছাত্ৰীৰ জীৱন অন্ধকাৰচ্ছন্ন কৰি তোলাৰ সলনি দুৰ্নীতিৰ বিৰুদ্ধে জনজাগৰণ সৃষ্টি কৰি প্ৰকৃত অসমীয়াগিৰি দেখাওক।

হয়তো আন্দোলনৰ আতিগুৰি নাপাই আন্দোলনত জঁপিয়াই পৰি নিজৰ মূল্যৱান সময় নষ্ট কৰা সকলৰ বহুতেই নাজানে অধিকাংশ সংগঠনৰ নেতাই আৰ্থিকভাৱে স্বচ্ছল। তেওঁলোক নিবনুৱা হ'লেও জীৱনৰ বাকী সময়ছোৱাত বিশেষ সংগ্ৰাম কৰিবলগীয়া নহয়। কিন্তু আন্দোলনকাৰী সকলৰ অধিকাংশই পৰৱৰ্তী সময়ত এমুঠি ভাত আৰু এডোখৰ কাপোৰৰ বাবেও কঠোৰ জীৱন সংগ্ৰামত ব্ৰতী হ'ব লগীয়া হয়। এদিন 'ইয়াত অসমীয়াগিৰি চলিব' বুলি যিসকলৰ ওচৰত দম্ভালি মাৰিছিল তেওঁলোকৰ ওচৰত মূৰ তুলিব নোৱাৰা হয়। অসমীয়াগিৰি কেৱল ফিতাহি মৰা কথাত নহয়।

কামেৰেহে দেখুওৱা সম্ভৱ। এই কথা সৰোগত কৰি আগবাঢ়িলেই সকলোৰে মংগল।

ফোন ঃ ৯৪৩৫০৬২১২৭

## এটা সুন্দৰ দিনৰ কিছু শেতা অনুভৱ

অভিমত

**বৃহস্পতিবাৰে** মোৰ এজন মিজো বন্ধুৱে মিজোৰামৰ মুখ্যমন্ত্ৰী জোৰাম থাংগাৰ ব্যক্তিগত সচিব পিটাৰৰ ম'বাইল ফোনৰ নম্বৰটো দি জনালে যে মুখ্যমন্ত্ৰী দিল্লীত আছে। গতিকে তেওঁক মই লগ ধৰি মোৰ স্বলিখিত ইংৰাজী উপন্যাস 'Nghah-Loh-Dawr' ('বিহংগম দৃষ্টিত মিজোৰাম'ৰ অনুবাদ) দিলে ভাল হয়। শুকুৰবাৰে পুৱাই পিটাৰক ফোনত যোগাযোগ কৰাত তেওঁ মোক দিনৰ ১১ বজাত দিল্লীৰ চাণক্যপুৰীত থকা মিজোৰাম ভৱনলৈ মাতি পঠিয়ালে। এটা ফোন কলতে মুখ্যমন্ত্ৰীক সাক্ষাতৰ সুবিধা পোৱাত হতচকিত হৈ পৰিছিলো। যথাসময়ত গৈ মিজোৰামৰ মুখ্যমন্ত্ৰী জোৰাম থাংগাক সাক্ষাৎ কৰি মোৰ উপন্যাসখন হাতত তুলি দি নিজকে ধন্য মানিলো। তেওঁৰ মৰমীয়াল কথা বতৰাত মোৰ লগতে পত্নী আৰু কন্যাও যথেষ্ট অনুপ্ৰাণিত হৈছিল। তেওঁ মোক এজন সাহিত্য অভিযন্তা হিচাপে নতুন নতুন সৃষ্টিৰে সমাজৰ সকলো শ্ৰেণীৰ লোক উপকৃত হ'ব পৰাকৈ কাম কৰি যাবলৈ উৎসাহিত কৰিলে। এটা আনন্দপূৰ্ণ মন লৈ মিজোৰাম ভৱনৰ কৰ্মচাৰীসকলক ধন্যবাদ জনাই উভতি আহিলো। উভতি অহাৰ সময়ত গম পালো যে আমাৰ অসমৰ মুখ্যমন্ত্ৰীও অসম হাউছতে আছে। মনৰ উদ্যম দমাব নোৱাৰি নিজৰ মুখ্যমন্ত্ৰীকো মোৰ কিতাপখন নিজ হাতে দি যাওঁ বুলি একেকোবেই অসম হাউছ পালোগৈ। অসম হাউছত ভৰি দিয়েই আমেৰিকাৰ পেণ্টাগনত ভৰি থোৱাৰ দৰে লাগিল। ছুট-বুট পিন্ধা আমোলা-মহৰীয়ে অসম হাউছ গিজগিজাই আছে। নিজৰ ৰাজ্যখনৰ অসম ভৱনত নিজকে অচিনা অনাকাংক্ষিত আলহী যেন অনুভৱ হ'ল। অভ্যৰ্থনা সেৱাত থকা লোকজনক মোৰ সকলো কথা ভাঙি পাতি কোৱাত তেওঁ মুখ্যমন্ত্ৰী আছে বুলি জনালে। যিহেতু মোৰ আগতীয়া সাক্ষাতৰ সময় সংৰক্ষণ কৰা হোৱা নাই সেই বাবে মোক এজন প্ৰট'কল বিষয়াৰ স'তে যোগাযোগ কৰাই দিলে। দুৰ্ভাগ্যবশত সেই প্ৰট'কল বিষয়াজনৰ কথা বতৰাত কোনো ইতিবাচক ইংগিত নাছিল। তেওঁ মোৰ বক্তব্য শুনিবলৈ অকণো আগ্ৰহ প্ৰকাশ নকৰি মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সচিবক লগ ধৰিবলৈ ক'লে। তেওঁ হেনো অফিচত নাইয়েই, পাছত আহিব। কথাৰ মাজত কিবা খেলি-মেলি থকা যেন লগাত ভগ্ন হৃদয় লৈ অৱশেষত মই অসম হাউছৰ পৰা ওলাই আহিলো। মনটো বহুত বেয়া লাগিল। তথাপি ক'বলৈ নেৰিম 'জননী জন্মভুমি স্বৰ্গদপি গৰীয়সী।'

**চুমিন্দ্ৰ চৌধুৰী,** নতুন দিল্লী

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৭ নৱেম্বৰ শনিবাৰ, ২০২১ পৃষ্ঠা ৫

# জীৱন কালতে কিংবদন্তিত পৰিণত হোৱা পণ্ডিত প্ৰৱৰ পিতৃদেৱ

# কৃষ্ণ কান্ত সন্দিকৈ

**অৱলোকন**



**অহল্যা গগৈ**

।। পূৰ্বানুবৰ্তী।।

**পাছত** সন্দিকৈ কলিকতা বিশ্ববিদ্যালয়ৰ চিনেটৰ সদস্য আৰু ঢাকা বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সদস্য পদৰে সন্মানিত হয়। সন্দিকৈয়ে কলেজখনত বিজ্ঞান শাখা খুলি ইয়াৰ ভৱন নিৰ্মাণৰ বাবে তেওঁৰ অধ্যক্ষৰ যি দৰমহা কলেজ পুঁজিত জমা হৈছিল সেই পুঁজি উক্ত ভৱন নিৰ্মাণৰ বাবে দান কৰিছিল। দানী জগন্নাথ বৰুৱাৰ পত্নী ত্ৰৈলোকেশ্বৰী বৰুৱানীয়ে কলেজখনত ছাত্ৰীসকলৰ অধ্যয়নৰ বাবে এটা ছোৱালীৰ শাখা খুলিবলৈ যি ধন সন্দিকৈৰ হাতত দিছিল, তাৰেই পুৱা-বেলা এটা ছোৱালী শাখা খোলা হৈছিল। পণ্ডিতপ্ৰৱৰ অধ্যক্ষগৰাকীৰ গুৰু গম্ভীৰ ব্যক্তিত্বই কলেজখনত এক ভয়-ভক্তি আৰু অনুসন্ধিৎসাৰ পৰিৱেশ গঢ়ি তুলিছিল। এই বিষয়ত অধ্যাপক যজ্ঞেশ্বৰ শৰ্মাই লিখিছিল— 'Sandikoi unseen is more powerful than Sandikoi Seen.' প্ৰতিজন ছাত্ৰৰ ব্যক্তিগত পৰিচয় আৰু আৰ্থিক অৱস্থাৰ বিষয়ে অধ্যক্ষজনাৰ এক সম্যক পৰিচয় আছিল। যিসকল দুখীয়া ছাত্ৰৰ কলেজৰ মাচুল দিব নোৱাৰি নাম কটা গৈছিল, সেইসকলক সন্দিকৈয়ে অৰ্থ দান কৰি কলেজত পুনৰ নামভৰ্তি কৰাইছিল। ১৯২৭ৰ পৰা সাত বছৰ কাল অধ্যয়ন- গৱেষণাৰ অন্তত সন্দিকৈৰ ইংৰাজী অনুবাদ আৰু ব্যাখ্যানমূলক মহাগ্ৰন্থ Naisadhacarita of sriharsa ১৯৩৪ত প্ৰকাশ হৈ ওলাল অবিভক্ত ভাৰতৰ লাহোৰৰ এটা প্ৰেছৰ পৰা ৬৪৭ পৃষ্ঠাৰ মহাগ্ৰন্থখন। ইংৰাজী অনুবাদৰে স'তে ব্যাখ্যান দাঙি ধৰি তেওঁ বিশ্বৰ পণ্ডিত মণ্ডলীক এনে এখন গ্ৰন্থৰ যোগান ধৰিলে যে ইয়াৰ পূৰ্বে মূল প্ৰাচীন 'নৈষধ চৰিত' সংস্কৃত মহাকাব্যখনৰ অৰ্থ জগতৰ কোনো পণ্ডিতেই বুজি পোৱাৰ সাধ্য নাছিল। কাজেই তেওঁৰ অগাধ পাণ্ডিত্যৰ আন্তৰ্জাতিক স্বীকৃতি আপোনা আপুনি বৈ আহিল ৩৬ বছৰীয়া বয়সৰ যৌৱন কালতে। মহাগ্ৰন্থখন প্ৰকাশৰ লগে লগে স্বদেশ, ইউৰোপ আৰু আমেৰিকাত প্ৰচাৰ হোৱাত বিদেশৰ পণ্ডিত মণ্ডলীয়ে তেওঁলোকৰ সমীক্ষাত্মক লেখাবোৰত একেমুখে স্বীকাৰ কৰিলে যে, 'সংস্কৃত মহাকাব্যবোৰৰ আটাইতকৈ কঠিন 'নৈষধ চৰিত'খন সন্দিকৈয়ে কেৱল ভাৰতীয়ৰ কাৰণেই বোধগম্য কৰিলে এনে নহয়, পাশ্চাত্য জগতৰ কাৰণেও তাক বোধগম্য কৰিলে। নহ'লে ইয়াৰ অৰ্থ হৃদয়ংগম কৰাটো সম্ভৱ নাছিল। মহাকাব্যখনৰ অনুবাদৰ আৱশ্যকতা বহুকালৰে পৰা উপলব্ধি কৰা হৈছিল।



*কৃষ্ণকান্ত সন্দিকৈ, ১৯৩৭*



*পত্নী হেমলতা সন্দিকৈ, জন্ম ঃ ১৯১৪, মৃত্যু ১৯৬১*

পোনপ্ৰথমবাৰৰ বাবে মহাকাব্যখনৰ টীকা-ভাষ্যৰে সম্পূৰ্ণ ইংৰাজীলৈ অনুবাদ কৰি সন্দিকৈয়ে সংস্কৃত সাহিত্যৰ পাঠকসকলক চিৰঋণী কৰিলে।'

১৯৩৭ত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনত সন্দিকৈয়ে সভাপতিৰ আসন অলংকৃত কৰাটো উল্লেখনীয় বিষয়। অসম সাহিত্য সভাৰ সভাপতিৰূপে এনে তৰুণ সভাপতি ইয়াৰ পূৰ্বে বা ইয়াৰ পাছৰ কালতো নিৰ্বাচিত হোৱা নাই। সেই সময়ত সন্দিকৈৰ বয়স আছিল মাত্ৰ ৩৯ বছৰ। দেশ-বিদেশৰ সমকক্ষ পণ্ডিত মণ্ডলীৰ উদগনি পাই জৈন শাস্ত্ৰকাৰ 'সোমদেৱ'-এ গদ্য আৰু পদ্যৰে ৰচনা কৰা 'চম্পু কাব্য' যশস্তিলক মহাগ্ৰন্থখনে সন্দিকৈৰ দৃষ্টি আকৰ্ষণ কৰিলে। ১৯৩৮ৰ পৰা তেওঁ লিখিবলৈ আৰম্ভ কৰে যশস্তিলক গ্ৰন্থখনৰ গৱেষণামূলক সমীক্ষাৰে স'তে দশম শতিকাৰ ভাৰতীয় সংস্কৃতিৰ বিষয়ে। এই দিশত ন বছৰকাল অধ্যয়ন-গৱেষণা কৰি গ্ৰন্থ ৰচনাত নিয়োজিত কৰি থকাৰ সময়তে সন্দিকৈয়ে হঠাতে ১৯৪৮ত অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী (মুখ্যমন্ত্ৰী) গোপীনাথ বৰদলৈৰ পৰা এখন চিঠি পায়। চিঠিত উত্তৰ-পূব ভাৰতৰ প্ৰথমখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদ ল'বলৈ বৰদলৈয়ে সন্দিকৈক অনুৰোধ জনায়। গুৱাহাটীত স্থাপন কৰা শিক্ষানুষ্ঠানখনক 'গুৱাহাটী বিশ্ববিদ্যালয়' বুলি নামকৰণ কৰা হয়। প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰূপে পাৰিতোষিক কিমান দিব লাগিব সেই বিষয়ে সন্দিকৈকে নিৰ্ণয় কৰিবলৈ অনুৰোধ কৰা হয়। সন্দিকৈয়ে উক্ত প্ৰস্তাৱত সন্মতি জনায় আৰু পাৰিতোষিকৰ বাবে বহুতো ভাবি-চিন্তি জনালে যে মাত্ৰ ১৪০০ টকা মাহে দিলে তেওঁ গুৱাহাটীত চলিব পাৰিব। নতুন বিশ্ববিদ্যালয়খনৰ ওপৰত অযথা খৰচৰ বোজা জাপি নিদিবৰ বাবে তেওঁ ঘৰৰ 'ষ্টুডিবেকাৰ' গাড়ীখন আৰু ব্যক্তিগত ৰান্ধনি আৰু আলধৰা ভৃত্যও লগত নি এওঁলোকৰ দৰমহাও নিজৰ পৰাই দিছিল। তেওঁক থাকিবলৈ দিয়া কটন কলেজৰ অধ্যক্ষৰ বাসভৱনটোৰ একাষৰ নিৰ্জন কোঠা এটাতে খোৱা-লোৱা থকা-মেলা আদি সকলো কামৰ বাবে ৰাখি গোটেই ঘৰটো অতি সাধাৰণ আচবাবৰে বিশ্ববিদ্যালয়ক এৰি দি উপাচাৰ্যৰ অফিচ পাতি লৈছিল। ঘৰটোৰ আলহী ৰখা কোঠাটোত তেওঁ পৰিয়ালৰ সদস্য ৰাখিবলৈ দিয়া নাছিল। জ্ঞানযোগী উপাচাৰ্যজনক সহযোগীসকলে যেনে ভাৱে স্নেহ-ভক্তিৰে কামত আগুৱাই লৈ গৈছিল, এটা নৱ প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানৰ বাবে, সি অতি বিৰল। গোটেই প্ৰতিষ্ঠানটোৱেই একগোট হৈ উপাচাৰ্যজনাৰ পাছত থিয় দিছিল। সন্দিকৈয়ে এনে আন্তৰিকতাৰ বলতেই তেওঁ অতি উৎসাহেৰে বিশ্ববিদ্যালয়খন গঢ় দিছিল। উল্লেখযোগ্য যে উপাচাৰ্য হোৱাৰ এবছৰ পাছতেই ১৯৪৯ত তেওঁৰ দ্বিতীয় বৃহৎ গ্ৰন্থ Yasastilaka and Indian Culture মহাৰাষ্ট্ৰৰ 'জৈন সংস্কৃতি সংৰক্ষক সংঘ' প্ৰেছৰ পৰা প্ৰকাশিত হয়।

৫৩৯ পৃষ্ঠাৰ মহাগ্ৰন্থখনৰ মূল বিষয়বস্তু হৈছে জৈন ধৰ্ম, ভাৰতীয় চিন্তা আৰু সমসাময়িক ভাৰতীয় সংস্কৃতি। সন্দিকৈৰ বিশ্বকোষ হেন বৃহৎ গ্ৰন্থখন ভাৰতীয় চিন্তাৰ এখন সোণৰ খনি। স্বদেশ, ইউৰোপ আৰু আমেৰিকাৰ সংস্কৃত পণ্ডিত মণ্ডলীৰ মাজত গ্ৰন্থখন বিশেষভাৱে সমাদৃত হয়। ফলস্বৰূপে কাশ্মীৰত হ'বলগীয়া সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ ষষ্ঠদশ অধিবেশনখনৰ মূল সভাৰ সভাপতি নিৰ্বাচিত হয়। পণ্ডিত মণ্ডলীয়ে মন্তব্য কৰে, 'সোমদেৱ'ৰ মূল চম্পূৰ দৰেই সন্দিকৈৰ গ্ৰন্থখন সাহিত্য, বুৰঞ্জী, সমাজ, ধৰ্ম আৰু প্ৰত্নতত্ত্বৰ বিষয়ৰ নানান তথ্যৰ আকৰ স্বৰূপ।'

১৯৪৯ত সন্দিকৈৰ 'যশস্তিলক' গ্ৰন্থখনৰ প্ৰকাশৰ বছৰটোতে ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণে 'বিশ্ববিদ্যালয়ৰ শিক্ষা আয়োগ'ৰ সভাপতিৰূপে গুৱাহাটী বিশ্ববিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহি নিজে ইচ্ছা কৰিয়েই উপাচাৰ্য সন্দিকৈৰ সামান্য আচবাবৰ বাসভৱনটোতে আলহী হৈ থাকিলহি। ইজনে সিজনৰ অগাধ পাণ্ডিত্য দেখি অতিকৈ মুগ্ধ হৈছিল। দুবছৰৰ পাছত যেতিয়া ভাৰতৰ উপ-ৰাষ্ট্ৰপতিৰূপে ডঃ ৰাধাকৃষ্ণণে বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তনলৈ নিমন্ত্ৰিত হৈ আহিছিল তেতিয়া চৰকাৰী বাসভৱনত নাথাকি সন্দিকৈ থকা আশ্ৰম হেন ঘৰটোতে নিজে ইচ্ছা কৰি আলহী হৈ থাকিলহি। উল্লেখনীয় যে সন্দিকৈৰ বাসভৱনৰ আলহী কোঠাৰ শোৱা খাটখনৰ আঁঠুৱা তৰা মাৰি চাৰিডাল বাঁহৰ খুটিহে আছিল। ১৯৫১ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তনত ডঃ সৰ্বপল্লীয়ে ভাষণৰ আৰম্ভণিতে সদৰী কৰিছিল— 'Your Vice - Chancellor is not only a Vice-Chancllor but also a great scholar.' ১৯৫১ ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিচিনা চালুকীয়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সন্দিকৈক লক্ষ্ণৌত অনুষ্ঠিত সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ ধ্ৰুপদী সংস্কৃত শাখাৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হৈছিল পণ্ডিতগৰাকীৰ ৫৩ বছৰ বয়সতে। সন্মিলনখনৰ সকলো বয়োবৃদ্ধ পণ্ডিতে আন্তৰ্জাতিক খ্যাতি সম্পন্ন পণ্ডিত সন্দিকৈক বিশেষ সন্মানৰ চকুৰে চাইছিল। তেওঁৰ ভাষণ শুনিবলৈ ইমানেই বেছি সংখ্যক লোক গোট খালে যে, অন্য এটা ডাঙৰ সভাঘৰলৈ স্থান সলনি কৰা হ'ল। ১৯৫২ত সন্দিকৈক Inter-University Board ৰ সভাপতি নিৰ্বাচিত কৰা হৈছিল। বিভিন্ন বিশ্ববিদ্যালয়ৰ লগত যোগসূত্ৰ থকা হেতুকে আৰু ৰাজনৈতিক মহলৰ পৰা বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা বজাই ৰখাৰ ক্ষেত্ৰত দৃঢ় নীতি লোৱাৰ বাবেই তেওঁক বাছনি কৰা হৈছিল উক্ত ব'ৰ্ডক নেতৃত্ব দিবলৈ। সেই সময়ত ভাৰত চৰকাৰে All India Concil of University Education' নামৰ এখন ক্ষমতা সম্পন্ন সংস্থা গঠন কৰিবলৈ প্ৰস্তাৱ লৈছিল। ইয়াৰ সকলো দিশ আলোচনা কৰিবলৈ সেই বছৰৰে ছেপ্টেম্বৰত মাদ্ৰাজ বিশ্ববিদ্যালয়ত অনুষ্ঠিত কৰা সন্মিলনত Inter University Board' ৰ সভাপ্ৰতি সন্দিকৈ আৰু ভাৰতৰ বিশ্ববিদ্যালয় কেইখনৰ উপাচাৰ্যসকল আৰু প্ৰতিনিধিসকলৰ সভাত ভাৰত চৰকাৰে গঠন কৰিব খোজা ক্ষমতাসম্পন্ন সংস্থাৰ বিপক্ষে মত দি 'বিশ্ববিদ্যালয় অনুদান আয়োগ' (V.G. C) গঠন কৰিবলৈ পৰামৰ্শ দিয়াত চৰকাৰে বৰ্তমানৰ U.G. C' স্থাপন কৰে। সেই সময়ত চৰকাৰে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাবোৰ কেৱল হিন্দী ভাষাৰ মাধ্যমত অনুষ্ঠিত কৰাৰ এটা প্ৰস্তাৱ সন্দিকৈৰ নেতৃত্বত শিক্ষাবিদসকলে 'অহিন্দী ভাষাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অন্যায় কৰা হ'ব' বুলি ঘোৰ বিৰোধিতা কৰাৰ ফলত উক্ত প্ৰস্তাৱ নাকচ কৰা হয়। ইয়াৰ পাছত অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে সন্দিকৈয়ে Inter-University Board' ৰ বছৰেকীয়া অধিবেশনখনত সভাপতিত্ব কৰিছিল।

**১৯৮২ৰ জুনত পণ্ডিতপ্ৰৱৰগৰাকী সাংঘাতিক ভাৱে অসুস্থ হৈ পৰে। ডিব্ৰুগড়ৰ হাস্পতালত অস্ত্ৰোপচাৰ কৰাৰ পাছতেই সকলো কষ্টৰ পৰা মুক্তি পাই তেওঁ চিৰনিদ্ৰাত নিমগ্ন হ'ল। পিতৃয়ে চকু মুদাৰ লগে লগে আমি পুত্ৰ-কন্যাই যেন তেওঁৰ নশ্বৰদেহাটিৰ ওপৰত স্বত্ব হেৰুৱালো। সকলো মূৰ পাতি ল'লে ৰাজ্যৰ জনসাধাৰণে।**

উল্লেখ্য যে বিশ্ববিদ্যালয়খনত বিশেষ অনুষ্ঠানবোৰ পাতিলে, ছাত্ৰসকলে বাহিৰৰ পৰা অহা গুণী-জ্ঞানী ব্যক্তিসকলতকৈ উপাচাৰ্য সন্দিকৈক অতি আগ্ৰহেৰে চাইছিল, যিহেতু তেওঁলোকে সন্দিকৈক সততে দেখা নাপাইছিল।

অৱশেষত তিনি বছৰীয়া কাৰ্যকালৰ তিনিবাৰ উপাচাৰ্যৰ ভাৰ লৈ ন-বছৰ কাল পূৰ হোৱাত ১৯৫৭ত তেওঁ নীৰৱে যোৰহাটৰ নিজ বাসভৱনলৈ ফিৰি আহি পুনৰ নিয়োজিত হ'লহি তেওঁৰ অবিচল গৱেষণাৰ সাধনাত। আধ্যাত্মিক ঐতিহ্যৰ পৰম্পৰা ৰক্ষা কৰি তেওঁ পুনৰ বান্ধি ল'লে 'ৰামায়ণ'ৰ আধাৰত ৰচিত পঞ্চম শতিকা কালৰ প্ৰকৃত মহাকাব্য 'সেতুবন্ধ'। এই মহাকাব্যৰ অধ্যয়ন আৰু গৱেষণাতে তেওঁ উৎসৰ্গা কৰিলে বৃদ্ধ বয়সৰ সমস্ত শক্তি। কেইমাহমানৰ পাছতেই তেওঁ অসুস্থ হৈ পৰাত ডিব্ৰুগড় মেডিকেল কলেজ হাস্পতালত পেটৰ এটা ডাঙৰ অস্ত্ৰোপচাৰ কৰিবলগীয়া হয়। অপাৰেছনৰ পাছৰ পৰা স্বাস্থ্যৰ অৱনতি হ'বলৈ ধৰাত তেওঁ ব্যক্তিগত গ্ৰন্থাগাৰটোৰ ভৱিষ্যৎ সংৰক্ষণৰ কথা চিন্তা কৰি গ্ৰন্থাগাৰৰ সমস্ত পুথি-পাঁজি, কিতাপ গুৱাহাটী বিশ্ববিদ্যালয়ক দান কৰাৰ সিদ্ধান্ত ল'লে। এই দিশত চৰ্ত দিলে যে তেওঁৰ মৃত্যুৰ এমাহৰ ভিতৰত সকলো কিতাপ বিশ্ববিদ্যালয়লৈ স্থানান্তৰ কৰিব লাগিব। গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই সেই চৰ্ত মানি ল'লে।

১৯৬৭ ত চৰকাৰে আগবঢ়োৱা পদ্মভূষণ সন্মান তেওঁ নিজ বাস ভৱনতে উপায়ুক্তৰ পৰা গ্ৰহণ কৰিলে। সেই বছৰতে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক ডি-লিট উপাধি প্ৰদান কৰে। ১৯৬৮ত মহাৰাষ্ট্ৰ চৰকাৰৰ অনুমোদন সাপেক্ষে পুনাৰ ডেক্কান কলেজ গৱেষণা প্ৰতিষ্ঠানে সন্দিকৈক প্ৰতিষ্ঠানৰ বিকল উপাধি 'অনাৰেৰি ফেল' উপাধি প্ৰদান কৰে। অসুখীয়া শৰীৰেৰে আৰম্ভ কৰা 'সেতুবন্ধ' মহাকাব্যৰ ইংৰাজী অনুবাদ আৰু সমীক্ষাত্মক আলোচনাৰে লিখা তেওঁৰ Pravarasen's Setubandha নামৰ আঠশ ছয় পৃষ্ঠাৰ বৃহৎ গ্ৰন্থখন গুজৰাটৰ পৰা ১৯৭৬ত প্ৰকাশ পায়। এই মহাগ্ৰন্থৰ বিষয়ে বিশ্বৰ পণ্ডিত মণ্ডলীয়ে মন্তব্য দিয়ে যে 'মহাকাব্য সাহিত্যৰ বিষয়ে যিমান কেইখন গৱেষণা গ্ৰন্থ প্ৰকাশিত হৈছে, তাৰ ভিতৰত সন্দিকৈৰ গ্ৰন্থখনেই সৰ্বোচ্চ স্থান অধিকাৰ কৰিছে। পঞ্চম শতিকাত কবি প্ৰৱৰসেনে ৰচনা কৰা প্ৰকৃত মহাকাব্যখন ডেৰ হেজাৰ বছৰ পূৰ্বতে ৰচনা কৰা হৈছিল। এনে এখন মহাকাব্যৰ কেনেকৈ শুদ্ধ পাঠ উদ্ধাৰ কৰা হৈছে, তাৰেই এটা নিদৰ্শন সন্দিকৈয়ে দাঙি ধৰিছে।' ১৯৮২ৰ জুনত পণ্ডিতপ্ৰৱৰগৰাকী সাংঘাতিক ভাৱে অসুস্থ হৈ পৰে। ডিব্ৰুগড়ৰ হাস্পতালত অস্ত্ৰোপচাৰ কৰাৰ পাছতেই সকলো কষ্টৰ পৰা মুক্তি পাই তেওঁ চিৰনিদ্ৰাত নিমগ্ন হ'ল। পিতৃয়ে চকু মুদাৰ লগে লগে আমি পুত্ৰ-কন্যাই যেন তেওঁৰ নশ্বৰদেহাটিৰ ওপৰত স্বত্ব হেৰুৱালো। সকলো মূৰ পাতি ল'লে ৰাজ্যৰ জনসাধাৰণে। পিছদিনা বিশাল জনতাই অন্তিম যাত্ৰা আৰম্ভ কৰিলে যোৰহাটৰ শ্মশানস্থলীলৈ। তাৎপৰ্যপূৰ্ণভাৱে শ্মশানত যিমান পুৰুষ, সিমান সংখ্যক মহিলা আৰু শিশু দেখা গ'ল। চিতাৰ জুই দপ্দপাই জ্বলি উঠাৰ লগে লগে শেষ দৰ্শনৰ বাবে আকৌ এবাৰ হেঁচা-ঠেলা লাগিল জনতাৰ। অনেক কষ্টেৰে নিয়ন্ত্ৰণ কৰা হ'ল শোকাকুল জনতাক।

উত্তোলিত জোৱাৰৰ ঢৌৰে যেনেকৈ সমুদ্ৰ তীৰত ঠেকা খাই পুনৰ শান্তভাৱে সমুদ্ৰৰ বুকুত মাৰ যায়, সেইদৰে এইজন নিৰলস জ্ঞান সাধকে এটা প্ৰচণ্ড জোৱাৰৰ দৰে জ্ঞানসাগৰৰ তীৰ স্পৰ্শ কৰি পুনৰ নীৰৱে বিলীন হৈ গ'ল জনসমুদ্ৰৰ বুকুত। *ফোন ঃ ৯৯৫৪০৩৮৭০৪*

---

পানী কাটিলেও দুফাল নহয়

# আপোনতকৈ পৰ ভাল পৰতকৈ জংঘল ভাল

**ৰীণা বিশ্বাস**

**আমি জীৱনৰ এছোৱা কাল আমাৰ বুকুৰ আপোন মানুহৰ লগত অতিবাহিত কৰো। তেওঁলোকৰ অৱদানৰ চানেকিয়ে আমাৰ জীৱনত গভীৰভাৱে ৰেখাপাত কৰে। আমি এক মুহূৰ্তৰ বাবেও এইসকল বুকুৰ আপোন মানুহৰ পৰা বিছিন্ন হ'বলৈ বাঞ্ছা নকৰো; কিন্তু সময়ে আমাক চিৰজীৱন একেই মনোভাৱেৰে জীয়াই থাকিবলৈ যেন অনুমতি নিদিয়ে।**

**আমি** সৰুতে আমাৰ আইৰ মুখত এইষাৰ কথা সঘনাই শুনিছিলোঁ। 'আপোনতকৈ পৰ ভাল, পৰতকৈ জংঘল ভাল।' আয়ে কি কথা বা ঘটনাৰ আলমত উক্ত বাক্য শাৰী তেতিয়া প্ৰয়োগ কৰিছিল, সেয়া বুজাৰ জোখাৰে আমাৰ বয়স বা বুদ্ধি এটাও হোৱা নাছিল। পাছত আমি যেতিয়া পঢ়ি-শুনি সংসাৰ ধৰ্ম আৰম্ভ কৰিলোঁ, বিভিন্ন ধৰণৰ অনুকূল-প্ৰতিকূল অৱস্থাৰ সন্মুখীন হ'লো, তেতিয়াও আয়ে মাজে-সময়ে উক্ত বাক্য শাৰী কৈ আমাক একপ্ৰকাৰ সান্ত্বনা দিছিল। পাছত অৱশ্যে আমি এই আপ্তবাক্য শাৰীৰ অৰ্থ প্ৰমাণে বুজি উঠিবলৈ সক্ষম হ'লো।

আমাৰ জীৱনৰ আৰম্ভণি কালটো একেবাৰে বুকুৰ আপোন মানুহৰ লগত অতিবাহিত হয়। আই-পিতায়ে আমাৰ জন্মৰ পাছত তুলি-তালি ডাঙৰ-দীঘল কৰে। পৰিয়ালৰ অন্যান্যসকলৰ মাজত আমি অনুশাসন, অনুশীলন আৰু অনুকৰণৰ দ্বাৰাই জীৱনৰ আদিপাঠ শিকো। আমি জন্মসূত্ৰে যিসকল সহোদৰ, বন্ধু-বান্ধৱ, তথা পৰিয়ালৰ বয়োজ্যেষ্ঠসকলক পাওঁ সেইসকলৰ প্ৰভাৱ আৰু অৱদান চিৰদিন আমাৰ মনত শিপাই থাকে। আমি সৰ্বাংগে একোজন পৰিপক্ক মানুহ হ'বলৈ এইসকল মানুহৰ অৱদান সদায় চিৰস্মৰণীয় হৈ ৰয়। এটা বয়সলৈকে সচৰাচৰ প্ৰত্যেকজন মানুহৰ জীৱনত আপোনজন ভৰপূৰ মাত্ৰাত থাকে। আই-পিতাই, সৰু পৰিয়াল হ'লেও ভাই-ভনী আৰু পৰিয়ালৰ অন্যান্য বয়োজ্যেষ্ঠসকল। ইয়াৰ উপৰি পঢ়াশলীয়া জীৱনৰ বন্ধু-বান্ধৱ ইত্যাদি। প্ৰত্যেকৰে জীৱন এইসকল নিকট আত্মীয়-কুটুম আৰু বন্ধু-বান্ধৱে জীপাল কৰি ৰাখে। জীৱনৰ আগবয়সৰ ভাৰ লঘু হ'লেও এইসকল মানুহৰ সাহচৰ্যই সকলোৰে জীৱন প্ৰভাৱান্বিত কৰে। জীৱন কালত আমি এক মুহূৰ্তও এইসকলৰ বিচ্ছেদ কামনা নকৰো।

বৈদিক যুগৰ পৰাই মানুহৰ সামাজিক জীৱন কে'বাটাও স্তৰত বিভক্ত হৈ আহিছে। ব্ৰহ্মচৰ্য আশ্ৰমত গুৰুৰ তত্ত্বাৱধানে ছাত্ৰসকলক বেদ-বিদ্যা শিক্ষা দিয়াৰ উপৰি জীৱনৰ বাকীবোৰ স্তৰৰ বাবে সাজু কৰি তুলিছিল। গুৰুৰ গৃহত ছাত্ৰসকলে বিদ্যা-শিক্ষা লাভ কৰাৰ উপৰি অনাগত জীৱনত নিজকে কেনেকৈ পৰিপক্ক কৰি তুলিব পাৰি সেই শিক্ষাও গুৰুৱে ছাত্ৰসকলক দিছিল। আমাৰ জীৱনটোও সময় আৰু সাধনৰ ব্যৱধানত তাৰেই অনুকৰণত পৰিচালিত হৈ আছে বুলিব পাৰি। আমাৰ পঢ়াশলীয়া জীৱনটো এখন ভৰপূৰ মানুহেৰে ভৰা ঘৰত অতিবাহিত হয়। লগতে লগ-সমনীয়া আৰু সহপাঠীসকলেও আমাক চাৰিওকাষে আগুৰি থাকে। ক্ৰমান্বয়ে আমি শিক্ষা জীৱন সাং কৰি গাৰ্হস্থ্য হওঁ আৰু জীৱন সংগ্ৰামত আকণ্ঠ সোমাই পৰো। গাৰ্হস্থ্য জীৱনৰ দায়িত্ব আৰু ধৰ্মই আমাক জীৱনৰ পিছফালে ঘূৰি চাবলৈ খুব কম সময় দিয়ে। লাহে লাহে আমাৰ লগ-সমনীয়া সকলো দায়িত্বৰ মাজত বান্ধ খাই পৰে ফলত আমি লাহে লাহে কিছুমান মানুহৰ (পঢ়াশলীয়া জীৱনৰ লগ-সমনীয়া) পৰা বিছিন্ন হ'বলৈ ধৰো। সময়ত আমাৰ জন্মদাতা সকলো আমাক এৰি এই পৃথিৱীৰ পৰা মেলানি মাগে আৰু আমিও সম্পূৰ্ণ পৰিপক্ক মানুহৰ শাৰীত অৱতীৰ্ণ হওঁ।

পঢ়াশলীয়া জীৱনত শিক্ষাগুৰুসকলৰ সাহচৰ্য, গাৰ্হস্থ্য জীৱনত স্বামী অথবা স্ত্ৰী, সন্তান আৰু আত্মীয়-কুটুম্বৰ সাহচৰ্য আৰু জীৱনৰ পৰিপক্ক সামাজিক জীৱনত কিছুমান বিশেষ ব্যক্তিৰ (হয়তো তেনেকুৱা সম্পৰ্কক কোনো নামৰ মাজত আবদ্ধ কৰিব নোৱাৰি) সাহচৰ্যই আমাৰ প্ৰত্যেকৰে জীৱনত সাৰ-পানী দি জীয়াই ৰাখে। ক্ৰমান্বয়ে সন্তান সকলো পৰিপক্ক হৈ সংসাৰ ধৰ্ম গ্ৰহণ কৰে, ফলত আমি ঘৰৰ বুঢ়া-মেথালৈ ৰূপান্তৰিত হওঁ। বৈদিক যুগৰ নিয়মানুসৰি আমাৰ জীৱনলৈ বানপ্ৰস্থ অৱস্থা আহে। এনেকৈয়ে ৰূপান্তৰে আমাক আগলৈ আৱহমান গতিৰে আগবঢ়াই লৈ যায়। ৰূপান্তৰৰ আন এটা নামেই জীৱন।

আইৰ মুখৰ আপ্তবাক্যশাৰী অনুসৰি আমি জীৱনৰ এছোৱা কাল আমাৰ বুকুৰ আপোন মানুহৰ লগত অতিবাহিত কৰো। তেওঁলোকৰ অৱদানৰ চানেকিয়ে আমাৰ জীৱনত গভীৰভাৱে ৰেখাপাত কৰে। আমি এক মুহূৰ্তৰ বাবেও এইসকল বুকুৰ আপোন মানুহৰ পৰা বিছিন্ন হ'বলৈ বাঞ্ছা নকৰো; কিন্তু সময়ে আমাক চিৰজীৱন একেই মনোভাৱেৰে জীয়াই থাকিবলৈ যেন অনুমতি নিদিয়ে। একেখন ঘৰত জন্ম হৈ একেলগে ডাঙৰ-দীঘল হোৱাৰ পাছতো যেতিয়া আমি নিজৰ নিজৰ ব্যক্তিগত জীৱন-যাত্ৰা আৰম্ভ কৰো তেতিয়াই নানা বিষয়-বাসনা, ঈৰ্ষা, হিংসা আৰু পোৱা-নোপোৱাৰ হিচাপ-নিকাচে আমাক বৈষয়িকভাৱে মতগৰ্বী কৰি তোলে। যিখন ঘৰত একেখন নিহালীৰ তলত শৈশৱৰ ঠেঁটুৱৈ ধৰা জাৰকালি শুই নিহপালি দিছিলো, সময় আৰু বয়স বাঢ়ি যোৱাৰ লগে লগে পৈতৃক সা-সম্পত্তিৰ বিপত্তিয়ে শৈশৱৰ সকলো কথাই পাহৰাই পেলায়। আমি সম্পৰ্কতকৈ সম্পদৰ প্ৰতিহে বেছি আকৃষ্ট হৈ পৰো। ফলত আমাৰ সকলোৰে সিৰা-উপসিৰাইদি বৈ যোৱা ৰঙা তেজৰ ৰংবোৰ যেন বগা হ'বলৈ ধৰে। আমি বিষয়ক আগস্থানত ৰাখি বৈষয়িক অৱহেলা কৰিবলৈ যাওঁতে অনিচ্ছা সত্ত্বেও এইসকল আপোন মানুহৰ পৰা আঁতৰি যাবলৈ বাধ্য হওঁ। আধুনিক জীৱনশৈলীয়ে বৰ্তমান এনেকুৱা পৰিস্থিতিত আৰু দুগুণ সাৰ-পানী যোগাইছে যেন লাগে। ঈৰ্ষা, পৰশ্ৰীকাতৰতা আৰু প্ৰতিযোগিতামূলক মনোভাৱে বৰ্তমান সময়ত কি চহৰ, কি গাওঁ সকলোতে মানুহৰ মনত আত্মীয়-কুটুম্বৰ পৰা আদি কৰি বন্ধু-বান্ধৱ সকলোলৈকে এই ব্যাধি বিয়পি পৰিছে। ফলত আপোন মানুহো হৈ পৰে পৰম শত্ৰুসম।

কথাতে কয়--- 'আত্মীয়জনৰ শত্ৰুতা আৰু ঘৃণা,

কালৰো কাল, তাতকৈ দূৰে দূৰে আঁতৰি থকাই ভাল।'

এইদৰেই আমি বহুত সময়ত তেজৰ সম্পৰ্কৰ মানুহৰ লগতো ইচ্ছা নথকা সত্ত্বেও আঁতৰি থাকিব লগা হয়। বাংলা ভাষাত এষাৰ কথা আছে -- 'জল কাটিলে দুই ভাগ হয় না।' অৰ্থাৎ পানীত দাৰে ঘপিয়ালেও পানীৰ ধাৰাক দুভাগ কৰিব নোৱাৰাৰ দৰে আপোনজনক ইচ্ছা কৰি এৰি দিলেও সম্পৰ্কৰ পৰা বাজ কৰিব নোৱাৰি; কিন্তু সময় আৰু পৰিস্থিতিত পৰি কেতিয়াবা মানুহে বুকুৰ আপোন মানুহৰ পৰাও বহুত দূৰৈত অৱস্থান কৰিব লগা হয়। (সকলোৰে ক্ষেত্ৰত কথাষাৰ প্ৰযোজ্য নহ'বও পাৰে) কথাবোৰ যেতিয়া নিমিলা অংক হয় আৰু কোনো সমাধান সূত্ৰ নাথাকে তেতিয়া কিছুমান মানুহ নিজৰ পৰা আঁতৰাই ৰাখিলেই কিজানি সমাধান সূত্ৰ ওলাই আহে। শৰীৰৰ একোটা উল্লেখযোগ্য অংগ যেতিয়া কিবা কাৰণত ঘুণীয়া হয়, তেতিয়া শৰীৰৰ বাকীবোৰ অংগ ভালে-কুশলে ৰাখিবলৈ সেই ঘুণীয়া অংগটো চিকিৎসকে কাটি শৰীৰৰ পৰা আঁতৰাই দিবলৈ পৰামৰ্শ দিয়ে। ঠিক তেনেকৈ জীৱন কালতো যেতিয়া নানা বিষয়-বাসনাৰ বশৱৰ্তী হৈ একেখন ঘৰৰ সহোদৰসকলো হিতৰ বিপৰীতে কাৰ্য কৰিবলৈ লৈ ওভতগোৰে নাচে তেতিয়া শৰীৰৰ ঘুণীয়া অংগটোৰ দৰে সেইসকলকো নিজৰ পৰা নিলগাই ৰাখি উভয়ে সুখে-সন্তোষে জীয়াই থকাই ভাল। আমি ভাবো আমাৰ আয়ে কোৱা আপ্তবাক্যশাৰী অনুসৰি যেতিয়া আপোন মানুহৰ পৰা জীৱনত সীমাহীন দুখ-দুৰ্গতি পোৱা যায় তেতিয়া পৰৰ মাজত আপোনত্ব বিচাৰি জীৱনটো সুকলমে চলাই নিবলৈ প্ৰচেষ্টা কৰিলেও ক্ষতি নহয়। কাৰণ সম্পৰ্ক কেৱল তেজৰ মাজতেই আৱদ্ধ নাথাকে। সম্পৰ্কৰ শিপা ডাল যদি শ্ৰদ্ধা-ভক্তি আৰু প্ৰেম-ভাল-পোৱাৰ হয়, তেন্তে তেজকো প্ৰসাৰী সম্পৰ্কই বহু দূৰ বাট অতিক্ৰম কৰিব পাৰে। নিঃস্বাৰ্থ ভাব আৰু মানৱীয় বোধশক্তিয়ে তাৰ মাইলৰ খুঁটি নিৰ্ধাৰণ কৰে। জীৱন কালত আমি অসংখ্য মানুহৰ লগত উঠা-বহা কৰো। তাৰে কিছুমান মুখৰ চিনাকি মাথোঁ যদিও কিছুমানৰ লগত মন আৰু মতৰ মিল হয়। গতিকে তেজৰ সম্পৰ্কতকো চেৰাই আমাৰ জীৱন কালত পৰতকৈয়ো পৰে বিশেষ প্ৰভাৱ পেলাব পাৰে।

আমাৰ জীৱন কালত কোন কেতিয়া শুভশক্তি লৈ আমাৰ জীৱনত পদাৰ্পণ কৰে সেই কথা আমি হয়তো অনুভৱ কৰিব নোৱাৰো; কিন্তু তথাপি সেই শুভশক্তিৰ প্ৰভাৱে আমাক আলোকিত কৰে। সেই শুভশক্তিৰ পৰা উদয় হোৱা জ্যোতি যেতিয়া আমি উচিত দিশত ধাৰণ কৰিব পাৰো তেতিয়া আমাৰ জীৱনৰ উত্তৰণ হয়। জীৱন কালৰ কিছুমান বিশেষ মাহেন্দ্ৰ ক্ষণত এনেকৈ শুভশক্তি লৈ দুই-এজন ব্যক্তি আমাৰ জীৱনত প্ৰৱেশ কৰে। আমি বাৰু কিমানজন এনেকুৱা ভাগ্যবান যাৰ জীৱনলৈ শুভশক্তি হৈ কোনোবা আহে আৰু সমস্ত আলোক বিচ্ছুৰিত কৰি আমাক উজলাই তোলে। হয়। সকলোৰে জীৱনত এই সৌভাগ্য নাহে। বাটে-ঘাটে অজস্ৰজন বিদ্যান, বৌদ্ধিক গুণসম্পন্ন ব্যক্তিৰে আমি পৰিপূৰ্ণ হৈ থাকো, কিন্তু তাৰ মাজৰ পৰা কাচিৎহে কোনোবা এজন ওলাই আহে হাতত শুভশক্তিৰ বন্তিগছি লৈ। আমি সেই পোহৰৰ দ্বাৰা আলোকিত হৈ ইমানেই প্ৰভাৱিত হৈ পৰো যে আমাৰ বাবে যেন সময় এডাল ঘড়ীৰ কাঁটাত ৰৈ যায়। আমি ভাবো আমাৰ এই অৱস্থাৰ আৰু পৰিৱৰ্তনেই নহ'ব। কিন্তু প্ৰকৃতাৰ্থত এয়া শুদ্ধ হয়নে? পৃথিৱীৰ কোনো বস্তুৱেই নিত্য নহয়। যিকোনো আৰম্ভণিৰে অন্ত অনিবাৰ্য। পৃথিৱীৰ অনিত্য নিয়মে কোনো বস্তু বা ঘটনা কেতিয়াও চিৰস্থায়ী কৰি নাৰাখে। মানুহ জন্মৰ পাছত একলা দুকলাকৈ বাঢ়ি গৈ যৌৱন তাৰপাছত বৃদ্ধাৱস্থা পায় ঠিক দুপতীয়া পুলি এটাও ডালে-পাতে জাতিষ্কাৰ হৈ মদগজ ৰূপ লয়। সেয়ে আমি সময়ৰ আহ্বানক শিৰোধাৰ্য কৰি সময়ৰ লগত আগবাঢ়ি যাবলৈ প্ৰয়াস কৰোতে তেনেকৈ শুভশক্তি লৈ আমাৰ জীৱনত আলোক বিচ্ছুৰিত কৰা ব্যক্তিকো ইচ্ছা নথকা সত্ত্বেও জীৱনৰ পৰা বিসৰ্জন দিবলৈ বাধ্য হওঁ। উপায় নাই। এই অনিত্য পৃথিৱীৰ নিয়মানুসাৰে কোনোৱে কাৰোবাৰ বাবে চিৰদিন শুভাকাংক্ষী হৈ থাকিব নোৱাৰে। আমি সময়ৰ প্ৰত্যাহ্বানক স্বীকাৰ কৰিবই লাগিব। একান্তই নিলগাই ৰাখিব নোৱাৰা বিষয় এটা এৰি দিবলৈ প্ৰথমে কষ্ট হয়, তাৰ পাছত বাধ্য-বাধকতাই আমাক সৈমান কৰে আৰু শেষত অভ্যাসত পৰিণত হয়।



সেয়ে কিজানি আমাৰ আয়ে কোৱা কথাষাৰৰ শেষৰ গূঢ়াৰ্থ 'পৰত কৈ জংঘল ভাল।'

জংঘল শব্দটোৰে কি বুজাইছে সেইটো হয়তো সকলোৰে বাবে একে নহ'বও পাৰে। কাৰণ মানুহৰ উৎপত্তি যিহেতু জংঘলৰ পৰাই হৈছে তাক ইংগিত কৰি যদি কথাষাৰ কোৱা হৈছে, তেন্তে মানুহে মানুহৰ পৰা পোৱা চৰম আৰু সীমাহীন বিপৰ্যয়ৰ পৰা পৰিত্ৰাণ পাবলৈ অৱশেষত কংক্ৰিটৰ মহানগৰৰ পৰা সেউজীয়াৰ সন্ধানত নিৰিবিলি ঠাই বিচাৰি নগৰৰ পৰা নাতিদূৰৈত অৱস্থিত আধুনিক ৰিজ'ৰ্ট আদিত বিলাস ভ্ৰমণ কৰিবলৈ যায় অথবা জীৱ-জন্তুৰ প্ৰতি প্ৰেম মানুহৰ পৰা পোৱা চৰম বিপৰ্যয়ৰ ফল। এসময়ত মানুহে জীৱ-জন্তু ঘৰচীয়া কৰি পুহিছিল জীৱিকা নিৰ্বাহৰ বাবে; কিন্তু বৰ্তমান আধুনিক মানুহে নিজৰ ঘৰত কুকুৰ, মেকুৰী, চৰাই, মাছ আদি পোহে। তাৰ এটা কাৰণ কিজানি মানুহৰ পৰা পোৱা চৰম অৱহেলা আৰু অবিশ্বাসৰ পৰিণতিও হ'ব পাৰে। কাৰণ এজোপা গছৰ ছাল আন এজোপা গছত কেতিয়াও নালাগে। সেয়ে সময়ত মানুহে মানুহক অৱহেলা কৰিব পাৰে, উপকাৰীক অজগৰ হৈ গিলিবও পাৰে ,উচিত মৰ্যাদা নিদিবও পাৰে আৰু একেবাৰে চৰম অৱস্থাত মানুহে মানুহক শাৰীৰিক, মানসিকভাৱে আঘাতো দিব পাৰে। মানুহৰ যিকোনো সম্পৰ্কৰ আধাৰ মৰম-স্নেহ, দায়িত্ব আৰু মানৱীয়তা হ'লেও তাৰ মাজত পানীৰ তলৰ কাঁইটৰ দৰে স্বাৰ্থ লুকাই থাকে; কিন্তু বাকহীন জন্তুক ঘৰচীয়া কৰি মৰম- স্নেহ দিলে সিহঁতৰ পৰা শুদ্ধ প্ৰতিদান পোৱা যায়। স্বাৰ্থপৰতা আৰু প্ৰতিদান নিবোকা জন্তুৱে বুজি নাপায়। সেয়েহে 'আপোনতকৈ পৰ ভাল আৰু অৱশেষত পৰতকৈ জংঘল ভাল।'

বৰ্তমান যুগটোক যদি উত্তৰ আধুনিক যুগ বুলি কোৱা হয়, তেন্তে তাৰ বৈশিষ্ট্য হিচাপে ক'ব পাৰি— বৰ্তমান সময়ত আগৰ দিনৰ তুলনাত মানুহ শিক্ষিত হৈছে আৰু অৰ্থনৈতিকভাৱেও বহুত উধাইছে। গতিকে সমাজৰ সিংহভাগ মানুহ এতিয়া শিক্ষা আৰু অৰ্থনৈতিকভাৱে সবল হোৱাৰ লগতে বৌদ্ধিকভাৱেও যথেষ্ট আগবাঢ়িছে। যুক্তি, বুদ্ধি আৰু সকলো ক্ষেত্ৰতে হিচাপ-নিকাচ আৰু লাভ-লোকচান লৈ বৰ্তমান যুগৰ মানুহে জীৱন অতিবাহিত কৰে। শিক্ষাই যদি মানুহক এইকণ চাতুৰ্য নিদিয়ে, তেন্তে সেই শিক্ষাৰ মূল্যই বা থাকিল ক'ত, সেয়ে কিজানি মানৱীয় সম্পৰ্কতো তাৰ প্ৰভাৱ পৰা দেখা যায়। আধুনিক শিক্ষিত আৰু যুক্তিৰে বিবেচনা কৰিব পৰা সৰহ ভাগ মানুহে এতিয়া সকলো ক্ষেত্ৰতে শংকা আৰু দ্বিধাবোধত জীৱন অতিবাহিত কৰে। শংকা আৰু সন্দেহে যিকোনো সম্পৰ্কত ভাঙোনমুখী প্ৰৱণতা সৃষ্টি হোৱাৰ সম্ভাৱনা কঢ়িয়াই আনে। জীৱনৰ বুজা-নুবুজা বয়সত আইৰ মুখত শুনা 'আপোনতকৈ পৰ ভাল পৰতকৈ জংঘল ভাল' আপ্তবাক্যশাৰীৰ প্ৰকৃত অৰ্থ শুদ্ধভাৱে বুজিবলৈ সক্ষম হ'লোহেঁতেন।

*ফোন ঃ ৯৮৫৪১৬৩৫৩৮*



# মানসিক ৰোগ মানেই পাগল নহয়

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৬ নৱেম্বৰ ঃ** জিলা মানসিক স্বাস্থ্য অভিযান, জিলা স্বাস্থ্য সমিতি দৰঙৰ উদ্যোগত আৰু দৰঙত অসামৰিক চিকিৎসালয়ৰ মানসিক ৰোগ বিভাগৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত মানসিক ৰোগৰ সজাগতাৰ বাবে দৰঙৰ বিভিন্ন অঞ্চলত সুকনান্নী ওজাপালিৰ জৰিয়তে মানসিক ৰোগৰ সজাগতামূলক অনুষ্ঠান প্ৰদৰ্শন কৰা হয়। ভেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়, পাথৰিঘাট সাপ্তাহিক হাট, গণকপাৰা, ডাঁহী আদিত স্থানীয় ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ মাজত দৰঙৰ বিশিষ্ট ওজাপালি প্ৰণৱ শৰ্মা আৰু সংগীবৃন্দৰ দ্বাৰা সুকনান্নী ওজাপালিৰ জৰিয়তে মানসিক ৰোগৰ সজাগতামূলক অনুষ্ঠান প্ৰদৰ্শন কৰে। প্ৰত্যেক ঠাইতেই শতাধিক ৰাইজ তথা ছাত্ৰ-ছাত্ৰীয়ে ওজাপালি উপভোগ কৰে। বিভিন্ন মানকিৰোগৰ বিষয়ে ওজা প্ৰণৱ শৰ্মাই ৰচিত কৰা কথাৰে ওজাপালি প্ৰদৰ্শন কৰাৰলগতে সেই পদৰ মাজে মাজে পালিৰ লগত বেমাৰৰ বিষয়ে ভাঙনি কৈ যায়। মঙলদৈ অসামৰিক চিকিৎসালয়ৰ নৈদানিক মনোবিজ্ঞানী পুষ্প কলিতা আৰু মানসিক সমাজসেৱী প্ৰাঞ্জল ঠাকুৰীয়াই ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ মাজত মানসিক ৰোগৰ ক্ষেত্ৰত ল'বলগা সজাগতাৰ বিষয়ে কয় যে বিশেষকৈ ৰোগ সম্পৰ্কে গুৰুত্ব নিদি বৈজ্ঞানিকভাৱে চিকিৎসা নকৰা নহ'লে অন্ধবিশ্বাসৰ বলি হৈ ভূত পেটে ধৰা বুলি বেজ কবিৰাজৰ দ্বাৰা জৰা ফুকা কৰা, মানসিক ৰোগ মানেই 'পগলা' হিচাপে বিবেচিত কৰি লুকাই ৰখা, বেমাৰৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰিলে হিতে বিপৰীত হ'ব।' তদুপৰি ৰোগীক আতংকিত নকৰি নিয়মিত ঔষধ সেৱনৰ লগতে নিয়মিতভাৱে চিকিৎসা আগবঢ়োৱা আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল ফোনৰ অত্যাধিক ব্যৱহাৰৰ ফলত হ'ব পৰা মানসিক ক্ষতিৰ বিষয়ে অৱগত কৰে। শেষত মনোৰোগ বিভাগৰ সহায়কাৰী জয়ন্ত দেৱ শৰ্মাই সকলোৰে মাজত মানসিক ৰোগৰ বিভিন্ন প্ৰচাৰ বিতৰণ কৰে।

# এসময়ৰ দুৰ্ধৰ্ষ চিকাৰী গাঁও এতিয়া

*তিনি পৃষ্ঠাৰ পৰা* নানা বনশাকৰ ব্যঞ্জন, আলুগুটি-কঁচুৰ পিটিকা, গাজটেঙাৰ আচাৰ, কেঁচা হালধিৰ চাটনিকে ধৰি বহু খাদ্য সম্ভাৰেৰে দেশ-বিদেশৰ অতিথিক আদৰিবলৈ সাজু হৈ পৰিছে এদল লোক। ডেকা-গাভৰুৱে দেশী-বিদেশী পৰ্যটকক আমোদ দিছে জনজাতীয় বাদ্য-নৃত্যৰ ছন্দৰে। কিন্তু একালত এইসকল মানুহৰে আছিল এক আহুকলীয়া অহেতুক বদনাম। এই অঞ্চলৰে বহুজনৰ ওপৰত আছিল চোৰাং চিকাৰৰ গোচৰ; কিন্তু বৰ্তমানে এইসকল ব্যস্ত এক কৰ্মময়, সগৌৰৱী আপোন শৈলী নিৰ্মাণত। এওঁলোকৰ স্থানলৈ এতিয়া সোঁত বৈছে দেশ-বিদেশৰ পৰ্যটকৰ। উল্লেখ্য যে পূৰ্বে কলিয়াবৰ মহকুমা প্ৰশাসনৰ বিশেষ পদক্ষেপত হেৰাই যোৱা ঠিকনা ঘূৰাই পাইছিল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া এই বৃহত্তৰ অঞ্চলৰ ৰাইজে। কলিয়াবৰ মহকুমাৰ অন্তৰ্গত বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ বনাঞ্চলৰ দাঁতিকাষৰীয়া নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ অন্তৰ্গত নতুনডাংগা নামৰ গাঁওখনৰ পূৰ্বৰ চিনাকি আছিল এখন দুৰ্ধৰ্ষ চিকাৰীগাঁও হিচাপে। এই গাঁওখনতে বহু সময়ত আছিল চোৰাংচিকাৰীৰ অবাধ বিচৰণ। বহু সময়ত হৈছিল আৰক্ষী-বন বিভাগৰে চোৰাংচিকাৰীৰ গুলীয়াগুলি। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গঁড় নিধন কৰিবলৈ অহা চোৰাংচিকাৰীয়ে এই গ্ৰামাঞ্চলতে থাকি একাংশ লোকৰ সহযোগত সংঘটিত কৰি আহিছিল এই দুষ্কাৰ্যৰ। সজাগতাৰ অভাৱৰ উপৰি আৰ্থিক অনাটনৰ বাবে গাঁওখনৰ একাংশ লোকে কৰি অহা দুষ্কাৰ্য ৰোধৰ বাবে কলিয়াবৰ মহকুমা প্ৰশাসনে কিছুবছৰ পূৰ্বে গ্ৰহণ কৰিছিল এক বিশেষ পদক্ষেপ। কলিয়াবৰ মহকুমাৰ পূৰ্বৰ মহকুমাধিপতি বিতোপন নেওগৰ এক ঐকান্তিক প্ৰচেষ্টাৰ ফলশ্ৰুতিত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বুঢ়াপাহাৰ বনাঞ্চলৰ দাঁতিকাষৰীয়া অঞ্চলত কলিয়াবৰৰ আমগুৰি নতুনডাংগা গাঁৱত খুলি দিছিল 'চৰাণ আহেম' নামৰ এই কাৰ্বি জনগোষ্ঠীয় খাদ্যসম্ভাৰৰ এককথাত জনজাতীয় ৰেস্তোৰাঁৰ লগতে জনজাতীয় সাজ-পাৰৰ বিপণী। আজিও বিপণীখনত পুৱাৰ পৰা সন্ধিয়ালৈকে ব্যস্ত হৈ পৰিছে গাঁওখনৰ পুৰুষ- মহিলা । আইতাসকলেও তামোলৰ জুতি লৈ বোৱাৰীক দিছে দিহা-পৰামৰ্শ। আনহাতে, দেশী-বিদেশী পৰ্যটকেও জুতি লৈছে কাৰ্বি জনগোষ্ঠীয় খাদ্য সম্ভাৰৰ। কাজিৰঙাত চোৰাংচিকাৰৰ লগতে বনধ্বংস ৰোধৰ বাবে পাৰিপাৰ্শ্বিক উন্নয়ন সমিতিৰ যোগেদি বন বিভাগে স্থানীয় বাসিন্দাৰ বাবে এইদৰে বহু আঁচনি যুগুত কৰিছে। উল্লেখ্য যে কলিয়াবৰৰ এই স্থানৰ লগতে আন এক স্থান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলৰ দাঁতিকাষৰীয়া চিলিমখোৱা নামৰ বৃহৎ পাহাৰীয়া অঞ্চলটোতো পূৰ্বৰ চোৰাংচিকাৰীৰ সহজ অৱস্থানৰ স্থানৰ পৰা পৰিৱৰ্তন কৰি এনে ইতিবাচক চিন্তাকৰ্মতে এইসকল লোককো জড়িত কৰাইছে মহকুমা প্ৰশাসনৰ লগতে বন বিভাগে। ফলত বিগত সময়ত গঁড় হত্যা বন্ধ হৈ পৰিছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত। এসময়ত সঘনাই গঁড়ৰ তেজ দেখি বিতত হোৱা মানুহখিনিয়ে এতিয়া বিচাৰি পাইছে এক নতুনৰ সন্ধান। ইয়াৰ বাবে বাৰুকৈয়ে প্ৰশংসাৰ পাত্ৰ কলিয়াবৰৰ পূৰ্বৰ মহকুমাধিপতি বিতোপন নেওগৰ লগতে বন বিভাগ। পূৰ্বে এই জনজাতীয় ৰেস্তোৰাঁত আহাৰ গ্ৰহণ কৰি আপ্লুত হৈছিল ইংলণ্ড ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক এণ্ড্ৰুছন। আহাৰ গ্ৰহণ কৰিছে বহুকেইখন বিদেশী ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতে। এনেদৰেই দেশ-বিদেশৰ মানুহৰে মুখামুখি হৈ নতুনত্বৰ সন্ধান পোৱা এই একালৰ সংগদোষে বদনামী কৰা মানুহখিনিৰো অকপট স্বীকাৰোক্তি 'যি কামত সন্মান আছে, তাতে আছে পৃথিৱীৰ সুখ। আহক এপলক সকলো আমাৰ চাৰণ আহেমলৈ।'

# কিতাপ পঢ়ো জ্ঞান-আনন্দ লাভৰ বাবে

*তিনি পৃষ্ঠাৰ পৰা* হ'ব। বৈদ্যুতিন কিতাপ হ'ব। হয়, সঁচাকৈয়ে ছপা কিতাপৰ যি আনন্দ পাওঁ, সাহায্য পাঁও, যি হৰ্ষ লাভ কৰো, সি আমাক এখন নতুন জগতলৈ লৈ যায়।' এই মন্তব্য প্ৰথিতযথা সাহিত্যিক ড° নগেন শইকীয়াৰ। দ্বাদশ ডিব্ৰুগড় গ্ৰন্থমেলাৰ দ্বাৰ উদ্বোধন কৰি তেওঁ পুনৰ কয় যে গ্ৰন্থ সদায়ে থাকিব আৰু গ্ৰন্থউৎসৱো মানুহে পাতি থাকিব। ড° শইকীয়াই পুনৰ কয়, 'গ্ৰন্থৰ প্ৰতি নতুন প্ৰজন্মৰ যি আকৰ্ষণ হ'ব লাগে বা লাগিছিল সেয়া বহু পৰিমাণে হ্ৰাস পাইছে বুলি ভাব হয়। ক্ষেত্ৰ অধ্যয়ন কৰিলেহে তাৰ প্ৰকৃত তথ্য পোৱা যাব। ইয়াৰ দুটা কাৰণ থাকিব পাৰে। এটা হ'ল বৰ্তমানৰ জগতখনত আমি আমাৰ সন্তানসকলক উপাৰ্জনৰ এটা যন্ত্ৰ হোৱাতো বিচাৰো। সংসাৰ পাতি জীয়াই থাকিবলৈ হ'লে কিছু উপাৰ্জনৰ প্ৰয়োজন হ'বই। নতুন চামৰ এতিয়া কৰ্প'ৰেট, উদ্যোগৰ প্ৰতি ধাউতি ক্ৰমাৎ বাঢ়িছে। শিক্ষকতা বৃত্তিত আত্মনিয়োগ কৰিবলৈ হেঁহকা-পিছলা কৰি থাকে বুলি ভাব হয় বুলি উল্লেখ কৰে। শিক্ষাৰ মাধ্যমেও বহু ক্ষেত্ৰত গ্ৰন্থমেলাৰ প্ৰতি আকৰ্ষণ কমোৱাত বৰঙণি যোগোৱা বুলি ব্যক্ত কৰে। মাতৃভাষাত শিক্ষা গ্ৰহণ কৰি যি আনন্দ লাভ কৰে, সেই আনন্দ ডিজিটেল জগতে দিব পাৰিব বুলি সন্দেহ প্ৰকাশ কৰে ড° শইকীয়াই। তেওঁ কয়, 'তথ্য সংৰক্ষণৰ বাবে ডিজিটেল মাধ্যম প্ৰয়োজন। কিতাপ আমি পঢ়ো জ্ঞান আৰু আনন্দ লাভৰ বাবে। আমি এতিয়া খুউব সতৰ্ক হ'ব লাগিব। কিয়নো আমি এতিয়া আলি-দোমোজাত থিয় হৈছোহি। এতিয়াৰে পৰা ভৱিষ্যতৰ প্ৰজন্মৰ বাবে সচেষ্ট হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায় সাহিত্যিকজনে। গ্ৰন্থৰ প্ৰতি হাবিয়াস বৃদ্ধিৰ বাবেও পৰামৰ্শ আগবঢ়াই কয়, 'তথ্যই জ্ঞান নহয়। সেই তথ্যক ভাতি-ভুতি মথি, যি তত্ত্ব পোৱা যায়, সেয়াহে জ্ঞান। সেয়ে ভৱিষ্যতৰ প্ৰজন্মক তত্ত্বৰ ওচৰ চপাই নিব নোৱাৰিলে জ্ঞানী কৰিব পৰা নাযাব। তেওঁ প্ৰকৃত জ্ঞানৰ অভাৱৰ বাবেই আমাৰ সমাজখন পংগু কৰি তুলিছে। 'ভাৰতবৰ্ষত বেদ-বেদান্ত যুগৰ পৰাই জ্ঞানৰ চৰ্চা চলিছিল বুলি নিজৰ ভাষণ প্ৰসংগত উল্লেখ কৰে।

উল্লেখ্য যে সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাৰ সহযোগত ৰাজ্যৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান মিলন জ্যোতি সংঘৰ উদ্যোগত চৌকিডিংগী খেল পথাৰত অনুষ্ঠিত দ্বাদশ ডিব্ৰুগড় গ্ৰন্থমেলাত গুৱাহাটী,নতুন দিল্লী, কলকাতাৰ লগতে বাংলাদেশৰ পৰাও গ্ৰন্থ বিপণী অংশগ্ৰহণ কৰে। গ্ৰন্থমেলাতে অসমৰ সাহিত্য জগতৰ অন্যতম মহীৰুহ ব্যক্তি, বিশিষ্ট লেখক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অধ্যাপক ড° শইকীয়ালৈ 'সাহিত্য শিৰোমণি বঁটা' আগবঢ়োৱা হয়। শৰাই, চেলেং চাদৰ, প্ৰশস্তি পত্ৰ আদি প্ৰদান কৰে।

সুদীৰ্ঘ **25**টা বৰ্ষত ভৰি দিয়া মিলনজ্যোতিৰ সাহিত্য চৰ্চাৰ এই আকৰ্ষণীয় অনুষ্ঠানত গ্ৰন্থ ক্ৰয়-বিক্ৰয়ৰ সমান্তৰালকৈ বহু ব্যতিক্ৰমী আৰু মননশীল তথা অসমীয়া সাহিত্য-কৃষ্টিৰ চৰ্চাক অধিক প্ৰাধান্য দি আয়োজন কৰিছে গ্ৰন্থমেলা। সাহিত্য-সংস্কৃতি, সমাজ শীৰ্ষক কাৰ্যসূচী, অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ, সংবাদ সাহিত্য আৰু অসমীয়া ভাষা, পৰ্যটন, অসমীয়া ভাষাৰ শুদ্ধ প্ৰয়োগ আৰু চৰ্চা শীৰ্ষক বক্তৃতা, সত্ৰীয়া আৰু লোকনৃত্য অনুষ্ঠান, নূপুৰ আৰু নাট মল্লাৰ, জীৱন গঢ়াৰ আখৰা, কন্যা সুৰক্ষা আৰু মহিলাৰ অনুষ্ঠান আদি অনুষ্ঠিত হ'ব গ্ৰন্থমেলাৰ বাকৰিত। উদ্বোধনী অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, সাংবাদিক কৌশিক ডেকা, ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগু, সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সভাপতি ইমৰান আহমেদ, মিলনজ্যোতিৰ সভাপতি অমিয় হাজৰিকা, সাধাৰণ সম্পাদক নিৰোদ কুমাৰ দত্তসহ অন্যান্যসকল উপস্থিত থাকে উদ্বোধনী অনুষ্ঠানত।

# কলিয়াভোমোৰা দলঙৰ ৰেলিঙত খুন্দা

*তিনি পৃষ্ঠাৰ পৰা* চালক-হেণ্ডিমেনৰ সন্ধান নোলোৱা অৱস্থাতে এই দুৰ্ঘটনাটো সংঘটিত হয়। যোৱা নিশা প্ৰায় দুই বজাত সংঘটিত দুৰ্ঘটনাত আহত দুজন চালক বৰ্তমান চিকিৎসাধীন হৈ আছে।

শোণিতপুৰৰ আৰক্ষী অধীক্ষক ধনঞ্জয় ঘনাৱটে প্ৰকাশ কৰা অনুসৰি, কলিয়াভোমোৰা দলঙৰ ওপৰত যোৱা নিশা নিয়ন্ত্ৰণ হেৰুৱাই এন এল-০১এ বি-৩৪৪৪ নম্বৰৰ প্ৰসাধন সামগ্ৰী কঢ়িয়াই অনা এখন কন্টেইনাৰে তীব্ৰবেগত দলঙৰ ৰেলিঙত খুন্দিয়াই বাগৰি পৰাৰ সময়তে তেজপুৰৰ পৰা নগাঁও অভিমুখে গৈ থকা আন এখন নম্বৰ প্লেটহীন টাটা মেজিক মিনি ট্ৰাকে খুন্দা মাৰে। এই ঘটনাত ৰেলিং ভাঙি কে'বাঘন্টা সময় ধৰি অতি বিপজ্জনকভাৱে কন্টেইনাৰখন দলঙৰ ওপৰতে ওলমি থকাৰ বিপৰীতে মিনি ট্ৰাকখনৰো বিস্তৰ ক্ষতি সাধন হয়। উল্লেখ্য যে তিনিচুকীয়াৰ ডুমডুমাৰ পৰা গুৱাহাটী অভিমুখে আহি থকা কন্টেইনাৰখনৰ চালকজনৰ প্ৰাণৰক্ষা পৰে যদিও হেণ্ডিমেনজন এতিয়াও সন্ধানহীন হৈ আছে। ইয়াৰ বিপৰীতে টাটা মেজিকখনৰ চালকজনো আহত হয়। দুয়োজন চালকক কলিয়াবৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। দুৰ্ঘটনাটোত বৃহৎ কন্টেইনাৰসহ ট্ৰাকখন দলংখনৰ মাজৰ ১৯ নম্বৰ খুঁটাৰ ওপৰত বাগৰি পৰাৰ ফলত নিশাৰে পৰা দলঙৰ দুয়োদিশে যানবাহন আৱদ্ধ হৈ পৰাত হাহাকাৰৰ সৃষ্টি হয় । ঘটনাৰ পাছতেই নিশাই শোণিতপুৰ আৰক্ষীৰ এটা বৃহৎ দল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। ঘটনা অনুসৰি তিনিচুকীয়াৰ ডুমডুমাৰ পৰা হিন্দুস্তান লিভাৰৰ বিভিন্ন সা-সামগ্ৰী লৈ এটা কন্টেইনাৰসহ এন এল-০১এ বি-৩৪৪৪ নম্বৰৰ ট্ৰাকখন ৩৭ (ক) নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেদি তেজপুৰ হৈ গুৱাহাটী অভিমুখে গৈ আছিল। এনে সময়তে নিশা প্ৰায় ডেৰ বজাত হঠাতে কলিয়াভোমোৰা দলঙৰ ১৯ নম্বৰ খুঁটাৰ ওপৰত ট্ৰাকখনৰ ষ্টীয়াৰিং লক হৈ যোৱাত নিয়ন্ত্ৰণ হেৰুৱাই দলঙৰ ওপৰতে বাগৰি পৰি ৰেলিঙত খুন্দিয়াই আধালৈকে ওলমি থাকে। গভীৰ নিশা দলংখনৰ মাজত সংঘটিত এই দুৰ্ঘটনাৰ পাছতেই দলংখনৰ দুয়োদিশে থকা আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে দলংখনৰ ওপৰত বিপজ্জনকভাৱে ওলমি থকা ট্ৰাকখনত আৱদ্ধ হৈ থকা চালকজনক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছত আজি পুৱা ট্ৰাকখনক দলঙত ওলমি থকাৰ পৰা এখন ক্ৰেনেৰে টানি অনাৰ লগতে প্ৰথমতে দুই এখন যানবাহন যেনে তেনে অহা যোৱা কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। দুৰ্ঘটনাগ্ৰস্ত হৈ ৰেলিঙত ওলমি থকা ট্ৰাকখনৰ চালক তথা কোকৰাঝাৰৰ গোসাঁইগাঁৱৰ মনোজ চাহুৰে এই ভয়ংকৰ ঘটনাৰ বিষয়ে কয় যে নিশা তিনিচুকীয়াৰ পৰা গুৱাহাটী অভিমুখে গৈ থকাৰ সময়তে ক'ব নোৱাৰাকৈয়ে হঠাতে দলঙৰ ওপৰতে ট্ৰাকখনৰ ষ্টিয়াৰিং লক হৈ যায় আৰু লগে লগেই নিয়ন্ত্ৰণ হেৰুৱাই ট্ৰাকখন বাগৰি পৰে। ঘটনাৰ সময়ত ট্ৰাকখন নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছিল যদিও কোনোমতেই ৰক্ষা কৰিব নোৱাৰিলে বুলি কয় চালকজনে। চালকজনে লগতে কয় এই ঘটনাৰ সময়ত দলংখন অন্ধকাৰত ডুব গৈ আছিল আৰু ইয়াৰ পাছতেই আৰক্ষীয়ে তেওঁক ট্ৰাকখনৰ ভিতৰৰ পৰা টানি উলিয়াবলৈ সক্ষম হয় যদিও হেণ্ডিমেন কাজিৰঙাৰ দীপক তাছাৰ বৰ্তমানলৈকে কোনো সন্ধান পোৱা নাই। ঘটনাৰ পাছৰে পৰাই সন্ধানহীন হৈ পৰা কাজিৰঙাৰ বাগৰি অঞ্চলৰ দীপক তাছা (২৪) নামৰ হেণ্ডিমেনজনক বিচাৰি আৰক্ষীয়ে অনুসন্ধান কৰিছে যদিও কোনো তথ্য লাভ কৰা নাই। হেণ্ডিমেনজন ব্ৰহ্মপুত্ৰত পৰা নাই বুলি সন্দেহ কৰি তেওঁ দুৰ্ঘটনাৰ পাছত আঁতৰি যোৱা বুলিহে আশংকা কৰা হৈছে। ইফালে, এই খবৰ পোৱাৰ পাছতেই বাগৰিৰ পৰা যুৱকজনৰ পৰিয়ালৰ লোকসকল ঘটনাস্থলীত উপস্থিত হয়। এই দুৰ্ঘটনাত ট্ৰাকখনৰ সন্মুখভাগ সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱাৰ উপৰি ট্ৰাকৰ খুন্দাত দলংখনৰ ৰেলিঙৰ এক বৃহৎ অংশ ভাঙি চূৰ্ণবিচূৰ্ণ হৈ পৰে।

ইপিনে, অন্ধকাৰাচ্ছন্ন দলংখনৰ আলোক সংযোগ ব্যৱস্থাৰ সন্দৰ্ভত ইতিমধ্যে এ পি ডি চি এল আৰু গড়কাপ্তানী বিভাগৰ কাৰিকৰী শাখাৰ মাজত বিষয়টো সন্দৰ্ভত আলোচনা হৈছে। বিষয়টোৰে আৰ্থিক আৰু কাৰিকৰী কথা জড়িত আছে বুলিও প্ৰকাশ কৰিছে তেজপুৰৰ ৰাজহ চক্ৰ বিষয়া পংকজ বৰাই। আনহাতে, অধিক গতিৰ বাবেই এই দুৰ্ঘটনাসমূহ সংঘটিত হোৱা বুলি দাবী কৰি এইক্ষেত্ৰত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে এক জৰীপ কৰি এক প্ৰতিবেদন দাখিল কৰিব বুলিও বৰাই কয়। আজিৰ দুৰ্ঘটনাৰ ফলত তেজপুৰৰ মিছন চাৰিআলি পৰ্যন্ত যাঁনজটৰ সৃষ্টি হয়।

# গোসাঁইগাঁৱত পথ দুৰ্ঘটনাত

*তিনি পৃষ্ঠাৰ পৰা* গুৱাহাটী অভিমুখী এ পি ০৭- টি এইছ-৩৪৭৯ নম্বৰৰ মালবাহী ট্ৰাকৰ তলত মটৰ চাইকেলখন সোমাই যোৱাত থিতাতে মৃত্যু হয় লোকজনৰ। শ্ৰীৰামপুৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে। লগতে ট্ৰাকখন জব্দ কৰি চালক আৰু হেণ্ডিমেনক আটক কৰে। এই ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

# লক্ষীপুৰত উদ্ধাৰ হোৱা আই ডি

*তিনি পৃষ্ঠাৰ পৰা* স্থাপন হৈছিল আন তিনিজনৰ। ইফালে, মণিপুৰৰ চুড়াচান্দপুৰত অসম ৰাইফলছৰ ওপৰত সংঘটিত ভয়াৱহ আক্ৰমণৰ ঘটনাৰ লেখীয়াকৈ মণিপুৰত আন এটা ভয়ংকৰ আক্ৰমণৰ পৰিকল্পনা সশস্ত্ৰ সংগঠনটোৱে কৰিছিল বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে সদৰী কৰিছে। আৰক্ষীয়ে এই সন্দৰ্ভত সোধ-পোছ অব্যাহত ৰাখিছে।

# নগাঁৱৰ বিশিষ্ট সমাজকৰ্মী

*তিনি পৃষ্ঠাৰ পৰা* চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। সেই অনুসৰি কালি বিয়লি নগাঁৱৰ পৰা নি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত চিকিৎসাধীন হয় যদিও নিশা ডাঃ শৰ্মাই মৃত্যুৰ ওচৰত হাৰ মানে। নিশা তেওঁৰ মৃতদেহ নগাঁৱৰ নিজা বাসভৱনলৈ অনাৰ পাছত আজি পুৱা বহুসংখ্যক গুণমুগ্ধৰ উপস্থিতিত আমোলাপট্টি শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এগৰাকী কন্যা আৰু এজন পুত্ৰ এৰি যায়।

# লখিমপুৰত মোনাত ভৰাই

*তিনি পৃষ্ঠাৰ পৰা* মৃতদেহটো পেলাই থৈ যায়। এটি সুন্দৰ সুঠাম ল'ৰা নৱজাতকৰ মৃতদেহটোত কোনোবা চিকিৎসালয়ৰ টিকট লাগি থকাৰ উপৰি হাতত বেজী অথবা চেলাইন দিয়াৰ চিনো স্পষ্ট হৈ আছিল। পুৱাই স্থানীয় লোকে মোনাটো প্ৰত্যক্ষ কৰি সন্দেহ হোৱাত আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে মোনাটো পৰীক্ষা কৰি মৃতদেহটো উদ্ধাৰ কৰে। পাছত আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটা প্ৰেৰণ কৰে। উল্লেখ্য যে দুদিনমানৰ পূৰ্বে নগৰৰ এখন নাৰ্ছিংহোমত এটি শিশুৰ মৃত্যুৰ ঘটনাই নগৰখনত সৃষ্টি কৰা প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই আজি পুনৰ শিশুৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। লক্ষ্যণীয় যে স্থানীয় ৰাইজৰ অভিযোগ মতে এই শ্মশানৰ কিছু নিলগত থকা পৌৰসভাৰ ডাম্পিং গ্ৰাউণ্ডত এনেদৰে শিশু পেলাই থৈ যোৱাৰ ঘটনা প্ৰায়েই ঘটে। হৃদয়হীন একাংশৰ এনে কুকৰ্মই এতিয়া সচেতন লোকক উদ্বিগ্ন কৰি তুলিছে। ৰাইজে এনে ঘটনাসমূহৰ এক তদন্তৰ দাবী উত্থাপন কৰি দোষীৰ শাস্তিৰ দাবী জনাইছে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ

*তিনি পৃষ্ঠাৰ পৰা* মহাবিদ্যালয়ত অধ্যাপনা কৰিছিল। মৃত্যুৰ সময়ত তেওঁ তিনিগৰাকী কন্যা এৰি যায়। তেওঁ দেউৰী জনগোষ্ঠীৰ প্ৰথমজন ডক্টৰেট ডিগ্ৰী লাভ কৰা ব্যক্তি আছিল। আজি পুৱা ১১-৩৫ বজাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাংগণলৈ নিয়া হয়। দেউৰীৰ নশ্বৰদেহৰ প্ৰতি শেষ শ্ৰদ্ধা জনাবলৈ বিশ্ববিদ্যালয় প্ৰাংগণত অগণন অনুৰাগীৰ সমাৱেশ ঘটে। উক্ত অনুষ্ঠানৰ আঁত ধৰে আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সঞ্চালক তথা পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ড° কল্যাণ ভূঞাই। উক্ত অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° জিতেন হাজৰিকা, দেউৰীৰ গুণমুগ্ধ প্ৰাক্তন ছাত্ৰ প্ৰদীপ শইকীয়া, পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক প্ৰশান্ত কুমাৰ শইকীয়াই অংশগ্ৰহণ কৰি প্ৰয়াত দেউৰীৰ সান্নিধ্যৰ কথা স্মৰণ কৰে। তেওঁৰ মৃত্যুত দেউৰী সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰিছে।

# ভূটান সীমান্তত অব্যাহত হাতী

*তিনি পৃষ্ঠাৰ পৰা* সীমান্তৰ শান্তিপুৰ গাঁৱত আজি পুৱা ছয়মান বজাত হঠাৎ জাকৰ পৰা ফালৰিকাটি অহা পাঁচটা বনৰীয়া হাতী প্ৰৱেশ কৰাত গাঁওবাসীৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। বনৰীয়া হাতীকেইটা মানুহৰ বাৰীত প্ৰৱেশ কৰাত গাঁওখনৰ কেইজনমান লোকে হাতীকেইটা খেদিবলৈ চেষ্টা কৰোতে এটা হাতীয়ে ওলোটাকৈ খেদি আহি আক্ৰমণ কৰাত অজয় দাস নামৰ লোকজনৰ থিতাতে মৃত্যু হয়। হাতীৰ গচকত লোকজনৰ দেহ ছিন্ন-ভিন্ন হৈ পৰে। ইপিনে, পুৱাই গাঁওখনত বনৰীয়া হাতী প্ৰৱেশ কৰি আতংকৰ সৃষ্টি কৰাত কোনো লোকে কুমাৰীকাটা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত খবৰ দিয়ে। বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ মৃত অজয়ৰ মৃতদেহ উদ্ধাৰ কৰি বন বিভাগৰ কাৰ্যালয়লৈ লৈ আহে। ইপিনে, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে নিহত অজয় দাসৰ পৰিয়ালক সাক্ষাৎ কৰে। বিধায়কজনে নিহত অজয়ৰ পৰিয়ালক উপযুক্ত ক্ষতি পূৰণৰ আশ্বাস দিয়াৰ লগতে গাঁওখনৰ সমীপৰ হাবিয়নিত অৱস্থান কৰি থকা বনৰীয়া হাতীকেইটা পাহাৰলৈ খেদি পঠিওৱাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে।

# বিশিষ্ট সত্ৰীয়া শিল্পী বাসুদেৱ

*তিনি পৃষ্ঠাৰ পৰা* বৰপেটা চহৰৰ মাজৰহাটীত ১৯৪০ত জন্মগ্ৰহণ কৰা শিল্পীজনে থিয় নামৰ প্ৰখ্যাত শিল্পী প্ৰয়াত যোগেশ পাঠক আৰু প্ৰয়াত কেশৱ চন্দ্ৰ পাঠকৰ ওচৰত নাম- প্ৰসংগৰ প্ৰশিক্ষণ লোৱাৰ লগতে পৰিবেশ্য কলাৰ অন্যতম ভোৰতাল নৃত্যৰ অন্যতম শিল্পী মহানন্দ সূত্ৰধাৰৰ পৰা ভোৰতাল নৃত্য শিকি পৰৱৰ্তী পৰ্যায়ত ভাৰতৰ চুকে কোণে পৰিৱেশন কৰি প্ৰশংসিত হৈছিল। শিল্পীজনৰ মৃত্যুত বৰপেটা অঞ্চলত শোকৰ ছাঁ পৰিছে। বৰপেটাৰ ভাৰত শংকৰী কলা প্ৰচাৰ সমিতি বৰ্তমানৰ শংকৰদেৱ কলাক্ষেত্ৰৰ লগত জড়িত হৈ অসমৰ বিভিন্ন স্থানৰ লগতে দিল্লী, মুম্বাই, কলকাতা, কেৰালা, অৰুণাচল, পঞ্জাব, বাংগালুৰু আদি বিভিন্ন স্থানত ভোৰতাল নৃত্য পৰিৱেশন কৰি প্ৰশংসিত হৈছিল। ১৯৬২ৰ চীনা যুদ্ধৰ পাছত শান্তি সম্প্ৰীতি ৰক্ষাৰ বাবে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে অৰুণাচলৰ নেফালৈ পঠোৱা শিল্পী দলৰ স'তে যোৱা দাসে ভোৰতাল নৃত্য পৰিৱেশন কৰি প্ৰশংসিত হৈছিল। অমৰ পাঠকৰ সন্তান কথাছবি আৰু প্ৰমোদ দাসৰ তথ্যচিত্ৰ এখনতো ভোৰতাল নৃত্য পৰিৱেশন কৰা দাসে ভাৰতৰ বিভিন্ন মঞ্চত ভোৰতাল নৃত্য পৰিৱেশন কৰি প্ৰশংসিত হৈছিল। বৰপেটা শংকৰদেৱ কলাক্ষেত্ৰৰ সভাপতিৰূপে যোৱা ২২ নৱেম্বৰত কাৰ্যনিৰ্বাহক সভাত সভাপতিত্ব কৰা দাসে যোৱা নিশা কিছু অসুস্থ অনুভৱ কৰাৰ পাছত আজি পুৱা ৮-২৫ বজাত নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। শিল্পীজনৰ মৃত্যুত শংকৰদেৱ কলাক্ষেত্ৰৰ সমূহ শিল্পীবৃন্দই শোক প্ৰকাশ কৰে। বাসুদেৱ দাসৰ মৃত্যুত বৰপেটা সাহিত্য সভাৰ সভাপতি ডাঃ কমল কৃষ্ণ দাসে শোক প্ৰকাশ কৰিছে।

# উৎকোচ লৈ নিলম্বিত ডবকা

*তিনি পৃষ্ঠাৰ পৰা* চাংমাঝি গাঁৱত এখন ই-ৰিক্সা দুৰ্ঘটনাগ্ৰস্ত হৈছিল। সেই দুৰ্ঘটনাটোৰ তদন্তকাৰী বিষয়া আছিল ডবকা আৰক্ষী থানাৰ সহকাৰী উপ-পৰিদৰ্শক দাস। পাছত ই-ৰিক্সাৰ গৰাকীক ৰিক্সাখন চমজাই দিয়াৰ নামত আৰক্ষী বিষয়াজনে ধন দাবী কৰিছিল। উপায়ান্তৰ হৈ ই-ৰিক্সাৰ গৰাকীয়ে ভেলৌগুৰিৰ জনৈক দিলুৱাৰৰ হাতত নহেজাৰ টকা আৰক্ষী বিষয়াজনক দিবলৈ কয়। দিলোৱাৰে ধনখিনি আৰক্ষী বিষয়া দাসৰ অতি ঘনিষ্ঠ মিঠুন চক্ৰৱৰ্তী নামৰ যুৱকজনৰ জৰিয়তে ধনখিনি আৰক্ষী থানাৰ ভিতৰতে বিষয়াজনক প্ৰদান কৰে। কিন্তু এই ধন প্ৰদানৰ সমগ্ৰ দৃশ্য কোনো লোকে অতি গোপনে ম'বাইল ফোনৰ কেমেৰাৰে ভিডিঅ' ৰেকৰ্ডিং কৰি ৰাখিছিল। কালি সন্ধিয়া হঠাতে আৰক্ষী বিষয়াজনে মুকলিকৈ ধন লোৱাৰ ভিডিঅ'টো কোনো লোকে সামাজিক মাধ্যমত এৰি দিয়ে। লগে লগে ভাইৰেল হৈ পৰা ভিডিঅ'টোক লৈ হোজাই জিলা আৰক্ষী প্ৰশাসনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই ক্ষিপ্ৰতাৰে ভাইৰেল ভিডিঅ'টোৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰে। প্ৰাথমিক তদন্তত আৰক্ষী বিষয়াজনে ধন লোৱা কথাটো পোহৰলৈ আহে। পাছত নিশাই আৰক্ষী অধীক্ষকজনৰ নিৰ্দেশত আৰক্ষী বিষয়া দাস আৰু মধ্যভোগী চক্ৰৱৰ্তীক সোধ-পোছৰ বাবে আটক কৰে। আজি পুৱা দুয়োকে হোজাই আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ নিয়া হয়। তাতে আৰক্ষী অধীক্ষক পুৰকায়স্থসহ আন আন উচ্চপদস্থ আৰক্ষী বিষয়াই সহকাৰী উপ-পৰিদৰ্শক দাসক মাৰাথন জেৰা চলায়। জেৰাৰ অন্তত ধন লোৱাৰ ঘটনা পোহৰলৈ অহাত আৰক্ষী অধীক্ষকে তৎকালীনভাৱে তেওঁক চাকৰিৰ পৰা নিলম্বনৰ নিৰ্দেশ দিয়ে। আৰক্ষী অধীক্ষকজনৰ এনে পদক্ষেপক একেমুখে শলাগ লৈছে বিভিন্ন দল-সংগঠনে।

# ড° পূৰ্ণ নাৰায়ণ সিংহৰ পত্নীৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৬ নৱেম্বৰ ঃ** তেজপুৰৰ প্ৰাক্তন সাংসদ প্ৰয়াত ড° পূৰ্ণ নাৰায়ণ সিংহৰ পত্নী চম্পা সিংহৰ আজি দিনৰ ১২-৪০ বজাত বিয়োগ ঘটে। সৰবৰহী মহিলাগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮০ বছৰ। উল্লেখ্য যে প্ৰয়াত ৰাজনীতিক তথা সাংবাদিকজনৰ সহধৰ্মিনী হিচাপে বিভিন্ন সময়ৰ ভিন্ন অভিজ্ঞতাৰ সাক্ষী এইগৰাকী মহিলা যোৱা কিছুদিন ধৰি বাৰ্ধক্যজনিত কাৰণত অসুস্থ হৈ আছিল। ইতিমধ্যে চিকিৎসা গ্ৰহণ কৰাৰ পাছত ড° পূৰ্ণ নাৰায়ণ সিংহ পথ আৰু নেপালী পট্টি সংযোগী পথত থকা পুত্ৰ তথা মানৱ অধিকাৰ কৰ্মী ড° পৰশমণি সিংহৰ বাসগৃহত আজি তেওঁৰ বিয়োগ ঘটে। বিয়লি স্থানীয় মৰাভৰলীপাৰ শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হোৱা মহিলাগৰাকীয়ে পুত্ৰ পৰশমণি লগতে বিবাহিতা কন্যা মঞ্জুলিকা সিংহ ডেকা সহ বহু সংখ্যক আত্মীয় আৰু গুণমুগ্ধক এৰি গৈছে। তেওঁৰ বিয়োগত স্থানীয় বহুকেইটা সংগঠন আৰু বহুসংখ্যক ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

# আজি অসম আন্দোলনৰ দৰঙৰ ছহিদ মুকুন্দ বড়োৰ ৪২ সংখ্যক মৃত্যুবাৰ্ষিকী

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৬ নৱেম্বৰ ঃ** অবৈধ বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ নেতৃত্বত গঢ়ি উঠা ছয়বছৰীয়া অসম আন্দোলনৰ সূচনা হৈছিল মঙলদৈৰ পৰা। ১৯৭৯ত আৰম্ভ হোৱা এই গণ আন্দোলনৰ আৰম্ভণিতে ২৭ নৱেম্বৰত মঙলদৈৰ গান্ধী ময়দানত আয়োজিত হৈছিল এখন গণ সমাবেশৰ। স্বাধীনতা সংগ্ৰামী পানী ৰাম দাসৰ সভাপতিত্বত আয়োজিত এই গণ সমাবেশলৈ হিলদল ভাঙি ওলাই আহিছিল তেতিয়াৰ অবিভক্ত দৰঙৰ ৰাইজ। অসম আন্দোলনত সক্ৰিয় ভূমিকা লোৱা মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ, কলাইগাঁৱৰ সমীপৰ তেজিয়ালপাৰা গাঁৱৰ এজন তেজাল যুৱক মুকুন্দ বড়োও এখন যাত্ৰীবাহী বাছত আহিছিল এই সমাবেশত অংশ ল'বলৈ। কিন্তু জাবেৰিকুছিত সংঘটিত এক পথ দুৰ্ঘটনাত মুকুন্দৰ ডিঙিৰ ওপৰচোৱা ছিঙি যোৱাত নিহত হৈছিল থিতাতে। এই মৃত্যুই আন্দোলনক এক তীব্ৰ গতি প্ৰদান কৰাৰ লগতে দৰঙৰ প্ৰথমগৰাকী ছহিদ হিচপে স্বীকৃতি লাভ কৰে। মঙলদৈ আৰু কলাইগাঁৱৰ সেই সময়ৰ আন্দোলনৰ অংশগ্ৰহণকাৰীৰ লগতে কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাই আজিও মুকুন্দক প্ৰথম ছহিদৰ মৰ্যাদা দি উক্ত দিনটো শ্ৰদ্ধাৰে সুঁৱৰি আহিছে। উল্লেখ্য যে প্ৰথম ছহিদৰ মৰ্যাদা প্ৰাপ্ত ছহিদ খৰ্গেশ্বৰ তালুকদাৰ নিহত হৈছিল মুকুন্দ বড়োতকৈ ১৩ দিন পাছত অৰ্থাৎ একে বছৰৰ ১০ ডিচেম্বৰত। সেয়ে মুকুন্দক প্ৰথম ছহিদৰূপে আখ্যা দি আহিছে বিভিন্ন মহলে। জাতীয় ছহিদজনৰ ৪২ সংখ্যক মৃত্যুবাৰ্ষিকীৰ প্ৰাক মুহূৰ্তত তেওঁৰ পৰিয়ালৰ একমাত্ৰ সদস্য, ভগ্নী কিৰণ বড়ো মানসিকভাৱে অসুস্থ হৈ পৰাত কলাইগাঁও ছাত্ৰ সন্থাই বিভিন্ন দিশত আগভাগ লৈ কালি তেওঁক তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায়। প্ৰাক্তন ছাত্ৰ নেতা তথা সাংবাদিক ভাৰ্গৱ কুমাৰ দাসৰ অনুৰোধ মৰ্মে চতিয়াৰ বিধায়ক তথা গৰুখুঁটি কৃষি প্ৰকল্পৰ সভাপতি পদ্ম হাজৰিকাই চিকিৎসালয়খনত যাতে ছহিদ ভগ্নীয়ে সকলো শুশ্ৰূষা আৰু সুবিধা যাতে লাভ কৰে তাৰ সকলো ব্যৱস্থা তদাৰক কৰিবলৈ আজি শোণিতপুৰৰ উপায়ুক্তক নিৰ্দেশ দিয়া বুলি জনা গৈছে। ইপিনে ছহিদগৰাকীৰ মৃত্যুবাৰ্ষিকীৰ প্ৰাকক্ষণত তেওঁলৈ সশ্ৰদ্ধ প্ৰণাম জনাইছে প্ৰাক্তন ছাত্ৰনেতা ভাৰ্গৱ কুমাৰ দাস, হিতেশ হাজৰিকা, নৱ কুমাৰ ডেকা আদিয়ে। তদুপৰি কলাইগাঁও আছুই কাইলৈ আয়োজন কৰিছে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ।

# মুছলপুৰত ৩২ লক্ষ টকাৰ জব্দকৃত ড্ৰাগছ দাহন

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশৰ পাছতে আৰক্ষী প্ৰশাসনে তীব্ৰতৰ কৰি তুলিছে ড্ৰাগছ বিৰোধী অভিযান। বিগত ছমাহত বাগ্‌সা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন স্থানৰ পৰা জব্দ কৰে হেৰ'ইন, ড্ৰাগছ, ব্ৰাউন ছুগাৰ, গাঞ্জা, কানি আৰু নিচাযুক্ত টেবলেটকে আদি কৰি প্ৰায় ৩২ লাখ টকা মূল্যৰ দ্ৰব্য। জিলাখনৰ গোৰেশ্বৰ, তামুলপুৰ, বৰমা, মুছলপুৰ, শালবাৰী, শিমলা আৰু গোবৰধনা আৰক্ষী থানাত ৰুজু হোৱা ২১ টা গোচৰৰ ভিত্তিত জব্দ কৰা নিচাযুক্ত দ্ৰব্যবোৰ মুছলপুৰৰ সমীপৰৰ্তী বৰবৰীত আজি দাহন কৰে। আজি বাগ্‌সাৰ বৰবাৰীৰ দিৰিং নৈৰ পাৰত বিটিএডিআইজিপিএলআৰ বিষ্ণুয়ে বাগ্‌সা আৰক্ষী প্ৰশাসনৰ সহযোগত জব্দকৃত ড্ৰাগছসমূহ ৰাজহুৱাভাৱে দাহন কৰে। এই কাৰ্যসূচীত বাগ্‌সাৰ আৰক্ষী অধীক্ষক ৰাজেন সিং, উপ-আৰক্ষী অধীক্ষক প্ৰণৱজ্যোতি কলিতা, সদৰ মহকুমাধিপতি গীতাশ্ৰী লাচিত আৰু বাগ্‌সাৰ মুখ্য ন্যায়িক দণ্ডাধীশ উপস্থিত আছিল।

# চামগুৰিৰ ম্যাদী পট্টাৰ মাটি বেদখল কৰা অস্বীকাৰ কৰি ক্ষোভ পট্টাদাৰৰ

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ২৬ নৱেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অধীনস্থ গেৰুৱামুখৰ এডোখৰ খেতি মাটিক কেন্দ্ৰ কৰি সৃষ্টি হৈ থকা মাটিৰ বিবাদে অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰিছে। উল্লেখ্য যে গেৰুৱামুখৰ জয়ন্ত দাস নামৰ যুৱকজনে তেওঁলোকৰ ১৭০ নম্বৰ পট্টাৰ ৩৩৪ দাগ নম্বৰৰ ছয় কঠা মাটি গেৰুৱামুখৰ চফিৰউদ্দিন নামৰ লোক এজনে জালিয়াতিৰে নামজাৰি কৰা কৰা বুলি অভিযোগ উঠিছিল। এই বিষয়ে জয়ন্ত দাস আৰু তেওঁলোকৰ পৰিয়ালৰ লোকে নাম কৰ্তনৰ বাবে চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত আৱেদন কৰিছে। তদুপৰি যোৱা ২২ নৱেম্বৰত ৰাজহ মন্ত্ৰী যোগেন মহনে হঠাৎ চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত পদাৰ্পণ কৰাত মন্ত্ৰীজনৰ সন্মুখত তেওলোকৰ মাটি বেদখল কৰিছে বুলি চিঞৰি চিঞৰি জয়ন্তই ক্ষোভ প্ৰকাশ কৰাত মন্ত্ৰীজনে তদন্তৰ নিৰ্দেশ দিছিল। এই ঘটনাৰ পাছতে অভিযোগ উঠা চফিৰউদ্দিনে মাটি ডোখৰৰ বিষয়ে মুখ খুলি ক্ষোভ ব্যক্ত কৰিছে। চফিৰউদ্দিনে উল্লেখ কৰা মতে, জয়ন্ত দাসে তেওঁ বেদখল কৰা বুলি অভিযোগ কৰা মাটি ডোখৰ চামগুৰিৰ গেন্দালী বেবেজীয়াৰ মৃত ঘটলু দাসৰ পুত্ৰ হলিৰাম দাসৰ পৰা কিনি লৈছিল। ২০১৫ৰ১৭ অক্টোবৰত ০৯এএ৪৯৬৬৮৮ নম্বৰৰ দলিলৰ জৰিয়তে নগাঁও জিলাৰ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত বাজিয়াগাঁও কিচামতৰ পুৰণি ১৭০,নতুন৪৯৮ নম্বৰ পট্টাৰ ১১১৩ নম্বৰ দাগৰ চাৰি কঠা মাটি এক লাখ টকাত বিক্ৰীৰ বন্দোবস্তিৰে ৬৫ হেজাৰ টকাত হলিৰামৰ লগত বায়নানামা কৰে। আনহাতে, একেটা দাগ নম্বৰেৰে দুই কঠা মাটি ৫০ হেজাৰ টকাত হলিৰাম দাসে তেওঁক ২০১৫ৰ ২৫ ডিচেম্বৰত ১৬এএ১২১৩৪০ নম্বৰৰ দলিলৰ জৰিয়তে চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত বায়নানামাৰ জৰিয়তে বিক্ৰী কৰা বুলি চফিৰউদ্দিনে সাংবাদিকক তথ্য সহকাৰে উল্লেখ কৰে। তদুপৰি চফিৰউদ্দিনে ক্ৰয় কৰা মাটি ডোখৰত জয়ন্ত দাসৰ পৰিয়ালৰ কোনো অংশই নাই বুলি ১৯৮৪ৰ ৬৩৭৩ নম্বৰৰ এখন দলিলৰ প্ৰত্যায়িত প্ৰতিলিপি দলিল দেখুৱাই কয় পুৰণি ১৭০ নম্বৰ ম্যাদী পট্টাৰ ৩৩৪ নম্বৰ দাগৰ দুবিঘা দুকঠা পাঁচ লেচা মাটিৰ পৰা এবিঘা একঠা মাটি ১৯৮৪ৰ ১৮ ডিচেম্বৰত গেৰুৱামুখৰ সোমেশ্বৰী দাসৰ পৰা ৮০০ টকাত হলিৰাম দাসে কিনি লয়। পাছত ২০১৫ৰ ২৬ আগষ্টৰ চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত আপোচ বাটোৱাৰা গোচৰ ১৭।২০১৫-১৬।এফ পাৰ্ট নম্বৰৰ হুকুম মৰ্মে ১৭০ নম্বৰ পট্টাৰ ৩৩৪ নম্বৰ দাগৰ পট্টাদাৰ চফিৰউদ্দিন আৰু হলিৰাম দাসৰ নামত এবিঘা একঠা মাটি ১১১৩ দাগ নম্বৰ আৰু ৪৯৮ পট্টা নম্বৰত পৃথকে পট্টা কৰা হয় বুলি চফিৰউদ্দিনে জানিবলৈ দিয়ে। গতিকে মই কেনেকৈ জয়ন্ত দাসৰ পৈতৃক সম্পত্তি বেদখল কৰিলো বুলি প্ৰশ্ন উত্থাপন কৰি চফিৰউদ্দিনে পুনৰ কয় যে জয়ন্তৰ পৰিয়ালে গাঁৱত মাটি ডোখৰক লৈ মেল বহুৱায়; কিন্তু মোক নামাতে। তেওঁলোকৰ যদি কিবা নথিপত্ৰ আছে তেনেহ'লে আদালত আছে নহয় আদালতে বিচাৰ কৰিব। এইদৰে ক্ষোভ প্ৰকাশ কৰি গোচৰ তৰিম বুলি কয় চফিৰউদ্দিনে। ইপিনে, চফিৰউদ্দিনে উক্ত মাটি ডোখৰ চলিত বছৰৰ ১৫ ফেব্ৰুৱাৰীত তেওঁৰ পত্নী এচমিনা খাতুনক বিক্ৰী সূত্ৰে নামজাৰি কৰি দিয়ে।

# দিল্লীৰ কৃষক আন্দোলনৰ বৰ্ষপূৰ্তি উপলক্ষে ফুলগুৰি জন জাগৰণ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ নৱেম্বৰ ঃ** দিল্লীৰ কৃষক আন্দোলনৰ বৰ্ষপূৰ্তি উপলক্ষে সংহতি জ্ঞাপন আৰু বিতৰ্কিত তিনি কৃষি আইন আৰু শ্ৰম সংস্কাৰৰ প্ৰতিবাদ জনাই নিখিল ভাৰত কৃষক সবা, কৃষক মহাসভা, সদৌ অসম প্ৰগতিশীল নাৰী সন্থা, ভাৰতীয় গণনাট্য সংঘ আৰু এআইটিইউচিৰ নগাঁও জিলা সিমতিৰ উদ্যোগত ঐতিহাসিক ফুলগুৰি ধেৱাৰ স্মৃতি স্তম্ভৰ সমীপত জন জাগৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। বিভিন্ন দল-সংগঠনৰ অৰ্ধ শতাধিক নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে এআইটিইউচি নগাঁও জিলা সভাপতি ৰাতুল বৰাই আঁত ধৰা জন জাগৰণ কাৰ্যসূচীত কৃষক মহাসভাৰ নগাঁও জিলাৰ সভাপতি ভূপেন হাজৰিকা, সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ ৰাজ্যিক সম্পাদিকা মৃমালী দেৱী, যুৱ কৃষক নেতা জিতু নাথ আৰু ছাত্ৰ নেতা মনোজ সিংহ ৰাজাই বক্তব্য আগবঢ়ায়। কৃষক মহাসভাৰ নগাঁও জিলা সভাপতি ভূপেন হাজৰিকাই দিল্লীৰ কৃষক বিদ্ৰোহলৈ সংহতি জ্ঞাপন কৰি অসমতো ঐক্যবদ্ধ কৃষক আন্দোলনৰ পোষকতা কৰে। উক্ত কাৰ্যসূচীত নিখিল ভাৰত কৃষক সভাৰ নগাঁও জিলা সভাপতি নিৰঞ্জন হাজৰিকা, কৃষক মহাসভাৰ ৰহা ব্লক সম্পাদক বুদ্ধিৰাম কোঁৱৰ, প্ৰগতিশীল নাৰী সন্থা ৰহা চাৰ্কোলাৰ কাৰ্যকৰী সভানেত্ৰী ভাৰতী দেৱী উপস্থিত থাকে।

# কৃষক-শ্ৰমিকৰ স্বাৰ্থত আইন বলৱতৰ

*তিনি পৃষ্ঠাৰ পৰা* বুলি কয়। নৰেন্দ্ৰ মোদীৰ ভুলৰ বাবে সাতশ কৃষকে প্ৰাণ আহুতি দিব লগা হৈছে। প্ৰকৃততে বিজেপি চৰকাৰখন শ্ৰমিক কৃষক বিৰোধী। সভাৰ শেষত নলবাৰী চহৰত এটা প্ৰতিবাদী সমদল উলিওৱা হয়। উক্ত সমদলত প্ৰতিবাদকাৰীসকলে বিজেপি চৰকাৰ হায় হায়, কৃষি আইন তিনিখন সংসদত প্ৰত্যাহাৰ কৰক, শ্ৰমিক বিৰোধী শ্ৰম সংহিতা বাতিল কৰক। মিছলীয়া বিজেপি চৰকাৰৰ হায় হায়, ৭০০ শ্ৰমিকক মৃত্যুলৈ ঠেলি দিয়া বিজেপি চৰকাৰৰ হায় হায় আদি শ্ল'গান দি ৰাজপথৰ উত্তাল কৰে। বঙাইগাঁৱৰ অগ্ৰদূত ব্যৰ'ই ঐতিহাসিক কৃষক আন্দোলনৰ বৰ্ষপূৰ্তিৰ দিনত বঙাইগাঁৱত চিআইটিইউ (চিটু), সদৌ ভাৰত কৃষক সভা, নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি, ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেছনসহ বিভিন্ন বাওঁপন্থী সংগঠনে আজি বঙাইগাঁও গান্ধী ময়দানত জিলা উপায়ুক্তৰ কাৰ্যালয় সন্মুখত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। তিনিখন ক'লা কৃষি আইন সংসদত বাতিল কৰা, বিদ্যুৎ বিল ২০২০ বাতিল কৰা, এম এছ পি আইন অবিলম্বে আৰম্ভ কৰা, ছহিদ কৃষক পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা, আন্দোলনৰত কৃষকক গাড়ীৰে হত্যা কৰা কেন্দ্ৰীয় মন্ত্ৰীৰ পুত্ৰক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰা আদি বিভিন্ন বিষয় সমাধানৰ দাবী উত্থাপন কৰে। নৰেন্দ্ৰ মোদী চৰকাৰে কৃষকৰ মূৰত ৰাম টাঙোন মাৰি পূৰ্বৰ কৃষি আইন বাতিল কৰি নতুন কৃষি আইন গ্ৰহণ কৰিছিল। নতুন কৃষি আইনৰ জৰিয়তে ইমান দিনে লাভ কৰি অহা অধিকাৰসমূহ সম্পূৰ্ণৰূপে নোহোৱা কৰিছে। ফলত দেশৰ কৃষক সমাজ ক্ষতিগ্ৰস্ত হ'ব। নতুন কৃষি আইনৰ বিৰুদ্ধে দেশৰ কৃষক সমাজ জাঙুৰ খাই উঠে আৰু সমগ্ৰ দেশতে বৃহৎ বৃহৎ কৃষক আন্দোলন সংগঠিত হয় বিভিন্ন কৃষক সংগঠনৰ নেতৃত্বত। বঙাইগাঁৱতো কৃষক সভা, চিটু মহিলা সমিতি, ডি.ৱাই.এফ.আই আৰু এছ.এফ.আই বঙাইগাঁও চিৰাং জিলা কমিটীৰ আহ্বানত বঙাইগাঁও গান্ধী ময়দানত অৱস্থান কাৰ্যসূচী ৰূপায়ণ কৰে আৰু উপায়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## উত্তৰ প্ৰদেশত নিম্ন বৰ্ণৰ একে পৰিয়ালৰ চাৰি সদস্যক হত্যা-দলবদ্ধ ধৰ্ষণ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৬ নৱেম্বৰ ঃ** একে পৰিয়ালৰ চাৰিজন সদস্যক নিৰ্মমভাৱে হত্যা কৰা ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত। হত্যাৰ বলি হোৱা লোককেইজনৰ মাজত এজন ১০ বছৰীয়া নাবালক আৰু ১৬ বছৰীয়া কিশোৰীও আছে। উত্থাপিত অভিযোগ অনুসৰি, হত্যাৰ পূৰ্বে কিশোৰীক দলবদ্ধ ধৰ্ষণ কৰা হৈছিল। এই ভয়ংকৰ ঘটনাত জড়িত থকাৰ অভিযোগ প্ৰতিবেশী এটি পৰিয়ালৰ বিৰুদ্ধে উত্থাপিত হৈছে। মৃতকৰ পৰিয়ালৰ লোকে অভিযোগ কৰা অনুসৰি, উচ্চ বৰ্ণৰ প্ৰতিবেশী পৰিয়ালটোৰে পূৰ্বেও নিম্ন বৰ্ণৰ এই পৰিয়ালটোৰ সদস্যৰ ওপৰত নিৰ্যাতন চলাইছিল। ইতিমধ্যে আৰক্ষীয়ে হত্যা আৰু দলবদ্ধ ধৰ্ষণৰ অভিযোগ উত্থাপন কৰি ১১ জন লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। প্ৰাথমিক তদন্তত আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি চোকা অস্ত্ৰৰ জৰিয়তে আঘাতহানি চাৰিজন লোকক হত্যা কৰা হৈছিল।

## দেশৰ ৫৪ শতাংশ নাগৰিকে নিবিচাৰে ডিজিটেল মুদ্ৰাৰ প্ৰচলন



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ নৱেম্বৰ ঃ** বিগত কিছুদিন ধৰি ভাৰতত ক্ৰিপ্টকাৰেন্সী অৰ্থাৎ ডিজিটেল মুদ্ৰাৰ বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে দেশত ডিজিটেল মুদ্ৰা প্ৰচলন ব্যৱস্থাক নিয়ন্ত্ৰণৰ বাবে এখন বিধেয়কো সংসদৰ শীতকালীন অধিৱেশনত উত্থাপন কৰাৰ কথা। এনে পৰিস্থিতিত শেহতীয়াভাৱে অনলাইনৰ জৰিয়তে সম্পন্ন হোৱা এক সমীক্ষাত দেশৰ ৫৪ শতাংশ নাগৰিকে ভাৰতত ডিজিটেল মুদ্ৰাৰ প্ৰচলনৰ বিৰোধিতা কৰে। লাইন চৰ্কিল নামৰ সংস্থাটোৱে চলোৱা এই সমীক্ষাত ক্ৰিপ্টকাৰেন্সীৰ প্ৰচলনৰ সন্দৰ্ভত দেশবাসীৰ পৰা মতামত গ্ৰহণ কৰা হৈছিল। সমীক্ষাটোত অংশ লোৱা ৫৪ শতাংশ ভাৰতীয়ই দেশত ক্ৰিপ্টকাৰেন্সীৰ প্ৰচলনৰ বিৰোধিতা কৰে। এইসকল লোকৰ মতে, দেশত ডিজিটেল মুদ্ৰাক বৈধতা প্ৰদান কৰা উচিত নহয়। ৭১ শতাংশ লোকে ক্ৰিপ্টকাৰেন্সীৰ প্ৰতি আস্থাশীল নহয় বুলিও মত ব্যক্ত কৰিছে। অৱশ্যে ৫১ শতাংশ ভাৰতীয়ই দেশৰ চৰকাৰে নিজাববীয়া ডিজিটেল মুদ্ৰা প্ৰৱৰ্তন কৰাটো উচিত বুলি এই সমীক্ষাত মন্তব্য কৰিছে। মাত্ৰ ২৬ শতাংশ লোকেহে ভাৰতত ক্ৰিপ্টকাৰেন্সী ব্যৱস্থা প্ৰৱৰ্তন কৰা উচিত বুলি সমীক্ষাত মত প্ৰকাশ কৰে।

## জীৱনশৈলী বিশেষজ্ঞ অৰফিন খানৰ পৰামৰ্শ গ্ৰহণ কৰিব আৰিয়ানে



**নিউজ ব্যুৰ', মুম্বাই, ২৬ নৱেম্বৰ ঃ** বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানে মুম্বাইৰ এখন প্ৰমোদতৰীত নিষিদ্ধ ড্ৰাগছ বিৰোধী অভিযানত নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ বিষয়াৰ হাতত গ্ৰেপ্তাৰ হোৱাৰ পাছত এমাহৰো অধিক দিন কাৰাগাৰত অতিবাহিত কৰিব লগা হৈছিল। সম্প্ৰতি জামিনত মুক্ত আৰিয়ানে প্ৰতি শুকুৰবাৰে এন চি বিৰ মুম্বাইস্থিত কাৰ্যালয়ত হাজিৰা দি আহিছে। কাৰাগাৰত থকাৰ পাছত স্বাভাৱিকতে আৰিয়ানৰ মানসিক স্বাস্থ্য প্ৰভাৱিত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, শ্বাহৰুখে তেওঁৰ পুত্ৰক শাৰীৰিক-মানসিক সমস্যামুক্ত কৰাবলৈ বিশিষ্ট জীৱনশৈলী বিশেষজ্ঞ অৰফিন খানৰ সেৱা গ্ৰহণৰ সিদ্ধান্ত লৈছে। আৰিয়ানক সুস্থ আৰু স্বাভাৱিক জীৱনশৈলীৰ প্ৰতি আকৰ্ষিত কৰিবলৈ অৰফিনে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াব। উল্লেখ্য যে পূৰ্বে বলিউডৰ কে'বাজনো তাৰকাক অৰফিনে দিহা-পৰামৰ্শ আগবঢ়াইছিল। জনপ্ৰিয় অভিনেতা হৃত্বিক ৰোছনকো পত্নী সুজেইনৰ স'তে বিবাহ বিচ্ছেদৰ পাছত অৰফিনে 'কাউন্সেলিং' কৰিছিল। বিবাহ বিচ্ছেদৰ পাছত হৃত্বিক মানসিকভাৱে ভাগি পৰিছিল আৰু তেওঁক স্বাভাৱিক জীৱনলৈ উভতি অহাত এইজন জীৱনশৈলী বিশেষজ্ঞই সহায় কৰিছিল। শ্বাহৰুখৰ লগতে তেওঁৰ পত্নী গৌৰী খানেও পুত্ৰক সংশোধন কৰাৰ দায়িত্ব এতিয়া অৰফিনক অৰ্পণ কৰিব বিচাৰিছে।

## চাইবেৰিয়াৰ কয়লা খনিত সংঘটিত অগ্নিকাণ্ডত নিহত কমেও ৫২ জন



**নিউজ ব্যুৰ', ম'স্কো, ২৬ নৱেম্বৰ ঃ** ৰাছিয়াৰ চাইবেৰিয়া প্ৰদেশত থকা এটা কয়লা খনিত বৃহৎ অগ্নিকাণ্ড সংঘটিত হ'ল। এই ঘটনাত কমেও ৫২ জন লোকৰ মৃত্যু হ'ল। যোৱা নিশা সংঘটিত হোৱা এই ভয়াৱহ ঘটনাত ছজন উদ্ধাৰকাৰী লোকেও প্ৰাণ হেৰুৱালে। বিগত পাঁচ বছৰৰ পাছত ৰাছিয়াৰ কয়লা খনিত এয়ে প্ৰথম এনে ভয়াৱহ দুৰ্ঘটনা সংঘটিত হ'ল। স্থানীয় প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, সম্প্ৰতি ৩৮ জন লোক চিকিৎসাধীন হৈ আছে আৰু ইয়াৰে চাৰিজন লোকৰ অৱস্থা সংকটজনক। ঘটনা সংঘটিত হোৱাৰ সময়ত কয়লা খনিত ২৮৫ জন লোক উপস্থিত আছিল যদিও অন্যান্যসকলে প্ৰাণৰক্ষা কৰিবলৈ সফল হৈছিল।

### তৃণমূল কংগ্ৰেছে আন ৰাজ্যৰ পৰা লোকসভাত প্ৰাৰ্থী জয় কৰাব পাৰিলে কংগ্ৰেছ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব

# কংগ্ৰেছক অতিক্ৰম কৰিব পাৰিবনে মমতাই ঃ কি কয় নিৰ্বাচনী গণিতে ?



**নিউজ ব্যুৰ' কলকাতা, ২৬ নৱেম্বৰ ঃ** মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছ দলে শেহতীয়াভাৱে যথেষ্ট আগ্ৰাসী ভূমিকা গ্ৰহণ কৰিছে। এজনৰ পাছত আন এজন কংগ্ৰেছৰ নেতাই তৃণমূল কংগ্ৰেছত যোগদান কৰাৰ সময়তে হঠাতে মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মুকুল চাংমাসহ ১২ জন কংগ্ৰেছ বিধায়কে মমতা বেনাৰ্জী নেতৃত্বাধীন দলটোত যোগদান কৰা ঘটনাই ৰাজনৈতিক দিশত যথেষ্ট তাৎপৰ্য বহন কৰিছে। মমতাৰ নেতৃত্বাধীন তৃণমূল কংগ্ৰেছৰ এনে সক্ৰিয়তাৰ বিপৰীতে মূল ৰাজনৈতিক দল হিচাপে কংগ্ৰেছৰ ভূমিকা যথেষ্ট নিষ্প্ৰভ প্ৰত্যক্ষ হৈছে। তৃণমূল কংগ্ৰেছৰ শেহতীয়া আগ্ৰাসী ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজনৈতিক মহলত প্ৰশ্ন উত্থাপিত হৈছে যে লোকসভাৰ ২০২৪ৰ নিৰ্বাচনত তৃণমূল কংগ্ৰেছে কংগ্ৰেছতকৈও অধিক আসন লাভ কৰিবলৈ সফল হ'ব নেকি? গাণিতিক মডেলৰ ভিত্তিত বিশ্লেষণ কৰিলে ২০২৪ৰ নিৰ্বাচনত কংগ্ৰেছতকৈ অধিক আসন লাভ কৰিব পাৰে তৃণমূলে। লোকসভাৰ নিৰ্বাচনত ২০১৪ৰ যথেষ্ট ভাল ফলাফল লাভ কৰিছিল মমতাৰ দলটোৱে। সেইবাৰৰ নিৰ্বাচনত পশ্চিমবংগৰ ৪২ সমষ্টিৰ ৩৪ত জয়লাভ কৰিছিল তৃণমূল কংগ্ৰেছে। সেই নিৰ্বাচনত মমতাৰ দলে লাভ কৰিছিল ৩৯.৮ শতাংশ ভোট। ২০১৯ৰ লোকসভাৰ নিৰ্বাচনত কংগ্ৰেছে লাভ কৰিছিল ৫২খন আসন। ইয়াৰে কেৰালাত ১৫, পঞ্জাৱত আঠখন, তামিলনাডুত আঠখন আসন কংগ্ৰেছে লাভ কৰিছিল। কিন্তু চলিত বৰ্ষত কেৰালাৰ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ ধৰাশায়ী হোৱাৰ পাছত ৰাজ্যখনত ২০২৪ৰ লোকসভাৰ নিৰ্বাচনত দলটোৱে কিমান সফলতা লাভ কৰিব তাক লৈ সন্দেহ আছে। তামিলনাডুতো কংগ্ৰেছৰ ভাগ্য নিৰ্ভৰ কৰিব ডি এম কেৰ স'তে আসনৰ বুজাবুজিত। যোৱাবাৰৰ লোকসভাৰ নিৰ্বাচনৰ সময়ত তামিলনাডুত ডি এম কে ক্ষমতাত নাছিল, কিন্তু এইবাৰ ক্ষমতাত দলটো থকা হেতুকে কংগ্ৰেছে কেইখন আসন লাভ কৰিব তাতো প্ৰশ্ন উত্থাপিত হৈছে। পঞ্জাৱতো আভ্যন্তৰীণ দলীয় কন্দলত কংগ্ৰেছ জৰ্জৰিত হৈছে। অসমতো কংগ্ৰেছৰ অৱস্থা শোচনীয়। এনে পৰিস্থিতিত তৃণমূল কংগ্ৰেছে যদি পশ্চিমবংগৰ বাদেও আন ৰাজ্যৰ পৰা লোকসভাত প্ৰাৰ্থী জয় কৰাব পাৰে তেন্তে কংগ্ৰেছ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। অৱশ্যে এই মুহূৰ্তত পশ্চিমবংগৰ বাহিৰে আন ৰাজ্যত লোকসভাৰ আগন্তুক নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ বিশেষ সম্ভাৱনা ৰাজনৈতিক বিশেষজ্ঞসকলে প্ৰত্যক্ষ কৰা নাই। বিশেষজ্ঞসকলৰ মতে, কংগ্ৰেছক লোকসভাত অতিক্ৰম কৰিবলৈ হ'লে দলটোৱে লাভ কৰা আসনৰ সংখ্যা বৰ্তমানতকৈ যথেষ্ট হ্ৰাস পাব লাগিব আৰু তেতিয়াহে কংগ্ৰেছক অতিক্ৰম কৰি তৃণমূল কংগ্ৰেছে নতুন ৰাজনৈতিক চমক দিয়াৰ সম্ভাৱনা আছে।



## ১৫ ডিচেম্বৰত পুনৰ মুকলি আন্তৰ্জাতিক বিমানৰ চলাচল

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৬ নৱেম্বৰ ঃ** অহা ডিচেম্বৰৰ পৰা ভাৰতত আন্তৰ্জাতিক বিমানৰ পুনৰ চলাচল আৰম্ভ হ'ব। কৰ'নাৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত বিগত ডেৰ বছৰৰো অধিক সময় ভাৰতে আন্তৰ্জাতিক বিমানসেৱা বন্ধ কৰি ৰাখিছিল। কৰ'নাৰ সংক্ৰমণ শেহতীয়াভাৱে হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে আন্তৰ্জাতিক বিমান সেৱা মুকলি কৰাৰ সিদ্ধান্ত ল'লে। অৱশ্যে এই ক্ষেত্ৰত কিছু চৰ্ত প্ৰযোজ্য হ'ব। যিসমূহ দেশৰ ক'ভিড পৰিস্থিতি স্বাভাৱিক নহয়, তেনে দেশৰ স'তে সম্প্ৰতি বিমান সেৱা বন্ধ ৰখা হ'ব। উল্লেখ্য যে ১৫ ডিচেম্বৰৰ পৰা দেশত আন্তৰ্জাতিক বিমান সেৱা পুনৰ আৰম্ভ হ'ব।

## পৰ্ণকাণ্ডত ৰাজ কুন্দ্ৰাৰ অগ্ৰিম জামিন আবেদন নাকচ



**নিউজ ব্যুৰ', মুম্বাই, ২৬ নৱেম্বৰ ঃ** ২০২০ বৰ্ষৰ পৰ্ণ ছবি কাণ্ডৰ গোচৰত বোম্বে উচ্চ ন্যায়ালয়ে ৰাজ কুন্দ্ৰা, পুনম পাণ্ডে আৰু চাৰ্লিন চোপ্ৰাৰ অগ্ৰিম জামিন আবেদন নাকচ কৰিলে। উল্লেখ্য যে আন এটি পৰ্ণকাণ্ডত যোৱা জুলাইত গ্ৰেপ্তাৰ হোৱা কুন্দ্ৰাই ছেপ্টেম্বৰত জামিনত মুক্তি লাভ কৰিছিল। বৃহস্পতিবাৰে বোম্বে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এন চাম্ৱেয়ে কুন্দ্ৰা, পুনম, চাৰ্লিনসহ পৰ্ণকাণ্ডত অভিযুক্ত মুঠ ছজনৰ অগ্ৰিম জামিনৰ আবেদন প্ৰত্যাখ্যান কৰে। অৱশ্যে আগন্তুক চাৰি সপ্তাহলৈকে অভিযুক্তকেইজনৰ বিৰুদ্ধে কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা নহ'ব বুলিও আদালতে ঘোষণা কৰে।

## দিল্লী বিধানসভাত কেজৰিৱালে ক'লে, 'কৃষকৰ আগত নতশিৰ চৰকাৰ, গণতন্ত্ৰৰ জয়'



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ নৱেম্বৰ ঃ** দিল্লী বিধানসভাৰ এদিনীয়া বিশেষ অধিৱেশনত অংশ লৈ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে বিধানসভাৰ মজিয়াৰ পৰা কৃষকৰ আন্দোলনলৈ সমৰ্থন ব্যক্ত কৰিলে। কৃষকৰ সন্মুখত চৰকাৰ নতশিৰ হ'ল আৰু কৃষি আইন প্ৰত্যাহাৰ কৰাটো গণতন্ত্ৰৰ জয় বুলি মত প্ৰকাশ কৰি কেজৰিৱালে কয়, 'মোৰ দেশৰ কৃষকসকলে নিজৰ সত্যাগ্ৰহৰ জৰিয়তে এইটো প্ৰমাণ কৰিলে যে অন্যায়ৰ বিৰুদ্ধে সত্য আৰু দৃঢ়তাই সদায় জয়লাভ কৰে। আন্দোলনৰ শক্তি কি সেয়া কৃষকসকলে প্ৰমাণ কৰিলে। যোৱা বছৰৰ পৰা আন্দোলন আৰম্ভ হৈছিল আৰু ই সফল হ'ল। মই কৃষকসকলক অভিনন্দন জনাইছো। সকলো জাতি, বৰ্ণ, ধৰ্মৰ লোকে এই আন্দোলনলৈ সমৰ্থন জনাইছিল। কৃষকৰ আগত চৰকাৰ নতশিৰ হ'ল আৰু এয়া হৈছে গণতন্ত্ৰৰ জয়।'

## ৰাকেশে ক'লে ঃ সকলো দাবী পূৰণ নোহোৱালৈকে আন্দোলন অব্যাহত থাকিব



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৬ নৱেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ তিনিখন নতুন কৃষি আইনৰ বিৰোধিতাৰে দেশত আৰম্ভ হোৱা কৃষক আন্দোলনৰ প্ৰথম বৰ্ষপূৰ্তি কৃষক নেতা ৰাকেশ টিকাইটে কয় যে ন্যূনতম সমৰ্থন মূল্য (এম এছ পি)সহ কৃষকসকলৰ সকলো দাবী পূৰণ নোহোৱালৈকে এই আন্দোলন অব্যাহত ৰখা হ'ব। কৃষক নেতাজনে লগতে কয় যে চৰকাৰে তিনিখনকৈ ক'লা আইন প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত ল'লে যদিও এতিয়ালৈকে এম এছ পিসহ কৃষকসকলে উত্থাপন কৰা অন্যান্য প্ৰসংগত মৌনতা অৱলম্বন কৰি আছে। এনেবোৰ বিষয়ত কেন্দ্ৰৰ চৰকাৰখনে কৃষকৰ স'তে কোনো আলোচনা কৰা নাই বুলিও টিকাইটে অভিযোগ কৰে। যেতিয়ালৈকে দেশৰ কৃষকসকলৰ সকলো দাবী চৰকাৰে পূৰণ নকৰে, তেতিয়ালৈকে আন্দোলনকাৰী কৃষকে দিল্লীৰ সীমান্তৰ পৰা আঁতৰি নাযায় বুলিও টিকাইটে আজি কেন্দ্ৰক সকীয়াই দিয়ে।



## শ্ৰীলংকাত প্ৰবল বৃষ্টিপাতত ১৪ জন লোকৰ মৃত্যু

**নিউজ ব্যুৰ' কলম্বো, ২৬ নৱেম্বৰ ঃ** শ্ৰীলংকাৰ ১৯ খন জিলাত সম্প্ৰতি প্ৰবল বৃষ্টিপাত অব্যাহত আছে। ইতিমধ্যে বতৰ বিজ্ঞান বিভাগে এই জিলাকেইখনত 'ৰঙা সতৰ্কতা' জাৰি কৰিছে। ১০০ মিলিমিটাৰতকৈও অধিক বৃষ্টিপাত হোৱা জিলাকেইখনত ইতিমধ্যে বান আৰু ভূমিস্খলনৰ ফলত ১৪ জন লোকৰ মৃত্যু হৈছে। বিগত এসপ্তাহ ধৰি শ্ৰীলংকাত ধুমুহাৰ লগতে ধাৰাসাৰ বৃষ্টিপাত অব্যাহত আছে। ১৪ জন লোকৰ মৃত্যু হোৱাৰ লগতে সম্প্ৰতি এজন লোক সন্ধানহীন হৈ আছে। প্ৰতিকূল বতৰৰ ফলত দেশখনৰ এক লাখৰো অধিক পৰিয়াল প্ৰভাৱিত হৈছে।

# কেন্দ্ৰীয় মন্ত্ৰী নাৰায়ণ ৰানেৰ দাবী ঃ মাৰ্চতে মহাৰাষ্ট্ৰত হ'ব বিজেপিৰ চৰকাৰ



**নিউজ ব্যুৰ' মুম্বাই, ২৬ নৱেম্বৰ ঃ** মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী নাৰায়ণ ৰানেয়ে দাবী কৰা অনুসৰি, অহা মাৰ্চতে মহাৰাষ্ট্ৰত মহা বিকাশ অঘাড়ী চৰকাৰৰ পতন ঘটিব আৰু ৰাজ্যখনত বিজেপিয়ে নতুন চৰকাৰ গঠন কৰিব। উল্লেখ্য যে শিৱসেনাই বিজেপিৰ স'তে সম্পৰ্ক ত্যাগ কৰি এন চি পি আৰু কংগ্ৰেছৰ সমৰ্থনত মহাৰাষ্ট্ৰত মৰ্চা চৰকাৰ গঠন কৰিছিল। এই মৰ্চাৰ নাম মহা বিকাশ অঘাড়ী ৰখা হৈছিল। ৰানেয়ে আজি দাবী কৰি কয় যে মহাৰাষ্ট্ৰত শিৱসেনাৰ মৰ্চা চৰকাৰখন অধিক দিন বৰ্তি নাথাকে আৰু অচিৰে ৰাজ্যখনত বিজেপিয়ে পুনৰ ক্ষমতা দখল কৰিব। বিজেপিয়ে মহাৰাষ্ট্ৰত শিৱসেনাৰ চৰকাৰৰ পতন ঘটাব বিচাৰিছে নেকি বুলি সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত প্ৰাক্তন মুখ্যমন্ত্ৰীজনে কয় যে বিজেপিয়ে চৰকাৰৰ পতন ঘটাব বিচৰা হ'লে সেয়া ৰাজহুৱা নকৰিলেহেঁতেন। ৰানেয়ে কয় যে তেওঁ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ প্ৰসংগত কোনো মন্তব্য কৰিব নিবিচাৰে কিয়নো থাকৰে সম্প্ৰতি অসুস্থ হৈ আছে। উল্লেখ্য যে অলপতে থাকৰেৰ ৰাজহাঁড়ৰ এক অস্ত্ৰোপচাৰ চিকিৎসকে সম্পন্ন কৰিছিল। স্মৰ্তব্য যে যোৱা ২৪ আগষ্টত মহাৰাষ্ট্ৰ আৰক্ষীয়ে ৰানেক গ্ৰেপ্তাৰ কৰিছিল। অৱশ্যে কেইঘণ্টামানৰ পাছত তেওঁ জামিনত মুক্তি লাভ কৰিছিল।

## দিল্লী হিংসা কাণ্ডৰ ৭৫৮ গোচৰৰ ৩৬১টাৰ অভিযোগনামা দাখিল



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ নৱেম্বৰ ঃ** দেশৰ ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত ফেব্ৰুৱাৰী ২০২০ত সংঘটিত হোৱা হিংসাকাণ্ডৰ সন্দৰ্ভত উত্থাপিত হোৱা সকলোবোৰ অপৰাধ গোচৰৰ সন্দৰ্ভত দিল্লী আৰক্ষীক তদন্তৰ অগ্ৰগতিৰ প্ৰতিবেদন শপতনামাসহ দাখিল কৰিবলৈ আজি দিল্লী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিলে। মুখ্য ন্যায়াধীশ ডি এন পটেল নেতৃত্বাধীন বিচাৰপীঠক দিল্লী আৰক্ষীয়ে অৱগত কৰোৱা অনুসৰি, দিল্লীৰ সাম্প্ৰদায়িক হিংসাকাণ্ডৰ সন্দৰ্ভত মুঠ ৭৫৮টা গোচৰ ৰুজু কৰা হৈছিল আৰু ইয়াৰ ৩৬১ টা গোচৰত ইতিমধ্যে অভিযোগনামা দাখিল কৰা হৈছে। তদুপৰি দিল্লী আৰক্ষীয়ে আদালতক জনায় যে আন ৬৭টা গোচৰৰ অভিযোগনামা ইতিমধ্যে সাজু কৰা হৈছে। ইয়াৰ পাছতে দিল্লী উচ্চ ন্যায়ালয়ে নিম্ন আদালতত বিচাৰাধীন হৈ থকা দিল্লী হিংসাকাণ্ডৰ অন্যান্য গোচৰসমূহৰ স্থিতি জানিবলৈ বিচাৰি সকলো তথ্য দাখিলৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে ২০২০ৰ ফেব্ৰুৱাৰীত দিল্লীত নাগৰিকত্ব সংশোধন আইনৰ বিৰোধিতাৰে ব্যাপক প্ৰতিবাদ সাব্যস্ত হোৱাৰ সময়ত দেশৰ ৰাজধানী চহৰখনত হিংসাকাণ্ড সংঘটিত হৈছিল।

## পঞ্জাৱ চৰকাৰৰ বিৰুদ্ধে পুনৰ বিদ্ৰোহ সিদ্ধুৰ ঃ আমৰণ অনশনৰ ভাবুকি



**নিউজ ব্যুৰ', চণ্ডীগড়, ২৬ নৱেম্বৰ ঃ** বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে পঞ্জাৱত পুনৰ কংগ্ৰেছক বিব্ৰত কৰিলে দলৰ সভাপতি নৱজ্যোৎ সিং সিদ্ধুৱে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী চৰণজিৎ সিং চান্নীৰ উপস্থিতিতে চৰকাৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে সিদ্ধুৱে। ৰাজ্য চৰকাৰে অচিৰে ড্ৰাগছ তদন্তৰ প্ৰতিবেদন প্ৰকাশ নকৰিলে আমৰণ অনশন কৰাৰ ভাবুকি দিলে পঞ্জাৱ প্ৰদেশৰ সভাপতিয়ে। ম'গাত অনুষ্ঠিত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত কালি সিদ্ধুৱে নিজ দলৰ চৰকাৰকে হুংকাৰ দি কয়, 'ৰাজ্যত লক্ষাধিক মাতৃয়ে মাদকৰ ফলত সন্তানক হেৰুৱাইছে। কিছুদিন পূৰ্বে এজন প্ৰবীণ ব্যক্তিয়ে মোক কৈছিল যে তেওঁৰ নাতিয়ে মাদকৰ ফলত নিজক ধ্বংস কৰিছে। এনেবোৰ পৰিয়ালক ন্যায় দিবলৈ আমি যুঁজিব লাগিব। পঞ্জাৱ চৰকাৰে তদন্তৰ প্ৰতিবেদন ৰাজহুৱা নকৰিলে মই আমৰণ অনশন কৰিম।'

## কাশ্মীৰত ধাৰাবাহিক অভিযানত চাৰি সন্ত্ৰাসবাদী ধৰাশায়ী



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৬ নৱেম্বৰ ঃ** কাশ্মীৰি পণ্ডিতৰ হত্যাৰ প্ৰতিশোধ ল'লে ভাৰতীয় সেনাই। ধাৰাবাহিকভাৱে চলোৱা সামৰিক অভিযানত কাশ্মীৰত ধৰাশায়ী হ'ল চাৰি দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী। নিহতসকলৰ মাজত লস্কৰ-ই-তৈবাৰ এজন শীৰ্ষস্থানীয় কমাণ্ডাৰো আছে। কাশ্মীৰ আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, বৃহস্পতিবাৰে শ্ৰীনগৰৰ ৰামবাগত নিৰাপত্তা বাহিনীৰ স'তে হোৱা সংঘৰ্ষত তিনি সন্ত্ৰাসবাদী নিহত হৈছিল। আনহাতে, ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱা অৱস্থাত যোৱা নিশা এজন পাকিস্তানী জেহাদীক ধৰাশায়ী কৰিলে ভাৰতীয় সেনাই।

# সংসদৰ অধিৱেশনত দলীয় সাংসদৰ উপস্থিতি বাধ্যতামূলক কৰিলে বিজেপিয়ে



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৬ নৱেম্বৰ ঃ** সংসদৰ আগন্তুক শীতকালীন অধিৱেশনত তিনিখনকৈ বহু বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ কৰিবলৈ সাজু হ'ল কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰ। অহা ২৯ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব সংসদৰ উভয় সদনৰ শীতকালীন অধিৱেশন। উক্ত দিনা ৰাজ্যসভাত সকলো বিজেপি সাংসদক উপস্থিত থাকিবলৈ 'হুইপ' জাৰি কৰিলে বিজেপিয়ে। এই 'হুইপ'ৰ জৰিয়তে সংসদৰ অধিৱেশনৰ প্ৰথমদিনা সম্পূৰ্ণ অধিৱেশনত বিজেপিৰ সকলো সাংসদৰ উপস্থিতি বাধ্যতামূলক কৰা হৈছে। সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিলে বিজেপিৰ ৰাজ্যসভাৰ সাংসদ শিৱপ্ৰতাপ শুক্লই। অৱশ্যে লোকসভাৰ বিজেপি সাংসদসকলে এনে কোনো নিৰ্দেশনা এতিয়ালৈকে লাভ কৰা নাই। মোদী চৰকাৰৰ সূত্ৰৰ খবৰ অনুসৰি শীতকালীন অধিৱেশনৰ আৰম্ভণিৰ সপ্তাহতে একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ সাজু হৈছে কেন্দ্ৰৰ চৰকাৰ। শীতকালীন অধিৱেশনৰ প্ৰথম দিনাই মোদী চৰকাৰে বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব বিচাৰিছে।

## মায়াৱতীৰ আহ্বান ঃ সমাজবাদী পাৰ্টিৰ পৰা সাৱধান হওক দলিত



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৬ নৱেম্বৰ ঃ** বহুজন সমাজ পাৰ্টিৰ মুৰব্বী মায়াৱতীয়ে সংবিধান দিৱস উপলক্ষে আজি মন্তব্য কৰি কয় যে দেশত দলিতসকলে এতিয়াও প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। বিশেষকৈ চৰকাৰী চাকৰিত এতিয়াও সংৰক্ষণ অনুসৰি দলিতসকলে নিয়োগৰ ক্ষেত্ৰত প্ৰয়োজনীয় সা-সুবিধা লাভ কৰিবলৈ পৰা নাই বুলি মায়াৱতীয়ে অভিযোগ কৰে। ব্যক্তিগত খণ্ডতো সংৰক্ষণ নীতি বলৱৎ কৰিবলৈ দলিত নেত্ৰীগৰাকীয়ে দাবী জনায়। মায়াৱতীয়ে লগতে কয় যে সমাজবাদী পাৰ্টিৰ প্ৰতি দলিতসকল সাৱধান হোৱা উচিত কিয়নো এই দলে দলিতৰ কেতিয়াও বিকাশ নিবিচাৰে। দেশত দৰিদ্ৰ লোকৰ সংখ্যা বৃদ্ধি পাইছে আৰু সমাজৰ দৰিদ্ৰ, মধ্যমবৰ্গৰ লোকসকলে যন্ত্ৰণাৰ মাজত জীৱন যাপন কৰিছে বুলি মায়াৱতীয়ে অভিযোগ কৰে।

## দৈনিক সংক্ৰমণ পুনৰ ১০ হেজাৰৰ অধিক, মৃত্যু ৪৮৮



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ নৱেম্বৰ ঃ** ক'ভিডৰ দৈনিক সংক্ৰমণ বৃদ্ধিয়ে পুনৰ দেশবাসীৰ উদ্বেগ বৃদ্ধি কৰিলে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল ১০,৫৪৯ জন লোক। বিগত কিছুদিন ধৰি আক্ৰান্তৰ সংখ্যা ১০ হেজাৰৰ তলত আছিল। আনহাতে, এই মাৰণ ভাইৰাছে যোৱা ২৪ ঘণ্টাত দেশত প্ৰাণ কাঢ়িলে ৪৮৮ জন লোকৰ। বৰ্তমানলৈকে ভাৰতত মুঠ চাৰি লাখ ৬৭ হেজাৰ ৪৬৮ জন লোকৰ কৰ'নাত মৃত্যু হ'ল। সংক্ৰমণ বৃদ্ধিৰ লগতে যোৱা ২৪ ঘণ্টাত দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যাও বাঢ়িল। বৰ্তমানে দেশত এক লাখ ১০ হেজাৰ ১৩৩ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

# বৰপেটাত কেন্দ্ৰীয় গুৰু উদ্যোগ মন্ত্ৰীৰ বিভিন্ন আঁচনি পৰিদৰ্শন

## হিতাধিকাৰীৰ স'তে মত বিনিময়

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৬ নৱেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ গুৰু উদ্যোগ বিভাগৰ মন্ত্ৰী ড° মহেন্দ্ৰ নাথ পাণ্ডেই আজি বৰপেটাত উপস্থিত হৈ জিলাখনত জল জীৱন মিছনৰ অধীনত নিৰ্মিত এখন পানী যোগান আঁচনি পৰিদৰ্শন কৰে। লগতে তেওঁ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ পৰা সুফল লাভ কৰা বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকলৰ স'তে মত বিনিময় কৰে। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ স'তে আঁচনিসমূহ পৰিদৰ্শন কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে দেশৰ আন ৰাজ্যসমূহৰ দৰে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলক আগবঢ়াই নিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনক সাকাৰ ৰূপ দিয়াৰ লগতে এই অঞ্চলৰ উন্নয়ন আৰু জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে চৰকাৰৰ প্ৰয়াসৰ কথা উল্লেখ কৰে। গুৰু উদ্যোগ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰীজনে দেশৰ গাড়ী নিৰ্মাণ (অট'ম'বাইল) ক্ষেত্ৰত সময়ত স'তে খাপ খোৱাকৈ প্ৰদূষণমুক্ত শক্তি আহৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি সমগ্ৰ বিশ্বৰ স'তে ফেৰ মাৰি বৈদ্যুতিক শক্তি সম্পন্ন যান বাহন নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে বুলি কয়। ইপিনে, ৰাজ্যত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনৰ ক্ষেত্ৰত চৰকাৰ আগ্ৰহী বুলিও তেওঁ উল্লেখ কৰে। এই ক্ষেত্ৰত ৰাজ্যৰ উদ্যোগ মন্ত্ৰী আৰু দেশৰ লঘু আৰু মজলীয়া উদ্যোগ বিভাগৰ মন্ত্ৰীৰ স'তে পদক্ষেপ গ্ৰহণৰ ইংগিত দিয়ে। ইপিনে, দেশৰ নিবনুৱা সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ বিষয়েও উল্লেখ কৰে কেন্দ্ৰীয় মন্ত্ৰীজনে।



## শালনাত চোৰাং কাঠসহ দুখন গাড়ী জব্দ

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ২৬ নৱেম্বৰ ঃ** নগাঁও জিলাৰ শালনা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীয়ে চোৰাং কাঠ বেপাৰীৰ বিৰুদ্ধে চলাই থকা ধাৰাবাহিক অভিযানৰ মাজতেই পুনৰ সক্ৰিয় হৈ উঠিছে চোৰাং কাঠ সৰবৰাহকাৰী। ধাৰাবাহিকভাৱে শালনা ৰেঞ্জাৰ নেপাল মণ্ডলৰ নেতৃত্বত বন-কৰ্মচাৰীয়ে অভিযান চলাই বহু সংখ্যক নিষিদ্ধ কাঠফলা কল, চোৰাং কাঠসহ গাড়ী জব্দ কৰিবলৈ ইতিমধ্যে সক্ষম হৈছে। আজি পুৱতি নিশা পুনৰ শালনা বন-কৰ্মচাৰীয়ে শালনা আৰক্ষী চকীৰ আৰক্ষীৰ সহযোগত অভিযান চলাই আমলখি চাহ বাগিচাৰ মাজত চোৰাং কাঠসহ দুখন টাটা ম'বাইল গাড়ী জব্দ কৰিবলৈ সক্ষম হয়।

## তেজপুৰত দুখন বাহনত অগ্নিসংযোগ দুৰ্বৃত্তৰ



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৬ নৱেম্বৰ ঃ** তেজপুৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত কলিবাৰী মেধীবাৰীত আজি এটা পৰিয়ালৰ দুখন বাহনত অচিনাক্ত দুৰ্বৃত্তই অগ্নিসংযোগ কৰা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অঞ্চলটোৰ নৱ কুমাৰ বৰাৰ এখন চুইফ্ট ডিজায়াৰ আৰু এখন অট'টেম্প' এই ঘটনাত ভস্মীভূত হয়। ভুক্তভোগী পৰিয়ালটোৱে অভিযোগ কৰা মতে, যোৱা নিশা এ-এছ-০১-বিবি-৭৪৫৫ নম্বৰৰ চুইফ্ট ডিজায়াৰ আৰু এ-এছ-১২-বিচি-১৬৫৫ নম্বৰৰ অট'টেম্প'খনত দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰে। গভীৰ নিশা দুয়োখন বাহন দাওদাওকৈ জ্বলি উঠাত পৰিয়ালকো হতচকিত কৰে। উল্লেখ্য যে আজি পুৱা এই ঘটনা সন্দৰ্ভত তেজপুৰ সদৰ থানাত এজাহাৰ দাখিল কৰা পৰিয়ালটোৱে দুৰ্বৃত্তই হিংসাৰ বশৱৰ্তী হৈয়েই এই কাণ্ড সংঘটিত কৰা বুলি অভিযোগ কৰিছে।

# জি বি এল হাইস্কুলৰ উচ্চতৰ শাখা মুকলি অনুষ্ঠানত পক্ষপাতদুষ্ট ভূমিকা

### সময় নহ'ল প্ৰয়াত প্ৰথমজন উত্তীৰ্ণ ছাত্ৰৰ পৰিয়াললৈ

### ■ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী-পৰিচালন সমিতিৰ অৱজ্ঞাত ক্ষোভৰ সৃষ্টি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৬ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ ঘোগা বদনী আখিয়াস্থিত জি বি এল উচ্চ মাধ্যমিক বিদ্যালয়খন শেহতীয়াভাৱে ৰাজ্য চৰকাৰে উচ্চতৰ মাধ্যমিক শাখালৈ উন্নীত কৰাৰ পাছত একাদশ শ্ৰেণীৰ পাঠদান কাৰ্যসূচীৰ মুকলি অনুষ্ঠানত পক্ষপাততুষ্ট ভূমিকা গ্ৰহণ কৰা বুলি সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে অভিযোগ উঠিছে। যোৱা ২৬ নৱেম্বৰত বিদ্যালয়খনত উচ্চতৰ মাধ্যমিক শাখাৰ পাঠ্যক্ৰম মুকলি অনুষ্ঠানত দৃষ্টিকটুভাৱে কৰ্তৃপক্ষই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বিদ্যালয় স্থাপনত জড়িত লোকসকলৰ লগতে আনকি পৰিচালনা সমিতিকো অৱজ্ঞা কৰা হৈছে বুলি একাংশই অভিযোগ কৰিছে। বিশেষকৈ বছা বছা একাংশ লোককহে এই অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰা বুলি অভিযোগ উঠিছে। উপস্থিত লোকসকলৰ প্ৰায়ভাগে এটা বিশেষ দলৰ বুলিও চৰ্চিত হৈছে। উল্লেখ্য যে বৰক্ষেত্ৰী সমষ্টিৰ স্থানীয় বিধায়ক দিগন্ত বৰ্মনে শিক্ষানুষ্ঠানখনৰ উচ্চতৰ শাখা মুকলি অনুষ্ঠানত সভাৰ আঁতধৰা শিক্ষকজনে কে'বাবাৰো 'আমাৰ দলৰ' বুলি বিধায়কজনৰ লগতে আন কে'বাজনকো সম্বৰ্ধনা কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিদ্যালয়ৰ শাখা মুকলি অনুষ্ঠানত সংঘটিত কৰা কথা নিজৰ মানসিকতা উদঙাই দিয়া এই ঘটনাক একেমুখে গৰিহণা দিছে একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে সচেতন মহলে। লক্ষ্যণীয়ভাৱে উদ্বোধনী অনুষ্ঠানত পৰিচালনা সমিতিৰ খোদ সভাপতিয়ে উপস্থিত নথকা অনুষ্ঠানত প্ৰধান শিক্ষকজনে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক মতাৰ সৌজন্যকোনো নহ'ল। মন কৰিবলগীয়া যে, ১৯৯০ত স্থাপিত অপ্ৰাদেশীকৃত বিদ্যালয়খনত একাংশ ছাত্ৰ-ছাত্ৰীয়ে নিজেই বাঁহ কাটি, খেৰৰ চালি সজাই মাটি কাটি অঞ্চলটোত উচ্চ শিক্ষাৰ দুৱাৰ মুকলি কৰিছিল। আন্তঃগাঁথনি নথকা তথা কোনো উপযুক্ত শিক্ষাৰ পৰিৱেশ নথকাৰ পাছতো আন আন শিক্ষানুষ্ঠানৰ পৰা আহি অনিশ্চিত ভৱিষ্যতলৈ বিদ্যালয়খনত নামভৰ্তি কৰিছিল এই সকল ছাত্ৰ-ছাত্ৰীয়ে। আনহাতে, অঞ্চলটোৰ লোকসকলে বাঁহ, খেৰ আদিৰে পাৰ্যমানে বৰঙণি আগবঢ়াইছিল। বিদ্যালয়খন স্থাপন হোৱাৰ সময়ত তেনে উপযুক্ত শিক্ষক নথকাত বিএ আৰু বিএছচি দ্বিতীয়, চূড়ান্ত বৰ্ষত অধ্যয়নৰত কেইজনমান যুৱকক নিযুক্তি দি শ্ৰেণীকোঠা আৰম্ভ কৰিছিল। বিদ্যালয়খনত নাছিল গণিত, বিজ্ঞান আদি বিষয়ৰ নিয়মীয়া শিক্ষক। গণিত-বিজ্ঞান শিক্ষক নোহোৱা স্বত্বেও বিদ্যালয়খনৰ পৰা প্ৰথমবাৰৰ বাবে মোজাম্মিল হক নামৰ যুৱকজনে উত্তীৰ্ণ হৈ সুনাম কঢ়িয়াই আনিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে অনাকাংক্ষিত এক দুৰ্ঘটনাত অকালতে মৃত্যুক আঁকোৱালি লৈছিল যুৱকজনে। দুখৰ কথা যে বিদ্যালয়খন উচ্চতৰ শাখালৈ উন্নীত অনুষ্ঠানত অকালতে মৃত্যুক আঁকোৱালি লোৱা যুৱকজনৰ এবাৰো নাম উল্লেখ নকৰাৰ লগতে তেওঁৰ পত্নী আৰু একমাত্ৰ কণমানি কন্যাকো মনত কৰাৰ সৌজন্যতাবোধ নকৰিলে বিদ্যালয় কৰ্তৃপক্ষই। একেদৰে বিদ্যালয়খনৰ পৰা দ্বিতীয়বাৰৰ বাবে উত্তীৰ্ণ হোৱা আন দুই ছাত্ৰ-ছাত্ৰীকো মতাৰ সময় নহ'ল বিদ্যালয়ৰ কৰ্তৃপক্ষৰ। অথচ এই দুয়োজন ছাত্ৰ-ছাত্ৰীয়ে কৰ্মসূত্ৰে এতিয়া গুৱাহাটীত প্ৰতিষ্ঠিত যদিও গাঁৱৰ লগত সম্পৰ্ক এৰাব নোৱাৰা। আনহাতে বিদ্যালয়খনত নিজে শ্ৰম দান কৰি বিদ্যালয় স্থাপনত অৰিহণা যোগোৱা ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজক এইদৰে এৰাই চলাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইপিনে, বিদ্যালয়খনত কেতবোৰ অনিয়ম সংঘটিত হোৱাৰ ঘটনাও পোহৰলৈ আহিছে।

## বিজনীত বিজেপিৰ সংবিধান গৌৰৱ যাত্ৰা

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৬ নৱেম্বৰ ঃ** চিৰাং জিলাৰ বিজনীত বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ চিৰাং জিলা সমিতিৰ উদ্যোগত আজিৰে পৰা আৰম্ভ হৈছে সংবিধান গৌৰৱ যাত্ৰা। 1949ৰ 26 নৱেম্বৰৰ দিনা ভাৰতীয় সংবিধান গৃহীত হোৱাত আজি 'সংবিধান দিৱস'ৰ দিনটোৰ পৰা বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ নিৰ্দেশমৰ্মে 11 দিনীয়া কাৰ্যসূচী গ্ৰহণেৰে বি জে পিৰ সুভাইঝাৰ মণ্ডল কাৰ্যালয়ৰ পৰা থুৰিবাৰী মণ্ডল কাৰ্যালয়লৈ সংবিধান গৌৰৱ যাত্ৰা উলিওৱা হয়। পাছত থুৰিবাৰী মণ্ডল বিজেপিৰ কাৰ্যালয়ত এখন সংবিধান গৌৰৱ সভা অনুষ্ঠিত কৰা হয়। আজি সংবিধান গৌৰৱ যাত্ৰাত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰয়, চিৰাং জিলা বিজেপিৰ সভাপতি ৰিণ্টু কুমাৰ দাস, চিৰাং জিলাৰ প্ৰভাৰী জয়ন্তী ভৰালী শইকীয়াই অংশগ্ৰহণ কৰে। অনুসূচিত জাতি মৰ্চাৰ চিৰাং জিলা সভাপতি বিশ্বজিৎ সৰকাৰৰ সভাপতিত্বত তথা সম্পাদক গোপাল বৈশ্যই আঁতধৰা উক্ত সংবিধান গৌৰৱ সভাত সংবিধান প্ৰণেতা ড° ভীমৰাও ৰামাজী আম্বেদকাৰ সম্পৰ্কে আলোকপাত কৰে। উক্ত সভাত বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ চিৰাং জিলা প্ৰভাৰী জয়ন্তী ভৰালী শইকীয়া, মৰ্চাৰ অসম প্ৰদেশৰ সদস্য মাণিক মালাকাৰ, চিৰাং জিলা বিজেপিৰ মহিলা মৰ্চাৰ সভানেত্ৰী দেৱযানী ৰায়, সুভাইঝাৰ, থুৰিবাৰী আৰু মানাস ছেৰফাং মণ্ডলৰ সভাপতি ক্ৰমে তাপস ঘোষ, ধনজিৎ বৰ্মন আৰু দেৱজ্যোতি নমোদাসসহ বিজেপিৰ নেতা কৰ্মকৰ্তাসকল উপস্থিত থাকে।

### ■ নগাঁৱত উদ্যমৰ উদ্যোগত ড্ৰাগছ বিৰোধী সমদলত বিধায়ক শৰ্মা

# নিচাযুক্ত ঔষধৰ বিৰুদ্ধে সকলোৱে ঐক্যবদ্ধভাৱে যুঁজ দিব লাগিব




**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ নৱেম্বৰ ঃ** 'ড্ৰাগছ তথা নিচাযুক্ত ঔষধ এক সামাজিক ব্যাধি। ইয়াৰ ব্যৱহাৰে আমাৰ সমাজখনক অস্থিৰ কৰি তোলে। সেয়ে আমাৰ সমাজখনক নিচাযুক্ত ঔষধৰ কবলৰ পৰা মুক্ত কৰিব লাগিব। ইয়াৰ বাবে আমি সকলোৱে মিলি ঐক্যবদ্ধভাৱে যুঁজ দিব লাগিব।' আজি নগাঁৱৰ নেহেৰুবালিত স্বেচ্ছাসেৱী অনুষ্ঠান 'উদ্যমৰ' উদ্যোগত আয়োজিত ড্ৰাগছ বিৰোধী ৰেলীত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক শৰ্মাই। বিধায়ক শৰ্মাই আৰু কয়, 'মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনক ড্ৰাগছমুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিবৰ বাবে ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনৰ লগতে নগাঁও জিলাতো বৃহৎ পৰিমাণৰ নিচাযুক্ত ঔষধ জব্দ কৰিবলৈ সক্ষম হৈছে আৰক্ষী।' নিচাযুক্ত ঔষধৰ ব্যৱহাৰে যুৱ প্ৰজন্মক কেনেদৰে ক্ষতি কৰে সেই বিষয়ে উল্লেখ কৰি বিধায়কজনে লগতে কয় যে চৰকাৰ তথা আৰক্ষীয়ে নিচাযুক্ত ঔষধৰ সৰবৰাহ আৰু প্ৰচলনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু ইয়াক সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবৰ বাবে ৰাইজৰ লগতে স্বেচ্ছাসেৱী সংগঠন আৰু বিশেষকৈ নৱপ্ৰজন্মৰ যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি আহিব লাগিব। অনুষ্ঠানত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিত কুমাৰ ভাগৱতী, খাগৰিজান মহাবিদ্যালয় অধ্যক্ষ ড° ৰমেশ নাথ, অতিৰিক্ত উপায়ুক্ত দেবাহুতি বৰা, সমাজসেৱিকা অৰ্চনা তিৱাৰী, সাংবাদিক কনক হাজৰিকা, নীলোৎপল বৰা, নগাঁও জিলা বিজেপিৰ মহিলা মৰ্চাৰ সভানেত্ৰী ৰশ্মি শৰ্মা, উদ্যমৰ সভাপতি মিংকু মহন্তৰ লগতে ময়ূৰী মহন্ত, কৈল্যাণ শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে। উদ্যমৰ উদ্যোগত দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে নগাঁও চহৰত ড্ৰাগছৰ বিৰুদ্ধে সজাগতা ৰেলী উলিয়ায়।

## প্ৰবীণ নাট্যকৰ্মী দীনেশ দাসৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৬ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী অঞ্চলৰ প্ৰবীণ নাট্য শিল্পী দীনেশ দাসৰ আজি দুপৰীয়া দেহাৱসান ঘটাত শোকৰ ছাঁ পৰিছে বিভিন্ন মহলত। জানিব পৰা মতে, দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকাৰ অন্তত আজি দুপৰীয়া এক মান বজাত দেহাৱসান ঘটে। তিনি পুত্ৰ, পত্নীক এৰি থৈ যোৱা দাসৰ মৃত্যুত অভয়াপুৰী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। আজি নিঠৰ দেহ অসংখ্য গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখ্য যে জিলাখনৰ বিষ্ণুপুৰত জন্মগ্ৰহণ কৰা দীনেশ দাসে প্ৰাথমিক শিক্ষা স্থানীয় বিদ্যালয়ত সমাপন কৰাৰ পাছত পৰৱৰ্তী শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰি গড়কাপ্তানী বিভাগত চাকৰি কৰে। ইয়াৰ সমান্তৰালভাৱে অভিনয়, নাট পৰিচালনাতো ব্যস্ত হৈ পৰে। সাৱলীল অভিনয়ৰ বাবে অসমৰ শ্ৰেষ্ঠ অভিনেতা হিচাপে নাট প্ৰতিযোগিতা এখনত স্বীকৃতি লাভ কৰাৰ লগতে বঙাইগাঁও জিলাৰ বিভিন্ন যাত্ৰাদল, অপেছাদাৰী নাট্যগোষ্ঠীৰ নাট পৰিচালনা কৰিছিল। সুদক্ষ অভিনেতা দীনেশ দাসক সদৌ অসম সাংবাদিক সন্থাৰ বঙাইগাঁও জিলা সমিতিৰ সৃজনগ্ৰাম অধিবেশনত সম্বৰ্ধনা জনোৱাৰ লগতে বিগত সময়ত পহিলা ব'হাগৰ দিনটোত বিভিন্নজন বিশিষ্ট ব্যক্তিৰ লগতে দাসকো সাংবাদিক সন্থাই সম্ভাষণ জ্ঞাপন কৰিছিল। এইজন বিশিষ্ট নাট্যকৰ্মীৰ বিয়োগত সাংবাদিক সন্থা, অভয়াপুৰী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদগতি কামনা কৰিছে।

## ক্ষুদ্ৰ উদ্যোগৰ জৰিয়তে মহিলাক স্বাৱলম্বী কৰাৰ প্ৰয়াস

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ২৬ নৱেম্বৰ ঃ** অসম ঔদ্যোগিক উন্নয়ন নিগমৰ উদ্যোগত আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত আজি হাউলীস্থিত ভৱানীপুৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়ত প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধীকৰণ উদ্যোগৰ আনুষ্ঠানিকৰণ আঁচনিৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। ভৱানীপুৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি বিল্লাল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ভৱানীপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত কে'বাটাও মহিলা আত্মসহায়ক গোটৰ পৰা শতাধিক সদস্যই অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ সংসাধীকৰণ উদ্যোগৰ আনুষ্ঠানিকৰণ আঁচনিৰ ৰাজ্যিক বিষয়া ধ্ৰুৱজিৎ শৰ্মাই উপস্থিত থাকি আত্মসহায়ক গোটৰ সদস্যাসকলক আঁচনিখনৰ ওপৰত বিশদভাৱে বিৱৰণ দাঙি ধৰে। লগতে তেওঁ কয় যে এই আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ মহিলাসকল স্বাৱলম্বী হোৱাৰ দিশত বিশেষভাৱে সহায় কৰিব। উক্ত সজাগতা সভাখনত আঁচনিখনৰ খাদ্য প্ৰযুক্তিকৰণৰ প্ৰৱন্ধক হেমন্ত কুমাৰ শৰ্মাই বিশেষকৈ দুগ্ধ জাতীয় সামগ্ৰীৰ প্ৰস্তুতিকৰণৰ ওপৰত বক্তব্য আগবঢ়োৱাৰ উপৰি আচাৰ বনোৱা, মছলা প্ৰস্তুতকৰণ ইত্যাদিৰ ওপৰতো বক্তব্য আগবঢ়াই মহিলাসকলক অধিক মনোগ্ৰাহী কৰি তোলে। তদুপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা কাৰ্যকৰী বিশেষজ্ঞ প্ৰণামিকা পাঠকে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত আত্মসহায়ক গোটসমূহে কৰি থকা ক্ষুদ্ৰ উদ্যোগৰ ওপৰত বিস্তৃতভাৱে বক্তব্যত দাঙি ধৰে।

## নগাঁৱত ৰচনা প্ৰতিযোগিতা সম্পন্ন

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ নৱেম্বৰ ঃ** নগাঁও চহৰৰ আইন শিক্ষাৰ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান নগাঁও আইন মহাবিদ্যালয়ত আজি 'সংবিধান দিৱস'ৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আয়োজিত ৰচনা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে ক'ভিড প্ৰট'কল মানি অংশগ্ৰহণ কৰে। ৰচনা লিখা প্ৰতিযোগিতাত বিচাৰক হিচাপে দায়িত্ব পালন কৰে মহাবিদ্যালয়খনৰ প্ৰৱক্তা ক্ৰমে মনালিছা দাস আৰু কৰিশ্মা শইকীয়াই। ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে প্ৰাযুক্তা বৰা, দ্বিতীয় স্থানত তন্ময় শৰ্মা আৰু তৃতীয় স্থান লাভ কৰে ছাবা ছাত্তাৰ ৰহমানে। তেওঁলোক প্ৰত্যেককে মহাবিদ্যালয়ৰ ফালৰ পৰা মানপত্ৰৰ লগতে উপহাৰ হিচাপে একোটাকৈ কিতাপৰ টোপোলা প্ৰদান কৰা হয়।


## TENDER NOTICE

**NO.DVT-229/EE (CATTLE & BUFFALO) Minor/2021-2022/**

Separate sealed tender in plain paper affixing non-refundable court fee stamp of Rs.8.25 (Rupees eight and paise twenty five) only for a validity period of 180 (one hundred eighty) days are hereby invited from the eligible contractors duly registered under Animal Husbandry & Veterinary Deptt. Assam, Guwahati-3 and Dairy Development Deptt. of Assam, Khanapara, Guwahati-22 for the following work under **EE Minor** as shown in the table below and will be received by the undersigned before **14.00** hours of **04.12.2021** and will be opened on the same day at 14-30 hours in presence of tenderers or their authorized representative who wish to attend the same.

If the date of the opening of tender happens to be a holiday/bandh or if it is not possible to receive tenders in stipulated date for any unforeseen reason, the next working day will be considered as the last date for receipt/opening of the tenders.

| Group No | Name of work | App. Value of work (Rs.) | Earnest Money (@ 2%) for General (Rs.) | Earnest Money (@ 1%) for SC, ST, OBC, MOBC (Rs.) | Period of completion |
|---|---|---|---|---|---|
| 1 | Construction of Brick boundary with chain link fencing and iron gate at Dist. Poultry Farm, Baghchung in Jorhat District | 3,98,058.00 | 7,961.00 | 3,981.00 | 30 days |

Detail tender notice, terms and condition and other particulars of works may be seen in the Engineering Section of this Directorate during office hours.

Sd/-
Director
A.H & Vety. Deptt. Assam,
Chenikuthi, Guwahati-03

Janasanyog/C/8241/21


# জননেতাক অপমান আবকাৰী বিভাগৰ

### ■ শৰৎ চন্দ্ৰ সিংহৰ ইচ্ছাৰ বিৰুদ্ধে চাপৰত সুৰাৰ বিপণী স্থাপন প্ৰক্ৰিয়া বন্ধ কৰিবলৈ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ২৬ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰে ধুবুৰী জিলাৰ চাপৰকে ধৰি ১১খন জিলাত নতুনকৈ বিলাতী সুৰাৰ বিপণী খোলাৰ অনুমতি দিবলৈ ওলোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে প্ৰাক্তন মুখ্যমন্ত্ৰী জননেতা শৰৎ চন্দ্ৰ সিংহই তেওঁৰ জন্মনগৰী চাপৰত যাতে কোনোদিনে বিলাতী সুৰাৰ বিপনী স্থাপন কৰা নহয় তাৰ বাবে নগৰ সমিতি গঠনৰ সময়তে ১৯৮৯তে ৰাজহুৱাভাৱে চাপৰ নগৰ সমিতিক আহ্বান জনাইছিল। সেই সময়তে চাপৰৰ সিংহপুৰুষসদৃশ প্ৰয়াত ডালিম কুমাৰ মেধিক ধৰি একাংশ সমাজসেৱকেও চাপৰ নগৰ সমিতিত এই সন্দৰ্ভত এখন আবেদনো দাখিল কৰিছিল। পৰৱৰ্তী সময়ত ২০০৩তো চাপৰ উন্নয়ন সমিতিৰ তৎকালীন সাধাৰণ সম্পাদক জাহানউদ্দিন আহমেদেও চাপৰ নগৰ সমিতিত এই সন্দৰ্ভত আন এখন আবেদন দাখিল কৰিছিল। জননেতাজনৰ আহ্বানৰ প্ৰতি সন্মান জনাই চাপৰ নগৰ সমিতিয়ে আজিলৈকে চাপৰ নগৰত বিলাতী সুৰাৰ বিপনী স্থাপনৰ অনুমতি দিয়া নাছিল। কিন্তু মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ নেতৃত্বাধীন আবকাৰী বিভাগে বিগত ২৫ অক্টোবৰতে ই এক্স-১৪৫-২০১৭-৮৭ নম্বৰ নিৰ্দেশনাযোগে ৰাজ্যৰ ১১খন জিলাৰ ২০টা স্থানৰ লগতে চাপৰতো সুৰা বিপণী খোলাৰ অনুমতি প্ৰদান কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জননেতা শৰৎ চন্দ্ৰ সিংহৰ আদৰ্শক পদানত কৰি চাপৰত যাতে বিলাতী সুৰাৰ বিপনী স্থাপনৰ অনুমতি প্ৰদান কৰা নহয় তাৰবাবে আজি দুপৰীয়া বিলাসীপাৰা মহকুমা ছাত্ৰ সন্থা, চাপৰ আঞ্চলিক ছাত্ৰ সন্থা, আক্ৰাছুৰ চাপৰ আঞ্চলিক, ফলিমাৰী আঞ্চলিক, বহলপুৰ আঞ্চলিক, কলিতা জনগোষ্ঠীয় সন্মিলন, অসমৰ অবিভক্ত গোৱালপাৰা জিলা সমিতি, সদৌ অসম গৰিয়া-মহিলা-দেশী জাতীয় পৰিষদৰ চাপৰ আঞ্চলিক, আমছুৰ চাপৰ আঞ্চলিক আৰু চাপৰ উন্নয়ন সমিতিয়ে চাপৰৰ চক্ৰ বিষয়া শান্তনু গগৈৰ জৰিয়তে পৃথকে পৃথকে অসমৰ মুখ্যমন্ত্ৰী, ধুবুৰী জিলাৰ উপায়ুক্ত, বিলাসীপাৰাৰ মহকুমাধিপতিলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সংগঠন কেইটাই চাপৰ পৌৰ সভাৰ কাৰ্যবাহী বিষয়া শান্তনু গগৈৰ হাততো একে দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে। সংগঠন কেইটাই চাপৰত সুৰাৰ বিপণী স্থাপনৰ অনুমতি বাতিল কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনোৱাৰ লগতে এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ কামনা কৰিছে।



## শ্ৰদ্ধাঞ্জলি

### বিশ্বজিৎ চক্ৰৱৰ্তী

**মোৰ** আত্মীয় ভাগিন গুৱাহাটী লংকেশ্বৰ কৈলাসপুৰৰ মৃগাংক নাথ চক্ৰৱৰ্তী আৰু মীনাক্ষী চক্ৰৱৰ্তীৰ কনিষ্ঠ পুত্ৰ বিশ্বজিৎ চক্ৰৱৰ্তীয়ে পত্নী ৰীতা চক্ৰৱৰ্তী আৰু পাঁচ বছৰীয়া কন্যা কেশভিক অপাৰ সাগৰত পেলাই থৈ যোৱা ১৭ নৱেম্বৰত ইহলোকৰ পৰা চিৰবিদায় লৈছে। তেওঁৰ মৃত্যুত আমি শোকাভিভূত হৈ পৰিছো।

বিশ্বজিৎ আছিল এগৰাকী সহজ, সৰল আৰু উদাৰ প্ৰকৃতিৰ ব্যক্তি। কোনো ধৰণৰ নিয়োগ লাভৰ পৰা বঞ্চিত হৈ সৰু সৰু ঠিকাৰ কাম কৰি তেওঁ জীৱন নিৰ্বাহ কৰিছিল। এগৰাকী উচ্চমনা, উদাৰ, সহানুভূতিশীল ব্যক্তি হিচাপে তেওঁ সকলোৱে পৰা মৰম আৰু শ্ৰদ্ধা লাভ কৰিবলৈ সক্ষম হৈছিল। কিছুদিনৰ পৰা বিশ্বজিৎ শাৰীৰিক অসুস্থতাত ভুগি আছিল আৰু বিশেষ ধৰণৰ চিকিৎসা সেৱা আগবঢ়োৱাৰ পাছতো কোনো সুফল নাপালে। সামাজিক জীৱনৰ পৰা এগৰাকী সৎ আৰু সহায়শীল ব্যক্তি চিৰবিদায় ল'লে। আত্মীয়-স্বজন, বন্ধু-বান্ধৱ সকলোৱে আজি আমি তেওঁৰ মৃত্যুত মৰ্মাহত হৈছো।

আজি বিশ্বজিতৰ ঔদ্ধোদৈহিক ক্ৰিয়া সম্পন্ন হ'ব। পৰম পিতা ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ—বিদেহ আত্মাৰ সদ্‌গতি হওক। পৰলোকত গৈ শান্তি লাভ কৰক। আমাৰ অন্তৰৰ মাজত বিশ্বজিতৰ স্মৃতি অম্লান হৈ থাকিব।

**মৃণাল কান্তি চক্ৰৱৰ্তী (মহা)**
**ৰুদ্ৰ ভৱন**


## TENDER NOTICE

**NO.DVT.186/SOPD-ODS/2021-22/26**

Separate sealed tender in plain paper affixing non-refundable court fee stamp of Rs.8.25 (Rupees eight and paise twenty five) only for a validity period of 180 (one hundred eighty) days are hereby invited from the eligible contractors duly registered under Animal Husbandry & Veterinary Deptt. Assam, Guwahati-3 and Dairy Development Deptt. of Assam, Khanapara, Guwahati-22 for the following work under **SOPD-ODS** as shown in the table below and will be received by the undersigned before **14.00** hours of **04.12.2021** and will be opened on the same day at 14-30 hours in presence of tenderers or their authorized representative who wish to attend the same.

If the date of the opening of tender happens to be a holiday/bandh or if it is not possible to receive tenders in stipulated date for any unforeseen reason, the next working day will be considered as the last date for receipt/opening of the tenders.

| Group No | Name of work | App. Value of work (Rs.) | Earnest Money (@ 2%) for General (Rs.) | Earnest Money (@ 1%) for SC, ST, OBC, MOBC (Rs.) | Period of completion |
|---|---|---|---|---|---|
| 1 | Construction of Brick boundary wall & Labour barrack (1 unit) at Govt. Fodder Farm, Sonapur in Kamrup District | 8,69,160.00 | 17,383.00 | 8,692.00 | 30 days |
| 2 | Repairing and renovation of Dispensary Building at Raja Bazar Vety. Dispensary Complex under Cachar District | 7,00,935.00 | 14,019 | 7,009.00 | 30 days |

Detail tender notice, terms and condition and other particulars of works may be seen in the Engineering Section of this Directorate during office hours.

Sd/-
Director
A.H & Vety. Deptt. Assam,
Chenikuthi, Guwahati-03

Janasanyog/C/8231/21

■ টিয়কত বিনিদ্ৰ ৰজনী কটাইছে গঞাই ■ পৰিত্ৰাণ বিচাৰি হস্তী পূজন ৰাইজৰ

# নদী কাষৰীয়া অঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ২৬ নৱেম্বৰ ঃ** ৰাজ্যত ভয়ংকৰ ৰূপ ধাৰণ কৰিছে হাতী-মানুহৰ সংঘাতে। বছৰি দ্ৰুতগতিত বৃদ্ধি পাইছে এই ভয়ংকৰ সমস্যা। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই অহা হাতীৰ জাকটো খেদাৰ বাবে কোনো বিধান নাই বিয়াগোম বন বিভাগৰ হাতত।

সেয়েহে ৰাইজৰ এতিয়া শেষ ভৰসা ভগৱানৰ ওপৰত। যোৱা ২৫ নৱেম্বৰত বন্যহস্তীৰ পৰা পৰিত্ৰাণ বিচাৰি ৰাইজে আঁঠু ল'লে নেদেখাজনৰ চৰণত। টীয়কৰ ঘোঁৰাছোৱা, জেলেঙীটুপ, মোকালনি, চিন্তামণিগড়কে ধৰি ১০খনকৈ গাঁৱৰ ৰাইজে বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ বিচাৰি হাতী অহা পথতেই শৰাই আগবঢ়াই ধূপ-ধূনা, চাকি-বন্তি জ্বলাই নেদেখাজনৰ চৰণত আঁঠু লয়। একেদৰে জাঁজীমুখৰ বিভিন্ন স্থানতো বন্যহস্তীৰ বিচৰণ কৰাৰ উমান পাইছে স্থানীয় ৰাইজে।

উল্লেখ্য যে বিগত প্ৰায় এটা মাহ প্ৰায় ১৫০/২০০ৰ হাতীৰ জাকটোৱে টীয়কৰ নৈপৰীয়া বিভিন্ন অঞ্চল জাঁজীমুখ, জংপং, বৰমথাউৰি, মোকালনী, বৰলীমৰা, হাতীশাল, বেজৰছিগা, ঘোঁৰাচ'ৰা আদি ঠাইত সন্ত্ৰাস চলাই মানুহৰ ঘৰ ভাঙি খেতি পথাৰ নষ্ট কৰি আহিছে। বন বিভাগে কিছু তৎপৰতা দেখুৱাইছে যদিও হাতীৰ জাকটো খেদি পথাৱলৈ সক্ষম হোৱা নাই।



## আছুৰ দখলত শিৱসাগৰ কলেজ ছাত্ৰ একতা সভা

**বিশেষ সংবাদদাতা,**

**শিৱসাগৰ, ২৬ নৱেম্বৰ ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ কলেজ, জয়সাগৰৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন আজি সম্পন্ন হয়। ছাত্ৰ একতা সভাৰ সৰ্বমুঠ ১৬টা পদবীৰ বিপৰীতে নিৰ্বাচন অনুষ্ঠিত হোৱা ১৪টা পদবীত আৰু চাৰিটা শ্ৰেণী প্ৰতিনিধি পদৰ বাবে আজি অনুষ্ঠিত নিৰ্বাচনত সকলোখিনি পদতে আছু সমৰ্থিত প্ৰাৰ্থী বিজয়ী হৈছে। সেই অনুসৰি ছাত্ৰ একতা সভাৰ সভাপতি পদত ভাৰ্গৱ প্ৰতীম চাংমাই,উপ-সভাপতি পদত প্ৰিন্স গগৈ,সাধাৰণ সম্পাদক পদত অংকুৰ ৰঞ্জন বৰুৱা,সহকাৰী সাধাৰণ সম্পাদক পদত পংখী সন্দিকৈ,সমাজ সেৱা বিভাগত ড্ৰিমলী গগৈ, তৰ্ক বিভাগত বিৰিঞ্চি বুঢ়াগোহাঁই, আলোচনী বিভাগত নয়ন জ্যোতি গগৈ, ছাত্ৰ জিৰণি কোঠা পদত পৰীক্ষিত গগৈ,ছাত্ৰী জিৰণি কোঠা পদত অঞ্জু মিলি, গুৰু ক্ৰীড়া বিভাগত অবিনাশ খনিকৰ, ক্ৰিকেট আৰু টেনিচ বিভাগত চানু সন্দিকৈ ,বেডমিন্টন বিভাগত অখিলেশ শৰ্মা,শৰীৰ চৰ্চা বিভাগত জিন্টু দাস,ভলীবল আৰু বাস্কেটবল বিভাগত জুৰিশ বুঢ়াগোঁহাই,ছাত্ৰ প্ৰতিনিধি ৰূপে তৃতীয় ষাণ্মাসিকৰ স্বাগতা কাশ্যপ,কলা শাখাৰ ঋত্বিকা সন্দিকৈ,উচ্চতৰ মাধ্যমিক শাখাৰ প্ৰিয়া চেতিয়া নিৰ্বাচিত হয়। ফলাফল ঘোষণাৰ পিছতে বিজয়ী প্ৰতিনিধিসকল সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ বৰ্ডিং ৰোডস্থিত মুখ্য কাৰ্যালয়ত উপস্থিত হয়। আছুৰ কাৰ্যালয়ত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহিক সমীৰণ ফুকন,সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পোদক দীপাংকৰ শইকীয়া ,শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মানস প্ৰতীম বৰুৱা,সাধাৰণ সম্পাদক জীপম বড়াকে ধৰি বহু সংখ্যক আছু নেতা-কৰ্মীৰ উপস্থিতিত নৱ নিৰ্বাচিত বিষয়ববীয়াসকলক উষ্ম অভিনন্দন জ্ঞাপন কৰে। আছু নেতৃত্বই নিৰ্বাচিত সকলো ছাত্ৰ প্ৰতিনিধিক অভিনন্দন জনোৱাৰ লগতে মহাবিদ্যালয়খনৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## দেওমৰনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ২৬ নৱেম্বৰ ঃ** দেওমৰনৈ মহাবিদ্যালয় (কনিষ্ঠ)ৰ ২০২১-২২ শিক্ষাবৰ্ষ ছাত্ৰ একতা সভা গঠনৰ বাবে ৩৩ সংখ্যক সাধাৰণ নিৰ্বাচনত ১৩ গৰাকী প্ৰাৰ্থীয়ে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। উপ-সভাপতি পদত মৃগাংক চলিহা, সাধাৰণ সম্পাদক পদত হিমান জ্যোতি শৰ্মা, খেল বিভাগৰ সাধাৰণ সম্পাদক বিশাল বৰুৱা, সহঃ সম্পাদক জ্যোতিময় চহৰীয়া, সাংস্কৃতিক বিভাগৰ সাধাৰণ সম্পাদক চয়নিকা ডেকা, সহঃ সম্পাদক ৰফিকুদ্দিন আহমেদ, আলোচনী বিভাগৰ সাধাৰণ সম্পাদক ভাৰ্গৱ জ্যোতি নাথ, সহঃ সম্পাদক চালমা শ্বাহনাজ, সাহিত্য বিভাগৰ সাধাৰণ সম্পাদক কাব্যশ্ৰী চহৰীয়া, সহঃ সম্পাদক ৰেহেনা আখতাৰ বেগম, সমাজসেৱা বিভাগৰ সম্পাদক ধ্ৰুৱজ্যোতি ৰাজবংশী, ছাত্ৰ জিৰণি চ'ৰা সম্পাদক প্ৰণৱ ডেকা, ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকা ৰূপশিখা কলিতা বিজয়ী হয়। আছু সমৰ্থিত আটাইকেইজন বিজয়ী প্ৰাৰ্থীক কালি দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাই আদৰণি জনায়। আদৰণি কাৰ্যসূচীত উপস্থিত থাকে দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি চিণ্টু নাথ, সহঃ সাধাৰণ সম্পাদক কুৰ্নাল শৰ্মা, সাংগঠনিক সম্পাদক জিতুল দাস, অপূৰ্ব শৰ্মা আদি।

## বিধায়কৰ হস্তক্ষেপত সানেকুছি ৰাজ্যিক চিকিৎসালয় পৰিচালনা সমিতি গঠন

■ মনোনীত সদস্যৰ পদত্যাগ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৬ নৱেম্বৰ ঃ** বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালৰ প্ৰথম বৰ্ষতে ৰাজ্যৰ সকলো বিদ্যালয়, চিকিৎসালয় আদিত স্থানীয় বিধায়কৰ প্ৰত্যক্ষ হস্তক্ষেপত পৰিচালনা সমিতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। প্ৰতিজন জনপ্ৰতিনিধিয়ে নিজৰ মনোগ্ৰাহী আৰু নিজ দলৰ কৰ্মকৰ্তাৰ মাজত পৰিচালনা সমিতি গঠন কৰাত লাগি পৰিছে। তেনেদৰে নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত সানেকুছি ৰাজ্যিক চিকিৎসালয় পৰিচালনা সমিতিখনো বিধায়ক দিগন্ত বৰ্মনৰ প্ৰত্যক্ষ হস্তক্ষেপত নতুনকৈ গঠন কৰে। ইতিমধ্যে নৱগঠিত পৰিচালনা সমিতিয়ে বুধবাৰে এখন কাৰ্যকৰী সভাও অনুষ্ঠিত কৰে। দুৰ্ভাগ্যজনক কথা যে নতুন কমিটীৰ পহিলা সভাৰ পাছতে কমিটী গঠনত সংকীৰ্ণতাৰ অভিযোগ তুলি এজন জ্যেষ্ঠ মনোনীত সদস্যই পদত্যাগ কৰাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে চিকিৎসালয়খন বৰক্ষেত্ৰী সমষ্টিত স্থাপিত যদিও চিকিৎসালয়ৰ অধীনত নলবাৰী সমষ্টিৰো কে'বাখনো গাঁও অন্তৰ্ভুক্ত হৈ আছে। কিন্তু বিধায়ক বৰ্মনে নলবাৰী সমষ্টিৰ গাঁও কেইখনক সম্পূৰ্ণকৈ উপেক্ষা কৰি কেৱল বৰক্ষেত্ৰী সমষ্টিৰ সানেকুছি গাঁও পঞ্চায়তৰ চাৰিখন গাঁৱৰ সদস্য বাছনি কৰি কমিটীখন গঠন কৰিছে। ইমান সংকীৰ্ণ মনোভাৱৰে গঠন কৰা পৰিচালনা সমিতিক লৈ অঞ্চলৰ ৰাইজ সন্তুষ্ট নহয়। সেয়েহে পৰিচালনা সমিতিত মনোনীত জ্যেষ্ঠ সদস্যগৰাকীয়ে সংকীৰ্ণ মানসিকতাৰে গঠিত সমিতিত তেওঁ অন্তৰ্ভুক্ত হৈ নাথাকে বুলি পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে।

## নকছাৰীত হেমন্তৰ আবেলি শীৰ্ষক কবি সন্মিলন সম্পন্ন

**অগ্ৰদূত বৰ্তা,**

**নকছাৰী, ২৬ নৱেম্বৰ ঃ** নকছাৰীৰ কবি তথা শিক্ষয়িত্ৰী জোনমণি গগৈৰ বাসগৃহত যোৱা ২৪ নৱেম্বৰত নকছাৰী শাখা লেখিকা সন্থা আৰু নকছাৰী কবি সন্মিলনৰ যৌথ উদ্যোগত হেমন্তৰ আবেলি শীৰ্ষক এখন মনোৰম কবি সন্মিলন অনুষ্ঠিত হয়। নকছাৰী শাখা লেখিকা সন্থাৰ সভানেত্ৰী তথা অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী অনিতা গগৈৰ সভাপতিত্বত শাখাৰ কাৰ্যনিৰ্বাহক সভাখন হৈ যোৱাৰ পাছতে অনিতা গগৈৰ সঞ্চালনাতে মনোৰম কবিতা পাঠৰ অনুষ্ঠান সম্পন্ন হয়। লেখিকা সন্থাৰ উপ-সভানেত্ৰী, শিক্ষয়িত্ৰী তথা কবি ৰূপা নেওগ গোহাঁই, মিতালী চৌধৰী, নন্দিতা ভূএগ্ৰাৰ প্ৰমুখ্যে আঠগৰাকী সদস্যাই সুধাকণ্ঠৰ গীতেৰে আৰম্ভ কৰা কবিতা পাঠ আৰু গীতৰ অনুষ্ঠানত সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি হেম চন্দ্ৰ গগৈ, যোৰহাট জিলা কবি সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি প্ৰদীপ কুমাৰ গগৈ, নকছাৰী শাখা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি ক্ষীৰোদ হাজৰিকা, নকছাৰী শাখাৰ সভাপতি সুশীল গগৈ, কবি বিফুল গগৈ, বিজিত লাহন, ৰূপা নেওগ গোহাঁই, বিজয়া গগৈ, বিজয়া দাস লাহন, পূৰৱী হাজৰিকা, মিতালী চৌধৰী, নন্দিতা ভূএগ্ৰা, জুনু বেগম আৰু জোনমণি গগৈয়ে স্বৰচিত কবিতা পাঠ কৰাৰ লগতে সাংবাদিক চক্ৰসেন গগৈ, কণমানি অৰুণাভ লাহন, কণমানি পৰিধি বৰুৱাই সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য আৰু ড° ভূপেন হাজৰিকাৰ কবিতা আবৃতিৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। নন্দিতা ভূএগ্ৰা, বিফুল গগৈ, হেম চন্দ্ৰ গগৈ, মিতালী চৌধুৰীয়ে গীত পৰিৱেশন কৰা অনুষ্ঠানৰ আঁত ধৰে কবি তথা লেখিকা সন্থাৰ সম্পাদিকা জোনমণি গগৈয়ে।

## মেলামাটি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰতিষ্ঠা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ২৬ নৱেম্বৰ ঃ** তিতাবৰ সমষ্টিৰ মেলামাটিত ১৯৮৯তে তদানীন্তন কৃষি মন্ত্ৰী তথা তিতাবৰ সমষ্টিৰ বিধায়ক দেৱকুমাৰ বৰাৰ জৰিয়তে মেলামাটি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জন্ম হৈছিল। তেতিয়াৰ পৰা বৰ্তমানলৈকে স্বাস্থ্য কেন্দ্ৰৰ জৰিয়তে অঞ্চলটোৰ ৰাইজৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা ব্যৱস্থা সুচাৰুৰূপে চলি আছে। যোৱা ২৪ নৱেম্বৰত স্বাস্থ্য কেন্দ্ৰৰ প্ৰতিষ্ঠা দিৱস মেলামাটি গাঁও পঞ্চায়তৰ সভাগৃহত অনুষ্ঠুপীয়াকৈ পালন কৰে। পুৱাৰে পৰা এঘণ্টাৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী লৈ স্মৃতি তৰ্পণ আৰু বৃক্ষৰোপণ কাৰ্যসূচীৰ পিছতে মাত্ৰ আধা ঘণ্টাৰ মুকলি সভাখন পৰিচালনা সমিতিৰ সভাপতি সুবোধ দত্তৰ পৰিচালনাত অনুষ্ঠিত হয়। প্ৰাক্তন মন্ত্ৰী প্ৰয়াত দেৱকুমাৰ বৰাৰ পত্নী বৰ্ণালী বৰা শইকীয়াই কাৰ্যসূচীত অংশগ্ৰহণ কৰি আনন্দ উপভোগ কৰে সভাখন বৰ্ণালী বৰা শইকীয়াৰ উপৰি তিতাবৰ মহকুমা অসামৰিক চিকিৎসালয়ৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ ৰূপাঞ্জলী ফুকন, মেলামাটি স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা বিষয়া, সমাজকৰ্মী ৰাতুল দত্ত, মেলামাটি গাঁও পঞ্চায়ত ৰ সভানেত্ৰী সংগীতা শইকীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। স্বাস্থ্য কেন্দ্ৰটোৰ কৰ্মচাৰী বিজিত গোস্বামীয়ে আঁতধৰা সভাত ৰাইজৰ উপস্থিতি সেৰেঙা আছিল।

## অভয়াপুৰীত ছদিনীয়া গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণৰ সমাপ্তি

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৬ নৱেম্বৰ ঃ** অসম গ্ৰামীণ বিকাশ বেংকৰ দ্বাৰা পৰিচালিত অভয়াপুৰীত অৱস্থিত গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁৱৰ উদ্যোগত যোৱা ১৮ নৱেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈ ছদিলিয়াকৈ এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰে। উক্ত প্ৰশিক্ষণত বঙাইগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ ২৯ গৰাকী গ্ৰাম্য নিবনুৱা যুৱক-যুৱতীয়ে স্ব-নিয়োজনৰ বাবে প্ৰশিক্ষণ গ্ৰহণ কৰে। বঙাইগাঁও জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ উপ-প্ৰৱন্ধক হৰকুমাৰ দাসে উদ্বোধন কৰা উক্ত প্ৰশিক্ষণ শিবিৰত প্ৰতিষ্ঠানটোৰ সঞ্চালক তপন কুমাৰ সৰকাৰ আৰু প্ৰশিক্ষক সুষমা মণ্ডলে প্ৰশিক্ষণ আগবঢ়ায়। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত অসম গ্ৰামীণ বিকাশ বেংক, অভয়াপুৰী শাখা পৰিচালক সমিতি দেৱনাথে প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰে।

## কীটনাশক প্ৰয়োগৰ পৰিৱৰ্তে উপকাৰী পোক-পতংগক সংৰক্ষণ কৰাৰ প্ৰয়োজন

■ কীট পতংগৰ জৈৱিক নিয়ন্ত্ৰণ বিষয়ক প্ৰশিক্ষণ-কৃষি সামগ্ৰী বিতৰণ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ নৱেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ পতংগতত্ত্ব বিভাগৰ অধীনত সৰ্বভাৰতীয় সমন্বিত জৈৱিক নিয়ন্ত্ৰণ অনুসন্ধন প্ৰকল্পৰ উদ্যোগত আৰু কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ সহযোগত কালি কীট-পতংগৰ জৈৱিক নিয়ন্ত্ৰণ বিষয়ক প্ৰশিক্ষণ আৰু সামগ্ৰী বিতৰণৰ এক কাৰ্যসূচী সম্পন্ন হয়। নগাঁও জিলাৰ কন্দলি পঞ্চায়তৰ অন্তৰ্গত বৰকছাৰী গাঁৱৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰাথমিক বিদ্যালয়ত জনজাতি উপযোজনাৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰি অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ পতংগতত্ত্ব বিভাগৰ বিজ্ঞানী ৰুদ্ৰ নাৰায়ণ বৰকাকতিয়ে কয়, 'জধে-মধে পতংগ নাশক প্ৰয়োগ কৰাৰ পৰিৱৰ্তে পৰিৱেশতন্ত্ৰত উপলব্ধ উপকাৰী পোক-পতংগসমূহক সংৰক্ষণ কৰাৰ প্ৰয়োজন। আমাৰ প্ৰকৃতিত বহু উপকাৰী পোক-পতংগ আছে। যিসমূহ পোকে অপকাৰী পোকসমূহক প্ৰাকৃতিকভাৱে নিয়ন্ত্ৰণ কৰি ভাৰসাম্য ৰক্ষা কৰে।'



কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ পশু বিজ্ঞান বিশেষজ্ঞ ড° অনিমেশ ডেকাই আঁত ধৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰৰ মুৰব্বী ড° নিৰঞ্জন ডেকাই কয়, 'সমন্বিত প্ৰচেষ্টাৰে কৃষকসকলে কৃষিকাৰ্য কৰি, বিজ্ঞানসন্মত সঁজুলি ব্যৱহাৰৰ দ্বাৰা কৃষকৰ আয় দুগুণীকৰণ কৰাৰ বাবে যত্নপৰ হোৱা উচিত।' লগতে তেওঁ কৃষকসকলক কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ পৰা যিকোনো ধৰণৰ দিহা-পৰামৰ্শ লৈ স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ উদ্যান শস্য বিশেষজ্ঞা জুলি শৰ্মা, কৃষি অৰ্থনীতি বিভাগৰ বিষয়বস্তু বিশেষজ্ঞা ড° চিংকী বৰ্মনে ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত বৰকছাৰী গাঁৱৰ ৫০গৰাকী প্ৰগতিশীল কৃষকক জাপি, দা, কাঁচি, জাৰিকেন, ফেৰমন ফাণ্ড, নীম তেল আদি কৃষকৰ অতি প্ৰয়োজনীয় সঁজুলি আৰু জৈৱিক কীটনাশক বিতৰণ কৰা হয়।

## খেৰণিত ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিজ্ঞান প্ৰদৰ্শনী

**বিশেষ সম্বাদদাতা**

**খেৰণি, ২৬ নৱেম্বৰ ঃ** অসম বিজ্ঞান সমাজ পশ্চিম জিলা সমিতিৰ উদ্যোগত তথা ভাৰত জন বিজ্ঞান যাত্ৰা, অসমৰ সহযোগত পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙত এক ভ্ৰাম্যমাণ বিজ্ঞান প্ৰদৰ্শনী কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সংযোগী পৰিষদৰ তত্ত্বাৱধানত আয়োজন কৰা এই প্ৰদৰ্শনীৰ সামগ্ৰিক পৰিচালনা কৰে বিশিষ্ট বিজ্ঞানী-গৱেষক ড° মনোজ কুমাৰ পাটোৱাৰীয়ে । বিজ্ঞান প্ৰদৰ্শনী কাৰ্যসূচীৰ লগত সংগতি ৰাখি পাৰ্বত্য জিলাখনৰ ১৩ খন বিদ্যালয়ক সামৰি সৰ্বমুঠ দুই সহস্ৰাধিক বিদ্যাৰ্থীয়ে প্ৰদৰ্শনীত অংশগ্ৰহণ কৰে। অসম বিজ্ঞান সমাজ পশ্চিম কাৰ্বি আংলং জিলাৰ হৈ বিষ্ণু নিৰুলা আৰু বীৰেন ডেকাই পৰিচালনা কৰা প্ৰদৰ্শনী অনুষ্ঠানত বিভিন্ন ধৰণৰ নৱতম আৱিষ্কাৰৰ প্ৰদৰ্শনীও কৰা হয়। ড° মনোজ কুমাৰ পাটোৱাৰীয়ে পাৰ্বত্য জিলাত এতিয়া বাট-পথ সুচল হোৱাৰ বাবে বিজ্ঞান বিষয়ৰ প্ৰদৰ্শনী কৰাত সহায়ক হৈছে বুলি প্ৰকাশ কৰাৰ সমান্তৰালকৈ বিদ্যাৰ্থীসকলৰ মানসিক চিন্তাধাৰা উন্নীত কৰাৰ প্ৰয়োজন আছে বুলি প্ৰকাশ কৰি বিদ্যালয়সকলে নতুন নতুন উদ্ভাৱনৰ প্ৰতিও আকৃষ্ট কৰাব লাগে বুলি প্ৰকাশ কৰে ।

## ডিমৌত আৰক্ষীয়ে জব্দ কৰিলে অবৈধ কাঠ কঢ়িওৱা ট্ৰাক ঃ চালকক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ২৬ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ডিমৌ আৰক্ষীয়ে যোৱা ২৫ নৱেম্বৰৰ নিশা ডিমৌত এখন চোৰাং কাঠ ভৰ্তি ট্ৰাক জব্দ কৰে। কালি নিশা ডিমৌ আৰক্ষীয়ে জব্দ কৰিছিল এএছ-২৩ বি চি-৭৭৫২ নম্বৰৰ এখন কাঠ ভৰ্তি ট্ৰাক। অৰুণাচলৰ পৰা গুৱাহাটী অভিমুখী অবৈধভাৱে বহু মূল্যৱান কাঠ কঢ়িয়াই নি থকা বুলি ডিমৌ আৰক্ষীয়ে তথ্য লাভ কৰিছিল আৰু আৰক্ষীৰ এটা দলে কাঠভৰ্তি ট্ৰাকখন জব্দ কৰে। ৩৭ নম্বৰ ঘাইপথৰ এটা তেল ডিপ'ৰ সন্মুখৰ পৰা ট্ৰাকখন জব্দ কৰি থানা লৈ আনে। ট্ৰাকখনৰ চালকক ডিমৌ আৰক্ষীয়ে সোধ-পোছ চলাই আছে যদিও কোনো নথি-পত্ৰ যোগান ধৰিব নোৱাৰে। ট্ৰাকখনৰ চালক তথা চাবুৱাৰ ৰাজীৱ দিহিঙীয়াই আৰক্ষীক দিয়া স্বীকাৰোক্তি অনুসৰি চাবুৱাৰ ৰঞ্জন গগৈ নামৰ এজন ব্যৱসায়ীয়ে বৃহৎ পৰিমাণৰ কাঠসমূহ তিনিচুকীয়াৰ পৰা গুৱাহাটীলৈ নিছিল। কালি দুপৰীয়া পৰ্যন্ত কাঠৰ মালিক গগৈয়ে থানালৈ আহি কোনো ধৰণৰ তথ্যপাতি যোগন ধৰিব নোৱাৰিলে। ডিমৌ আৰক্ষীয়ে বন বিভাগৰ বিষয়াৰ উপস্থিতিত কাঠসমূহ জব্দ কৰে আৰু ট্ৰাকখনো জব্দ কৰি গোচৰ ৰুজু কৰে। ডিমৌ আৰক্ষী থানাত ৰুজু হোৱা ২৬৬ নম্বৰ (ধাৰা ৩৭৯(ক), বন আইন ধাৰা ৪১, ৪২) গোচৰৰ ভিত্তিত ট্ৰাক চালক ৰাজীৱ দিহিঙীয়াক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱাই আৰু আদালতে তেওঁক জেললৈ নিক্ষেপ কৰে।

## দৰং-ওদালগুৰি জিলা ব্ৰাহ্মণ সমাজৰ ব্ৰহ্মজ্ঞানুষ্ঠানৰ আয়োজন

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৬ নৱেম্বৰ ঃ** দৰং-ওদালগুৰি জিলা ব্ৰাহ্মণ সমাজৰ ৭৫ সংখ্যক ব্ৰহ্মযজ্ঞানুষ্ঠান অহা ১৮ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়াকৈ মঙলদৈ চহৰৰ নিকটৱৰ্তী কল্যাণপুৰত কল্যাণপুৰ শাখাৰ উদ্যোগত অনুষ্ঠিত হ'ব। সৰ্বমংগলৰ বাবে তিনিদিনীয়াকৈ অনুষ্ঠিত কৰিবলৈ লোৱা এই ব্ৰহ্মযজ্ঞানুষ্ঠান সুপৰিচালনাৰ বাবে জগদীশ ভট্টাচাৰ্যক সভাপতি, মাধৱ চন্দ্ৰ শৰ্মাক কাৰ্যকৰী সভাপতি আৰু গুণেন্দ্ৰ চন্দ্ৰ শৰ্মাক মুখ্য সম্পাদক হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়।

## মৰাণত লাচিত দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৬ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে মৰাণতো যোৱা ২৪ নবেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে আহোম সেনাৰ সেনাপতি বীৰ লাচিত বৰফুকনৰ দিৱস তথা জন্মদিন পালন কৰা হয়। আহোম জাতীয় গণমঞ্চৰ মৰাণ আঞ্চলিক সমিতিৰ উদ্যোগত মৰাণ হেলাগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত সন্ধিয়া লাচিত দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি, সন্ধিয়া ছয় বজাত লাচিত বৰফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মৰাণ মহকুমা সাংবাদিক মঞ্চৰ কাৰ্যকৰী সভাপতি তথা জ্যেষ্ঠ সাংবাদিক বাছা বৰাই । আহোম জাতীয় গণ মঞ্চৰ সহ-সম্পাদক অকণ ভূএগ্ৰাই আঁত ধৰা অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে ভাষণ আগবঢ়ায় আহোম জাতীয় গণ মঞ্চৰ সভাপতি মহেন্দ্ৰ দিহিংগীয়াই। দিহিংগীয়াই লাচিত বৰফুকনৰ সাহস , বীৰত্ব আৰু বলিষ্ঠ নেতৃত্বৰ সন্দৰ্ভত তথ্যসহ বক্তব্য আগবঢ়ায় । উক্ত অনুষ্ঠানতে গড় চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত চেতিয়াক গামোচা, চেলেং, শৰাইসহ সম্বৰ্ধনা জনোৱা হয় । অনুষ্ঠানত প্ৰতি বছৰে আগবঢ়াই অহাৰ দৰে এই বাৰো ৫০ গৰাকী দৰিদ্ৰ লোকক কম্বল বিতৰণ কৰা।

## গোৱৰাদলত মা কালী দেৱালয়ৰ সভাগৃহৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৬ নৱেম্বৰ ঃ** টিহু মহকুমাৰ গোৱৰাদলস্থিত ঐতিহ্যমণ্ডিত শক্তিপীঠ গোৱৰাদল-পদ্মপাৰা শ্ৰীশ্ৰী মা কালী দেৱালয়ৰ কালি এটি সভাগৃহৰ আধাৰশিলা স্থাপন কৰে নলবাৰী জিলা পৰিষদৰ উপ-সভানেত্ৰী মঞ্জুৰাণী চৌধুৰীয়ে। এই উপলক্ষে পুৱা দেৱালয় প্ৰাংগণত দেৱালয়ৰ ৮২ সংখ্যক শ্ৰীশ্ৰী মা কালী পূজা মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি মদন মোহন দাস, সম্পাদক গিৰিধৰ বৰ্মন, ৰাকেশ বৰ্মনকে ধৰি সমূহ বিষয়ববীয়া, সমাজকৰ্মী কেশৱ বৰ্মন, যাদৱ বৰ্মন, প্ৰতাপ বৰ্মন, নিপ কুমাৰ চৌধুৰী, নৃপেন দাস, প্ৰেমজিৎ বৰ্মন, দেৱালয়ৰ চেনিৰাম বৰ্মন, শিক্ষক মাধৱ চন্দ্ৰ বৰ্মন, উপেন বৰ্মন, গাঁওবুঢ়া চন্দ্ৰ কুমাৰ বৰ্মনকে ধৰি কে'বাগৰাকী ব্যক্তি আৰু পদ্মপাৰা চুবুৰীৰ একাংশ পুৰুষ-মহিলাৰ উপস্থিতিত ৪৬ নম্বৰ পূব নামবৰভাগ গাঁও পঞ্চায়তৰ সভাপতি সজিতা বৈশ্যই বন্তি প্ৰজ্বলন কৰাৰ পাছত নলবাৰী জিলা পৰিষদৰ পৰা আৱণ্টিত ১০লাখ টকা অনুদানেৰে নিৰ্মাণ কৰিবলগীয়া সভাগৃহটোৰ আধৰশিলা স্থাপন কৰে নলবাৰী জিলা পৰিষদৰ উপ-সভানেত্ৰী মঞ্জুৰাণী চৌধুৰীয়ে।

## লক্ষীপুৰত হস্ততাঁত বস্ত্ৰশিল্পৰ প্ৰদৰ্শনী আৰু ক্ৰেতা-বিক্ৰেতাৰ সন্মিলন সম্পন্ন

**সৰুপথাৰ, ২৬ নৱেম্বৰ ঃ** ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ উৰিয়ামঘাট লক্ষীপুৰ ধনতোলা ৰাজহুৱা ভৱনত ভাৰত চৰকাৰৰ হস্ততাঁত বস্ত্ৰশিল্প উন্নয়ন আয়ুক্ত আৰু ধনশিৰি ক্লাষ্টাৰ এপ্ৰ'ছ প্ৰজেক্টৰ সহযোগত গোলাঘাট হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ অধীক্ষকৰ উদ্যোগত যোৱা ২২ আৰু ২৩ নৱেম্বৰত হস্ততাঁত বস্ত্ৰশিল্পৰ প্ৰদৰ্শনী আৰু বিক্ৰীমেলাৰ লগতে এখন ক্ৰেতা-বিক্ৰেতাৰ সন্মিলন অনুষ্ঠিত হয়। কাৰ্যসূচীৰ প্ৰথম দিনা বড়ো-কছাৰী স্বায়ট্টচ শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীয়ে প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে। দ্বিতীয় দিনা পুৱা ১১ বজাৰ পৰা আৰম্ভ হোৱা ক্ৰেতা-বিক্ৰেতাৰ সন্মিলনত গোলাঘাট হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ অধীক্ষক ফকৰুদ্দিন আহমেদে আদৰণি ভাষণ আগবঢ়ায়। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকাবড়ো-কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীয়ে কয় যে তাঁত শিল্পৰ জৰিয়তে অসমৰ বিভিন্ন জনগোষ্ঠীয় শিপিনীসকলে স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰিবলৈ সক্ষম হৈছে। লগতে ব্যৱসায় ভিত্তিত কাম কৰিবলৈ মহিলাসকল ওলাই আহিছে । এয়া অতি ভাল লক্ষণ বুলি তেওঁ মত প্ৰকাশ কৰে। এনে কৰ্মৰ দ্বাৰা ভিতৰুৱা অঞ্চলৰ শিপিনীসকলে যথেষ্ট পৰিমাণে অনুপ্ৰেৰণা লাভ কৰি স্বাৱলম্বী হয়। কিৰণ বৰুৱাৰ পৰিচালনাৰে অনুষ্ঠিত সভাত যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ ড° সৎবিন্দৰ কৌৰ আৰু ড° ৰিণিৰাণি বৰুৱা উপস্থিত থাকে। অনুষ্ঠানটোত উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, সৰুপথাৰৰ অধীক্ষক আনন্দ শৰ্মা, সমাজ সেৱক গুণীৰাম বড়ো, ৰংবং টেক্সটাইল, বোকাখাতৰ মৌচুমী হাজৰিকা আৰু সৰুপথাৰ মেজাংগৰীৰ জয়শ্ৰী ভৰালীৰ লগতে গোলাঘাট জিলাৰ বিভিন্ন ঠাইৰ পৰা অহা ক্ৰেতা-বিক্ৰেতাসকল উপস্থিত থাকি সন্মিলনখন সম্পুৰ্ণৰূপে সাফল্যমণ্ডিত কৰে।

## দোতমাত শিশু উন্নয়ন প্ৰকল্পত শাৰীৰিকভাৱে সক্ষম লোকসকলক পৰীক্ষা

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ২৬ নৱেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ দোতমা শিশু উন্নয়ন প্ৰকল্পত আজি ৰাতিপুৱাৰে পৰা শাৰীৰিকভাৱে সক্ষম লোকসকলক বিভিন্ন বিভাগৰ ডাক্তৰসকলে উপস্থিত থাকি পৰীক্ষা-নিৰীক্ষা কৰে। উক্ত পৰীক্ষা-নিৰীক্ষা শিবিৰত দোতমা অঞ্চলৰ চাৰি শতাধিক শাৰীৰিকভাৱে সক্ষম ব্যক্তি উপস্থিত হৈ পৰীক্ষা-নিৰীক্ষা কৰে। আজিৰ অনুষ্ঠানত উপস্থিত থাকি দোতমাৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া গীতাঞ্জলি ব্ৰহ্মই সকলোকে নিয়ম অনুসাৰে স্বাস্থ্য পৰীক্ষা কৰিবলৈ আহ্বান জনায়। চিকিৎসকসকলেও পৰীক্ষা-নিৰীক্ষা কৰি বহুতো ব্যক্তিক চিকিৎসা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। কাৰণ বহুতো ব্যক্তিয়ে উন্নত মানৰ চিকিৎসা কৰিলে সুস্থ হৈ উঠিব বুলিও প্ৰকাশ কৰে।

## শীঘ্ৰে স্বাস্থ্য বিভাগৰ খালী পদ পূৰণ কৰা হ'ব ঃ মহন্ত

■ চৰকাৰী আঁচনিৰ ধন লাভৰ বুজ ল'লে মহন্ত-মহনে

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী/ঘগ্ৰাপাৰ, ২৬ নৱেম্বৰ ঃ** ভৱানীপুৰ সমষ্টিৰ বিভিন্ন হিতাধিকাৰীৰ ঘৰত কালি উপস্থিত হয় স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত আৰু ৰাজহ মন্ত্ৰী যোগেন মহন। মন্ত্ৰীদ্বয়ে চৰকাৰী আঁচনিৰ সাহায্যসমূহ ভৱানীপুৰ সমষ্টিৰ হিতাধিকাৰীসকলে নিয়মীয়াভাৱে লাভ কৰিছেনে নাই তাৰ বুজ লয়। স্বাস্থ্যমন্ত্ৰী মহন্তই কালি ভৱানীপুৰ অঞ্চলৰ হিতাধিকাৰীসকলৰ বৃদ্ধ পেঞ্চন আৰু অৰুণোদয় আঁচনিৰ ধন নিজৰ নিজৰ একাউণ্টত সোমাইছে নে নাই নিশ্চিত হ'বলৈ বেংকৰ পাছবুকসমূহ পৰীক্ষা কৰে। ইয়াৰ পাছতে মন্ত্ৰী মহন্তই সকলোকে প্ৰতিষেধক ল'বলৈ আহ্বান জনাই দুই পালি সম্পূৰ্ণ হ'লেহে ক'ভিডৰ বিৰুদ্ধে যুদ্ধ কৰাৰ এপাত অস্ত্ৰ লাভ কৰা যাব বুলি মন্তব্য কৰে। লগতে তেওঁ ক'ভিডৰ প্ৰায়বোৰ বাধা আৰোপ ইতিমধ্যে শিথিল কৰি দিয়া হৈছে বুলিও কয়। স্বাস্থ্য মন্ত্ৰী মহন্তই আজি প্ৰসংগক্ৰমে স্বাস্থ্য বিভাগত খালী থকা চিকিৎসকৰ পদসমূহ শীঘ্ৰেই পূৰণ কৰা হ'ব বুলিও কয়। ইপিনে, মন্ত্ৰী মহনে ভৱানীপুৰ সমষ্টিৰ অন্তৰ্গত তথা বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ ভালে সংখ্যক হিতাধিকাৰীৰ অৱস্থাৰ বুজ লয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ মৰ্মে কালি বঙাইগাঁৱত কেবিনেট হৈ যোৱাৰ পাছত আজি বাগ্‌সাৰ শালবাৰীত উপস্থিত হৈ মন্ত্ৰী মহনে অসম চৰকাৰৰ বিভিন্ন ধৰণৰ আঁচনি কেনে ধৰণে ৰূপায়ণ হৈছে সেয়া বহু পৰিয়ালৰ ঘৰে ঘৰে গৈ হিতাধিকাৰীৰ পৰা বুজ লয়। ইপিনে, নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ দক্ষিণগাঁওস্থিত নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মীয়মান কাম সম্পৰ্কে স্বাস্থ্য মন্ত্ৰী মহন্তই আজি আবেলি পৰিভ্ৰমণ কৰি নিৰ্মাণকাৰী সংস্থাৰ বিষয়ববীয়াৰ স'তে এক বৈঠকত মিলিত হৈ বুজ লৈ কয় যে নলবাৰী মেডিকেল কলেজৰ ২০২২ৰ প্ৰথমভাগত বহিঃবিভাগৰ কাম আৰম্ভ হ'ব।



# যোৰহাটত কিৰণ তামুলী শিশু-সাহিত্য ন্যাস গঠন

অগ্ৰদূত বাৰ্তা

**চিনামৰা ২৬ নৱেম্বৰ ঃ** অসমীয়া শিশু সাহিত্যৰ চৰ্চা, বিকাশ আৰু নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয়কৰণৰ অৰ্থে যোৱা ২৫ নৱেম্বৰত কিৰণ তামুলী শিশু -সাহিত্য ন্যাস গঠন কৰা হয়। এই উপলক্ষে যোৰহাটৰ মৌচাকৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা সভাত শান্তনু তামুলীক সঞ্চালক আৰু জয়ন্ত মাধৱ বৰাক সচিব হিচাপে লৈ ১১ জনীয়া কিৰণ তামুলী শিশু সাহিত্য ন্যাস গঠন কৰা হয়। এই ন্যাসে শিশুৰ উপযোগী আৰু শিশুৰ মাজত ৰুচিসম্পন্ন সাহিত্যবোধ জগাই তোলাৰ উদ্দেশ্যে কাম কৰিব। ন্যাসে প্ৰতি বছৰৰ ন অক্টোবৰত ডাঃ কিৰণময়ী তামুলীৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি কিৰণ তামুলী শিশু-সাহিত্য বঁটা প্ৰদান কৰিব। ন্যাসে প্ৰতি বছৰে শিশু বিশিষ্ট শিশু সাহিত্যিকৰ দ্বাৰা শিশু সাহিত্য সম্পৰ্কীয় স্মাৰক বক্তৃতাৰ আয়োজন কৰাৰ লগতে চৰকাৰী-বেচৰকাৰী অনুষ্ঠানৰ সহযোগত প্ৰতিবছৰে শিশু সাহিত্য, শিশু বিজ্ঞান সাহিত্যৰ কৰ্মশালা আদিও অনুষ্ঠিত কৰিব। এই ন্যাসৰ দ্বাৰাই কিৰণ তামুলী আৰু শান্তনু তামুলীৰ ৰচনা সমগ্ৰ প্ৰকাশ কৰাৰ আঁচনিৰ লগতে কৰ্মশালাত প্ৰস্তুত হোৱা গল্প, উপন্যাসৰ নিৰ্বাচিত সংকলনো প্ৰকাশ কৰিব। উল্লেখ্য যে মৌচাক আৰু নতুন আৱিষ্কাৰৰ নিয়মীয়া লেখিকা ডাঃ কিৰণময়ী তামুলীয়ে ন অক্টোবৰত ইহলীলা সম্বৰণ কৰে। পেছাত এগৰাকী চিকিৎসক কিৰণময়ী তামুলীয়ে প্ৰথমে যোৰহাট মিছনত আৰু পাছলৈ উত্তৰ পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত এগৰাকী চিকিৎসক হিচাপে সেৱা আগবঢ়াই তাৰে পৰাই অৱসৰ গ্ৰহণ কৰে। চিকিৎসাৰ সমানেই সাহিত্য চৰ্চা চলাই যোৱা তামুলীয়ে অপৰাজেয়, শহা আৰু কাছৰ দৌৰ, জনা-নজনা ৰোগৰ কথা, টেমচৰ দুয়োপাৰ, আমেৰিকা আমেৰিকাকে আদি কৰি বহুকেইখন শিশু উপযোগী গ্ৰন্থ লিখি থৈ গৈছে। তেওঁৰ কে'বাখনো গ্ৰন্থ ইংৰাজী আৰু হিন্দীলৈকো অনুবাদ কৰি নেচনেল বুক ট্ৰাষ্ট অৱ ইণ্ডিয়াই প্ৰকাশ কৰিছে।

■ মহকুমাটোৰ ২০ গাঁও পঞ্চায়তৰ ভিতৰত ১৭খনত অধিক আৰ্চেনিকযুক্ত ভুগৰ্ভৰ পানী আছে

# তিতাবৰত আৰ্চেনিকযুক্ত পানীৰ বাবে শংকিত ৰাইজ

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ২৬ নৱেম্বৰ ঃ** সমগ্ৰ অসমৰ ভূগৰ্ভৰ পানীত মানৱ জীৱনৰ প্ৰতি মৃত্যুৰ ভাবুকি কঢ়িয়াই অনা আৰ্চেনিকৰ বিৰুদ্ধে গভীৰভাৱে জনসজাগতাৰ প্ৰয়োজন। এটা উৎসৰ মতে অসমৰ ১৭খন জিলাত আৰ্চেনিক ভয়াবহতাৰ ভিতৰত যোৰহাট জিলাৰ ভয়াবহতাৰ পৰিমাণ অধিক। যোৰহাটৰ ভিতৰত তিতাবৰে শীৰ্ষস্থান দখল কৰিছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তৎপৰতাত জৰীপ কৰা বিশস্বাস্থ্য সংস্থাৰ তথ্য মতে, যোৰহাট জিলাৰ ভিতৰত ৬০০ টা আৰ্চেনিকৰ ভয়াবহতাৰ পৰিমাণ উৰ্দ্ধতন প্ৰাপ্ত ঠাইৰ ভিতৰত তিতাবৰতে ৪০০ টা ঠাই চিহ্নিত কৰা হৈছে। তিতাবৰ মহকুমাৰ ২০ গাঁও পঞ্চায়তৰ ভিতৰত ১৭খনত অধিক আৰ্চেনিকযুক্ত ভুগৰ্ভৰ পানী আছে। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ দিনত এশ কোটি টকাৰ আৰ্চেনিক মুক্ত পানী যোগান আঁচনিখন লোৱা হৈছিল যদিও সফল হ'ব নোৱাৰিলে। তৎসত্ত্বেও আজিও তিতাবৰত জনসাধাৰণৰ অধিক সংখ্যক লোকে আৰ্চেনিকযুক্ত ভূগৰ্ভৰ পানীকে সেৱন কৰি আছে। ইতিমধ্যে তিতাবৰত আৰ্চেনিকৰ ভয়াবহতাৰ বিষয়ত চাকী ৱাটাৰ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে তিতাবৰত নাৰায়ণ গোৱালাৰ তত্ত্বাৱধানত ৰাইজক সজাগ সচেতন কৰিবলৈ আৰু বিকল্প ব্যৱস্থা গ্ৰহণ কৰা ক্ষেত্ৰত আঁচনি সম্পৰ্কে দুই লানি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে। কালি দিল্লীৰ জে এন ইউৰ অধ্যাপিকা ৰশ্মিৰেখা বৰুৱাৰ নেতৃত্বত ইন্দ্ৰপ্ৰস্থ বিশ্ববিদ্যালয়ৰ অৰ্থনীতিৰ অধ্যাপিকা প্ৰাৰ্থনা আগৰৱালৰ সহযোগত এটি দলে তিতাবৰৰ মেলামাটি চৰকাৰী মেলামাটি নিম্ন বুনিয়াদী বিদ্যালয়ত আৰ্চেনিক সম্পৰ্কে বুজ লোৱাৰ লগতে শিশুসকলৰ স্বাস্থ্য সম্পৰ্কীয় আলাপ-আলোচনাত মিলিত হয়। তদুপৰি মেলামাটি কছাৰী গাঁৱৰ আশাকৰ্মীৰ লগত গাঁওখনত শিশু থকা কেইটামান পৰিয়ালত আৰ্চেনিকৰ লক্ষণসমূহৰ ক্ষেত্ৰত পৰ্যবেক্ষণ কৰে। তেওঁলোকে তিতাবৰ সমষ্টিৰ ভিতৰত প্ৰায় ৬০ টা অঞ্চলত এনে কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে আৰ্চেনিক মুক্ত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা সন্দৰ্ভত পৰ্যালোচনা কৰিব। এই ক্ষেত্ৰত অধিক সজাগ সচেতন হোৱাৰ প্ৰয়োজন বুলি তেওঁলোকে মত প্ৰকাশ কৰিছে।




*চিৰাঙৰ বিজনীত বিজেপিৰ সংবিধান গৌৰৱ যাত্ৰা, শুকুৰবাৰে*

# তেজপুৰত প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃজন কাৰ্যক্ৰম সন্দৰ্ভত সজাগতামূলক সভা

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৬ নৱেম্বৰ ঃ** তেজপুৰৰ তৰুণ অসম সংঘৰ সভাগৃহত যোৱা ২৫ নৱেম্বৰত প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃজন কাৰ্যক্ৰম সন্দৰ্ভত এক সজাগতামূলক সভা অনুষ্ঠিত হয়। গুৱাহাটীস্থিত খাদী আৰু গ্ৰাম্যোদ্যোগ আয়োগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহযোগত আয়োজিত এই সজাগতা সভাখন শোণিতপুৰ জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰে। উপায়ুক্তই জিলাখনৰ উদ্যোগীসকলক পিএমইজিপিৰ অধীনত বিভিন্ন উদ্যোগ স্থাপনৰ জৰিয়তে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত ইচ্ছুক ব্যক্তিসকলক আঁচনি সন্দৰ্ভত বিতংকৈ জানিবৰ বাবে জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ লগতে বেংকসমূহৰ প্ৰতিনিধিৰ লগত প্ৰত্যক্ষভাৱে আলোচনা কৰি আঁচনিৰ সুবিধা গ্ৰহণৰ বাবে উপায়ুক্তজনে আহ্বান জনায়। যুৱ উদ্যোগীসকলক এই আঁচনি সন্দৰ্ভত বিশেষভাৱে প্ৰশিক্ষিত কৰি সজাগতা অনাৰ লগতে আঁচনিখনত উপলব্ধ বিভিন্ন সুবিধা গ্ৰহণৰ সুযোগ আগবঢ়োৱাৰ উদ্দেশ্যে অনুষ্ঠিত সভাত জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিণ, আৰএছইটিআইৰ সঞ্চালক ৰূপম পাঠক, নাবাৰ্ডৰ সহকাৰী প্ৰৱন্ধক প্ৰীতম কুমাৰ নাথ, কেভিআইচিৰ বিষয়া বাবলু সৰকাৰ আৰু চন্দ্ৰ মেধিৰ লগতে জিলাখনৰ বিভিন্ন বেংকৰ শাখা প্ৰৱন্ধকসকলৰ লগতে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত সভাত উপস্থিত হিতাধিকাৰীসকলক অনলাইন ব্যৱস্থাৰে কাৰ্যালয়ত উপস্থিত নোহোৱাকৈ কেনেদৰে এই আঁচনিৰ বাবে আবেদন জনাব পাৰি তাৰ লগতে আঁচনিৰ বিভিন্ন দিশ সামৰি 'পাৱাৰ পইণ্ট'ৰ যোগেদি প্ৰদৰ্শন কৰা হয়। সভাৰ আৰম্ভণিতে শোণিতপুৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মুখ্য প্ৰৱন্ধক ৰঞ্জন কুমাৰ ভট্টাচাৰ্যই আদৰণি ভাষণ দি পিএমইজিপি আঁচনিখনৰ বিভিন্ন দিশ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়।

# দৰঙত ১৪৪ ধাৰা জাৰি

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৬ নৱেম্বৰ ঃ** সমগ্ৰ দৰং জিলাখনত শান্তি-সম্প্ৰীতি অটুট ৰখাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দণ্ডাধীশে তৎকালীনভাৱে বলৱৎ হোৱাকৈ সমগ্ৰ জিলাতে ১৪৪ ধাৰা জাৰি কৰিছে। এই অনুসৰি ১৫ নম্বৰ ঘাইপথত কোনো শোভাযাত্ৰা, ধৰ্ণা অনুষ্ঠিত কৰা বা পথ অৱৰোধ কৰা, উপায়ুক্তৰ কাৰ্যালয়ত অকৰ্তৃত্বশীল ব্যক্তিৰ প্ৰৱেশ বা কাৰ্যালয়ৰ এশ মিটাৰ ব্যাসাৰ্ধ পৰ্যন্ত অনাৱশ্যকীয় সমাগম বা ধৰ্ণা অনুষ্ঠিত কৰা, পাঁচজন বা ততোধিক ব্যক্তি কৰ্তৃপক্ষৰ অনুমতি নোলোৱাকৈ ৰাজহুৱা স্থানত বা ৰাষ্ট্ৰীয় ঘাইপথত সমাগম হোৱা, সাম্প্ৰদায়িক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিব পৰা শোভাযাত্ৰা, সভা, প্ৰতিবাদী সভা, ধৰ্ণা, ৰেলী অনুষ্ঠিত কৰা, কৰ্তৃপক্ষৰ অনুমতি নোলোৱাকৈ ৰাজহুৱা সভা, ৰেলী, প্ৰদৰ্শন অনুষ্ঠিক কৰা, ৰাজহুৱা স্থানত ব্যক্তি বা দলৰ দ্বাৰা মাৰণাস্ত্ৰ, চোকা অস্ত্ৰ-শস্ত্ৰ, ধনুকাড় , ডেগাৰ-তৰোৱাল, ত্ৰিশূল আদি লৈ ফুৰা আৰু প্ৰদৰ্শন অকৰ্তৃত্বশীলভাৱে ধন সংগ্ৰহ বিশেষকৈ ঘাইপথ আৰু ৰাজহুৱা পথত, কৰ্তৃপক্ষৰ অনুমতি অবিহনে মাইকৰ ব্যৱহাৰ, কোনো ব্যক্তি বা কাৰ্যালয়ৰ প্ৰাংগণ, গুদাম ঘেৰাও, চৰকাৰী গৃহ, বেৰত পোষ্টাৰ লিখনত নিষেধাজ্ঞা আৰোপ কৰিছে । ইয়াৰ উপৰি অসামৰিক লোকে সামৰিক পোষাক পৰিধানৰ ক্ষেত্ৰতো এই নিষেধাজ্ঞা প্ৰযোজ্য হ'ব।

# কমলপুৰত কৃষিৰ লগত জড়িত লোকেহে কৃষি সঁজুলি লাভ কৰিব ঃ কলিতা

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ২৬ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ কমলপুৰ বিধানসভা সমষ্টিত এতিয়াৰে পৰা কৃষিৰ লগত জড়িত লোকেহে চৰকাৰী আঁচনিৰ অধীনত কৃষিৰ সা-সঁজুলি লাভ কৰিব। সমষ্টিটোৰ পুঠিমাৰী বাৰোৱাৰী ৰভাতলী প্ৰাংগণত কালি অনুষ্ঠিত এক কৃষক সভাত এই মন্তব্য বিধায়ক দিগন্ত কলিতাৰ। নৱসূৰুজ কৃষি উৎপাদনকাৰী উদ্যোগৰ কাৰ্যবাহী সচিব যতীন চৌধুৰীয়ে আঁত ধৰা কৃষক সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সাৰৰ কৃত্ৰিম নাটনি সন্দৰ্ভত বিধায়কজনে কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সাৰৰ নাটনি সন্দৰ্ভত অধিক গুৰুত্ব প্ৰদান কৰিছে। এই ক্ষেত্ৰত কৃষকে চিন্তা কৰাৰ কোনো কাৰণ নাই বুলি কৈ শীঘ্ৰেই এই সমস্যা সমাধান হ'ব বুলি আশ্বাস দিয়ে। নৱসূৰুজ কৃষি উৎপাদনকাৰী উদ্যোগৰ উদ্যোগত অনুষ্ঠিত কৃষক সভাখনত কমলপুৰ আৰু বিহদিয়া জাজিকোণা খণ্ডৰ কৃষি সম্প্ৰসাৰণ বিষয়াদ্বয় উত্তৰ কামৰূপ জিলা বিজেপিৰ কৃষাণ মৰ্চাৰ সভাপতি গিৰীণ গোস্বামী, বিজেপি নেতা ৰাজীৱ লোচন শৰ্মাকে আদি কৰি ভালে সংখ্যক লোক উপস্থিত থাকে।

# তিনিচুকীয়াত বৃহৎ পৰিমাণৰ চুলাই নষ্ট

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৬ নৱেম্বৰ ঃ** বৃহস্পতিবাৰে পুৱাৰ পৰা দিনজোৱা কাৰ্যসূচীৰে তিনিচুকীয়াৰ আবকাৰী বিভাগে বাৰেকুৰিৰ বৰগাঁও, হাতীগড়, বালোপাৰা, জানমুখ, গুইজান আদি অঞ্চলত অবৈধ চুলাই মদৰ বিৰুদ্ধে এক অভিযান চলায়। তিনিচুকীয়া সদৰ চক্ৰৰ আবকাৰী পৰিদৰ্শক চন্দ্ৰ কমল বৰুৱাৰ নেতৃত্বত চলা অভিযানত অভিযানকাৰী দলটোৱে কে'বাটাও বৃহৎ চুলাই ভাটিত অভিযান চলাই পাঁচ হেজাৰ লিটাৰ চুলাই তৈয়াৰ কৰা পাচ ২৫০ লিটাৰ চুলাই মদ, পাঁচটা যন্ত্ৰ নষ্ট কৰে।

# দলগাঁৱত পুনৰ ঢেঁকীয়াপতীয়া বাঘৰ মুক্ত বিচৰণ ঃ শংকা

■ ঢেঁকীয়াপতীয়াৰ আক্ৰমণত নিহত পশুধন

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২৬ নৱেম্বৰ ঃ** দৰঙৰ দলগাঁৱৰ জনঅৰণ্যত পুনৰ বন-বজাৰ মুক্ত বিচৰণ হৈছে। যোৱা ২৪ নৱেম্বৰৰ নিশা ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা পুনৰ ওলাই অহা ঢেঁকীয়াপতীয়া বাঘৰ আক্ৰমণত দলগাঁও থানাৰ অন্তৰ্গত শিলবৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত দুই/তিনি নম্বৰ কছাৰীভেটিটোপ গাঁৱত সাতটা পশুধন নিহত হয়। বৰ্তমানে বাঘটো গাঁওখনতে কোনোবা অজ্ঞাত বাহৰ পাতি আছে বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। পাছত বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ বাঘটোৰ সন্ধানত গাঁওখনত বাহৰ পাতি বাঘটো কৰায়ত্ত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে যোৱা দেওবাৰে বাঘটোৰ আক্ৰমণত আঘাতপ্ৰাপ্ত হৈছিল স্থানীয় ইমৰান ফৰহাদ নামৰ এজন ১৪ বছৰীয়া ছাত্ৰ। উক্ত ঘটনাৰ পাছত বন সুৰক্ষা কৰ্মীয়ে ঢেঁকীয়াপতীয়া বাঘটোক উদ্যানখনলৈ ওভতাই পঠায় যদিও পুনৰ উদ্যানৰ পৰা ওলাই দাঁতি কাষৰীয়া গাঁৱত চলায় সন্ত্ৰাস।

# বিধায়ক প্ৰদীপ হাজৰিকাক কেবিনেট মৰ্যাদা ঃ উৎফুল্লিত আমগুৰিবাসী

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২৬ নৱেম্বৰ ঃ** বঙাইগাঁৱত অনুষ্ঠিত হোৱা অসম চৰকাৰৰ কেবিনেট বৈঠকে অসমৰ ঐতিহাসিক সত্ৰসমূহৰ বেদখল চিনাক্তকৰণ আৰু মুক্তকৰণৰ বাবে গঠন কৰা আমগু তিনিজনীয়া কমিটীৰ অধ্যক্ষৰ দায়িত্ব আমগুৰি সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী প্ৰদীপ হাজৰিকাক প্ৰদান কৰি কেবিনেট মৰ্যাদা দিয়া কাৰ্যত উৎফুল্লিত হৈ পৰিছে। আমগুৰি সমষ্টিৰ ৰাইজ। উল্লেখ্য যে যোৱা ২৪ নৱেম্বৰত বঙাইগাঁও সদৰত অনুষ্ঠিত অসম কেবিনেটে এটা অতি স্পৰ্শকাতৰ বিষয়ত গঠিত কমিটীখনৰ অধ্যক্ষৰ দায়িত্ব বিধায়কজনৰ হাতত ন্যস্ত কৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনাইছে আমগুৰি বিধান পৰিষদ, যুৱ পৰিষদ, মহিলা পৰিষদ আৰু অসম ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিয়ে।

# সাধনা প্ৰাথমিক বিদ্যালয়ত আধুনিক প্ৰযুক্তিৰ শ্ৰেণী কোঠা উদ্বোধন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৬ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ খেলুৱা শিক্ষা খণ্ডৰ অন্তৰ্গত নগৰমহল মণ্ডল সমল কেন্দ্ৰৰ অধীনস্থ ৪০২ নম্বৰ সাধনা প্ৰাথমিক বিদ্যালয়ত যোৱা ২৫ নৱেম্বৰত এটি তথ্য প্ৰযুক্তি সম্বলিত অত্যাধুনিক সা-সুবিধা সম্বলিত শ্ৰেণীকোঠা উন্মোচন কৰা হয়। শিৱসাগৰ জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া ড° শোভালক্ষ্মী ৰাজকুমাৰী আৰু শিৱসাগৰ খেলুৱা শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া প্ৰণৱ গগৈ উক্ত অনুষ্ঠানত উপস্থিত থাকি বিদ্যালয়ৰূপে আগৰণুৱা সাধনা প্ৰাথমিক বিদ্যালয়খনৰ তথ্য প্ৰযুক্তি সম্বলিত অত্যাধুনিক শ্ৰেণীকোঠা উন্মোচনৰ দ্বাৰা শিক্ষাৰ্থীসকল লাভৱান্বিত হৈ পৰিব আৰু প্ৰাথমিক পৰ্যায়ৰ পৰাই শিক্ষাৰ্থীসকলে কম্পিউটাৰ শিক্ষা লাভ কৰি সময়ৰ লগত আগবাঢ়ি যাব বুলি শিক্ষা বিষয়াদ্বয় আশাবাদী বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। উক্ত অনুষ্ঠানত নগৰমহল মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক লক্ষী প্ৰসাদ বৰবৰুৱা আৰু গাণনিক প্ৰণতি দাস বড়া উপস্থিত থাকে। উল্লেখ্য যে বিদ্যালয়ৰ প্ৰধান শিক্ষক আশ্ৰফ আলীৰ সহযোগত সমন্বয়ক লক্ষী প্ৰসাদ বৰবৰুৱা আৰু বিদ্যালয়ৰ সকলো শিক্ষকৰ সহযোগত বিদ্যালয়খনে কেতবোৰ নতুনত্বৰ সমাহাৰৰে শিক্ষাৰ্থী আৰু অভিভাৱকক আকৰ্ষিত কৰি আহিছে।

# মাজুলীত দিব্যাংগ দিৱস উদ্‌যাপনৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৬ নৱেম্বৰ ঃ** দিব্যাংগ দিৱস উপলক্ষে অহা তিনি ডিচেম্বৰত মাজুলী জিলা প্ৰতিবন্ধী সুৰক্ষা পৰিষদ, মাজুলী জিলা সমিতিৰ উদ্যোগত দিনজোৱা কাৰ্যসূচীৰ আয়োজন কৰিছে। বালিচাপৰি মিলিত কৃষ্টিসংঘত আয়োজিত উক্ত দিনজোৱা কাৰ্যসূচীত পতাকা উত্তোলন, বৃক্ষৰোপণ, স্মৃতি তৰ্পণ আৰু দিনৰ ১০-৩০ বজাৰ পৰা উদ্‌যাপন সমিতিৰ সভাপতি ভোগেশ্বৰ বৰাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব।

# ২৭-২৮ নৱেম্বৰত বিহপুৰীয়াৰ কাচিকটাত ৰূপালীম-ভোগজৰা

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৬ নৱেম্বৰ ঃ** বিহপুৰীয়া অঞ্চলৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান অৰুণোদয়, শিল্পী সমাজ, কাচিকটাৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অহা ২৭ আৰু ২৮ নৱেম্বৰত দুখন নাটক মঞ্চস্থ কৰাৰ প্ৰয়াস কৰি আখৰাৰ প্ৰস্তুতি চলাই থকা হৈছে। প্ৰথম নিশা মনোজ শইকীয়া আৰু জ্যোতিৰ্ময় দত্তৰ পৰিচালনাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰূপালীম আৰু দ্বিতীয় নিশা মনোজ কুমাৰ শইকীয়াৰ পৰিচালনাৰে সূৰ্যোদয় নাট্যগোষ্ঠী পাণবাৰীৰ দ্বাৰা নটসূৰ্য ফণী শৰ্মাৰ ভোগজৰা নাটকখন মঞ্চস্থ কৰা হ'ব।

# তেজপুৰত গো-সেৱা শিবিৰ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৬ নৱেম্বৰ ঃ** তেজপুৰৰ তলগেৰেকীস্থিত শ্ৰীলক্ষ্মী নাৰায়ণ গো-শালাত থকা গৰুক যোৱা ২৫ নৱেম্বৰত স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় ভেকচিন প্ৰদান কৰা হয়। শোণিতপুৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দ্বাৰা গো-শালাখনত থকা মুঠ ২১০ টা গৰুক প্ৰয়োজনীয় ভেকচিন প্ৰদান কৰা হয়। স্থানীয় বিধায়ক পৃথ্বিৰাজ ৰাভা, জিলা উন্নয়ন আয়ুক্ত দীপশিখা জে, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ উপ-সঞ্চালক ভাস্কৰ বৰদলৈ আৰু পশুপালন বিষয়া বিনয় কুমাৰ বৰ্মন উপস্থিত থকা এই কাৰ্যসূচীত পশুপালন বিভাগৰ ১০ গৰাকী চিকিৎসকে গো-শালাখনৰ পশুধনলৈ চিকিৎসা সেৱা আগবঢ়ায়। গো-শালা পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ উপস্থিতিত আয়োজিত এই গো-সেৱা শিবিৰত পৰিচালনা সমিতিৰ হৈ বিনোদ বাগৰীয়াই সকলোকে আদৰণি জনায় ১৯৯৬ত আৰম্ভ হোৱা গো-শালাখনৰ বিষয়ে সবিশেষ প্ৰকাশ কৰে।




*বিভিন্ন দাবীৰ সমৰ্থনত লখিমপুৰত সদৌ অসম নিৰ্মাণৰ শ্ৰমিক সন্থাৰ সমদল।*

# ঢেঁকীয়াখোৱাত যোৰহাট জিলা ভাওনা সন্মিলনৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**কাকজান, ২৬ নৱেম্বৰ ঃ** গুৰু দুজনাৰ অপূৰ্ব সৃষ্টি ভাওনা শিল্পক শুদ্ধ, পৰিমাৰ্জিত আৰু অপভ্ৰংশহীন কৰি প্ৰতিষ্ঠা কৰাৰ লগতে এই শিল্পৰ লগত জড়িত শিল্পীসকলৰ ভৱিষ্যৎ সুৰক্ষাৰ এক মহান উদ্দেশ্য আগত ৰাখি অসমৰ সাংস্কৃতিক ৰাজধানী যোৰহাট জিলাত জন্মলাভ কৰা যোৰহাট জিলা ভাওনা সন্মিলনে প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰিবলৈ আগবাঢ়িছে। ঢেঁকীয়াখোৱা বৰনামঘৰৰ সমীপৰ শ্ৰীশ্ৰীমাধৱদেৱ পুথিভঁৰাল যুৱ সংঘত অহা ২৮ নৱেম্বৰ ১১ আঘোণ দেওবাৰে এদিনীয়া কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি তুংগত ৰাখিছে। পুৱা ৯-৩০ বজাৰ পৰা আৰম্ভ হ'ব লগা অনুষ্ঠানৰ মুকলি সভাত বিভিন্ন দিশৰ বহু সমল ব্যক্তিসকলৰ লগতে মুখ্য অতিথিৰূপে উপস্থিত থাকিব শ্ৰীশ্ৰীআউনীআটী সত্ৰ মাজুলীৰ সন্মানীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী। সন্ধিয়া ৫-৩০ বজাত কাকজান আঞ্চলিক ভাওনা সন্মিলনৰ আতিথ্যত যোৰহাট তৰাজানৰ বিষ্ণুপ্ৰিয়া মহিলা শিল্পী সমাজৰ দ্বাৰা ৰুক্মিণী হৰণ ভাওনা প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছে। দিনজোৱা কাৰ্যসূচীত সমূহ ৰাইজৰ সহায়-সহযোগ, দিহা-পৰামৰ্শ তথা উপস্থিতি কামান কৰিছে ভাওনা সন্মিলনৰ জিলা সমিতিৰ বিষয়ববীয়াসকলে।

# তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত অসম জনসেৱা অধিকাৰ আইন সন্দৰ্ভত প্ৰশিক্ষণ



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৬ নৱেম্বৰ ঃ** প্ৰশাসনিক সংস্কাৰৰ প্ৰতি লক্ষ্য ৰাখি ৰাজহুৱা স্বাৰ্থ জড়িত বিভাগসমূহক অধিক কাৰ্যক্ষম আৰু দায়বদ্ধ কৰি তুলিবলৈ ২০২১ৰ ২৬ জানুৱাৰীত প্ৰণীত আৰু ২০১৩ৰ ১৯ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱা অসম জনসেৱা অধিকাৰ আইন আৰু এই আইনৰ নিয়মাৱলী সন্দৰ্ভত জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী কালি তিনিচুকীয়া জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত দিনজোৱা কাৰ্যসূচীৰে তিনিটা সত্ৰত অনুষ্ঠিত হয়। আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত তিনিচুকীয়া, শদিয়া, ডুমডুমা তথা মাৰ্ঘেৰিটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকল, গুইজান, হাপজান, ইটাখুলি, কাকপথাৰ, শদিয়া, মাৰ্ঘেৰিটা আৰু চৈখোৱা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল, স্বাস্থ্য বিভাগ, পশু পালন আৰু চিকিৎসা বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগ, শ্ৰম বিভাগ, বন বিভাগ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, শিক্ষা বিভাগ, নগৰ পৰিকল্পনা বিভাগ, উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়া-কৰ্মচাৰীকে আদি কৰি তিনিচুকীয়া উপায়ুক্তৰ কাৰ্যালয়, শদিয়া আৰু মাৰ্ঘেৰিটাৰ মহকুমাধিপতি কাৰ্যালয় তথা তিনিচুকীয়া আৰু মাকুম পৌৰসভাৰ কৰ্মচাৰীসকল উপস্থিত থাকে। প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তিৰূপে উপস্থিত থাকে জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰজিত দত্ত, তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ৰিতু সিং আৰু প্ৰবক্তা ত'মজিত ধৰ। উল্লেখ্য যে তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত ইতিমধ্যেই বিগত ১৫, ১৬ আৰু ২০ নৱেম্বৰত ৰাজহুৱা স্বাৰ্থ জড়িত বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলৰ বাবে অসম জনসেৱা অধিকাৰ আইনৰ সন্দৰ্ভত এলানি প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে আৰু পৰৱৰ্তী পৰ্যায়ত প্ৰয়োজন সাপেক্ষে এই আইনৰ সম্বন্ধত আৰু অধিক প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা লোৱা হ'ব।

# বহলপুৰত পঞ্চায়ত সভানেত্ৰীৰ বিৰুদ্ধে অনাস্থা পঞ্চায়ত সদস্য-সদস্যাৰ

■ সভানেত্ৰীৰ কাম-কাজ চলায় স্বামীয়ে

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২৬ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বহলপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী মৰ্জিনা হকৰ সীমাহীন দুৰ্নীতিৰ বিৰুদ্ধে বৰ্তমানো স্বয়ং পঞ্চায়ত প্ৰতিনিধিয়ে জাঙুৰ খাই উঠিছে আৰু এই সংক্ৰান্তত উৰ্দ্ধতন মহলত লিখিত অভিযোগেৰে আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। বহলপুৰ গাঁও পঞ্চায়তৰ কুৰ্শাকাটিৰ সদস্য ছলিম উদ্দিন আহমেদ, হৰ্দেমাৰৰ সদস্য হাফিজা খাতুন, মৌখোৱাৰ সদস্য ৰকিবুল ইছলাম, জালিকুৰাৰ সদস্য আনজুমা খাতুন, আৰিমাৰীৰ সদস্যা আনিছা খাতুন, যোগীপাৰাৰ সদস্যা জানকী নাথ, বৰপাৰা দ্বিতীয় খণ্ডৰ সদস্য বাবুহিতু ৰায়, বৰপাৰা প্ৰথম খণ্ডৰ হীৰেণ শৰ্মা, কাচাৰীভিঠাৰ সদস্য জায়দা খাতুন আৰু তটপাৰাৰ সদস্যা তথা বহলপুৰ গাঁও পঞ্চায়তৰ উপ-সভানেত্ৰী দীপা অধিকাৰীয়ে ইতিমধ্যে পঞ্চায়ত সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগত অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছে। এই সম্পৰ্কে ধুবুৰীৰ উপায়ুক্ত, বিলাসীপাৰাৰ মহকুমাধিপতি, ধুবুৰীৰ জিলাৰ পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, চাপৰ শালকোচা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া আদিক লিখিত অভিযোগ দাখিল কৰি সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। অভিযোগ পত্ৰত উল্লেখ কৰে যে, পঞ্চায়ত সভানেত্ৰীগৰাকীয়ে আন আন পঞ্চায়ত সদস্য-সদস্যাৰ লগত কোনোধৰণৰ আলোচনা বিলোচনা নকৰাকৈ নিজৰ খেয়ালখুচিমতে আঁচনি প্ৰস্তুত কৰি দাখিল কৰে। একেদৰে প্ৰতি তিনিমাহৰ মূৰে মূৰে সভা আহ্বান কৰি উন্নয়নৰ আঁচনি প্ৰস্তুত কৰিব লাগে যদিও সভানেত্ৰীগৰাকীয়ে বছৰত এখন দুখনহে সভা আহ্বান কৰি পঞ্চায়তীৰাজ ব্যৱস্থাক অংগুষ্ঠ প্ৰদৰ্শন কৰি আহিছে। সেইদৰে প্ৰতিটো আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সভানেত্ৰী গৰাকীক উৎকোচ দিব লাগে, অন্যথা আঁচনি অনুমোদনত চহী নকৰে। অভিযোগ পত্ৰত পুনৰ উল্লেখ কৰা হৈছে যে সভানেত্ৰীগৰাকী কেৱল চহীৰহে গৰাকী, বাকী সকলো কাম তেওঁৰ স্বামী গৰাকীয়েহে পৰিচালনা কৰে। এইগৰাকী পঞ্চায়ত সভানেত্ৰীৰ দুৰ্নীতি সংক্ৰান্তত ইতিমধ্যে চাপৰ আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ ৪২০, ৪০৬, ৫০৬, ২৯৪ ধাৰাৰ অধীনত ৬৬/২০ গোচৰ ৰুজু হৈছে। অভিযোগকাৰী পঞ্চায়ত সদস্য সদস্যাসকলে দাবী জনাইছে বহলপুৰ গাঁও পঞ্চায়তৰ ৰাইজৰ উন্নয়নৰ স্বাৰ্থত অতি শীঘ্ৰে দুৰ্নীতিগ্ৰস্ত সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে গ্ৰহণ কৰাৰ লগতে অন্য এগৰাকী সদস্য বা সদস্যাক সভাপতিৰ দায়িত্ব অৰ্পণ কৰি কাম-কাজ অব্যাহত ৰখাৰ ব্যৱস্থা কৰে।

# বিশিষ্ট কবি সনন্ত তাঁতিৰ বিয়োগত শিৱসাগৰতো কবি সমাজৰ শোক প্ৰকাশ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৬ নৱেম্বৰ ঃ** সাহিত্য অকাডেমী বঁটা প্ৰাপক অসমৰ এগৰাকী স্বনামধন্য জনপ্ৰিয় কবি সনন্ত তাঁতীৰ বিয়োগত শিৱসাগৰৰ কবিকুলৰ মাজতো গভীৰ শোকৰ ছাঁ পৰিছে। সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈয়ে কবিগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰি কয় যে কবি সনন্ত তাঁতী অসমীয়া কবিতাৰ এজন পুৰোধা ব্যক্তি আছিল। তেওঁৰ মৃত্যুত অসমীয়া কাব্যজগতৰ অপূৰণীয় ক্ষতি হ'ল। শিৱসাগৰৰ বিশিষ্ট কবি-সমালোচক চামচুল বাৰিকে কয় যে অসমীয়া প্ৰগতিবাদী কবিতাৰ যোৱা তিনিটা দশকৰ যদি দহটা কবিতা নিৰ্বাচিত কৰিবলগা হয়, সনন্ত তাঁতীৰ এটা কবিতা থাকিবই। অসমীয়া কবিতাৰ প্ৰচলিত ধাৰা সলনি কৰাৰ ক্ষেত্ৰত বিপ্লৱৰ জোৱাৰ অনা কবি সনন্ত তাঁতী অসমীয়া কাব্য সাহিত্যৰ নক্ষত্ৰ স্বৰূপ আছিল। আমাৰ মাটিৰ গোন্ধেৰে জীপাল স্বকীয় শৈলীৰে সমৃদ্ধিশালী এগৰাকী কবিক হেৰুৱালো বুলি উল্লেখ কৰি শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰিছে। শিৱসাগৰ জিলা কবি সন্মিলনৰ নৱ-নিৰ্বাচিত সভাপতি ব্ৰজেন দাস, নাজিৰা কবি সন্মিলনৰ সভাপতি অজিত খাটনিয়াৰ, সম্পাদক হৰেন চন্দ্ৰ নাথকে মুখ্য কৰি বিভিন্নজনে কবিগৰাকীৰ মৃত্যুত শোকপ্ৰকাশ কৰিছে আৰু মৃতকৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনাইছে। কবিগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে নাজিৰা কবি সন্মিলনৰ উদ্যোগত আজি সন্ধিয়া নামতি খেজুৰিতলত অৱস্থিত 'জ্ঞানজ্যোতি বিদ্যাপীঠ' ত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত শিৱসাগৰ জিলা কবি সন্মিলনৰ হৈ নৱনিৰ্বাচিত উপ-সভাপতি তৰুণ চন্দ্ৰ নাথে সদ্যপ্ৰয়াত কবিগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা নিবেদন কৰে। নাজিৰা কবি সন্মিলনৰ সাংগঠনিক সম্পাদক জনম খনিকৰে আঁত ধৰা অনুষ্ঠানত কবিগৰাকীৰ সম্পৰ্কত চমু বক্তব্য আগবঢ়াই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে শিৱসাগৰ জিলা কবি সন্মিলনৰ নৱনিৰ্বাচিত সম্পাদক সুৰেশ ভূএগই। অনুষ্ঠানত 'জ্ঞানজ্যোতি বিদ্যাপীঠ'ৰ সঞ্চালিকা দেৱযানী গগৈ, শিক্ষক হেমন্ত গগৈ, সাংবাদিক বিশ্বজিৎ আৰন্ধৰা, ছাত্ৰ কাব্যৰাজ গগৈ, শিশু-নৃত্যশিল্পী সৃষ্টি জোনাক গগৈ আৰু সংগীত ব্যৱস্থাপক অম্লানজ্যোতি দেৱনাথ উপস্থিত থাকি কবিগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## ছয়গাঁৱত বাটৰ নাট প্ৰদৰ্শন



**ছয়গাঁও, ২৬ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও টাউনত কালি মিছন বসুন্ধৰা আঁচনিৰ সজাগতাৰ বাবে ছয়গাঁও টাউনত থকা পৰিবহণ বিভাগৰ কাৰ্যালয়ত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। ছয়গাঁও চক্ৰ বিষয়া কাৰ্যালয়ৰ সৌজন্যত অনুষ্ঠিত এই নাটখনৰ শেষত চক্ৰ বিষয়া সৰোজ সোণোৱাল উপস্থিত হৈ মাটি বাৰীৰ অধিকাৰ সম্পৰ্কে ১৩ পৃষ্ঠাত চাওক

## জলসিঞ্চন বিভাগৰ টংলা সংমণ্ডলৰ দুৰ্নীতি-কেলেংকাৰিৰ নিৰপেক্ষ তদন্তৰ দাবী

**অগ্ৰদূত বাৰ্তা,**

**টংলা, ২৬ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ টংলাস্থিত জলসিঞ্চন বিভাগৰ চাৰিকোটিৰো অধিক টকাৰ কেলেংকাৰি বাতৰি সংবাদ মাধ্যমত ধাৰাবাহিকভাৱে ব্যাপক প্ৰচাৰ-প্ৰসাৰে হৈ-চৈ সৃষ্টি কৰিছে যদিও টংলাস্থিত বিভাগৰ কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতাৰ গাৰ নোম নলৰা কাৰ্যত দল-সংগঠন তথা সচেতন ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে। ইতিমধ্যে টংলা থানাত বিভাগীয় কৰ্তৃপক্ষৰ বিৰুদ্ধে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা পংকজ অসমীয়াই এজাহাৰ দাখিল কৰিছে যদিও কাৰ্যবাহী অভিযন্তাজনে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। উল্লেখ্য যে জলসিঞ্চন বিভাগৰ টংলা সংমণ্ডলত ঠিকাদাৰসকলৰ কামৰ বিপৰীতে ন ন চালানযোগে জমাকৃত আঠ শতাংশকৈ এছ ডি মানিৰ ৪.১৮ কোটি টকা কেলেংকাৰি আৰু দুৰ্নীতি হোৱাৰ সন্দৰ্ভত ধাৰাবাহিকভাৱে বাতৰি প্ৰচাৰ হৈ আছে। কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতাই একাংশ ঠিকাদাৰৰ একাউণ্টৰ সহায় লৈ ২০১৭ৰ পৰা চলিত বৰ্ষৰ মাৰ্চলৈ জমা হোৱা ৪.১৮ কোটি টকা কোষাগাৰ সঞ্চালকয়ৰ পৰা বিভাগটোৰ অধ্যক্ষ মৃগেন বড়ো আৰু গাণনিক প্ৰভাত কলিতাৰ সহযোগিতাত আত্মসাৎ কৰা বুলি বাতৰিত প্ৰকাশ পাইছে। ৰাইজৰ মাজত হৈ-চৈ সৃষ্টি হ'লেও বৰ্তমানলৈ বিভাগৰ মুৰব্বী বা কাৰ্যবাহী অভিযন্তাজনে কোনো স্পষ্টীকৰণ প্ৰকাশ নকৰা কাৰ্যত বিষয়টোক লৈ সৰৱ চৰ্চা চলিছে আৰু দল-সংগঠনৰ মাজত নানা প্ৰশ্নৰ উদ্ৰেক হৈছে। জলসিঞ্চন বিভাগৰ টংলা সংমণ্ডলৰ দুৰ্নীতি আৰু কেলেংকাৰি সন্দৰ্ভত এক নিৰপেক্ষ আৰু উচ্চস্তৰীয় তদন্ত কৰি বিষয়টো জনমানসত পোহৰলৈ আনিবলৈ দাবী জনাই সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বৰা কোচ আৰু সহকাৰী সম্পাদক হেমন্ত ডেকা স্বাক্ষৰিত স্মাৰকপত্ৰ এখন কালি ওদালগুৰি জিলা উপায়ুক্তক প্ৰদান কৰে আৰু অতিশীঘ্ৰে উক্ত দুৰ্নীতিৰ তদন্ত কৰি কেলেংকাৰিত জড়িতসকলক কঠোৰ শাস্তি প্ৰদান কৰাৰ দাবী জনায়।

## ড্ৰাগছ বিৰোধী অভিযানত আৰক্ষীক সহায় কৰিবলৈ ৰাইজক আহ্বান

### ■ নগাঁৱত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে সজাগতা অভিযান-সম্বৰ্ধনা অনুষ্ঠান




**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ নৱেম্বৰ ঃ** নগাঁৱৰ বেচৰকাৰী সংস্থা গ্ৰাম বিকাশ পৰিষদৰ উদ্যোগত আৰু নিচাযুক্ত অভিযান সহায়ক কেন্দ্ৰৰ সহযোগত নিচাযুক্ত অভিযান নগাঁও জিলাত আৰম্ভ হৈছে। ভাৰত চৰকাৰে আৰম্ভ কৰা নিচাযুক্ত অভিযানৰ অংশস্বৰূপেই এই কাৰ্যসূচী ১৩ পৃষ্ঠাত চাওক

### ■ চৰকাৰী ধন অপচয়ৰ নমুনা ■ স্থানীয় দল-সংগঠন-ৰাইজৰ ক্ষোভ

# তিনি বছৰে সম্পূৰ্ণ নহ'ল স্বাস্থ্য কেন্দ্ৰ



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৬ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ ৫৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৩ নম্বৰ ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ অঞ্চলাধীন বৰজাৰৰিহাটী গাঁৱত ২০১৯তে আৰম্ভণি কৰা এখন উপস্বাস্থ্য কেন্দ্ৰৰ গৃহৰ নিৰ্মাণকাৰ্য আজি পৰ্যন্ত আধৰুৱা হৈ থকাত চৰকাৰী ধন অপচয় হোৱা বুলি দল-সংগঠন আৰু স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পিতৃৰ ভূমি লাটিমাৰ পৰা মাত্ৰ কেইমিটাৰমান আঁতৰত অৱস্থিত বৰজাৰৰিহাটী গাঁৱৰ দক্ষিণ দিশত অৰ্থাৎ বৰজাৰৰিহাটী প্ৰাথমিক বিদ্যালয়ৰ চৌহদত ২০১৯তে স্বাস্থ্য বিভাগে জৈনক চৌধুৰী উপাধিৰ এগৰাকী ঠিকাদাৰৰ জৰিয়তে কে'বালাখ টকাৰে বৃহত্তৰ অঞ্চলৰ বানপীড়িত ৰাইজৰ চিকিৎসাৰ সুবিধাৰ অৰ্থে ব্যৱস্থা কৰিছিল যদিও অতি ৰহস্যজনক কাৰণত আজি প্ৰায় তিনিবছৰে এই স্বাস্থ্য কেন্দ্ৰখনৰ নিৰ্মাণকাৰ্য আধৰুৱা হৈ থাকিল। গৃহটোৰ ওপৰত টিনপাত নিদিয়াৰ ফলত তাত ব্যৱহাৰ্য সামগ্ৰীসমূহ নষ্ট হোৱাৰ উপৰি হাবি-জংঘলে আৱৰি ধৰিছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। ইফালে, বৃহত্তৰ অঞ্চলৰ দল-সংগঠনকে ধৰি ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, যুৱ-ছাত্ৰ পৰিষদ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে উক্ত স্বাস্থ্য কেন্দ্ৰখনৰ আধৰুৱা কাম সম্পূৰ্ণ কৰি অঞ্চলটো দুখীয়া ৰাইজৰ চিকিৎসা সেৱা প্ৰদান কৰিবলৈ চৰকাৰ তথা নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক দাবী জনাইছে।

## এইমছত থলুৱা নিবনুৱা যুৱক-যুৱতীক কৰ্ম সংস্থাপনৰ দাবীত উপায়ুক্তক স্মাৰকপত্ৰ আছুৰ

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ২৬ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ চাংসাৰিত নিৰ্মাণ হৈ থকা 'সৰ্বভাৰতীয় বৈজ্ঞানিক চিকিৎসালয় এইমছৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে নিৰ্মীয়মাণ চিকিৎসালয়খনত যাতে স্থানীয় তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ লগতে চিকিৎসালয়খনৰ লগত জড়িত সকলো ব্যৱসায়ত স্থানীয় ল'ৰা-ছোৱালীয়ে অগ্ৰাধিকাৰ পোৱাৰ দাবীত আজি কামৰূপ জিলা ছাত্ৰ সন্থাই নিৰ্মীয়মাণ চিকিৎসালয়খন পৰিদৰ্শন কৰে। লগতে কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিকৰ জৰিয়তে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী মনসুখ মান্দাভিয়াৰ লগতে অসমৰ মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। প্ৰতিনিধি দলটোত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ধীৰাজ ৰাজবংশী, সভাপতি ভৱজ্যোতি ডেকা, উপ-সভাপতি ৰুবুল চন্দ্ৰ দাস, সাধাৰণ সম্পাদক পংকজ কলিতা আদি উপস্থিত থাকে।

## সৃষ্টি ড্যান্স এণ্ড ড্ৰামা ফাউণ্ডেছনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বঁটা বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**চামতা, ২৬ নৱেম্বৰ ঃ** পশ্চিম নলবাৰীৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান সৃষ্টি ড্যান্স এণ্ড ড্ৰামা ফাউণ্ডেছনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিশু দিৱস উপলক্ষে অনুষ্ঠিত চিত্ৰাংকন, নৃত্য প্ৰতিযোগিতাৰ বিজয় প্ৰতিযোগীসকলক পুৰস্কাৰ বিতৰণ কৰা হয়। পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ মঞ্চসূৰ্য ধৰণী বৰ্মন প্ৰেক্ষাগৃহত কালি আবেলি একাডেমীৰ অধ্যক্ষ হিৰণ্য ৰাজৰ সঞ্চালনাত অনুষ্ঠিত এই বঁটা বিতৰণী সভাত ১৪ নৱেম্বৰত শিশু দিৱস উদ্‌যাপন কৰি অনুষ্ঠিত চিত্ৰাংকন, নৃত্য আৰু ৰাম ৰাৱণ খেল প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰ বিতৰণ কৰে পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সম্পাদক প্ৰদীপ কুমাৰ বৰ্মনে। অনুষ্ঠানত একাডেমীৰ প্ৰশিক্ষক, অভিভাৱক-অভিভাৱিকাসকল উপস্থিত আছিল। পুৰস্কাৰ বিতৰণ কৰি সাংবাদিক প্ৰদীপ কুমাৰ বৰ্মনে ছাত্ৰ-ছাত্ৰীসকলক চিত্ৰশিল্প আৰু নৃত্য-গীতৰ মাজেৰে অধ্যয়নত ব্ৰতী হোৱাৰ পৰামৰ্শ আগবঢ়ায়।

## প্ৰবীণ শিল্পী-ক্ৰীড়াবিদ চৌকত আলীৰ ৯৮ সংখ্যক ওপজা দিনৰ সম্ভাষণ তেজপুৰ জনসাংস্কৃতিক পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৬ নৱেম্বৰ ঃ** সেউজীয়া, ফুল আৰু মানুহ ভালপোৱা এজন মানুহ। ৰাজ্য চৰকাৰৰ ৰঙা বাছখনৰ সেই বিখ্যাত গঁড়ৰ প্ৰতীক চিহ্ন অংকন কৰা মানুজন তেওঁ। এজন চিকাৰী, খেলুৱৈ হিচাপে তেওঁ প্ৰখ্যাত। এসময়ত মহাৰাণা ক্লাবৰ হৈয়ো তেওঁ খেলিছিল। ফুটবল আৰু হকী খেলৰ এজন সুদক্ষ খেলুৱৈ তেজপুৰৰ পৰোৱা নিবাসী চৌকত আলীয়ে ২৪ নৱেম্বৰত সম্পূৰ্ণ কৰিলে ৯৮ বছৰ। এটা চিৰসেউজ শিল্পী মন, অফুৰন্ত কৰ্মপ্ৰেৰণা আৰু সমাজত সম্প্ৰীতিৰ সৌৰভ বিলাই ওৰেতো জীৱন শিল্পৰ সাধনাত ব্ৰতী বিশিষ্ট শিল্পী, ক্ৰীড়াবিদ, দক্ষ সংগঠক তথা অসম ৰাজ্যিক পৰিবহণ নিগমৰ প্ৰতীক চিহ্ন 'দুৰন্ত গঁড়টোৰ শিল্পী চৌকত আলীক যোৱা ২৪ নৱেম্বৰত ৯৮ সংখ্যক ওপজা দিনৰ ওলগ জ্ঞাপন কৰে তেজপুৰ জনসাংস্কৃতিক পৰিষদে। বিগত বৰ্ষৰ দৰে এইবাৰো তেজপুৰ পৰোৱা চাৰিআলিস্থিত শিল্পীজনৰ বাসগৃহত তেজপুৰ জনসাংস্কৃতিক পৰিষদৰ এটা প্ৰতিনিধিক দলে এলানি বিশেষ কাৰ্যসূচীৰ জৰিয়তে একালৰ সুদক্ষ খেলুৱৈজনক ওপজা দিনৰ সম্ভাষণ জ্ঞাপন কৰে। তেজপুৰ জনসাংস্কৃতিক ১৩ পৃষ্ঠাত চাওক

## কুকুৰমাৰাত চুলাইৰ ঘাটিত উচ্ছেদ

**ছয়গাঁও, ২৬ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুকুৰমাৰা টাউনত যোৱা ২৫ নৱেম্বৰত পুৱাই আৰক্ষীয়ে চুলাইৰ বিৰুদ্ধে অভিযান চলায়। কুকুৰমাৰাৰ আৰক্ষী বিষয়া বলেন কলিতাৰ নেতৃত্বত চলোৱা এই অভিযানত বহু পৰিমাণৰ চুলাই সহ কিছু সামগ্ৰী জব্দ কৰে। অৱশ্যে আৰক্ষীক দেখি চুলাইৰ ঘাটিৰ পৰা পলায়ন কৰে মদাহীসকলে। জব্দকৃত সুৰাখিনি আৰক্ষীয়ে কলহী নৈৰ মৰা সুঁতিত নষ্ট কৰে।

## মৰাণত বৃহৎ জুৱাৰ ঘাটি উৎখাত ঃ নগদ ধনসহ ধৃত পাঁচ জুৱাৰী

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৬ নৱেম্বৰ ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ নগৰৰ সমীপৰ বটামৰা চেঁচা পুখুৰী গাঁৱত যোৱা নিশা এটা জুৱাৰী দলক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। গাঁওখনৰ নিবাসী অনিল গগৈৰ বাসগৃহত এক বৃহৎ জুৱাৰ আড্ডা চলি থকাৰ বিষয়ে জানিব পাৰি চৰাইদেউ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সংগীতা দাসৰ নেতৃত্বত মৰাণহাট আৰক্ষী দল আৰু এ/১৪৯ চিআৰপিএফৰ এটা দলে অভিযান চলাওতে জুৱাৰী দলটোক হাতে-লোটে ধৰা পেলায়। অভিযানকাৰী দলটোৱে জুৱাৰ ঘাটিৰ পৰা নগদ ৭৯,৬৭০ টকা, সাতটা ম'বাইল ফোন, ছিম কাৰ্ড, সাত পেকেট প্লাষ্টিক কাৰ্ড, এ-এছ-০৬-এ-এ-৬২৯৯ নম্বৰৰ এখন এক্স ইউ ভি বাহন, এ-এছ-০৬-জেদ-৬৮৩৬ নম্বৰৰ এখন বলেন' বাহন, এ-এছ-০৬-জেদ-৮৩৮৮ নম্বৰৰ এখন স্কুটী, এ-এছ-০৬-ভি-৯৩৩৭ এখন স্পেলণ্ডাৰ মটৰ চাইকেল জব্দ কৰাৰ লগতে ডিব্ৰুগড় মানকটা তেপৰগাঁৱৰ নিত্যানন্দ পাত্ৰ (৪১), মৰাণ বটামৰাৰ প্ৰদীপ ডেকা (৫৩), ডিব্ৰুগড় কোটোহা নগাঁৱৰ জিচুছ বুঢ়াগোহাঁই (৩৬), পদ্মলোচন বৰুৱা (৩৮) আৰু মৰাণ ফটিকাছোৱাৰ জ্ঞানেন্দ্ৰ শইকীয়া (৪০) ক কৰায়ত্ত কৰি মৰাণহাট আৰক্ষী থানাত ১৪/১৫ নম্বৰ এক গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে।

## লখিমপুৰত নিৰ্মাণ শ্ৰমিক সন্থাৰ প্ৰতিবাদ ঃ সমদল-ধৰ্ণা

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ২৬ নৱেম্বৰ ঃ** লখিমপুৰত আজি নিৰ্মাণ শ্ৰমিক সন্থাই এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। সংগঠনটোৱে তেওঁলোকৰ বিভিন্ন দাবী পূৰণৰ হকে প্ৰতিবাদী সমদল কৰাৰ উপৰি ধৰ্ণাৰে উপায়ুক্তৰ কাৰ্যালয় উত্তাল কৰি তোলে। দিল্লীত ১৪ মাহ ধৰি চলা কৃষক আন্দোলনৰ সকলো দাবী চৰকাৰে মানি লোৱা, কৃষক বিৰোধী তিনিখনকৈ ক'লা আইন সম্পূৰ্ণকৈ উঠাই লোৱা, আন্দোলনত ছহিদ হোৱা সাত শতাধিক শ্ৰমিকৰ পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ উপৰি তেওঁলোকৰ স্মৃতিত স্মাৰক নিৰ্মাণ কৰাৰ দাবী জনায় প্ৰতিবাদকাৰী সংগঠনটোৱে। ইয়াৰ উপৰি বিজুলী বিল ২০২০ সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা, কৃষকৰ উৎপাদিত ফচলৰ ন্যায্য মূল্য ধাৰ্য কৰা, শ্ৰমিক বিৰোধী চাৰিখন সংহিতা (ক'ড) সম্পূৰ্ণকৈ বাতিল কৰা, ২০১৯ৰ পৰা বন্ধ কৰি ৰখা শ্ৰমিকৰ সকলো ন্যায্য প্ৰাপ্য অধিকাৰৰ প্ৰতিবন্ধকতা দূৰ কৰাৰ লগতে লখিমপুৰৰ বনাঞ্চলত অৰুণাচলীৰ উপদ্ৰৱ ৰোধ কৰাৰ বাবে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ দাবী জনোৱা হয়। প্ৰতিবাদকাৰীসকলে এই দাবীসমূহ পূৰণৰ হকে উপায়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ এখন স্মাৰকপত্ৰও প্ৰেৰণ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত সন্থাৰ জিলা সভাপতি গিৰীন্দ্ৰ প্ৰসাদ উপাধ্যায়, সম্পাদক সত্যৰঞ্জন দাসসহ ভালেখিনি লোকে অংশগ্ৰহণ কৰে।

## ক্ষুদ্ৰ চাহ খেতিয়কসকলক উদ্ভাৱনীমূলক আৰু স্মাৰ্ট কৃষি সঁজুলি বিতৰণ




**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৬ নৱেম্বৰ ঃ** ভোডাফোন আইডিয়া স্মাৰ্ট কৃষি প্ৰকল্পৰ (এছএপি) জৰিয়তে চলিদাৰীডেড সংস্থাৰ অধীনত ক্ষুদ্ৰ চাহ খেতিয়কসকলক উদ্ভাৱনীমূলক আৰু স্মাৰ্ট কৃষি সঁজুলি বিতৰণ কৰে। যোৱা ২৫ নৱেম্বৰত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ ডুমডুমাস্থিত কাৰ্যালয়ত আয়োজিত এক কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলক এই কৃষি সঁজুলি সমূহ বিতৰণ কৰা হয়। ভোডাফোন আইডিয়া লিমিটেডৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত সমৰ্থিত প্ৰকল্পটোতে উপস্থিত থকা চলিদাৰীডেডৰ বিষয়ববীয়াই উল্লেখ কৰা মতে, তেওঁলোকে ইতিমধ্যে ১৩ পৃষ্ঠাত চাওক

## তামাৰহাটত বাগৰি পৰিল শিলভৰ্তি ডাম্পাৰ

**তামাৰহাট, ২৬ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত ধুবুৰী-কচুগাঁও গড়কাপ্তানী পথৰ কুমাৰগঞ্জত কালি এখন তীব্ৰবেগী পাথৰ ভৰ্তি ডাম্পাৰ নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত বাগৰি পৰে। উক্ত দুৰ্ঘটনাত ডাম্পাৰখনৰ হেণ্ডিমেনজন গুৰুতৰভাৱে আহত হয়। পাছত তামাৰহাট থানাৰ অধীনস্থ পাগলাহাট আৰক্ষী নিৰীক্ষণ কেন্দ্ৰৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়। উল্লেখ্য যে ডব্লিউ বি ৫৩ বি ৫০৬১ নম্বৰৰ পাথৰ ভৰ্তি ১০ চকীয়া ডাম্পাৰ গাড়ীখনে শ্ৰীৰামপুৰৰ পৰা ধুবুৰী-কচুগাঁও গড়কাপ্তানী পথেৰে ধুবুৰী অভিমুখে তীব্ৰ বেগেৰে গৈ আছিল। যোৱাৰ পথত ডাম্পাৰখনে নিয়ন্ত্ৰণ হেৰুৱাই তামাৰহাট থানাৰ অন্তৰ্গত কুমাৰগঞ্জত পথৰ দাঁতিত বাগৰি পৰে। উল্লেখ্য যে এচাম পাথৰ ব্যৱসায়ীয়ে দীৰ্ঘদিন ধৰি ধুবুৰী-কচুগাঁও গড়কাপ্তানী পথটোৰেদি গোসাঁইগাঁও-শ্ৰীৰামপুৰ অঞ্চলৰ পৰা ১৩ পৃষ্ঠাত চাওক

## ন ন সংযোজনে সংবাদ মাধ্যমক ৰুচিশীল কৰি তুলিছে ঃ বৰুৱা

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৬ নৱেম্বৰ ঃ** ৭০ দশকত সংবাদ-পত্ৰ, আলোচনী, পত্ৰিকা, ৰেডিঅ', টেলিভিছন আদিতে সীমাৰদ্ধ থকা সংবাদ মাধ্যমত এতিয়া আমূল পৰিৱৰ্তন ঘটিছে। প্ৰযুক্তি, আৰ্থ-সামাজিক দিশৰ পৰিৱৰ্তনৰ লগত সংগতি ৰাখি আজিৰ সংবাদ মাধ্যমে নিজৰ গতি, প্ৰকৃতিৰ লগতে লক্ষ্য, উদ্দেশ্যৰো দিশ সলনি কৰিছে। ইণ্টাৰনেট, ই-মেইল, হোৱাটছআপ আদিয়ে এহাতে সংবাদ মাধ্যমলৈ সম্ভাৱনা কঢ়িয়াই আনিছে যদিও সমান্তৰালকৈ ভাবুৰিও কঢ়িয়াই



আনিছে।' এই মন্তব্য প্ৰাক্তন সাংসদ, সাহিত্যিক, শিক্ষাবিদ ললিল বৰুৱাৰ ঢেকিয়াজুলি প্ৰেছ ক্লাবৰ ধাৰাবাহিক অনুষ্ঠান 'প্ৰেৰণা' নবীন-প্ৰবীণ প্ৰতিভাধৰৰ স'তে আলাপ' শীৰ্ষক অনুষ্ঠানত বৰুৱাই কয়, 'তাহানিৰ সাংবাদিকতা আৰু আজিৰ সাংবাদিকতাৰ আকাশ-পাতল পাৰ্থক্য পৰিলক্ষিত হৈছে। এইটো ১৩ পৃষ্ঠাত চাওক

## মজদুৰ কংগ্ৰেছৰ ২৮ সংখ্যক অধিৱেশনৰ আয়োজন

### ■ ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ অসম শাখাৰ কাৰ্যকাল ছমাহলৈ বৃদ্ধি

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৫ নৱেম্বৰ ঃ** ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ অসম শাখাৰ সাংগঠনিক কাম-কাজৰ স্থিৰিতাৰ বাবে কেন্দ্ৰীয় সভাপতি ড° জি. সঞ্জীৱা ৰেড্ডীয়ে বিশিষ্ট শ্ৰমিক নেতা প্ৰাক্তন বিধায়ক হিৰণ্য বৰাক সভাপতি হিচাপে লৈ গঠন কৰি দিয়া তদৰ্থ সমিতিখনক সাম্প্ৰতিক কৰ'না অতিমাৰীত পৰিৱেশৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ অসম শাখাৰ 28 সংখ্যক অধিৱেশন অনুষ্ঠিত কৰিব নোৱাৰাত উক্ত সমিতিৰ কাৰ্যকাল পুনৰ ছমাহৰ বাবে বৃদ্ধি কৰিছে। ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ড° জি. সঞ্জীৱা ৰেড্ডি স্বাক্ষৰিত পত্ৰযোগে তদৰ্থ সমিতিৰ কাৰ্যকাল পুনৰ ছমাহৰ বাবে বৃদ্ধি কৰা কাৰ্যৰ প্ৰতি মজদুৰ কংগ্ৰেছৰ অন্তৰ্ভুক্ত শ্ৰমিক সংগঠনসমূহে আদৰণি জনাইছে। উল্লেখ্য যে ইতিপূৰ্বে ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ অসম শাখাৰ 28 সংখ্যক অধিৱেশন 2022ৰ 18, 19 আৰু 20 ফেব্ৰুৱাৰীত শিৱসাগৰত অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলাইছে। অ'.এন.জি.চি. পূৰ্বাঞ্চল এমপ্লইজ এছ'চিয়েচনৰ উদ্যোগত আৰু ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ অন্তঃভূক্ত শ্ৰমিক ইউনিয়নসমূহৰ সহযোগত ঐতিহাসিক শিৱসাগৰ নগৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ অসম শাখাৰ 28 সংখ্যক অধিৱেশন সফলভাৱে ১৩ পৃষ্ঠাত চাওক

## নগাঁৱত বিশ্ব প্ৰতিবন্ধী দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

### ■ উন্মোচিত হ'ব স্মৰণিকা 'প্ৰত্যাশা' ■ প্ৰতিবন্ধী শিল্পীৰ দ্বাৰা প্ৰদৰ্শিত হ'ব সাংস্কৃতিক অনুষ্ঠান 'স্নেহবন্ধন'

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ নৱেম্বৰ ঃ** নগাঁও প্ৰতিবন্ধী দিৱস উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত অহা তিনি আৰু চাৰি ডিচেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে নগাঁৱৰ ঐতিহ্যমণ্ডিত মাজপাঠৰি উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰ প্ৰাংগণত বিশ্ব প্ৰতিবন্ধী দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। শাৰীৰিক আৰু মানসিকভাৱে প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱা বিশেষভাৱে সক্ষম লোকসকলৰ কল্যাণ কামনাৰে তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাক সন্মান জনোৱা, সহমৰ্মিতা প্ৰকাশ কৰা তথা উৎসাহ-উদ্দীপনাৰে মনোবল বৃদ্ধিত অৰিহণা যোগোৱাৰ দৰে এক মহৎ উদ্দেশ্য আগত ৰাখি অনুষ্ঠিতব্য অনুষ্ঠান সাফল্যমণ্ডিত কৰিবলৈ ৰাইজৰ গঠনমূলক দিহা-পৰামৰ্শ, আন্তৰিকতাপূৰ্ণ সহায়-সহযোগিতা সংবাদ মাধ্যমৰ জৰিয়তে উদ্যোক্তাসকলে কামনা কৰিছে। দিব্যাংগ লোকসকলৰ অন্যান্য প্ৰতিভা প্ৰদৰ্শনৰ ক্ষেত্ৰত এক উমৈহতীয়া মঞ্চৰ জৰিয়তে সুযোগ আৰু প্ৰেৰণা দিবলৈ বঢ়মপুৰ আৰু নগাঁও সদৰ সমষ্টিৰ বিধায়ক ক্ৰমে জিতু গোস্বামী আৰু ৰূপক শৰ্মাৰ মুখ্য পৃষ্ঠপোষকতাত সমাজৰ বিভিন্ন ক্ষেত্ৰৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত লোকৰ দ্বাৰা ইতিমধ্যে গঠন কৰা হৈছে এখন পূৰ্ণাংগ সমিতি। পদ্মকান্ত বৰুৱাক সভাপতি, জিতু শৰ্মাক কাৰ্যকৰী সভাপতি, হৰেশ্বৰ শইকীয়াক সাধাৰণ সম্পাদকৰূপে লৈ এখন পূৰ্ণাংগ সমিতিৰ লগতে গঠন কৰা হৈছে একোখনকৈ স্মৰণিকা, অভ্যৰ্থনা আৰু সাংস্কৃতিক উপ-সমিতি। কাৰ্যসূচী অনুসৰি তিনি ডিচেম্বৰত পৰিৱেশ নিকাকৰণ, সমিতিৰ পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, স্মৃতিচাৰণ অনুষ্ঠান, লঘু আহাৰ বিতৰণ, উদ্‌যাপন সমিতিৰ বিশেষ কাৰ্যকৰী সভা আৰু সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়িত হ'ব। চাৰি ডিচেম্বৰত দিব্যাংগসকলৰ নাম পঞ্জীকৰণ, দিব্যাংগসকলৰ চিনাকি পৰ্ব আৰু আদৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। বঢ়মপুৰ ১৩ পৃষ্ঠাত চাওক

## সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ ১৫০ বছৰীয়া জন্মজয়ন্তীৰ আয়োজন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৬ নৱেম্বৰ ঃ** সদৌ অসম আহোম সভাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু শিৱসাগৰবাসীৰ সহযোগত সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ 150 বছৰীয়া জন্মজয়ন্তী অহা 10 ডিচেম্বৰৰ পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে শিৱসাগৰ ব'ৰ্ডিং খেলপথাৰৰ পানীন্দ্ৰনাথ গগৈ ক্ষেত্ৰত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি, 10 ডিচেম্বৰৰ দুপৰীয়া দুই বজাত জিলাৰ উপায়ুক্ত মেঘ নিধি দাহালে গ্ৰন্থমেলা আৰু সন্ধিয়া পাঁচ বজাত লেখিকা তুলিকা চেতিয়া য়েইনে 'শব্দ তৰংগ' শীৰ্ষক কাব্যানুষ্ঠান উদ্বোধন কৰিব। দ্বিতীয় দিনা দুপৰীয়া 12 বজাত সতী জয়মতী যোগ মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱদাস সিংহই যোগাসন প্ৰতিযোগিতা, সন্ধিয়া পাঁচ বজাত জিলা শৰীৰ চৰ্চা সন্থাৰ উদ্যোগত উদ্‌যাপন সমিতিৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া 'ৰংপুৰশ্ৰী' শীৰ্ষক দেহশ্ৰী প্ৰতিযোগিতা উদ্বোধন কৰিব যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে। উক্ত অনুষ্ঠানত সদৌ অসম শৰীৰচৰ্চা আৰু ফিটনেচ সন্থাৰ সভাপতি প্ৰশান্ত কুমাৰ বৰা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব। অহা 12 ডিচেম্বৰৰ দিনৰ 11 বজাত সদৌ অসম ভিত্তিত অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অনুষ্ঠিত হ'বলগীয়া প্ৰাইজমানি কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব শিৱসাগৰ ছোৱালী কলেজৰ বুৰঞ্জী বিভাগৰ প্ৰৱক্তা প্ৰবীণ শৰ্মাই আৰু আবেলি পাঁচ বজাত অভিনেত্ৰী গীতাৱলী ৰাজকুমাৰীয়ে উদ্বোধন কৰিব জনগোষ্ঠীয় সাজপাৰ প্ৰতিযোগিতা। 13 ডিচেম্বৰৰ দিনৰ 11 বজাত সদৌ অসম ভিত্তিত স্নাতক পৰ্যায়ৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈকে অনুষ্ঠিত হ'ব প্ৰাইজমানি কুইজ প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাখন উদ্বোধন কৰিব গড়গাঁও মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° চন্দ্ৰাদিত্য গগৈয়ে। আবেলি পাঁচ বজাত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই উদ্বোধন কৰিব শিৱসাগৰ ছোৱালী কলেজৰ পৰিৱেশিত বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়া। অহা±14 ডিচেম্বৰত দিনৰ 11 বজাত শিৱসাগৰ জিলা ভিত্তিত অনুষ্ঠিত হ'বলগীয়া চিত্ৰাংকন প্ৰতিযোগিতা ('ক' শাখা - প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ, 'খ' শাখা - ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ) উদ্বোধন কৰিব চিত্ৰশিল্পী মুজিদা বেগমে। আবেলি পাঁচ বজাত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰিব বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়া। উক্ত অনুষ্ঠানটো উদ্বোধন কৰিব শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুদ্ধিন মিশ্ৰই। ইপিনে, 15 ডিচেম্বৰৰ পুৱা সাত বজাত পদ্মশ্ৰী 'অৰণ্য মানৱ' যাদৱ পায়েঙে বৃক্ষৰোপণ কাৰ্যসূচীৰ আৰম্ভ কৰিব। পুৱা 8-30 বজাত উদ্‌যাপন সমিতিৰ পতাকা, সদৌ অসম আহোম সভাৰ পতাকা, শিৱসাগৰ জিলা আহোম সভাৰ ১৩ পৃষ্ঠাত চাওক

## আজি অনুষ্ঠিত হ'ব 'জাৰ্মানীৰ কিছু ইতিবাচক কথা' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড় ২৬ নৱেম্বৰ ঃ** ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, শদিয়া মহাবিদ্যালয়, বি এন কলেজ, ধুবুৰী, অ' পি ডি কলেজ, ডিব্ৰুগড় সাহিত্য সভা, নগাঁও জিলা সাহিত্য সভা, অসম সাহিত্য সভা মুম্বাই স্বৰ্ণ শাখা, অসম সাহিত্য সভা উত্তৰ আমেৰিকা শাখা আৰু অসম সাহিত্য সভা গ্ৰেটব্ৰিটেইন শাখাৰ উদ্যোগত 27 নৱেম্বৰৰ সন্ধ্যা 6.30 বজাত অনলাইন মাধ্যমত অনুষ্ঠিত হ'ব 'জাৰ্মানীৰ কিছু ইতিবাচক কথা' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় মননশীল বক্তৃতানুষ্ঠান। পোন প্ৰথমবাৰৰ বাবে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ, উত্তৰ আমেৰিকা, ১৩ পৃষ্ঠাত চাওক

# নগাঁৱত বিশ্ব প্ৰতিবন্ধী দিৱস উদ্‌যাপনৰ

*১২ পৃষ্ঠাৰ পৰা* বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামীক মুখ্য অতিথিৰূপে আমন্ত্ৰণ কৰা অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব নগাঁও জিলাৰ নৱনিযুক্ত উপায়ুক্ত নিসৰ্গ হিৱৰে আৰু নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ। দিব্যাংগসকলৰ ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন আঁচনি, আইন সাহায্য, শিক্ষাগ্ৰহণৰ অধিকাৰ তথা প্ৰতিভা বিকাশৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে অনুপ্ৰাণিত কৰিবলৈ সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব সৰ্বশিক্ষা মিছনৰ নগাঁও জিলা আঁচনি বিষয়া শ্ৰুতিমালা গায়ন, বিশিষ্ট মানৱ অধিকাৰ কৰ্মী ড° সীমা বৰা আৰু নিৰ্দিষ্ট অতিথিৰূপে নগাঁও জিলা সমাজ কল্যাণ বিষয়া ৰুবী কলিতা। দুপৰীয়া অনুষ্ঠিতব্য অনুষ্ঠানতে স্মৰণিকা 'প্ৰত্যাশা' উন্মোচন কৰা হ'ব। উন্মোচন কৰিব বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ উপেন্দ্ৰ বৰকটকীয়ে। বিয়লি দুপৰীয়াৰ আহাৰ গ্ৰহণ, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু সন্ধিয়া বিশেষভাৱে সক্ষম লোকৰ দ্বাৰা পৰিৱেশিত হ'ব সাংস্কৃতিক অনুষ্ঠান 'স্নেহবন্ধন'। অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হ'ব দিব্যাংগ (দৃষ্টিহীন) কণ্ঠশিল্পী বিমান পাটৰ, দিগন্ত নাথ, বিনীত বৰা, ৰূপজ্যোতি গায়ন আৰু একাদশী মণ্ডলৰ লগতে পূজা শৰ্মা আৰু নিষ্ঠাজিতা শইকীয়াৰ গীত পৰিৱেশন। উক্ত অনুষ্ঠানত সাংবাদিক নীলৰঞ্জন শৰ্মাৰ পৰিকল্পনা আৰু পৰিচালনাত দুখনকৈ নাট ক্ৰমে 'পাৱাৰ অৱ ইণ্ডিয়া' আৰু 'স্বচ্ছতালৈ এখোজ' মঞ্চস্থ কৰিব বধিৰ নাট্য শিল্পীসকলে। স্নেহবন্ধন অনুষ্ঠানৰ আঁত ধৰিব প্ৰতিবন্ধী কথাশিল্পী জ্যোতিকা শইকীয়াই। বিশ্ব প্ৰতিবন্ধী দিৱসৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে বিনম্ৰতাৰে কামনা কৰিছে।

# মজদুৰ কংগ্ৰেছৰ ২৮ সংখ্যক অধিবেশনৰ

*১২ পৃষ্ঠাৰ পৰা* অনুষ্ঠিত কৰিবলৈ 13 নৱেম্বৰত এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰে। ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ অন্তৰ্ভুক্ত অসমৰ প্ৰভাৱশালী শ্ৰমিক সংগঠনসমূহৰ প্ৰবীণ শ্ৰমিক নেতৃবৃন্দক পৃষ্ঠপোষক আৰু উপদেষ্টা মণ্ডলী হিচাপে লৈ গঠন কৰা অভ্যৰ্থনা সমিতিত অ'.এন.জি.চি. পূৰ্বাঞ্চল এমপ্লইজ এছ'চিয়েচনৰ সাধাৰণ সম্পাদক সঞ্জীৱ বৰুৱাক সভাপতি আৰু শ্ৰমিক নেতা পূৰ্ণকান্ত বুঢ়াগোহাঁইক সাধাৰণ সম্পাদকৰূপে লৈ ১৩খন উপ-সমিতিত জিলাখনৰ বিভিন্ন শ্ৰমিক সংগঠন আৰু সমাজকৰ্মীক অন্তৰ্ভুক্ত কৰিছে। ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছে প্ৰতিষ্ঠা কালৰে পৰা, শ্ৰমজীৱী লোকে সন্মুখীন হোৱা অভাৱনীয় সমস্যাৰাজি প্ৰতিৰোধ কৰিবলৈ সংগঠিতভাৱে গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰাখিছে। সাম্প্ৰতিক পৰিস্থিতিত চৰকাৰৰ শ্ৰমিক তথা জনবিৰোধী নীতিৰ প্ৰতিবাদত সংগঠিত গণতান্ত্ৰিক আন্দোলন অধিক গতিশীল কৰিবলৈ ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ অসম শাখাৰ 28 সংখ্যক অধিৱেশনৰ অধিক গুৰুত্ব আৰু প্ৰয়োজনীয়তা আহি পৰিছে। ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ এই অধিৱেশনত ৰাজ্যখনৰ সকলো স্তৰৰ শ্ৰমিক কৰ্মচাৰীৰ সমাৱেশ, বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, সহস্ৰাধিক শ্ৰমিক প্ৰতিনিধিৰ অংশগ্ৰহণৰে বিষয় বাছনি সভা আৰু অধিৱেশনৰ উপলক্ষত তথ্যসমৃদ্ধ স্মৃতিগ্ৰন্থ প্ৰকাশৰ উপৰি বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হ'ব। এনে পৰিস্থিতিত আগন্তুক অধিৱেশন সফল কৰিবৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ অন্তৰ্ভুক্ত অসম শাখাৰ সকলো শ্ৰমিক সংগঠন আৰু গণতান্ত্ৰিক ব্যক্তি তথা দল-মত নিৰ্বিশেষে সকলো ৰাইজৰ সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ কামনা কৰিছে, অভ্যৰ্থনা সমিতিৰ সভাপতি সঞ্জীৱ বৰুৱা আৰু সাধাৰণ সম্পাদক পূৰ্ণকান্ত বুঢ়াগোঁহায়ে।

# আজি অনুষ্ঠিত হ'ব 'জাৰ্মানীৰ কিছু

*১২ পৃষ্ঠাৰ পৰা* গ্ৰেট ব্ৰিটেইন, জাৰ্মানী, দক্ষিণ আফ্ৰিকাৰ পৰা মুম্বাইলৈ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা মাধৱদেৱ বিশ্ববিদ্যালয়লৈ, ডিব্ৰুগড়, নগাঁও, লখিমপুৰক সামৰি অনুষ্ঠিত হ'বলগীয়া বক্তৃতানুষ্ঠানটিত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰিব জাৰ্মানীৰ এজন আই টি বিশেষজ্ঞ তথা অসম সন্তান শ্ৰীমন্ত ভূঞাই। স্নেহবন্ধনৰ সভানেত্ৰী তথা গ্ৰেট ব্ৰিটেইন শাখা সাহিত্য সভাৰ সভানেত্ৰী মঞ্জিৰা চৌধুৰীয়ে সঞ্চালনা কৰিবলগীয়া বক্তৃতানুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰিব ডি এইছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াই। বক্তৃতানুষ্ঠানটি উদ্বোধন কৰিব অসম সাহিত্য সভা উত্তৰ আমেৰিকা শাখাৰ সভানেত্ৰী চৈয়দা জেবীন চাবীৰা শ্বাহে। শদিয়া কলেজৰ অধ্যাপিকা ইন্দিৰা গগৈয়ে আঁত ধৰিবলগীয়া অনুষ্ঠানটিত মুখ্য অতিথিৰূপে উপস্থিত থাকিব মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দিবাকৰ চন্দ্ৰ ডেকা, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা, স্নেহবন্ধনৰ উপদেষ্টা ড° বলেন্দ্ৰ চন্দ্ৰ দাস, স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতা, স্নেহবন্ধনৰ উপ-সভানেত্ৰী নিৰলা বৰুৱা, সহঃ সম্পাদক মুকুট গোহাঁই, অসম সাহিত্য সভা মুম্বাই স্বৰ্ণ শাখাৰ সভানেত্ৰী সুৰাইয়া জাহান, নগাঁও জিলা সহিতা সভাৰ সভাপতি পৰাণ বৰুৱা, বি এন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তী, শদিয়া মহবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ব্ৰজেন শইকীয়া, অ' পি ডি কলেজৰ অধ্যক্ষ ড° সুৰেশ দত্ত আৰু ডিব্ৰুগড় সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে। উল্লেখ্য যে অনুষ্ঠানটিত দেশ-বিদেশৰ ভালেকেইখন মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বহুকেইজন প্ৰৱাসী অসমীয়াই অংশগ্ৰহণ কৰিব।

# ন ন সংযোজনে সংবাদ মাধ্যমক

*১২ পৃষ্ঠাৰ পৰা* হোৱাটো স্বাভাৱিক। কিয়নো সময়ৰ লগতে প্ৰযুক্তিবিদ্যাৰ সংযোজনে সকলোতে আমূল পৰিৱৰ্তন হৈছে। অনুৰূপ সংবাদক্ষেত্ৰখনতো পৰিবৰ্তন হৈছে। সংবাদক্ষেত্ৰত যিমানেই পৰিবৰ্তন নহওক অসমৰ সংবাদ মাধ্যমে আজিও নিজৰ স্বকীয়তা বৰ্তাই ৰাখিছে। অতীতক পাহৰিলে নহ'ব অতীতক অনুসৰণ কৰি নতুন প্ৰজন্মৰ সংবাদসেৱীসকলে আগবাঢ়িব লাগিব বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে ৭০ দশকতেই কে'বাখনো অসমীয়া বাতৰি কাকতত সংবাদ সেৱা কৰা একালৰ সাংবাদিক-প্ৰবীণ সাহিত্যিক তথা শিক্ষাবিদ বৰুৱাই। উল্লেখ্য যে যোৱা ২৪ নৱেম্বৰত ঢেকিয়াজুলি প্ৰেছ ক্লাবৰ ধাৰাবাহিক অনুষ্ঠান 'প্ৰেৰণা' নবীন-প্ৰবীণ প্ৰতিভাধৰৰ স'তে আলাপ শীৰ্ষক অনুষ্ঠানত ঢেকিয়াজুলিৰ সাহিত্যিক পেঞ্চনপ্ৰাপ্ত, একালৰ প্ৰবীণ সাংবাদিক, ১৫খনকৈ গ্ৰন্থৰ প্ৰণেতা, নীৰৱ সাহিত্যিক, কথাশিল্পী, শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বৰুৱাৰ স'তে অনুষ্ঠিত হয়। ঢেকিয়াজুলি প্ৰেছ ক্লাবৰ তৰফৰ পৰা আয়োজন কৰা 'প্ৰেৰণা' অনুষ্ঠানত তেওঁ ঢেকিয়াজুলি প্ৰেছ ক্লাবৰ সাংবাদিকসকলৰ স'তে মত বিনিময় কৰি কয়, '৭০ দশকত সংবাদ মাধ্যমত কাম কৰাটো অতি জটিল আছিল। তেওঁৰ পিতৃ প্ৰয়াত চন্দ্ৰ শেখৰ দাসৰ পৰাই সংবাদ সেৱাত আকৃষ্ট হৈ ৭০ দশকত অসমৰ বিভিন্ন ঠাইৰ পৰা প্ৰকাশিত কাকতত সংবাদ পৰিৱেশন কৰিছিল। ইপিনে, ঢেকিয়াজুলি প্ৰেছ ক্লাবৰ ধাৰাবাহিক অনুষ্ঠান 'প্ৰেৰণা' নবীন-প্ৰবীণ প্ৰতিভাধৰৰ স'তে আলাপ' শীৰ্ষক অনুষ্ঠানত ঢেকিয়াজুলিৰ ললিত বৰুৱাক গামোচা, জাপিৰে সম্বৰ্ধনা জনায় ঢেকিয়াজুলি প্ৰেছ ক্লাবে। ঢেকিয়াজুলি প্ৰেছ ক্লাবৰ সম্পাদক কল্পজ্যোতি নাথে আঁত ধৰা অনুষ্ঠানত পৌৰোহিত্য কৰে প্ৰেছ ক্লাবৰ সভাপতি গোলক বৰাই। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক বদন দাস, দুলাল নাথ, তপন চক্ৰৱৰ্তী, হৰেণ ভূমিজ, বগা তপ্ন', লক্ষণ গোৱালা, বিপুল ফয়েল, শনি দৈমাৰী আদিকে ধৰি সদস্যসকল উপস্থিত থাকে।

# সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি

*১২ পৃষ্ঠাৰ পৰা* পতাকা উত্তোলন কৰিব ক্ৰমে উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ কুমাৰ বুঢ়াগোহাঞি, সদৌ অসম আহোম সভাৰ কেন্দ্ৰীয় সভাপতি উমাকান্ত কোঁৱৰ আৰু জিলা সমিতিৰ সভাপতি জয়ন্ত ৰাজকোঁৱৰে। আনহাতে, শিৱসাগৰ জিলাৰ সংগঠনসমূহৰ প্ৰতিনিধি আৰু বিশিষ্ট ব্যক্তিসকলে 150 খন পতাকা উত্তোলন কৰিব। পুৱা 9-30 বজাত টাই পণ্ডিত তিলেশ্বৰ মহনে মৈদাম তৰ্পণ, পুৱা 10 বজাত সাহিত্যাচাৰ্য নাহেন্দ্ৰ পাদুনে স্মৃতি তৰ্পণ, দিনৰ 11 বজাত গ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী আৰু অৰুণাচলৰ বিশিষ্ট সাহিত্যিক পদ্মশ্ৰী মামাং দায়ে। দিনৰ 11-30 বজাত 'অসমীয়া সমাজ জীৱনলৈ পদ্মনাথ গোহাঞি বৰুৱাৰ অৱদান' শীৰ্ষক আলোচনাচক্ৰ উদ্বোধন কৰিব পদ্মশ্ৰী ইমৰান শ্বাহ আৰু সঞ্চালনা কৰিব তাই গৱেষণা কেন্দ্ৰৰ অধ্যক্ষ ড° গিৰিন ফুকনে। আলোচক হিচাপে অংশগ্ৰহণ কৰিব যোৰহাট কলেজৰ অধ্যক্ষ দ° দেৱব্ৰত শৰ্মা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক ড° প্ৰবীণ গগৈ আৰু উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। আবেলি পাঁচ বজাত জনগোষ্ঠীয় নৃত্য, গীত আৰু পদ্মনাথ গোহাঞি বৰুৱাৰ 'টেটোন তামুলী' শীৰ্ষক কালজয়ী নাট পৰিৱেশন কৰিব অসম নাট্য সন্মিলনৰ হাঁহচৰা শাখা, লেবাং কলাকৃষ্টি সংঘ, ৰামধেনু নাট্যগোষ্ঠীয়ে। উক্ত অনুষ্ঠানটো উদ্বোধন কৰিব মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াই আৰু বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। অহা 16 ডিচেম্বৰৰ দুপৰীয়া 12-30 বজাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সদৌ অসম আহোম সভাৰ সভাপতি দিলীপ কুমাৰ বুঢ়াগোহাঞিয়ে সভাপতিত্ব কৰিবলগীয়া মুকলি সভা উদ্বোধন কৰিব শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে। আনহাতে, উক্ত সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব অসম চৰকাৰৰ খেল, যুৱকল্যাণ, সাংস্কৃতিক পৰিক্ৰমা, শক্তি আৰু পৰ্যটন মন্ত্ৰী বিমল বড়া, অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু, খিলঞ্জীয়া জনজাতীয় সাহিত্য সভাৰ সচিব প্ৰধান কমলা মুছাহাৰি, ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়ে। সিদিনাই সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা বঁটা আৰু পানীন্দ্ৰনাথ গগৈ বঁটা প্ৰদান কৰা হ'ব। সন্ধিয়া পাঁচবজাত পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ উপ-সভাপতি অতুল ফুকনে বন্তি প্ৰজ্বলন কৰাৰ পাছতে পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ সভাপতি ড° দয়ানন্দ বৰগোহাঁয়ে উদ্বোধন কৰিব বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়া।

# ড্ৰাগছ বিৰোধী অভিযানত আৰক্ষীক

*১২ পৃষ্ঠাৰ পৰা* চলি আছে। গ্ৰাম বিকাশ পৰিষদৰ নিচাযুক্ত কেন্দ্ৰত নিচাযুক্ত দ্ৰব্য আৰু ব্যাধি চিনাক্তকৰণ কৰা, পৰামৰ্শ প্ৰদান, চিকিৎসা আৰু পুনৰ সংস্থাপন, আশ্ৰয়দান, সজাগতা প্ৰদান আদি কাৰ্যসূচী হাতত লৈছে। এই কেন্দ্ৰটোৰ তত্ত্বাৱধানৰ দায়িত্বত থকা ছিৰাজ উদ্দিন আহমেদে যোৱা ২৫ নৱেম্বৰত অনুষ্ঠিত নিচাযুক্ত অভিযানৰ অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি কয় যে তেওঁলোকৰ কেন্দ্ৰত ২৩৪ জন নিচা সেৱনকাৰীৰ চিকিৎসা চলি আছে। ইয়াৰে ১৩৮ জন আৰক্ষীৰ দ্বাৰা লাভ কৰিছে আৰু ৫৬ জন নিচাযুক্ত দ্ৰব্য সেৱনকাৰীক অভিভাৱকে আনি দিছে। এই সকলৰ ভিতৰত ১৭৩ জন সুস্থ হৈ উঠিছে। তেওঁলোকৰ ভিতৰত বহুকেইজনে বিভিন্ন স্থানত কৰ্ম সংস্থাপন লাভ কৰিছে। গ্ৰামবিকাশ পৰিষদৰ বিষয়ববীয়াজনে ড্ৰাগছ মুক্ত অসম গঢ়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰা প্ৰচেষ্টাক প্ৰশংসা কৰে। তেওঁ নগাঁও জিলাৰ আৰক্ষী অধীক্ষককো প্ৰশংসা কৰি নগাঁও জিলাক নিচাযুক্ত কৰাৰ ক্ষেত্ৰত গ্ৰাম বিকাশ পৰিষদে সৰ্বতো প্ৰকাৰে সহায় আগবঢ়াব বুলি মন্তব্য কৰে। ইপিনে, উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰা নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই কয়, 'ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে ব্যাপক অভিযান চলাই আছে। কিন্তু নিচাযুক্ত দ্ৰব্য সৰবৰাহ অথবা সেৱন কৰা ব্যৱস্থাটো ৰক্তবীজৰ দৰে। যিমানেই আমি এনেধৰণৰ দুষ্কাৰ্যৰ লগত জড়িত ব্যক্তিক গ্ৰেপ্তাৰ কৰিছো সিমানেই নতুন নুতন সৰবৰাহকাৰীৰ সৃষ্টি হয়।' তেওঁ কয় যে নগাঁও জিলাৰ বটদ্ৰৱা, ধিং, কচুৱা, ৰূপহী, চামগুৰি আদি অঞ্চলৰ ভিতৰুৱা স্থানত নিচাযুক্ত দ্ৰব্য সেৱনকাৰী বা সৰবৰহকাৰীৰ সংখ্যা অধিক। আৰক্ষী অধীক্ষকজনে কয় যে অভিভাৱকে সন্তানৰ তদাৰক কৰা উচিত। কোন বন্ধুৰ লগত ঘূৰিছে, পিতৃ-মাতৃৰ পৰা লাভ কৰা ধন ক'ত খৰচ কৰিছে এইবোৰ দিশ তদাৰক কৰা উচিত। আৰক্ষী অধীক্ষকজনে ড্ৰাগছ বিৰোধী যুদ্ধত আৰক্ষীক সহায় কৰিবলৈ ৰাইজক আহ্বান জনায়। আজি অনুষ্ঠিত এই অনুষ্ঠানত প্ৰাক্তন সমাজ কল্যাণ বিষয়া প্ৰমিলা কন্দলি, অধিবক্তা চেহনাছ চুলতানা, চাহিনা খানম, অৱসৰপ্ৰাপ্ত আয়কৰ বিষয়া আব্দুল মজিদ ফাৰুকী, জিলা প্ৰাথমিক শিক্ষা বিষয়া লবজা জাৰামোচা আদিয়ে ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত নিচাযুক্ত অভিযানলৈ বিশেষভাৱে সেৱা আগবঢ়োৱা নগাঁও সদৰ থানাৰ আৰক্ষী বিষয়া মৃদুল বৰা, হয়বৰগাঁও, ইটাচালী, মৰিকলং, আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ক্ৰমে তৰংগ পাটোৱাৰী, সঞ্জীৱ কুমাৰ সিংহ, ত্ৰিলোচন নাথ, মানসিক আৰু স্নায়ুৰোগ বিশেষজ্ঞ ডাঃ জিয়াউদ্দিন আহমেদ, বিশ্বনাথ, শোণিতপুৰ, মৰিগাঁও আৰু হোজাই জিলাৰ নিচামুক্তি কেন্দ্ৰৰ বিষয়ববীয়াসকলক সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত নিচামুক্তি কেন্দ্ৰৰ জৰিয়তে আৰোগ্য হোৱা নিচামুক্ত লোকসকল, তেওঁলোকৰ পৰিয়াল স্থানীয় সমাজসেৱক-সেৱিকা আৰু স্বেচ্ছাসেৱী অনুষ্ঠানে অংশগ্ৰহণ কৰে। উল্লেখ্য যে সাম্প্ৰতিক সময়ত নিচাসক্ত লোকে বিভিন্ন ধৰণৰ ড্ৰাগছ সেৱন কৰি সমগ্ৰ দেশৰ লগতে অসমতো অস্থিৰতাৰ পৰিৱেশ সৃষ্টি কৰি আহিছে। যাৰ বাবে তেওঁলোকৰ জীৱন বিপন্ন হোৱাৰ লগতে নতুন প্ৰজন্ম অবাটে বাট বুলিব লগা হৈছে। এনে ভয়াৱহতাৰ পৰা দেশক মুক্ত কৰিবৰ বাবে ভাৰত চৰকাৰ আৰু অসম চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। এনে পদক্ষেপৰ ভিতৰত অন্যতম হ'ল 'নিচামুক্ত ভাৰত অভিযান'। চৰকাৰৰ এই কাৰ্যসূচী অনুসৰণ কৰি নগাঁৱৰ স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম বিকাশ পৰিষদে নিচামুক্ত অভিযান সহায়ক কেন্দ্ৰ স্থাপন কৰাৰ লগতে ৯৩৯৫২৯২৬৯২, ৭০০২৪২৪৯ ৪০, ৭০০২৪১০৮০০ নম্বৰৰ তিনিটা হেল্পলাইন নম্বৰ ৰাইজৰ সুবিধাৰ্থে মুকলি কৰা হৈছে।

# ২৯২টা আত্মসহায়ক গোটলৈ ১১.৩২ কোটিৰ ঋণ

## ■ উৎপাদিত সামগ্ৰীৰ মান উন্নত কৰাৰ পৰামৰ্শ জিলা উপায়ুক্তৰ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৬ নৱেম্বৰ ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, বৰপেটাৰ সৌজন্যত জিলাখনত থকা বিভিন্ন বেংকৰ সহযোগত আজি একেদিনাই 292টা মহিলা আত্মসহায়ক গোটৰ মাজত ১১.৩২ কোটি টকাৰ ঋণ প্ৰদান কৰা হয়। আজি বৰপেটাত অনুষ্ঠিত এখন ঋণ মেলাত এই ঋণত মঞ্জুৰি প্ৰদানৰ লগতে ইয়াৰে সিংহভাগ বিতৰণো কৰা হয়। জিলা পৰিষদৰ সভাগৃহত অনুষ্ঠিত উক্ত অনুষ্ঠানত উপায়ুক্ত তেজ প্ৰসাদ ভূচালে ঋণ মঞ্জুৰি পত্ৰ বিতৰণ কৰি ঋণমেলাৰ আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। তেওঁ কয় যে গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা ৰূপায়িত এই কাৰ্যসূচীৰ দ্বাৰা এফালে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় হোৱাৰ লগতে মহিলা সবলীকৰণৰ দিশতো ব্যাপক ইতিবাচক প্ৰভাৱ পৰিলক্ষিত হৈছে। তেওঁ মহিলাসকলক নিজৰ উৎপাদিত সামগ্ৰীৰ গুণমান বিশিষ্ট আৰু আকৰ্ষণীয়তা বৃদ্ধিৰ প্ৰচেষ্টা নিৰন্তৰ চলাই যাবলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে বজাৰ দখল কৰিবলৈ হ'লে উৎপাদিত সামগ্ৰীৰ মান উন্নত হোৱাৰ লগতে কিছু নতুনত্ব থকাৰ প্ৰয়োজন। লগতে উপযুক্ত প্ৰচাৰৰো আৱশ্যকতাৰ বিষয়ে তেওঁ দোহাৰে। বৰপেটা জিলা গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰকল্প প্ৰৱন্ধক সুমিত দাসে আঁতধৰা সভাখনত জিলা পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী বিষয়া চিত্তৰঞ্জন ডেকা, গ্ৰামীণ জীৱিকা অভিযানৰ ৰাজ্যিক প্ৰকল্প বিষয়া দীপাংকৰ বৰুৱা, অসম গ্ৰামীণ বিকাশ বেংকৰ আঞ্চলিক প্ৰৱন্ধক ৰামকৃষ্ণ শৰ্মা, নাবাৰ্ডৰ সহকাৰী মহাপ্ৰৱন্ধক শ্যামল কুমাৰ দে আৰু ইউকো বেংকৰ লীড প্ৰৱন্ধক প্ৰমোদ কুমাৰ, বৰপেটা জিলা গ্ৰামীণ স্বনিয়োজন প্ৰতিষ্ঠানৰ প্ৰৱন্ধক ৰঞ্জিত কুমাৰ তালুকদাৰ আদিয়েও ভাষণ প্ৰদান কৰে। উল্লেখ্য যে আজি প্ৰদান কৰা ঋণৰ সিংহভাগেই দিয়া হৈছে অসম গ্ৰামীণ বিকাশ বেংকৰ তৰফৰ পৰা। ইয়াৰ উপৰি এপেক্স বেংক, চেণ্ট্ৰেল বেংক, এইছডিএফচি বেংক, কানাৰা বেংক, ষ্টেট বেংক আদিৰ তৰফৰ পৰাও গোটসমূহলৈ ঋণ আগবঢ়োৱা হৈছে। জিলা জনসংযোগ বিষয়াই এই কথা প্ৰকাশ কৰি জনাইছে যে ইয়াকে লৈ চলিত বিত্তীয় বৰ্ষত অবিভক্ত বৰপেটা জিলাৰ ১১১৪টা আত্মসহায়ক গোটৰ মাজত ২০ কোটি ২৮ লাখ টকাৰ ঋণ প্ৰদান কৰা হৈছে।



বৰাক ডেম'ক্ৰেটিক ফ্ৰণ্টৰ প্ৰদীপ দত্ত ৰায়ক গ্ৰেপ্তাৰৰ দাবীত পুত্তলিকা দাহ অসমীয়া যুৱ মঞ্চৰ, লখিমপুৰত শুকুৰবাৰে।

# গোগ গাঁৱত বিনামূলীয়া পশুধন খাদ্য-ঔষধ বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৬ নৱেম্বৰ ঃ** পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, খানাপাৰাৰ পশু প্ৰসূতি বিভাগৰ মুৰব্বী অধ্যাপক ড° কুতুবুদ্দিন আহমেদৰ তত্ত্বাৱধানত চলি থকা আই চি এ আৰ প্ৰকল্পৰ সৌজন্যত জ্যোতি যুৱক সংঘ, গোগ (জানোপাৰ)ৰ সহযোগত যোৱা ২৫ নৱেম্বৰত কামৰূপ জিলাৰ গোগ গাঁৱত বিনামূলীয়া পশুখাদ্য বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পশুখাদ্য বিতৰণ কাৰ্যসূচীত আই চি এ আৰ প্ৰকল্পৰ অধীনত গাঁওখনৰ একাংশ গো-পালকৰ মাজত বিনামূলীয়াকৈ পশুখাদ্য আৰু ঔষধ যোগান ধৰা হয়। সেই মৰ্মে উক্ত দিনা দিনৰ প্ৰায় ১০ বজাত গোগ জানোপাৰ মছজিদ চৌহদত সমাজকৰ্মী নজিৰ বড়াৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠা গৱেষণা সহায়িকা ড° চাবেৰা ইছলাম চৌধুৰীয়ে। সভাত প্ৰকল্প মুখ্য বিজ্ঞানী ড° কুতুবুদ্দিন আহমেদে স্ব-নিয়োজনৰ জৰিয়তে বিজ্ঞানসন্মতভাৱে গো-পালন কৰি স্বাৱলম্বী হ'বলৈ শিক্ষিত নিবনুৱাসকলক আহ্বান জনায়। সভাখনত অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া তথা গোগ গাঁৱৰ সমাজকৰ্মী চৈয়দ জয়নাল হুছেইন, ৱাৰ্ড সদস্য ফাতেহুল মান্নান, বিহদিয়া-জাজিকোণা উন্নয়ন খণ্ডৰ অৱসৰপ্ৰাপ্ত গাণনিক বিষয়া তথা স্থানীয় সমাজকৰ্মী আজিজৰ ৰহমান বড়া প্ৰমুখ্যে কে'বাগৰাকীও ব্যক্তি উপস্থিত থাকে।

# ধুবুৰীৰ পাণবাৰীত বিএছএফ কেম্পত ৰক্তদান শিবিৰ



**অগ্ৰদূত বাৰ্তা, গৌৰীপুৰ, ২৬ নৱেম্বৰ ঃ** বিএছ এফৰ ধুবুৰীৰ ধুবুৰী ছেক্টৰৰ 19 আৰু 31 নম্বৰ বেটেলিয়নৰ সৌজন্যত আজি পাণবাৰীত থকা 41 নম্বৰ বি এছ এফ বেটেলিয়নৰ মুখ্য কাৰ্যালত ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। বি এছ এফৰ 57সংখ্যক প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি ধুবুৰী জিলাৰ বি এছ এফে আয়োজন কৰা ৰক্তদান শিবিৰত 70 জনকৈ বি এছ জোৱানে ৰক্তদান কৰে। আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মৰ্মে পূৰ্বৰ পৰা বলৱৎ থকা হাৰিয়ানা আৰু গুজৰাটৰ দৰে অলপতে পঞ্জাৱ, পশ্চিমবংগ আৰু অসমত আন্তঃৰাষ্ট্ৰীয় সীমাৰ পৰা 50 কিলোমিটাৰ ব্যাসাৰ্ধৰ অঞ্চলসমূহৰ বিএছএফৰ পহৰাৰ দায়িত্বত থাকিব। এই কথা ঘোষণা কৰে ছেক্টৰ ডি আই জি জে চি নায়কে। 50 কিলোমিটাৰ ব্যাসাৰ্ধৰ অঞ্চলত দেশৰ নিৰাপত্তাজনিত কাৰণত বি এছ এফে আৰক্ষীৰ সহযোগত অভিযান চলাব পাৰিব। তেনে অঞ্চলবোৰৰ ৰাইজে ভয় খোৱাৰ কোনো কাৰণ নাই বুলি ছেক্টৰ ডি আই জি নায়কে মন্তব্য কৰিছে।

# ছয়গাঁৱত বাটৰ নাট প্ৰদৰ্শন

*১২ পৃষ্ঠাৰ পৰা* ৰাইজক ভাষণৰ মাধ্যমেৰে অৱগত কৰে। ছয়গাঁৱৰ কে'বাগৰাকী বছা বছা শিল্পীয়ে অভিনয় কৰা নাটখন চাই অভিভূত হয় দৰ্শক। 'মোৰ মাটি, মোৰ অধিকাৰ' শীৰ্ষক শ্ল' গানেৰে আৰম্ভ কৰা এই নাটখনত সুন্দৰ অভিনয় কৰে তপন দাস, শংকৰ দাস, ৰাজীৱ দেৱান, ৰঞ্জিত কলিতা, মনোজ কাশ্যপ আৰু যুগল দাসে। এতিয়ালৈ ছয়গাঁও ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত এহেজাৰখন ভূমি নিষ্পত্তিৰ আবেদন ৰাইজৰ পৰা পোৱাৰ কথা উল্লেখ কৰে চক্ৰ বিষয়া সোণোৱালে।

# তামাৰহাটত বাগৰি পৰিল

*১২ পৃষ্ঠাৰ পৰা* ১০ চকীয়াৰ পৰা ২২ চকীয়া ডাম্পাৰত কটা শিল অভাৰ লোড কৰি ভাৰত-বাংলাদেশ সীমান্তৰ আন্তঃৰাষ্ট্ৰীয় বজাৰৰ যোগেদি বাংলাদেশলৈ চালান দি ৰমৰমীয়া ব্যৱসায় চলাই আছে। উক্ত কটা শিল ভৰ্তি তীব্ৰবেগী ডাম্পাৰবোৰৰ দৌৰাত্ম্য তথা সঘন চলাচলে চাৰিচকীয়া সৰু গাড়ী, বাইক-চাইকেল আৰোহী আৰু সাধাৰণ পথচাৰিসকলক শংকিত কৰি তুলিছে। তীব্ৰবেগী ডাম্পাৰৰ চলাচলে ভাবুকিৰ সৃষ্টি কৰিছে পথচাৰী আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনলৈ। আনকি ধুবুৰী-কচুগাঁও গড়কাপ্তানী পথত সঘনাই সংঘটিত হৈয়ে থাকে পথ দুৰ্ঘটনা। সেয়ে সাধাৰণ ৰাইজৰ জীৱনলৈ ভাবুকিৰ সৃষ্টি কৰা অ'ভাৰ লোড আৰু তীব্ৰবেগী ডাম্পাৰবোৰৰ চলাচলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ধুবুৰী জিলা আৰক্ষী প্ৰশাসনৰ ওচৰত স্থানীয় ৰাইজে দাবী উত্থাপন কৰিছে।

# প্ৰবীণ শিল্পী, ক্ৰীড়াবিদ চৌকত

*১২ পৃষ্ঠাৰ পৰা* পৰিষদৰ সম্পাদক মানস প্ৰতীম শৰ্মাই আঁত ধৰা আৰু উদ্দেশ্য অৱগত কৰা অনুষ্ঠানটোৰ আৰম্ভণিতেই পৰিষদৰ সভানেত্ৰী ৰাজু বৰুৱাই এখন ফুলাম গামোচা আৰু ফুলৰ থোপাৰে শিল্পীগৰাকীৰ দীৰ্ঘায়ু কামনা কৰে। তেজপুৰ জনসাংস্কৃতিক পৰিষদৰ কে'বাগৰাকী নবীন-প্ৰবীণ সদস্যই অংশগ্ৰহণ কৰা অনুষ্ঠানত কবি ৰাজু বৰুৱাই চৌকত আলীৰ প্ৰতি উছৰ্গা কৰা ৯৮ শীৰ্ষক কবিতাটো পাঠ কৰে কবি স্বপন মজুমদাৰে। চৌকত আলীৰ পুত্ৰ-বোৱাৰী, জী-জোঁৱাই সমন্বিতে পৰিয়ালৰ বিভিন্নজনে অংশগ্ৰহণ কৰা অনুষ্ঠানটোৰ শেষত নিজ অনুভৱ সদৰী কৰি ৯০ উৰ্ধ্বৰ শিল্পীজনে এনে আদৰৰ বাবে সকলোকে কৃতজ্ঞতা জনায়।

# ক্ষুদ্ৰ চাহ খেতিয়কসকলক

*১২ পৃষ্ঠাৰ পৰা* অসমত ৬০ টা প্ৰশিক্ষণ তথা প্ৰদৰ্শনীৰ স্থান স্থাপন কৰিছে য'ত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ শস্য উৎপাদন আৰু উপাৰ্জনৰ বৈচিত্ৰ্যকৰণৰ ওপৰত প্ৰশিক্ষণ দিয়া হ'ব। এছ এ পি প্ৰকল্পটোৰে অসমৰ ৫০ হেজাৰ কৃষকক চাহ আৰু আন কিছুমান গৌণ শস্য যেনে শাক-পাচলি কৃষি পদ্ধতিৰ প্ৰশিক্ষণ দিব। উল্লেখ্য যে ক্ষুদ্ৰ চাহ খেতিয়কৰ উন্নয়নৰ বাবে নেদাৰলেণ্ডস্থিত এন জি অ' চলিদাৰীডেড-এ বিগত তিনি বছৰৰ পৰা অসম, পশ্চিমবংগ আৰু তামিলনাডুত কাম কৰি আহিছে। আজিৰ অনুষ্ঠানত চলিদাৰীডেড এছিয়াৰ নতুন দিল্লী কাৰ্যালয়ৰ বিষয়ববীয়া ৰামানন্দ তিৱাৰী, এম এ গণেশ, তিনিচুকীয়াস্থ কাৰ্যালয়ৰ উদ্ধৱ শৰ্মা, তিনিচুকীয়া জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি মহম্মদ আমিন আদিয়ে অংশগ্ৰহণ কৰে আৰু অনুষ্ঠানটোৰ আঁত ধৰে চলিদাৰীডেডৰ মোক্ষদেৰ দাসে।

# বৰ্ণিবাৰীত লাচিত দিৱস উদ্‌যাপন

## ■ স্মৃতিগ্ৰন্থ 'হেংদাং' উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৬ নৱেম্বৰ ঃ** হিন্দু সুৰক্ষা সেনা নলবাৰী জিলাৰ উদ্যোগত নলবাৰী জিলাৰ ব্যৱসায়িকভাৱে প্ৰসিদ্ধ ঠাই বৰ্ণিবাৰীত যোৱা ২৪ নৱেম্বৰত দিনজোৱা কাৰ্যসূচীৰে লাচিত দিৱস উদ্‌যাপন কৰা হয়। পুৱা উদ্‌যাপন সমিতিৰ সভাপতি নিৰ্মল চন্দ্ৰ নাথে পতাকা উত্তোলন কৰাৰ পাছত গছপুলি ৰোপণ কৰে নলবাৰী জিলা এছ, চি মৰ্চাৰ উপ-সভাপতি যতীন দাসে। ইয়াৰ পাছত স্মৃতি তৰ্পণ কৰে প্ৰদীপ বৰ্মনে। পুৱা ১০ বজাত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে আঠ নম্বৰ বাঁহজানী গাঁও পঞ্চায়তৰ সভানেত্ৰী আৰতি বৈশ্যই। দুপৰীয়া অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে উৎযাপন সমিতিৰ সভাপতি নিৰ্মল চন্দ্ৰ নাথে। হিন্দু সুৰক্ষা সেনাৰ কেন্দ্ৰীয় সভাপতি জয়দেৱ হাজৰিকা বিশিষ্ট অতিথিৰূপে উপস্থিত থকা মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে যুৱ সমাজকৰ্মী তথা সংগঠক শান্তনু কলিতাই। আবেলি স্মৃতিগ্ৰন্থ 'হেংদাং' উন্মোচন কৰে বৃক্ষবন্ধু তথা শোলমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গংগাধৰ বৰ্মনে। আবেলি ৫-৩০ বজাত বন্তি প্ৰজ্বলন কৰে ক্ৰমে বৰ্ণিবাৰী গাঁও উন্নয়ন সমিতিৰ সভাপতি মাধৱ দাস, ভ্ৰমৰ মজুমদাৰ, বিকি দাস, দিলজিৎ বৰ্মন আৰু গুৰুপ্ৰসাদ দাসে।

# আজাৰাৰ সমাজকৰ্মী মলিন চন্দ্ৰ দাসৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা আজাৰা, ২৬ নৱেম্বৰ ঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ আজাৰা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী মলিন চন্দ্ৰ দাস (৮৫)ৰ আজি পুৱতি নিশা নিজ গৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুগৰাকী কন্যাক এৰি যায়। মৃত্যুৰ সময়লৈকে তেওঁ আজাৰা তালুক, আজাৰা ৰাজহুৱা সভাঘৰ, আজাৰা দুৰ্গা পূজা কমিটীকে ধৰি বৃহত্তৰ আজাৰা অঞ্চলৰ বিভিন্ন সামাজিক, সাংস্কৃতিক, ধৰ্মীয় আৰু ক্ৰীড়া সংগঠনৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল।

# নগাঁৱত ষ্টেছনৰ সমীপত হেৰ'ইনসহ মহিলা গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ নৱেম্বৰ ঃ** আজি সন্ধিয়া নগাঁৱৰ মৰিকলং আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলাই নগাঁও ৰেল ষ্টেছনৰ সমীপৰ হোটেলবাৰীৰ পৰা হেৰ'ইনসহ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত মহিলাগৰাকীৰ নাম চাহিনা বেগম আৰু তেওঁৰ ঘৰ চাৰিখুটিত বুলি আৰক্ষী সূত্ৰই জনাইছে। অভিযানৰ সময়ত আৰক্ষীয়ে হেৰ'ইন ভৰ্তিসহ ১১ টা কণ্টেইনাৰ জব্দ কৰে। তদুপৰি আৰক্ষীয়ে বুজন পৰিমাণৰ নিচাযুক্ত ঔষধো জব্দ কৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত আৰক্ষীয়ে ধৃত মহিলাগৰাকীক সোধপোছ অব্যাহত ৰাখিছে।

# ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশেষ সন্মান বিশ্বনাথৰ চিকিৎসকক

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৬ নৱেম্বৰ ঃ** বিশ্বনাথ চাৰিআলি নগৰৰ মাজ- মজিয়াত অৱস্থিত কে পি মেম'ৰিয়েলৰ স্বত্ত্বাধিকাৰী ডাঃ অমল শইকীয়াই কঢ়িয়াই আনিলে গৌৰৱ। দৰাচলতে বিশ্বনাথ চাৰিআলিৰ 'ৰুৰেল হেল্থ এণ্ড উই' নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে বিশেষকৈ সেই সংগঠনটোৰে প্ৰতিষ্ঠাপক সভাপতি ডাঃ অমল শইকীয়াৰ নিস্বাৰ্থ আৰু আশাশুধীয়া প্ৰচেষ্টাত বিশেষভাৱে সক্ষম শিশুসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ কাৰণে গঢ় লৈ উঠা 'ৰেঙণি' নামৰ অস্থায়ী বাসগৃহত এতিয়া আনন্দ আৰু সন্তুষ্টিৰ বা বলিছে। কাৰণ সমাজৰ অৱহেলিত, অসহায় এই বিশেষভাৱে সক্ষম দেৱশিশুসকলক চৰকাৰী সাহায্য নোলোৱাকৈ নিস্বাৰ্থভাৱে সহায়ৰ হাত আগবঢ়াই অহাৰ বাবে 'ৰুৰেল হেল্থ এণ্ড উই' স্বেচ্ছাসেৱী সংগঠনক সন্ত ঈশ্বৰ ফাউণ্ডেছন আৰু ৰাষ্ট্ৰীয় সেৱা ভাৰতীয়ে আগবঢ়োৱা 'সন্ত ঈশ্বৰ সেৱা সন্মান ২০২১' প্ৰদান কৰে। এই সন্মান দেশৰ ১৬টা সংগঠন আৰু ব্যক্তি ২০২১ৰ সন্মানৰ বাবে নিৰ্বাচিত হৈছিল আৰু অসমৰ পৰা 'ৰুৰেল হেল্থ এণ্ড উই' (২০০২ত স্থাপন) হ'ল দ্বিতীয়টো সংগঠন। ২১ নৱেম্বৰত নতুন দিল্লীৰ বিজ্ঞান ভৱনত আৰ এছ এছ প্ৰধান মোহন ভগৱত আৰু কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন মুণ্ডাৰ পৰা গ্ৰহণ কৰে এই বঁটা লগতে কে'বাজনো গণ্যমান্য ব্যক্তিৰ উপস্থিতিত এই সন্মান প্ৰদান কৰা হয়। সন্মান হিচাপে থাকে নগদ এক লাখ টকা, এটি ট্ৰফি আৰু এখন প্ৰশস্তি পত্ৰ। 'ৰুৰেল হেল্থ এণ্ড উই' নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ প্ৰতিষ্ঠাপক সভাপতি ডাঃ অমল শইকীয়াই এই বিশেষ বঁটা গ্ৰহণ কৰি সমগ্ৰ বিশ্বনাথলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে স্বেচ্ছাসেৱী সংগঠনটোৰ প্ৰতিগৰাকী বিষয়ববীয়াৰ মাজত উৎফুল্লিত পৰিৱেশ গঢ় লৈ উঠিছে।

# আত্মনিৰ্ভৰশীল ভাৰত অভিযান ৰূপায়ণ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৬ নৱেম্বৰ ঃ** মন কৰিলেই চন, বাকৰিতে আছে ধন, এই আপ্ত বাক্যশাৰী যেন আখৰে আখৰে ফলিয়াব ধৰিছে দৰঙৰ উত্তৰ পাৰৰ দলংঘাট ভকতপাৰাৰ এজাক মহিলাৰ ক্ষেত্ৰত। স্বাৱলম্বিতাৰে আগবাঢ়িব খোজা এই মহিলাসকলক সংগ দিছে স্থানীয় কে'বাখনো গাঁৱৰ পাঁচ শতাধিক মহিলাই। দৰঙৰ এগৰাকী সমাজসেৱী উদ্যোগী মহিলা ড° স্বৰ্ণা দেৱীৰ নেতৃত্বত আত্মনিৰ্ভৰশীল ভাৰত অভিযানৰ জৰিয়তে 'থ্ৰি মাডাৰছ এনজিঅ'ৰ উদ্যোগত আৰু নাৰ্বাডৰ সহযোগত ভকতপাৰাৰ পৰিত্যক্ত এশ বিঘা বাঁহতলীত স্থানীয় জাতি, ভলুকা, কঁটা, মকাল বাঁহৰ লগতে আমাদানিকৃত থাইলেণ্ডৰ বাঁহ চাৰি হেজাৰ জোপা ৰোপণ কৰা হৈছে। দৈনিক ৭০-৮০গৰাকী মহিলাই এক ঘন্টাকৈ বাঁহ ৰোপণ প্ৰতিপালন, ইয়াৰ দ্বাৰা কেনেকৈ নিত্য ব্যৱহাৰ্য সামগ্ৰী তৈয়াৰ কৰিব পাৰি তাৰো প্ৰশিক্ষণ আগবঢ়াই আহিছে। ১৫ দিনলৈ এই প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ব্যতিক্ৰমী আঁচনি হিচাপে দৰং জিলাত প্ৰথমবাৰৰ বাবে ৰোপণ কৰা এই বাঁহ গছসমূহ চাৰি-পাঁচ বছৰৰ ভিতৰত বজাৰলৈ উলিয়াই দিব পৰা হ'ব বুলি জানিবলৈ দিছে স্বৰ্ণা দেৱীয়ে। উল্লেখ্য যে ড° স্বৰ্ণা দেৱীয়ে থ্ৰী মাডাৰছ এনজিঅ'ৰ উদ্যোগত একক প্ৰচেষ্টাৰে মহিলাসকলক জড়িত কৰি হস্তশিল্প বোৱা-কটাৰ জৰিয়তে থলুৱা বস্ত্ৰ উৎপাদনত দৰঙত এক বিপ্লৱ গঢ়ি তোলাৰ চেষ্টা অব্যাহত ৰাখিছে।

# জি আই পি এছৰ চৌহদত গৱেষণাৰ বাবে 'চেল কালচাৰ' লেবৰেটৰী স্থাপন

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৬ নৱেম্বৰ ঃ** ফাৰ্মাচী শিক্ষা তথা গৱেষণাৰ ক্ষেত্ৰখনত অনবদ্য অৱদান আগবঢ়াই অহা গুৱাহাটীৰ আজাৰাস্থিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ ফাৰ্মাচিউটিকেল চায়েন্সৰ প্ৰতিষ্ঠান চৌহদত সম্পূৰ্ণ ৰূপে নিজ খৰচত স্থাপিত তথা কেন্দ্ৰীয় চৰকাৰৰ বায়টেকন'লজী বিভাগৰ দ্বাৰা অনুমোদিত ইনষ্টিটিউশ্যনেল বায়'চেফটি কমিটীৰ সহযোগত 'কোষ বিকাশ আৰু সংবৰ্ধন' এটি লেব'ৰেটৰীৰ যোৱা ২৫ নৱেম্বৰত উন্মোচন কৰা হয়। অনুষ্ঠানত প্ৰতিষ্ঠানটোৰ সকলো শিক্ষক-কৰ্মচাৰী তথা শিক্ষাৰ্থীসকলৰ উপস্থিতিত মুখ্য অতিথি ৰূপে আমন্ত্ৰিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য প্ৰফেছৰ প্ৰতাপজ্যোতি সন্দিকৈয়ে উন্মোচন কৰা লেব'ৰেটৰীটোৱেই



হৈছে উত্তৰ-পূব ভাৰতৰ ভিতৰত ব্যক্তিগত খণ্ডৰ কোনো প্ৰতিষ্ঠানৰ দ্বাৰা স্থাপিত এনে ধৰণৰ প্ৰথমটো লেব'ৰেটৰী। লেব'ৰেটৰী উন্মোচনৰ পাছত অনুষ্টুপীয়াকৈ অনুষ্ঠিত সভাত মুখ্য অতিথি তথা আমন্ত্ৰিত ব্যক্তিসকলক উদ্দেশ্যি আদৰণি সম্ভাষণ আগবঢ়োৱাৰ লগতে গৱেষণাৰ উত্তৰণ বাবে প্ৰতিষ্ঠানৰ বাবে ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে প্ৰতিষ্ঠানৰ অধ্যক্ষ প্ৰফেছৰ গৌৰাংগ দাসে। পোন প্ৰথমবাৰৰ বাবে প্ৰতিষ্ঠানত উপস্থিত হোৱা উপাচাৰ্যই প্ৰতিষ্ঠানৰ গৱেষণাৰ ক্ষেত্ৰত এনেধৰণৰ সমৰ্পণ আৰু আগ্ৰহী মনোভাৱৰ বাবে সকলোকে আন্তৰিক অভিনন্দন জনায় আৰু লগতে এনেধৰণৰ লেব'ৰেটৰী ব্যৱহাৰৰ ক্ষেত্ৰত ল'বলগীয়া সতৰ্কতা আৰু সাৱধানতাসমূহ সকলোকে মানি চলিবলৈ আহ্বান জনায়। উল্লেখ্য যে মূলতঃ কৰ্কট ৰোগৰ চিকিৎসাত ব্যৱহৃত ঔষধৰ গুণাগুণ সম্পৰ্কীয় গৱেষণাৰ কামসমূহৰ বাবে এইধৰণৰ লেব'ৰেটৰীৰ প্ৰয়োগ হোৱা দেখা যায়।

অসম চৰকাৰ

# ১১ লাখ প্ৰথম শ্ৰেণী ( নিয়মীয়া পৰিশোধকাৰী ) হিতাধিকাৰীৰ বাবে

# অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ শুভাৰম্ভণি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

এই আঁচনিখনৰ ৰাজ্যিক পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান অহা ২৮ নৱেম্বৰ,২০২১ তাৰিখে শোণিতপুৰ জিলাত অনুষ্ঠিত হ'ব। নৱেম্বৰ মাহত নিম্নলিখিত মুঠ ৮ খন জিলাৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰা হ'ব। বাকী জিলাসমূহৰ হিতাধিকাৰীসকলে পৰৱৰ্তী মাহৰ পৰা উদগনিমূলক সাহায্য লাভ কৰিব।

| ক্ৰ | জিলা | তাৰিখ | স্থান | অনুষ্ঠানৰ বিশিষ্ট অতিথি |
|---|---|---|---|---|
| ১ | শোণিতপুৰ | ২৮ নৱেম্বৰ, ২০২১ | তেজপুৰ কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয় | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত পীযুষ হাজৰিকা**, মাননীয় জল সম্পদ,তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত অশোক সিংঘল**, মাননীয় গৃহ আৰু নগৰ পৰিক্ৰমা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী |
| ২ | মাজুলী | ২৯ নৱেম্বৰ, ২০২১ | দক্ষিণপাট | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত বিমল বৰা**, মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী |
| ৩ | শিৱসাগৰ | ২৯ নৱেম্বৰ, ২০২১ | বোৰ্ডিং ফিল্ড | **ড° ৰণোজ পেগু**, মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী |
| ৪ | যোৰহাট | ২৯ নৱেম্বৰ, ২০২১ | যোৰহাট আদালত খেলপথাৰ | **ড° ৰণোজ পেগু**, মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী |
| ৫ | ডিমা হাছাও | ২৯ নৱেম্বৰ, ২০২১ | জিলা পুথিভঁৰাল সভাকক্ষ, হাফলং | **শ্ৰীযুত যোগেন মহন**, মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত দেৱলাল গাৰ্লোচা**, মাননীয় মুখ্য কাৰ্যবাহী সদস্য<br>**শ্ৰীযুতা নন্দিতা গাৰ্লোচা**, মাননীয়া বিধায়িকা<br>**শ্ৰীযুতা ৰাণু লাংথাছা**, মাননীয়া অধ্যক্ষা |
| ৬ | পশ্চিম কাৰ্বি আংলং | ২৯ নৱেম্বৰ, ২০২১ | কছাৰী বস্তী সভাকক্ষ, খেৰণি বজাৰ | **শ্ৰীযুত যোগেন মহন**, মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল বিভাগৰ মন্ত্ৰী |
| ৭ | চৰাইদেউ | ৩০ নৱেম্বৰ, ২০২১ | সোণাৰি ৰাজহুৱা খেল পথাৰ | **শ্ৰীযুত বিমল বৰা**, মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত যোগেন মহন**, মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল বিভাগৰ মন্ত্ৰী |
| ৮ | গোলাঘাট | ২ ডিচেম্বৰ, ২০২১ | সমন্বয় ক্ষেত্ৰ (সাধাৰণ খেলপথাৰ) | **শ্ৰীযুত কেশৱ মহন্ত**, মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত অতুল বৰা**, মাননীয় কৃষি, পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী |

## আঁচনিখনৰ অৱলোকন

- সমগ্ৰ দেশৰ ভিতৰতেই এই আঁচনিখন প্ৰথম প্ৰচেষ্টা আৰু মাইক্ৰ'ফাইনেন্স সংস্থাসমূহৰ পৰা ক্ষুদ্ৰ ঋণ লোৱা ব্যক্তিসকলক উদগনি আৰু সকাহ প্ৰদান কৰাই হৈছে আঁচনিখনৰ উদ্দেশ্য।
- প্ৰথম শ্ৰেণীৰ ঋণীক ২৫,০০০ টকা অথবা মুঠ অনাদায় ঋণৰ যিটোৱেই কম, সেই পৰিমাণৰ উদগনিমূলক সাহায্য চেকৰ জৰিয়তে প্ৰদান কৰা হ'ব।
- প্ৰথম শ্ৰেণীৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰাৰ পিছত বাকী দুটা শ্ৰেণীৰ হিতাধিকাৰীক পৰ্যায়ক্ৰমে সকাহ প্ৰদান কৰা হ'ব।

**বিত্ত বিভাগ | অসম চৰকাৰ**

জনসংযোগ/ডি/১০২১৫/২১

# শ্ৰেয়াছৰ শতকৰ পাছত কিৱিৰ সংগ্ৰাম

## দুৰ্ভেদ্য ৰক্ষণেৰে চিন্তাত পেলাইছে আলহী দলৰ দুই অপেনাৰে ঃ ব্যৰ্থ তিনি স্পীনাৰ



অৰ্ধশতৰাণ সম্পূৰ্ণ কৰি অভিনন্দন গ্ৰহণ কৰিছে নিউজিলেণ্ডৰ উইল ইয়ঙে।



**নিউজ ব্যুৰ'**
**কানপুৰ, ২৬ নৱেম্বৰ ঃ** শ্ৰেয়াছ আয়াৰৰ অভিষেক টেষ্টৰ শতৰাণৰ আনন্দ আজি ম্লান কৰিলে নিউজিলেণ্ডৰ দুই অপেনাৰে। শৃংখলাৰ প্ৰথম টেষ্টৰ দ্বিতীয় দিনা ভাৰতে ৩৪৫ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত কিৱি দলে কোনো উইকেট নেহেৰুৱাকৈ দিনান্তলৈ ১২৯ ৰাণ সংগ্ৰহ কৰিছে। আজি ভাৰতৰ হৈ দুৰ্দান্ত শতৰাণৰ ইনিংছ উপহাৰ দিয়ে অভিষেক টেষ্ট খেলা শ্ৰেয়াছ আয়াৰে।

ভাৰতে প্ৰাৰম্ভিক বিপৰ্যয় ৰোধ কৰি শক্তিশালী স্ক'ৰ সংগ্ৰহ কৰাৰ পাছত নিউজিলেণ্ডক বান্ধি ৰাখিব বুলি ধাৰণা কৰা হৈছিল। অথচ সততে স্পীনাৰক সহায় কৰা কানপুৰৰ গ্ৰীণপাৰ্কৰ উইকেটত নিউজিলেণ্ডৰ পাছত আজি ভাৰতীয় স্পীন বলাৰসকলেও কোনো সাহায্য লাভ নকৰিলে। যাৰ সুযোগ গ্ৰহণ কৰি কিৱি অপেনাৰদ্বয়ে শতকীয় ৰাণৰ অপৰাজিত যুটি গঢ়ে। দিনান্তলৈ উইল ইয়ঙে ৭৫ আৰু টম লেথামে ৫০ ৰাণত অপৰাজিত থাকে। ইয়াৰ পূৰ্বে কালিৰ চাৰি উইকেটত ২৫৮ ৰাণৰ পৰা খেল আৰম্ভ কৰি ভাৰতীয় দলে সোনকালেই ৰবীন্দ্ৰ জাদেজা (৫০) আৰু ঋদ্ধিমান সাহা (১)ৰ উইকেট হেৰুৱাইছিল। অৱশ্যে উইকেটৰ সিটো মূৰত পুৱাৰে পৰা আক্ৰমণাত্মক ৰূপ লোৱা শ্ৰেয়াছে সোনকালেই নিজৰ শতৰাণ সম্পূৰ্ণ কৰে। অভিষেককাৰী বেটাৰজন ব্যক্তিগত ১০৫ ৰাণত আউট হয়। তেওঁৰ ১৭১টা বলৰ চিত্তাকৰ্ষক ইনিংছটোত আছিল ১৩টা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ। শেষৰফালে ৰবিচন্দ্ৰন অশ্বিনে ৩৮ ৰাণৰ বৰঙণি যোগায়। কিৱি ফাষ্টবলাৰ টিম ছাউথীয়ে ৬৯ ৰাণৰ বিনিময়ত পাঁচটা উইকেট দখল কৰে। কালি তিনিটা উইকেট পোৱা কাইল জেমিছন অৱশ্যে আজি সফল নহ'ল। বাকী দুটা উইকেট পায় স্পীনাৰ এজাজ পেটেলে।



মুম্বাইত বেটিং অনুশীলন আৰম্ভ কৰিলে বিৰাট কোহলিয়ে।

## লাংহিনত বড়ো ছহিদ কাপ ফুটবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২৬ নৱেম্বৰ ঃ** কাৰ্বি আংলং জিলাৰ লাংহিন ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু বড়ো ছহিদ ন্যাসৰ সহযোগত লাংহিন গৰৈমাৰী ষ্টেডিয়ামত আজিৰে পৰা আৰম্ভ হৈছে ২৪ সংখ্যক বড়ো ছহিদ কাপ ফুটবল। ৰাজ্যৰ মুঠ নটা আগশাৰীৰ দলে এই আমন্ত্ৰণমূলক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। আজিৰ উদ্বোধনী খেলত মৰিগাঁৱৰ বাংফৰ ইউনাইটেড ফুটবল ক্লাবে নগাঁৱৰ জে বি ফুটবল ক্লাবক ৩-০ গ'লত পৰাজিত কৰে। বিজয়ী দলৰ হৈ ৰঞ্জন নাৰ্জাৰীয়ে দুটা আৰু উদিত বসুমতাৰীয়ে এটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী আলংবাৰ স্বৰ্গীয়াৰীক সহায় কৰে ৰাজু টিচ', আৰউইনছন কিলিং আৰু চতুৰ্থ ৰেফাৰী হনছিং কিলিঙে। খেলৰ পূৰ্বে প্ৰতিযোগিতাখন উদ্বোধন কৰে কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক ড° পংকজ টেৰনে। কাইলৈ ডিফুৰ জিৰপ' শিংৰী এফ চিয়ে হাওৰাঘাট ক্ৰীড়া সন্থাৰ বিৰুদ্ধে খেলিব বুলি আয়োজক সন্থাৰ সম্পাদক নাৰায়ণ বসুমতাৰীয়ে জনাইছে। ফাইনেলখন অনুষ্ঠিত হ'ব চাৰি ডিচেম্বৰত।

## ইণ্ডোনেছিয়া অপেনৰ ছেমিফাইনেলত সিন্ধু

**নিউজ ব্যুৰ'**
**বালি, ২৬ নৱেম্বৰ ঃ** দুৰ্দান্ত প্ৰত্যাৱৰ্তন ঘটাই ইণ্ডোনেছিয়া অপেন বেডমিণ্টনৰ মহিলা ছিংগল্‌ছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিলে পি ভি সিন্ধুৱে। দুবাৰৰ অলিম্পিক পদকজয়ী ভাৰতীয় তাৰকাগৰাকীয়ে আজিৰ কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ কোৰিয়াৰ ছিম ইউয়িনৰ বিপক্ষে প্ৰথম গেমত পৰাজিত হৈছিল। অৱশ্যে দুৰ্দান্তভাৱে উভতি ধৰি বৰ্তমানৰ বিশ্ব চেম্পিয়ন সিন্ধুৱে খেলখনত ১৪-২১, ২১-১৯, ২১-১৪ পইণ্টৰ ব্যৱধানত বিজয়ী হয়। প্ৰতিযোগিতাৰ তৃতীয় বাছনিপ্ৰাপ্ত তাৰকাগৰাকীয়ে ছেমিফাইনেলত জাপানৰ আছুকা তাকাহাছি বা থাইলেণ্ডৰ ৰাটচান'ক ইণ্টাননৰ বিপক্ষে খেলিব।

## শীৰ্ষলৈ ওভতাৰ সুযোগ ভাৰতৰ

**নিউজ ব্যুৰ'**
**মুম্বাই, ২৬ নৱেম্বৰ ঃ** চলিত শৃংখলাতে নিউজিলেণ্ডৰ দখলৰ পৰা আইচিচি টেষ্ট ৰেংকিঙৰ এক নম্বৰ স্থান পুনৰুদ্ধাৰ কৰাৰ সুযোগ পাইছে ভাৰতীয় দলে। সম্প্ৰতি ভাৰতীয় দল দুই নম্বৰ ৰেংকিঙত আছে। আইচিচি টেষ্ট চেম্পিয়নশ্বিপত ভাৰতক পৰাজিত কৰি নিউজিলেণ্ডে এক নম্বৰ আসনখন অধিকাৰ কৰিছিল। অৱশ্যে এক নম্বৰলৈ প্ৰত্যাৱৰ্তনৰ বাবে ভাৰতে চলিত দুখনীয়া টেষ্ট শৃংখলাত ২-০ত জয়ী হ'ব লাগিব। শৃংখলাত ১-০ত জয়ী হ'লেও ভাৰতৰ বাবে শীৰ্ষস্থান দখল সম্ভৱ নহ'ব। এই সময়ত দল দুটাৰ মাজত আছে সাতটা ৰেটিং পইণ্টৰ ব্যৱধান।

## বিশেষ কৃতিত্ব অৰ্জন শ্ৰেয়াছৰ
### অভিষেকত শতৰাণকাৰী ভাৰতৰ ষষ্ঠদশ বেটাৰ

**নিউজ ব্যুৰ'**
**কানপুৰ, ২৬ নৱেম্বৰ ঃ** নিউজিলেণ্ডৰ বিপক্ষে প্ৰথম টেষ্টৰ দ্বিতীয় দিনা শতৰাণ অৰ্জন কৰিলে শ্ৰেয়াছ আয়াৰে।জীৱনৰ প্ৰথম টেষ্ট ইনিংছতে মুম্বাইৰ মধ্যক্ৰমৰ বেটাৰজনে ১০৫ ৰাণৰ এক দায়িত্বশীল ইনিংছ উপহাৰ দিয়ে। এই ইনিংছেৰে শ্ৰেয়াছে দলক বিপদৰ পৰাও উদ্ধাৰ কৰিছিল।

অভিষেক টেষ্টত শতৰাণ অৰ্জন কৰা শ্ৰেয়াছ হ'ল বিশ্বৰ ১১০সংখ্যক বেটাৰ। আনহাতে, ভাৰতৰ ষষ্ঠদশ বেটাৰৰূপে তেওঁ এই বিশেষ কৃতিত্ব অৰ্জন কৰে। ইয়াৰ পূৰ্বে ভাৰতৰ হৈ অভিষেক টেষ্টত শতৰাণ অৰ্জন কৰিছিল লালা অমৰনাথ, দীপক সোধন, হনুমন্ত সিং, আব্বাছ আলী বেইগ, এ জি কৃপাল সিং, গুণ্ডাপ্পা বিশ্বনাথ, সুৰিন্দাৰ অমৰনাথ, মহম্মদ আজহাৰউদ্দিন, প্ৰবীণ আমৰে, সৌৰভ গাংগুলী, বীৰেন্দ্ৰ সেৱাগ, সুৰেশ ৰাইনা, শিখৰ ধৱন, ৰোহিত শৰ্মা আৰু পৃথ্বি শ্ব'ৱে। ২০১৮ত পৃথ্বিয়ে ৱেষ্টইণ্ডিজৰ বিপক্ষে ৰাজকোটত অভিষেক ঘটাই ১৩৪ ৰাণ কৰাৰ তিনি বছৰৰ পাছত কোনো ভাৰতীয় বেটাৰে এই কৃতিত্ব স্থাপন কৰিলে।

## অসম ছাৱাটে চেম্পিয়নশ্বিপ

**গুৱাহাটী, ২৬ নৱেম্বৰ ঃ** অসম ছাৱাটে সংস্থাৰ দ্বাৰা আয়োজিত প্ৰথম বাৰ্ষিক সদৌ অসম ছাৱাটে প্ৰতিযাগিতাখন যোৱা ২১ নৱেম্বৰত সফলতাৰে সম্পন্ন হয়। কটন বিশ্ববিদ্যালয়ৰ আন্তঃদ্বাৰ ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাত শতাধিক খেলুৱৈ আৰু কৰ্মকৰ্তাই অংশ লয়। প্ৰতিযোগিতাৰ বিভিন্ন শাখাত স্বৰ্ণপদক লাভ কৰা খেলুৱৈসকল হৈছে— (ল'ৰা) বিজয় ভৌমিক, শুবজিৎ পাল, সৌৰভজ্যোতি শইকীয়া, ৰাজ টেৰন, শুভ বড়ো, ৰাজদীপ দাস, অভিজ্ঞান পাটোৱাৰী, সূৰয পাল, তক্ষিল শৰ্মা, কিশোৰ দাস, দীপজ্যোতি, ৰোহিত দাস, দীপজ্যোতি গগৈ, গণেশ বৰা, টিংকু সোম, ছাহিল দাস, অভিক্ষিত শৰ্মা, (ছোৱালী) নিকিতা দাস, গাৰ্গী কাশ্যপ পাল, লিপকা সিনহা, শান্তা সিনহা, ৰশ্মি দাস, নোৰেল ৰাজখ'ল, অনুষ্কা দাস, পাৰবিন আহমেদ, ভূমিকা সিনহা, সুহানা বেগম, শুলক্ষণা ৰয় আৰু মৌমিতা পাল।



*জম্মুত অনুষ্ঠিত ৰাষ্ট্ৰীয় ৰিডমিক জিমনাষ্টিক্‌ছত ৰিবন কেটেগৰীত ব্ৰঞ্জ অৰ্জন কৰিলে অসমৰ জিমনাষ্ট উপাসা তালুকদাৰে।*

## আফ্ৰিকাত ক'ভিডৰ নতুন ৰূপত আতংক
## কোহলি বাহিনীৰ ভ্ৰমণত জটিলতা

**নিউজ ব্যুৰ'**
**কলকাতা, ২৬ নৱেম্বৰ ঃ** কৰ'না ভাইৰাছৰ এক নতুন প্ৰজাতিয়ে সম্প্ৰতি ভয়াৱহ ৰূপ ধাৰণ কৰিছে আফ্ৰিকা মহাদেশত। যাৰ বাবে জটিলতাৰ সৃষ্টি হ'ল ভাৰতীয় ক্ৰিকেট দলৰ আগন্তুক দক্ষিণ আফ্ৰিকা ভ্ৰমণত। এতিয়া বিৰাট কোহলিৰ দলৰ এই ভ্ৰমণ নিৰ্ভৰ কৰিছে কেন্দ্ৰৰ সেউজ সংকেতৰ ওপৰত। এক সৰ্বভাৰতীয় সংবাদ মাধ্যমৰ সূত্ৰৰ মতে কেন্দ্ৰৰ সিদ্ধান্তলৈকে অপেক্ষা কৰিছে বিচিচিআয়ে।

উল্লেখ্য যে ১৭ ডিচেম্বৰৰ পৰা ভাৰত-দক্ষিণ আফ্ৰিকাৰ শৃংখলা আৰম্ভ হোৱাৰ কথা। অহা আঠ ডিচেম্বৰত ভাৰতীয় দলে দক্ষিণ আফ্ৰিকালৈ উৰা মৰাৰ কথা আছিল। সৰ্বভাৰতীয় সংবাদ মাধ্যমটোৰ মতে, কেন্দ্ৰৰ সিদ্ধান্তৰ ওপৰতে নিৰ্ভৰ কৰিছে উক্ত ভ্ৰমণৰ ভাগ্য। সম্প্ৰতি ভাৰত 'এ' দলে দক্ষিণ আফ্ৰিকাত খেলি আছে। সংবাদ মাধ্যমৰ সূত্ৰই জনাইছে যে শৃংখলাটোৰ অনুমতি পালে সতৰ্কতামূলক ব্যৱস্থাৰূপে সম্প্ৰতি দক্ষিণ আফ্ৰিকাত খেলি থকা ভাৰত 'এ' দলৰ একাংশ খেলুৱৈক কোহলি বাহিনীৰ স'তে ৰাখি থোৱা হ'ব পাৰে। ভাৰতীয় দলে দক্ষিণ আফ্ৰিকাত তিনিখন টেষ্ট, তিনিখন এদিনীয়া মেচ আৰু চাৰিখন টি-২০ মেচ খেলাৰ কথা। উল্লেখ্য যে সম্প্ৰতি আফ্ৰিকাত ক'ভিড-১৯ৰ নতুন এটা ৰূপে বিজ্ঞানীসকলক চিন্তাত পেলাইছে। বি.১.১.৫২৯ নামৰ এই প্ৰজাতিৰ প্ৰকোপতে আফ্ৰিকাত ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱা বুলি ধাৰণা কৰা হৈছে।

## লিটনৰ অপৰাজিত শতৰাণ ঃ ৰহিমৰো শতকৰ সুযোগ
# পাকিস্তানৰ বিপক্ষে সুন্দৰ আৰম্ভণি বাংলাদেশৰ



**নিউজ ব্যুৰ'**
**চট্টগ্ৰাম, ২৬ নৱেম্বৰ ঃ** লিটন দাসৰ অপৰাজিত শতৰাণৰ সহায়েৰে পাকিস্তানৰ বিপক্ষে প্ৰথম টেষ্টত সুন্দৰ আৰম্ভণি ঘটালে বাংলাদেশে। আজি প্ৰথম দিনাৰ খেল সমাপ্তিলৈ ঘৰুৱা দলটোৱে চাৰি উইকেটৰ বিনিময়ত ২৫৩ ৰাণ সংগ্ৰহ কৰিছে। লিটনে ১১৩ ৰাণত অপৰাজিত হৈ ৰয়।

পোনতে বেটিঙৰ সিদ্ধান্ত লৈ বাংলাদেশে ৪৯ ৰাণতে শীৰ্ষৰ চাৰি বেটাৰক হেৰুৱাই বিপদত পৰিছিল। অৱশ্যে লিটনে পাক বলাৰক প্ৰত্যাক্ৰমণ কৰাৰ লগতে অভিজ্ঞ মুছফিকাৰ ৰহিমৰ স'তে পঞ্চম উইকেটৰ অবিজিত যুটিত ২০৪ ৰাণ যোগ দি দলৰ স্ক'ৰ ভদ্ৰস্থ স্থানলৈ নিয়ে।লিটনৰ ২২৫টা বলৰ ইনিংছটোত আছে ১১টা বাউণ্ডেৰী আৰু এটা ছিক্সাৰ। ইফালে, লিটনক যোগ্য সহযোগ কৰা ৰহিমেও ৮২ ৰাণত অপৰাজিত হৈ থাকি শতৰাণৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে।

## ভাৰত 'এ' দলৰ যোগ্য প্ৰত্যুত্তৰ

**নিউজ ব্যুৰ'**
**জোহান্সবাৰ্গ, ২৬ নৱেম্বৰ ঃ** দক্ষিণ আফ্ৰিকা 'এ' দলৰ বিপক্ষে চাৰিদিনীয়া বেচৰকাৰী টেষ্টত ঘৰুৱা দলক যোগ্য প্ৰত্যুত্তৰ দিলে ভাৰত 'এ' দলে। প্ৰথমে বেটিং কৰি দক্ষিণ আফ্ৰিকা 'এ' দলে সাত উইকেটত ৫০৯ ৰাণ সংগ্ৰহ কৰি ইনিংছ ঘোষণা কৰিছিল। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে কালি তৃতীয় দিনাৰ খেল সমাপ্তিৰ পৰলৈ চাৰি উইকেটৰ বিনিময়ত ৩০৮ ৰাণ সংগ্ৰহ কৰে। ভাৰত 'এ' দলৰ হৈ শতৰাণ অৰ্জন কৰে অভিমন্যু ঈশ্বৰণে। মধ্যক্ৰমত বেটিং কৰি ২৬ বছৰীয়া বেটাৰজনে ২০৯টা বলত ১৬টা বাউণ্ডেৰীৰ সহায়ত ১০৩ ৰাণ কৰে। অৱশ্যে শতৰাণৰ পৰা বঞ্চিত হয় অধিনায়ক প্ৰিয়াংক পাঞ্চাল। তেওঁ ৯৬ ৰাণত আউট হয়। আনজন অপেনাৰ পৃথ্বি শ্ব'ৱে ৪৮ ৰাণ কৰাৰ উপৰি হনুমা বিহাৰীয়ে ২৫ ৰাণ কৰে।

## বকো এফ চি ফাইনেলত

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ২৬ নৱেম্বৰ ঃ** বকো এফ চিয়ে ধূপধৰা ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত দ্বিতীয় বাৰ্ষিক প্ৰাইজমানি ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। ধূপধৰা ৰাজহুৱা খেলপথাৰত আজি অনুষ্ঠিত ছেমিফাইনেলত বকোৱে গুৱাহাটী লখৰাৰ উদয়ন কৃষ্টি সংঘক ৮-১ গ'লৰ ব্যৱধানত শোচনীয়ভাৱে পৰাস্ত কৰে।

## ব্ৰাজিল মহিলা দলৰ বিপক্ষে ভাৰতৰ পৰাজয়

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৬ নৱেম্বৰ ঃ** ভাৰতীয় মহিলা ফুটবলৰ ইতিহাসত এক বিশেষ অধ্যায়ৰ সূচনা হ'ল বৃহস্পতিবাৰে। প্ৰথমবাৰলৈ বিশ্বৰ শীৰ্ষ ১০টা স্থানত থকা কোনো ফুটবল দলৰ বিপক্ষে আন্তৰ্জাতিক মেচ খেলিলে ভাৰতৰ মহিলা ফুটবল দলে। অৱশ্যে খেলখনত ব্ৰাজিলে ভাৰতীয় দলটোক শোচনীয়ভাৱে ৬-১ গ'লত পৰাজিত কৰে। প্ৰথমেই ব্ৰাজিলৰ ডেব'ৰা অলিভিয়েৰাই দলক আগুৱাই নিয়ে। অৱশ্যে কিছু ক্ষণৰ পাছতে ভাৰতৰ হৈ সমতা স্থাপন কৰিছিল মনীষা কল্যাণে। প্ৰথমাৰ্ধত ভাৰতীয় খেলুৱৈসকলে প্ৰাক্তন বিশ্ব চেম্পিয়ন দলটোৰ স'তে সমানে সমানে যুঁজ দিছিল। প্ৰথমাৰ্ধৰ অন্তিম ক্ষণত ব্ৰাজিললৈ পুনৰ অগ্ৰগতি আনে জিঅ'ভানা ক'ষ্টাই। দ্বিতীয়াৰ্ধত অৱশ্যে ব্ৰাজিলৰ নৈপুন্যত ভাৰতীয় দলটোৱে সেও মানে। ব্ৰাজিলৰ হৈ পৰৱৰ্তী সময়ত আৰিয়াদিয়া বৰ্জেছে দুটা তথা কেৰ'লিন ফেৰাজ আৰু গিজ ফেৰেৰাৰে এটাকৈ গ'ল দিয়ে।




## কিঅ'লৈ বিশ্ব কাৰাটে সংস্থাৰ স্থায়ী স্বীকৃতি প্ৰদান

**গুৱাহাটী, ২৬ নৱেম্বৰ ঃ** আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত কাৰাটেৰ আন্তৰ্জাতিক সংস্থা বিশ্ব কাৰাটে সংস্থাই দেশৰ পূৰ্বৰ ৰাষ্ট্ৰীয় কাৰাটে সংস্থা কাৰাটে এছ'চিয়েছন অৱ ইণ্ডিয়া (কাই)ৰ স্বীকৃতি স্থায়ীভাৱে বাতিল কৰিছে। ইয়াৰ পৰিৱৰ্তে কাৰাটে ইণ্ডিয়া অৰ্গেনাইজেছন (কিঅ')ক দেশৰ নতুন কাৰাটে ফেডাৰেছনৰূপে স্থায়ীভাৱে স্বীকৃতি প্ৰদান কৰিছে। এই কথা বিশ্ব কাৰাটে সংস্থাই ভাৰতীয় অলিম্পিক সন্থা আৰু কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰণালয়ক লিখিতভাৱে অৱগত কৰিছে। বিশ্ব ছিনিয়ৰ কাৰাটে প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি যোৱা ১৫ নৱেম্বৰত ডুবাইত অনুষ্ঠিত বিশ্ব কাৰাটে সংস্থাৰ বাৰ্ষিক অধিবেশনত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইউনাইটেড কাৰাটে এছ'চিয়েছন অসমৰ তৰফৰ পৰা এই কথা জনাইছে। উল্লেখ্য যে যোৱা বছৰৰ ২২ জুনত বিশ্ব কাৰাটে সংস্থাই অস্থায়ীভাৱে কাইৰ স্বীকৃতি বাতিল কৰিছিল। তাৰ পাছত যোৱা বছৰৰ ২৪ ছেপ্টেম্বৰত অস্থায়ীভাৱে কিঅ'ক দেশৰ ৰাষ্ট্ৰীয় কাৰাটে সংস্থাৰূপে স্বীকৃতি প্ৰদান কৰিছিল।



*ইউৰোপা লীগৰ লিচেষ্টাৰ চিটী আৰু লেজিয়া ৱাৰশ্ব'ৰ মাজত অনুষ্ঠিত গ্ৰুপ মেচখনৰ এটি উত্তেজনাপূৰ্ণ মুহূৰ্ত, বৃহস্পতিবাৰে।*

## মঙলদৈ আন্তঃক্লাব ভলীবল লীগ

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৬ নৱেম্বৰ ঃ** মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত অহা ২৮-২৯ নৱেম্বৰত অনুষ্ঠিত হ'ব নবীন চন্দ্ৰ চহৰীয়া সোঁৱৰণী আন্তঃক্লাব ভলীবল লীগ। দৰং জিলা ভিত্তিত আয়োজিত এই প্ৰতিযোগিতা মঙলদৈ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। অংশগ্ৰহণৰ বাবে ইচ্ছুক ক্লাবক মঙলদৈ ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক হিমাঞ্জন শৰ্মাৰ স'তে ৭০০২৮-১১১৯৭ নম্বৰত যোগাযোগ কৰিবলৈ জনাইছে।

## শিৱসাগৰৰ খেলুৱৈৰ সাফল্য

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৬ নৱেম্বৰ ঃ** শিৱসাগৰৰ সাতজন কাৰাটে খেলুৱৈয়ে সদ্যসমাপ্ত ৰাজ্যিক কাৰাটেত সফলতা অৰ্জন কৰিছে। কৰণ ফুকনে সোণৰ পদক লাভ কৰে। সেইদৰে সুব্ৰত বৰুৱা, অভিনৱ কাকতি আৰু জ্যোতিষ চেতিয়াই ৰূপ অৰ্জন কৰে। আনহাতে, ব্ৰঞ্জৰ পদক পায় শান্তনু বৰুৱা, দীক্ষিতা লাহন আৰু প্ৰিঞ্চপ্ৰিয়া গগৈয়ে।

## মোৰ অলিম্পিক স্বপ্ন এতিয়াও পূৰণ হোৱা নাই ঃ লাভলীনা



**গুৱাহাটী, ২৬ নৱেম্বৰ ঃ** 'সকলো খেলুৱৈৰ দৰে মোৰ সপোনো অলিম্পিকত স্বৰ্ণপদক জয় কৰা। মোৰ সপোন এতিয়াও পূৰণ হোৱা নাই।' আজি পুনৰ নিজৰ প্ৰকৃত সপোনৰ কথা দোহাৰিলে টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী বক্সাৰ লাভলীনা বৰগোহাঁয়ে। আজি মহানগৰীত প্ৰথমবাৰলৈ আয়োজিত স্প'ৰ্টছষ্টাৰ নৰ্থ-ইষ্ট কনক্লেভত লাভলীনাই নিজৰ মনক কথা সদৰী কৰে। লাভলীনাই লগতে এই বিশেষ বৈঠকত নিজৰ ক্ৰীড়া জীৱনৰ সংগ্ৰামৰ কথাও সকলোৰে আগত সদৰী কৰে। অসমৰ প্ৰথম ক্ৰীড়াবিদৰূপে খেলৰত্ন বঁটাৰে সন্মানিত হোৱা লাভলীনাই লগতে কয় যে তেওঁ আগন্তুক দিনত অসমৰ ক্ৰীড়াবিদে আন্তৰ্জাতিক মঞ্চলৈ ওলাই যোৱাৰ বাবে প্ৰয়োজনীয় সাহায্য প্ৰদান কৰিবলৈ সাজু থাকিব।' আজিৰ এই অনুষ্ঠানত মণিপুৰৰ অলিম্পিক ৰূপ বিজয়ী ভাৰোত্তোলক মীৰাবাঈ চানুও উপস্থিত থাকে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো ক্ৰীড়া সম্পৰ্কে নিজৰ দৃষ্টিভংগী জানিবলৈ দিয়ে। তাৰকা ফুটবলাৰ বাইচুং ভুটীয়ায়ো আলোচনাত অংশ লয়।

## অষ্ট্ৰেলিয়াৰ টেষ্ট দলৰ নেতৃত্ব কামিন্সৰ কান্ধত

**নিউজ ব্যুৰ'**
**মেলবৰ্ণ, ২৬ নৱেম্বৰ ঃ** অষ্ট্ৰেলিয়াৰ পুৰুষ টেষ্ট দলৰ নেতৃত্ব লাভ কৰিলে ফাষ্টবলাৰ পেট কামিন্সে। যৌন কেলেংকাৰিত জড়িত হৈ টিম পেইনে পদত্যাগ কৰাৰ পাছত সহ-অধিনায়ক কামিন্সক এই পদৰ বাবে নিৰ্বাচিত কৰা হ'ল। পেইনে পদত্যাগ কৰাৰ পাছৰে পৰা বিগত এসপ্তাহে অধিনায়ক নিৰ্বাচনৰ বিষয়টোৱে অষ্ট্ৰেলিয়ান ক্ৰিকেটত বিশেষ চৰ্চা লাভ কৰিছিল। ইংলণ্ডৰ বিপক্ষে আগন্তুক এছেজ শৃংখলাৰ পৰাই কামিন্সে এই দায়িত্ব পালন কৰিব।

উল্লেখ্য যে টেষ্ট দলক নেতৃত্ব দিয়া কামিন্স হ'ব অষ্ট্ৰেলিয়াৰ ক্ৰিকেট ইতিহাসৰ দ্বিতীয়জন ফাষ্টবলাৰ। ইয়াৰ পূৰ্বে কিংবদন্তি ফাষ্টবলাৰ ৰে' লিণ্ডৱালে ১৯৫৪ত এখন টেষ্টত অষ্ট্ৰেলিয়াক নেতৃত্ব দিছিল। শেহতীয়া বিতৰ্কৰ পাছতে ক্ৰিকেট অষ্ট্ৰেলিয়াই গঠন কৰা এক বিশেষ কমিটীয়ে কামিন্সক নিৰ্বাচন কৰে। ইয়াৰ বাবে তেওঁ কমিটীৰ আগত সাক্ষাৎকাৰ দিবলগীয়া হয়। প্ৰাক্তন অধিনায়ক ষ্টিভ স্মিথক সহকাৰী অধিনায়কৰ দায়িত্ব দিয়া হৈছে। বল বিকৃতিৰ বিতৰ্কত জড়িত হৈ স্মিথে নেতৃত্ব হেৰুৱাইছিল।



ইপিনে, যৌন কেলেংকাৰিত জড়িত হোৱা উইকেট কীপাৰ পেইনে অনিৰ্দিষ্ট কালৰ বাবে ক্ৰিকেটৰ পৰা আঁতৰি থকাৰ সিদ্ধান্ত লৈছে। পদত্যাগৰ সময়ত পেইনে আগন্তুক এছেজ শৃংখলাত খেলাৰ ইচ্ছা প্ৰকাশ কৰিছিল। দলৰ সতীৰ্থসকলেও তেওঁৰ কাষত থিয় দিছিল। তথাপি বিভিন্ন সমালোচনা তথা চৰ্চাৰ বাবে মানসিকভাৱে ভাঙি পৰিয়ে ৩৬ বছৰীয়া ক্ৰিকেটাৰজনে এই সিদ্ধান্ত লোৱা বুলি তেওঁৰ মেনেজাৰে জনাইছে।

## বিলাসনন্দন চ'ৰা



# জো জিতা ৱহী চিকন্দৰ

**সৰকা** সাথ সৰকা বিকাছ! মেক ইন ইণ্ডিয়া। ভোকেল ফৰ লোকেল। আপদা মে অবচৰ! এই শ্ল'গানবোৰ মনত আছেনে? দিল্লীৰ বাদশ্বাহে যে কিমান মিলাই মিলাই শ্ল'গানবোৰ গাইছিল নহয়। যেন এইবোৰ শ্ল'গান নহয়, কবিতাৰ এটা এটা বাক্যহে। কিন্তু যোৱা দুদিনমানৰ পৰা বাদশ্বাহৰ মুখেদি এই কবিতা কবিতা যেন শ্ল'গানবোৰ দেখোন নুফুটা হৈছে। কৃষি কানুন বাতিল কৰাৰ সময়ত তেনে এটা শ্ল'গান গাব বুলি ভবা হৈছিল। ধৰি লওক—'অৱ নেহী ৰহেগা কৃছি কানুন/অচ্ছে দিন কে য়ে হে জুনুন!' নাইবা 'কৃছি কানুন অৱ নেহী ৰহা ফেক্টৰ/জাও কিষাণ ভায়ো, চলা দো ট্ৰেক্টৰ!' অথবা 'কিষাণ ভাইয়ো অৱ হো যাৰ নৰম/কৃছি কানুন কো লেকৰ মুঝে আ গয়া চৰম!' পিছে নাই, বাদশ্বাহে তেনে একো গানেই নাগালে। চিধাচিধি মাফ খুজিলে আৰু গুচি গ'ল।

আগেয়ে কৰা বহু কামেই বাদশ্বাহে আজি-কালি নকৰা হৈছে দেখোন! তাৰ ভিতৰত এই কবিতা কবিতা যেন লগা শ্ল'গানটোও অন্যতম! পেট্ৰ'ল-ডিজেলৰ দাম হোৰাহোৰে বাঢ়িল। সেই সময়ত চৌদিশে তামাম হাল্লা হ'ল। সেই সময়ত বাদশ্বাহে গাব পাৰিলেহেঁতেন—'ফিৰচে মেহেংগা হুৱা পেট্ৰ'ল/মিডিল ক্লাছ কহে হৰিবোল হৰিবোল!' 'ভোকেল ফৰ লোকেল'ৰ দৰে 'ভোকেল ফৰ ডিজেল' হৈও তেওঁ ক'ব পাৰিলেহেঁতেন—'ফিৰ চে ডিজেল হো গয়া মেহেংগা/ফাড়ছিড় ফেক দো অচ্ছে দিন কা লেহেংগা।' কিন্তু বাদশ্বাহে একো নাগালে। বহুতে কয় যে এইবাৰৰ চৰকাৰে বেচি বেচি সৱ খতম কৰি দিলে। ৰাষ্ট্ৰীয় সম্পদ বুলিবলৈ এতিয়া একো নাই। সৱ প্ৰাইভেট প্ৰপাৰ্টি হৈ গ'ল। এইবোৰ কথাক লৈ সকলোৱে বাদশ্বাহক বৰকৈ ঠাট্টা কৰিছে। হাঁহিছে। ইয়াৰে উত্তৰ দিবলৈ গৈ বাদশ্বাহে গাব পাৰিলেহেঁতেন 'য়ে ঝুথ হে কী মেইনে সৱ কুছ বেচ দিয়া/এক হী চীজকো মেইনে খৰীদা, ৰহ হে মিডিয়া!' কিন্তু নাগালে। বাদশ্বাহে আজিলৈকে এই সন্দৰ্ভত একোৱে নাগালে।

বেংগলত দিদিৰ হাতত গোল খোৱাৰ পাছতো বহুতে ভাবিছিল যে বাদশ্বাহে কিবা এটা গাব। কমচে কম এনেকৈতো কবিতা এটা গাব পাৰে—'খেলা হবে খেলা হবে/বলতে থাকে দিদিটা/লেং মেৰে দিয়ে/নাকটা কৰলো চেপ্টা!' কিন্তু বাদশ্বাহে একো নাগালে।



এনেকৈ ছন্দ মিলাই মিলাই কবিতা কবিতা যেন লগা শ্ল'গান গোৱাৰ বহু চান্স পোৱাৰ পাছতো বাদশ্বাহ মনে মনে থাকিল। এইবাৰ কিন্তু বাদশ্বাহে অলপ গিয়েৰ চেঞ্জ কৰা যেন লাগিছে। সৌ সিদিনা ৰাজসভাক এড্ৰেছ কৰি বাদশ্বাহে ক'লে—'মই যে ছন্দ মিলাই মিলাই ডাইলগবোৰ এৰো, সেইবোৰ শুনি আটায়ে খুব ভাল পায়। এই ধৰণৰ ডাইলগে প্ৰজাগণক টুপীটো পিন্ধোৱাত সাংঘাতিক সহায় কৰে।' ৰাজসভাৰ সভাসদসকলেও বাদশ্বাহৰ কথাখিনিত হয়ভৰ দিলে। অৱশ্যে এইটো একো নতুন কথা নহয়। 'হয় হুজুৰ' কৰি থকাৰ বাহিৰে সভাসদসকলেনো বেলেগ কি কাম কৰিছে? বাদশ্বাহে পুনৰ ক'লে—'ভোট এটা গেম হয়। মানে খেল। খেলত হৰা-জিকা থাকেই। আজি যিয়ে জিকে, কাইলৈ সি হাৰি যাব পাৰে, পাছৰবাৰ পুনৰ জিকিব পাৰে। ইউ পিত যোৱাবাৰ আমি জিকিছিলো, এইবাৰ হাৰিও যাব পাৰো। সেইটো যে একো ডাঙৰ কথা নহয়, সেয়া পাব্লিকক আমি এতিয়াৰে পৰা বুজাই যাব লাগিব। আৰু বুজাব লাগিলে 'ভোকেল ফৰ লোকেল', 'আপদা মে অৱসৰ' অথবা 'সৱকা সাথ সৱকা বিকাছ'ৰ দৰে ছন্দ মিলোৱা ডাইলগেই লাগিব। মই প্ৰথম লাইনটো দিলো—'জো জিতা ৱহী চিকন্দৰ'! ছেকেণ্ড লাইনটো আপোনালোকেই ঠিক কৰি মোক দিয়ক!'

আটায়ে কামত ব্যস্ত হৈ গ'ল। প্ৰথম বাক্যটো 'জো জিতা ৱহী চিকন্দৰ।' ছেকেণ্ড লাইনটো হ'ব পাৰে—'জো হাৰা ৱহী বান্দৰ!' হাৰিলেতো বান্দৰৰ দৰে সাত জাঁপ মাৰি ঘৰত সোমাব লাগিব। তথাপি 'বান্দৰ' শব্দটো বহুতৰে পছন্দ নহ'ল। দুই-একে ক'লে—'জো জিতা ৱহী চিকন্দৰ/জো হাৰা ৱহ চলা গয়া অন্দৰ'! হাৰিলেতো ঘৰৰ ভিতৰতে সোমাই থাকিব লাগিব। বাদশ্বাহে ভেকাহি মাৰি ক'লে—'ক'ত ঘৰত লুকাই নিস্তাৰ পাবাহে। হাৰিলে চিধাই গৈ সাগৰৰ তলিত লুকাব লাগিব।' লগে লগে বাদশ্বাহৰ মুখেদি আপোনাআপুনি ওলাই আহিল কবিতা কবিতা যেন লগা ডাইলগ—'জো জিতা ৱহী চিকন্দৰ/জো হাৰা ৱহ চলা গয়া চমুন্দৰ!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# চেষ্টাৰ অসাধ্য একো নাই প্ৰমাণ কৰিলে দুই ভ্ৰাতৃয়ে




ক'ভিডসৃষ্ট পৰিৱেশত অসমৰ বহু লোক কৰ্মসংস্থাপনহীন হৈ পৰাৰ দৰে দুই ভ্ৰাতৃ শৈলেন আৰু প্ৰশান্ত তালুকদাৰো সংস্থাপনহীন হৈ পৰিছিল; কিন্তু দুই ভ্ৰাতৃ হতাশ হোৱা নাছিল। তেওঁলোকে আন বহুতৰ দৰে জানিছিল ক'ভিড-১৯ অতি শীঘ্ৰে বিশ্বৰ বুকুৰ পৰা আঁতৰি নাযায়। সেয়ে তেওঁলোকে ক'ভিডসৃষ্ট পৰিৱেশৰ স'তে ভাৰসাম্য মিলাই কিবা এটা কৰাৰ চিন্তা-ভাৱনাত মগ্ন হ'ল। কি কৰিব পাৰি ভাবি থাকোতে এদিন দুয়োৰে মনত খেলালে তেওঁলোকে দেখোন নিজ ঠাইতে (পাঠশালাৰ বামাখাটা) এটি বেকাৰী প্ৰতিষ্ঠা কৰি স্বাৱলম্বী হ'ব পাৰে।

ভবা মতেই কাম। দুয়ো কামত আগবাঢ়িল। কিন্তু দুখোজ আগবাঢ়ি চাৰিখোজ পিছুৱাই আহিব লগাত পৰিল। কাৰণ দুয়ো এই সম্পৰ্কে একোৱেই নাজানে। কিছু জনা-বুজা মানুহকো দুই ভ্ৰাতৃৰ অভিলাষৰ কথা জনালে; কিন্তু নিৰাশ হ'ল। কাৰণ তেওঁলোকেও বিস্কুট বেকাৰীৰ বাবে লগা সা-সৰঞ্জামৰ বিষয়ে একো নাজানে। অৱশ্যে ইমানখিনি জনাৰ পাছতো দুই ভ্ৰাতৃ হতাশ নহ'ল। কিয়নো চেষ্টাৰ অসাধ্য একো নাই।

অৱশেষত গম পালে বিস্কুট ফেক্টৰীৰ বাবে লগা যন্ত্ৰপাতিবোৰ উত্তৰ প্ৰদেশত পোৱা যায়। দুয়ো লগে লগে উত্তৰ প্ৰদেশলৈ ৰাওনা হ'ল আৰু তাৰ পৰা যন্ত্ৰপাতিবোৰ ক্ৰয় কৰি পাঠশালাৰ বামাখাটা পোৱালেহি। যন্ত্ৰপাতিবোৰ আহি পোৱাৰ পাছত আকৌ সমস্যাই দেখা দিলে। কাৰণ তেওঁলোকে বিস্কুট আদিৰ বাবে কি ধৰণৰ কেঁচামাল লাগে তাকো ভালদৰে নাজানে। ইফালে, তলাবন্ধও চলি আছে। অৱশ্যে কিছুদিন এই ধৰণৰ কাৰিকৰৰ সন্ধান কৰাত পোৱা গ'ল আৰু ভ্ৰাতৃদ্বয়ৰ বিস্কুট বেকাৰী আৰম্ভ হৈ গ'ল। তেওঁলোকে ফেক্টৰীটোৰ নাম দিলে 'আশীৰ্বাদ বেকাৰী'।

আশীৰ্বাদ বেকাৰী এতিয়া সুন্দৰভাৱে চলিবলৈ ধৰিছে। দুই ভ্ৰাতৃৰ জীৱিকাৰ পথ ওলোৱাৰ লগতে ৩৫ জন নিবনুৱাকো কৰ্মসংস্থান দিবলৈ সক্ষম হৈছে। অৱশ্যে বৰ্তমান ক'ভিড পৰিস্থিতিৰ বাবে ভবামতে লাভৰ মুখ দেখিবলৈ পোৱা নাই যদিও ভ্ৰাতৃদ্বয়ৰ মতে 'আশীৰ্বাদ বেকাৰী'ৰ ভৱিষ্যৎ উজ্জ্বল। কাৰণ তেওঁলোকৰ উৎপাদিত বিস্কুটৰ চাহিদাই অঞ্চলটোৰ লোকৰ জুতি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

আমি দুই ভ্ৰাতৃদ্বয়ক শুভেচ্ছা জ্ঞাপন কৰিছো আৰু তেওঁলোকৰ আদৰ্শ যাতে আজিৰ নিবনুৱাই গ্ৰাস কৰা অসমৰ যুৱক-যুৱতীসকলে ল'ব পাৰে তাৰে কামনা কৰিলো।

■ ফণীধৰ পাঠক



# শালবাৰীত পিঞ্জৰাবদ্ধ মানাহৰ ভালুক

■ বিগত এসপ্তাহে ত্ৰাসৰ সৃষ্টি কৰি আহিছিল ভালুকে
■ ভালুকৰ আক্ৰমণত আহত হৈছিল এগৰাকী কৃষক

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৬ নৱেম্বৰ ঃ** বিগত এসপ্তাহৰ শ্বাসৰুদ্ধকাৰী পৰিৱেশৰ অৱসান ঘটাই অৱশেষত বাগ্‌সাৰ শালবাৰীত বন বিভাগৰ পিঞ্জৰাত আবদ্ধ হ'ল মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা প্ৰকাণ্ড ভালুক। বাগ্‌সাৰ শালবাৰী অঞ্চলত এসপ্তাহ ধৰি মুক্ত বিচৰণেৰে ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰিছিল মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এই প্ৰকাণ্ড ভালুকটোৱে। অৱশেষত মানাহৰ বাঁহবাৰী ৰেঞ্জৰ অন্তৰ্গত কালপানীত বন বিভাগৰ পিঞ্জৰাত আবদ্ধ হয় ভালুকটো। পিঞ্জৰাবদ্ধ ভালুকটো প্ৰত্যক্ষ কৰিবলৈ পুৱাৰে পৰা অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ সমাগম ঘটে খাগ্ৰাবাৰী গাঁৱত। ভালুকৰ ত্ৰাসত এসপ্তাহ ধৰি শালবাৰী অঞ্চলৰ ৰাইজে হাতে হাতে লাঠি জোং লৈ দিন অতিবাহিত কৰিব লগা হৈছিল। বন বিভাগৰ কৰ্মীৰ নিদ্ৰা হৰণ কৰি আহিছিল ভালুকটোৱে। পিঞ্জৰাবদ্ধ প্ৰাপ্তবয়স্ক ভালুকটোক পৰৱৰ্তী সময়ত মানাহৰ ঘন জংঘলৰ মাজত মুকলি কৰি দিয়া হয়। আজি পুৱতি নিশা মানাহৰ সমীপৱৰ্তী খাগ্ৰাবাৰীৰ এটা পৰিয়ালৰ গৃহত কুকুৰা ভক্ষণ কৰি থকা অৱস্থাত ভালুকটোক প্ৰত্যক্ষ কৰে গৃহস্থই। তেওঁলোকে কোনো ধৰণৰ চিঞৰ-বাখৰ নকৰি নিশাই চুবুৰীয়া আৰু বন বিভাগৰ স'তে যোগাযোগ কৰে। মানাহৰ বন বিভাগক খবৰ দিয়াত নিশাই ঘটনাস্থলীত উপস্থিত হয় বন বিভাগৰ লোক যদিও নিশাৰ আন্ধাৰৰ বাবে ভালুকটোক ট্ৰেংকুইলাইজ নকৰি পুৱাৰ সময়লৈ অপেক্ষা কৰে। অৱশেষত পুৱাৰ ভাগত কৌশলেৰে ভালুকটোক পিঞ্জৰাবদ্ধ কৰিবলৈ সক্ষম হয়। ভালুকটোক বন বিভাগৰ লোক আৰু ডব্লিউ টি আইৰ চিকিৎসক দাউহাৰু বড়োৰ সহযোগত পিঞ্জৰাবদ্ধ কৰি মানাহৰ ঘন জংঘলৰ মাজত মুকলি কৰি দিয়াৰ যো-জা চলায় আৰু পৰৱৰ্তী সময়ত মানাহৰ বাঁহবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া বাবুল ব্ৰহ্মৰ সহযোগত মানাহৰ এটি সঁজাতী দলে ভালুকটোক মানাহৰ মৰা জ্ঞাতি অঞ্চলৰ ঘন জংঘলত মুকলি কৰি দিয়ে। উল্লেখ্য যে ২৪ নৱেম্বৰৰ নিশা মানাহৰ সমীপৱৰ্তী এখন গাঁৱৰ খেতিয়ক এজনক আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰিছিল ভালুকটোৱে। বন বিষয়া বাবুল ব্ৰহ্মই সদৰী কৰা মতে ইতিমধ্যে মানাহৰ পৰা ওলাই অহা পাঁচটাকৈ ভালুকক বিভিন্ন প্ৰান্তৰ পৰা আবদ্ধ কৰি মানাহৰ ঘন জংঘললৈ খেদি পঠিওৱা হৈছে।



■ প্ৰকৃতিৰ স'তে সহাৱস্থান চাৰি যুৱকৰ ■ লগত নিয়া নাছিল খাদ্য

# নদীপথেৰে ৪৫০ কিলোমিটাৰ বাঁহৰ ভূৰত দুঃসাহসিক যাত্ৰা




অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৬ নৱেম্বৰ ঃ** ৰাজ্যৰ দুঃসাহসিক ক্ৰীড়াত এক নতুন অধ্যায় সংযোজন কৰি চাৰিজন যুৱকে বাঁহেৰে সাজি উলিওৱা ভূৰেৰে অতিক্ৰম কৰিলে ব্ৰহ্মপুত্ৰ। চিবুক নামৰ বাঁহৰ ভূৰখনত যুৱক চাৰিজনে সোৱণশিৰি নৈৰ গোগামুখৰ পৰা আৰম্ভ কৰা যাত্ৰাৰ ব্ৰহ্মপুত্ৰৰ বুকুৰেদি তেজপুৰৰ জাহাজঘাটত আজি বিয়লি সামৰণি পৰে। ৪৫০ কিলোমিটাৰ নদী পথেৰে বাঁহৰ ভূৰত যাত্ৰা কৰি এই দলটোৱে এক অভিলেখ সৃষ্টি কৰে। 'সোৱণশিৰি ৰিভাৰ ৰাফটিং এক্সপিডিশ্যন-২০২১ ৰিভাৰ এক্সপ্লৰাৰ দ্য চিবুক' শীৰ্ষক এই যাত্ৰা আছিল অতিশয় দুৰ্যোগপূৰ্ণ আৰু প্ৰত্যাহ্বানমূলক। প্ৰকৃতি নিৰ্ভৰ এই বিশেষ অভিযানত তেওঁলোকে লগত নিয়া নাছিল কোনো খাদ্য। নদীৰ বুকুত চিকাৰ কৰি পোৱা মাছ-পুঠি-পোক-পৰুৱা-ভেঁকুলি আৰু বনৰীয়া শাক আদি গ্ৰহণ কৰিছিল খাদ্য হিচাপে। খোৱা পানীও নাছিল লগত। নদীৰ পানী প্ৰাকৃতিকভাৱে পৰিষ্কাৰ কৰি সেৱন কৰিছিল যুৱককেইজনে। ১০ দিন নদীৰ বুকুত এখন বাঁহৰ ভূৰত দিনে-নিশাই অতিবাহিত কৰি দুঃসাহসিক যাত্ৰা কৰা এই দলটোৰ নেতৃত্ব বহন কৰে শেখৰ বৰদলৈই আৰু তেওঁৰ সহযাত্ৰী ৰিচান দলে। লগত অতিথিৰূপে চিত্ৰশিল্পী নিলীম মহন্ত আৰু আলোকচিত্ৰ শিল্পী আশুতোশ কাশ্যপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে এই দুঃসাহসিক যাত্ৰাৰ প্ৰতিটো ক্ষণৰে দৃশ্য সংগ্ৰহ কৰা দলটোৱে নিৰ্মাণ কৰিব এখন তথ্যচিত্ৰ। তদুপৰি এই যাত্ৰা কালত হোৱা ভাল-বেয়া সকলো অভিজ্ঞতাৰে নদী পৰ্যটন বিকাশ সন্দৰ্ভতো নিজস্ব অনুভৱ চৰকাৰক জনায়। আজি অভিযানকাৰী দলটোক তেজপুৰত অভিযানৰ সামৰণিৰ সময়ত সম্ভাষণ জনোৱা হয়। মানৱ অধিকাৰ কৰ্মী লাচিত বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানত দুঃসাহসিক অভিযানৰ অংশগ্ৰহণকাৰীকেইজনে যাত্ৰা পথৰ বহু ৰোমাঞ্চকৰ কথা অৱগত কৰে। উল্লেখ্য যে শেখৰ বৰদলৈ আৰু তেওঁৰ সহযাত্ৰী ৰিচান দলেই বিগত বৰ্ষৰ নৱেম্বৰত বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলীৰ পৰা গুৱাহাটীৰ উমানন্দলৈ 'দ্য চিবুক' নামেৰে বাঁহৰ ভূৰত যাত্ৰা সম্পন্ন কৰিছিল। ইয়াৰ পূৰ্বে ২০১৫ত অসম পৰ্বতাৰোহণ সন্থাই শদিয়াৰ পৰা গুৱাহাটীলৈ আয়োজন কৰা বাঁহৰ ভূৰৰ অভিযানত শেখৰে অংশগ্ৰহণ কৰিছিল। একেদৰে ৰিচান দলেও দুঃসাহসিক ক্ৰীড়া পৰ্যটনৰ স'তে সক্ৰিয়ভাৱে জড়িত হৈ আছে।

# ওদালগুৰিত মুকলি মঞ্চত অশ্লীল নৃত্য ঃ নিৰ্বিকাৰ প্ৰশাসন

বিশেষ সংবাদদাতা

**ওদালগুৰি, ২৬ নৱেম্বৰ ঃ** ওদালগুৰি চহৰৰ সমীপৱৰ্তী ভুটুনীদোভাত মুকলি মঞ্চত অশ্লীল নৃত্য পৰিৱেশনক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ওদালগুৰি জিলাৰ ওদালগুৰি সদৰ আৰক্ষী থানাৰ অন্তৰ্গত সাপমাৰী আৰক্ষী চকী অঞ্চলৰ ভুটুনীদেভা গাঁওত সংঘটিত হৈছে এনে ঘটনা। অঞ্চলটোৰ স্থানীয় ভুটুনীদোভা যুৱক সংঘৰ



উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীৰ মুকলি মঞ্চত এনে অশ্লীল নৃত্যৰ পয়োভৰ চলাৰ অভিযোগ উত্থাপিত হৈছে। ইতিমধ্যে এই ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল হৈছে। কিন্তু আশ্চৰ্যজনকভাৱে যুৱক সংঘৰ নেতৃত্বই জিলা প্ৰশাসনক ভুল তথ্য প্ৰদান কৰি যাদু খেল অনুষ্ঠিত কৰাৰ অনুমতি লৈ মঞ্চত মুকলিকৈ এনে অশ্লীল নৃত্য পৰিৱেশন কৰে। ঘটনা অনুসৰি সংঘটোৰ উদ্যোগত ভুটুনীদুবা বিলপাৰ চ'কত যাদু খেল অনুষ্ঠিত কৰাৰ বাবে সংঘৰ সবাপতি সম্পাদক ক্ৰমে এইছ আলী আৰু ৰেজাউল হকে যোৱা ১৫ নৱেম্বৰত জিলা উপায়ুক্তলৈ অনুমতিৰ বাবে এক আবেদন জনাইছিল। আবেদনখনত স্পষ্টভাৱে লিখা আছিল যে ২২ নৱেম্বৰৰ পৰা ২৫ নৱেম্বৰলৈ উক্ত অঞ্চলটোত যাদু খেল অনুষ্ঠিত কৰা হ'ব। কিন্তু জিলা প্ৰশাসনৰ পৰা যাদু খেলৰ অনুমতি লৈ ২৫ নৱেম্বৰৰ নিশা চিত্ৰহাৰ অনুষ্ঠিত কাৰ নামত মুকলি মঞ্চত এনেধৰণৰ উদ্যম অশ্লীল নৃত্য পৰিবেশন কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কেৱল এয়াই নহয় এই নৃত্য চাই উপস্থিত একাংশ দৰ্শকে উদ্যত চিঞৰ দিয়াৰ লগতে উদ্‌যাপন সমিতিৰ বিষয়ববীয়াও মাইকযোগে বিভিন্ন অসামাজিক আচৰণ কৰে। উল্লেখ্য যে যাদু খেল চাবৰ বাবে কাৰ্যসূচীস্থলীত সমবেত কণকণ শিশুসকলৰ সন্মুখত মুকলি মঞ্চত এনে অশ্লীল নৃত্য প্ৰদৰ্শন কৰা কাৰ্যক ৰাইজে গৰিহণা দিছে। সমীপতে থকা সাপমাৰী আৰক্ষী থানাৰ আৰক্ষীয়ে এনে দৃশ্য দেখাৰ পাছতো নেদেখা ভাও জুৰি থকা ঘটনাই জিলাবাসীৰ মাজত ৰহস্যৰ সৃষ্টি কৰিছে। এই ক'ভিড মহামাৰীৰ সময়ছোৱাত নিশা পৰ্যন্ত অনুষ্ঠিত কৰা এনে তথাকথিত অশ্লীল সাংস্কৃতিক অনুষ্ঠান আয়োজনৰ পাছতো স্থানীয় আৰক্ষী প্ৰশাসনে কিয় কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে, তাক লৈও প্ৰশ্ন উত্থাপিত হৈছে।




# কপিলীৰ চাপৰিত সেউজ বিপ্লৱৰ সূচনা কৰিছে কামপুৰৰ এদল যুৱকে

বিশেষ সংবাদদাতা

**নগাঁও, ২৬ নৱেম্বৰ ঃ** 'মন কৰিলেই ছন, বাকৰি মাটিতো ধন' এই আপ্তবাক্যশাৰীকেই সাৰোগত কৰি নগাঁও জিলাৰ কামপুৰত কপিলীৰ চাপৰিত এক সেউজ বিপ্লৱৰ সূচনা কৰিছে নগাঁও জিলাৰ কামপুৰৰ এদল কৰ্মঠ যুৱকে। হোজাই জিলাৰ সীমান্তবৰ্তী কামপুৰৰ পটিয়াপাম চাপৰিত কামপুৰ অঞ্চলৰ ১৫জনীয়া শিক্ষিত নিবনুৱা যুৱকৰ দল এটাই আৰম্ভ কৰিছে এই সেউজ বিপ্লৱৰ। এই কৰ্মঠ যুৱকৰ দলটোৰ আশাবোৰে যেন এতিয়া কপিলীৰ পাৰত ঠন ধৰি উঠিছে। কেৱল চৰকাৰী চাকৰিৰ পাছে পাছে দৌৰি সময় নষ্ট নকৰি তেওঁলোকে নিজৰ গাঁঠিৰ ধন ভাঙি ডেৰশ বিঘা মাটিত সৰিয়হৰ খেতি কৰিছে। ইতিমধ্যে তেওঁলোকৰ সপোনৰ সৰিয়হ ডৰা দূৰ



দিগন্তলৈকে হালধীয়া হৈছে। যি ফালেই চোৱা যায় সেইফালেই কেৱল হালধীয়া আৰু হালধীয়া। সপোনৰ সৰিয়হ খেতি ডৰা ফুলিবলৈ ধৰাত হাঁহি বিৰিঙিছে যুৱক কেইজনৰ মুখত। কৃষি বিভাগৰ কোনো সহায় নোহোৱাকৈ যুৱক কেইজনে কৰা ডেৰশ বিঘা সৰিয়হ খেতিৰ পৰা অধিক লাভান্বিত হ'ব বুলি আশা কৰিছে। কেৱল সৰিয়হেই নহয় ৰঙালাও আৰু গোমধানৰ খেতিও কৰিছে এই যুৱকসকলে। কপিলী চাপৰিত কৃষি কৰ্মৰ জৰিয়তে জীৱনৰ বাট বুলা এই যুৱকৰ দলটোৰ নেতৃত্ব আছে দেৱাশীষ বৰা, মৃণ্ময় শইকীয়া, দীপাংকৰ বৰুৱা, অৰ্ণৱ বৰুৱা, সুৰুজ বৰা, মন্টু বৰা, বিপুল

## ডেৰশ বিঘা মাটিত কৰিছে সৰিয়হৰ খেতি

বৰা, জগত ফুকন আৰু পদুম শইকীয়া।

এই যুৱকৰ দলটোৰ আৰু অধিক পৰিকল্পনা আছে। কিন্তু ইয়াৰ বাবে প্ৰয়োজন কৃষি বিভাগৰ সহায় আৰু সহযোগিতাৰ। নিবনুৱা সমস্যাই ৰাজ্যখনত ভয়াবহ ৰূপ ধাৰণ কৰাৰ সময়তে কামপুৰৰ পটিয়াপামৰ যুৱকসকলে কৃষি কৰ্মৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ প্ৰচেষ্টাক সকলোৱে শলাগ লৈছে । এতিয়া এই যুৱকৰ দলটো আন নিবনুৱাসকলৰ বাবেও আদৰ্শস্বৰূপ হৈ পৰিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com